কথাসৰিৎ-সাগৰ

STATE CENTRAL LIBRARY
Call No.
ASSAM.

সোমদেৱ ভট্টৰ

কথাসৰিৎ-সাগৰ

(প্ৰথম ভাগ)

অনুবাদ আৰু সম্পাদনা

ড° বিশ্বনাৰায়ণ শাস্ত্ৰী

STATE CENTRAL LIBRARY
ASSAM

মঞ্জুশ্ৰী প্ৰকাশন
গুৱাহাটী-৩

KATHA-SARIT-SAGAR (first part), the **Ocean of story by** Somadeva **Bhatta** in Sanskrit verse, translated into Assamese prose by Dr. Biswanarayan Shastri, M. A., D. Litt., Sahitya-Vyakarana-Mimamsa-Shastri, Kavyatirtha, and published by Miss Manjushree Goswami, M. A., on behalf of MANJUSHREE PRAKASAN, 'Ritayan', Navagiri road. Chandmari, Gauhati-3 ; 1982.
Published with financial assistance by the Ministry of Education, Govt of India.

মঞ্জুশ্ৰী প্ৰকাশন
'ঋতায়ন'
নৱগিৰি ৰোড্, চান্দমাৰি
গুৱাহাটী-৩

মূল্য : পোন্ধৰ টকা

পৰিবেশক : ওৰিয়েণ্টাল বুক্ কোম্পানী
পাণবজাৰ, গুৱাহাটী-১

ছপা :
হেমকোষ প্ৰিণ্টাৰ্ছ
গুৱাহাটী-৩

মোৰ সাহিত্য-কৃতি আৰু
কৰ্মপ্ৰেৰণাৰ উৎস
'গৃহিণী সচিবঃ সখা মিথঃ'
শ্ৰীমতী মীৰাৰ হাতত ....

বিশ্বনাৰায়ণ

আমুখ

কাশ্মীৰৰ ৰজা অনন্তদেৱৰ মহিষী সূৰ্য্যমতীৰ মনোবিনোদনৰ উদ্দেশ্যে ৰামভট্টৰ পুত্ৰ মহাকবি সোমদেৱ ভট্টই কথাসৰিৎ-সাগৰ নামৰ এই কথা-গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থৰ ৰচনাকাল ১০৬৩ খৃষ্টাব্দৰ পৰা ১০৮১ খৃষ্টাব্দৰ ভিতৰত।

সোমদেৱৰ কথাসৰিৎ-সাগৰ প্ৰাচীন কবি গুণাঢ্যৰ বৃহৎকথাৰ আধাৰত ৰচিত। সোমদেৱৰ কেইবা শ বছৰৰ পূৰ্বে গুণাঢ্যই পৈশাচী ভাষাত বৃহৎকথা নামৰ কথা-গ্ৰন্থ ৰচনা কৰিছিল। বৃহৎকথা কেতিয়াবাই লুপ্ত হ'ল। (ভূমিকাত এই সকলোবোৰ বিষয় বহলাই আলোচনা কৰা হৈছে।)

'কথাসৰিৎ-সাগৰ' নামটোৰ ব্যুৎপত্তিগত অৰ্থ হৈছে——আখ্যান উপাখ্যানৰূপ জলপ্ৰবাহৰ সাগৰ, অৰ্থাৎ চমুকৈ সাধুকথাৰ সাগৰ। সাগৰত বিবিধ বস্তু থকাৰ দৰেই কথাসৰিৎ-সাগৰতো প্ৰখ্যাত-অখ্যাত সৰু-বৰ অলেখ কথা-আখ্যান আছে। এই সকলোবোৰক আমি সাধু, সাধুকথা, কথা আৰু কেতিয়াবা আখ্যান-উপাখ্যান বুলিও উল্লেখ কৰিছোঁ। যথাৰ্থতে কথাসৰিৎ-সাগৰ সাধুকথাৰ সাগৰ।

কথাসৰিৎ-সাগৰৰ অধ্যায়বিলাকৰ নাম লম্বক (বিভূতি); লম্বকৰ ভাগবিলাকৰ নাম তৰঙ্গ (ঢৌ)। কথাসৰিৎ-সাগৰত মুঠতে ১৮টা লম্বক, ১২৪টা তৰঙ্গ আৰু ২২,০০০ ফাঁকি শ্লোক আছে। গ্ৰীক্ কাব্য ইলিয়াড্ আৰু অডেচি দুয়োখন একে লগ কৰিলে যিমান ডাঙৰ হয়, কথাসৰিৎ-সাগৰৰ কলেৱৰ তাৰ দুগুণ বুলি পাশ্চাত্য মনীষী এন্. এম্. পেঞ্জেৰে কৈছে।

সোমদেৱ ভট্টক মহাকবি আখ্যাৰে ভূষিত কৰা এফাঁকি কথা কথাসৰিৎ সাগৰৰ প্ৰত্যেক তৰঙ্গৰ শেষত দেখা যায়। কথাফাঁকি ৰচনাৰ ভিতৰুৱা নহয়; পতিকে প্ৰচলিত অৰ্থত পুষ্পিকাও নহয়। কথাফাঁকি কোনোবা সময়ত কোনো লিপিকে যোগ কৰা বুলি অনুমাণ কৰিব পাৰি। কথাসৰিৎ-সাগৰৰ এটাই কেউটা ভাৰতীয় সংস্কৰণতে অবিকল একে উক্তি থকাৰপৰা সোমদেৱৰ মহাকবি আখ্যাৰ প্ৰাচীনত্ব সহজে অনুমেয়। সি যি নহওক, সোমদেৱৰ সাহিত্য-কৃতিয়ে নিসন্দেহে তেওঁক সেই সন্মানৰ যোগ্য প্ৰতিপন্ন কৰিছে।

মূল আখ্যান আগ বঢ়াৰ লগে লগে 'অহং পূৰ্বম্ অহং পূৰ্বম্' (প্ৰথমে মই, প্ৰথমে মই) বুলি যেন ইটোৰ পিছত সিটো সাধুৱে মুখ দেখুৱাবলৈ ঠেলা-হেঁচা কৰি গাতে গা লগাই শাৰী পাতি ৰৈ আছে। কৌশলেৰে এটা সাধুৰ পেটত আৰু এটা আৰু তাৰ পেটতো আকৌ কেইবাটাও সাধু সুমাই গ্ৰন্থৰ কলেবৰ বৃহৎ কৰা হৈছে—সেই কাৰণেই আধাৰ গ্ৰন্থৰ নাম আছিল বৃহৎকথা। কথা-সৰিৎ-সাগৰো তাৰে প্ৰতিকৃতিৰূপে বিৰাট-কলেবৰ; যেন শাখা প্ৰশাখাৰে বহুত ঠাই জুৰি থকা এজোপা পুৰণিকলীয়া বৰ গছ। ভালকৈ মনোযোগ নিদিলে আঁতি-গুৰি পোৱা টান—কোনটো ঘাই সাধু আৰু কোনবিলাক তাৰ ঠাল-ঠেঙুলি। সাধুৰ অৱস্থান পাঠকে সহজে বুজিব পৰাকৈ আৰু লোক-কথাৰ আলোচক-গৱেষকসকলে প্ৰণালীবদ্ধ ভাৱে উল্লেখ কৰিবলৈ সুচল হোৱাকৈ এই অনুবাদত এটা নিৰ্দিষ্ট পদ্ধতি অনুসৰণ কৰা হৈছে। প্ৰত্যেক লম্বকৰ নাম আৰু সংখ্যা দিয়াৰ লগতে তৰঙ্গৰ সংখ্যা আৰু সাধুৰো সংখ্যা আনুক্ৰমণিক ৰূপত উল্লেখ কৰা হৈছে। পুথিৰ প্ৰত্যেক যুগ্ম পৃষ্ঠাৰ ওপৰত গ্ৰন্থৰ নাম আৰু অযুগ্ম পৃষ্ঠাৰ ওপৰত প্ৰথম লম্বক, দ্বিতীয় লম্বক ৰূপে লম্বকৰ সংখ্যা আৰু তাৰ লগতে তৰঙ্গৰো সংখ্যা নিৰ্দেশ কৰা হৈছে। মূল আখ্যান আৰু মূল আখ্যানৰ অন্তৰ্গত উপ-আখ্যান, উপ-উপ-আখ্যান সংখ্যা আৰু ক, খ আদি বৰ্ণেৰে সূচিত হৈছে। পুথিৰ পাত লুটিয়ালেই পাঠকে ক'ব পাৰিব কোনটো সাধু তেওঁ পঢ়িছে, আৰু মূল আখ্যানৰ বৰ্ণনা ক্ৰমত সেই সাধুটোৰ স্থিতি কি?

অনুসৃত পদ্ধতিটো উদাহৰণেৰে সুস্পষ্ট কৰা বাঞ্ছনীয় বুলি ভাবিছোঁ। কথাসৰিৎ-সাগৰৰ প্ৰথম লম্বকৰ নাম কথাপীঠ লম্বক; এই লম্বকত আঠোটা তৰঙ্গ আছে। দ্বিতীয় লম্বকৰ নাম কথা-মুখ লম্বক; এই লম্বকত ছটা তৰঙ্গ আছে। অসমীয়া কথাসৰিৎ-সাগৰৰ পৃষ্ঠাৰ ওপৰত প্ৰথম লম্বক, দ্বিতীয় লম্বক আদি লিখি লম্বকৰ উল্লেখ কৰাৰ লগতে ১-১, ১-২, ২-১, ২-২ আদি সংখ্যাৰে লম্বক আৰু তৰঙ্গৰ সূচনা কৰা হৈছে। ১-১ এ প্ৰথম লম্বকৰ প্ৰথম তৰঙ্গ ২-১এ দ্বিতীয় লম্বকৰ প্ৰথম তৰঙ্গ বুজাইছে।

আগতে উল্লেখ কৰা হৈছে যে মূল আখ্যান এজোপা বৰ গছৰ

দৰে শাখা-প্ৰশাখেৰে বিস্তৃত হৈ পৰিছে। কোনটো যাই সাধু, কোনটো তাৰ ভিতৰুৱা আৰু কোনবিলাক প্ৰসঙ্গ ক্ৰমে অহা আৰু সাধুবিলাকৰ পৰস্পৰ সম্বন্ধ কি বুজিবলৈ সুচল হোৱাকৈ শীৰ্ষক, উপশীৰ্ষক আদি দিয়াৰ উপৰিও সংখ্যা আৰু আখৰেৰে স্থিতি তথা সম্বন্ধৰ সূচনা কৰা হৈছে।

প্ৰকৃততে প্ৰথম লম্বক কথাসৰিৎ-সাগৰৰ পাতনিহে। মূল আখ্যান আৰম্ভ হৈছে দ্বিতীয় (কথামুখ) লম্বকৰপৰা। প্ৰথম লম্বক পাতনি হ'লেও ইয়াতো এটা মূল আখ্যান আছে আৰু এই আখ্যান গ্ৰন্থৰ মূল আখ্যানৰে সৈতে সংযুক্ত হৈ পৰিছে। সেই দেখি প্ৰথম লম্বকৰপৰাই মূল আখ্যান ভাগ (মূঃ) বুলি চিহ্নিত কৰি আখ্যানৰ গতি-প্ৰবাহৰ ইংগিত দিয়া হৈছে।

মূল আখ্যানৰ গতি-প্ৰবাহত সন্নিবিষ্ট যাই যাই সাধুবোৰ প্ৰত্যেক লম্বকতে সুকীয়াকৈ সাধুৰ শীৰ্ষকৰ আগত ১, ২, ৩ আদিৰে সাধুৰ মুঠ সংখ্যা আৰু ক্ৰমিকতা বুজোৱা হৈছে। যাই সাধুৰ পেটত থকা সাধুৰ নামৰ আগত ১-ক, ১-খ আদি সঙ্কেত দিয়া হৈছে। এনে সাধুৰ ভিতৰুৱা সাধু বুজাবলৈ আকৌ ১. ক. ক., ১. ক. খ. আদি ৰূপে বৰ্ণনাৰ অনুবৃত্তি কৰা হৈছে। ইয়াৰ বাহিৰেও প্ৰসঙ্গ ক্ৰমে অহা বহুত সৰু-সুৰা সাধু আৰু ঘটনাৰ বৰ্ণনা আছে। তেনে স্থলত সংখ্যা-বৰ্ণ আদি নিদি ঠায়ে ঠায়ে কেৱল তেনে সাধুৰ নাম হে দিয়া হৈছে।

কোনো কোনো ঠাইত যাই সাধু বা আখ্যানৰ বৰ্ণনা অলপ আগ বঢ়াৰ পিছত অন্য উপকৰা সাধুৱে আৰম্ভ কৰা বৰ্ণনাৰ অন্ত-ৰায় সৃষ্টি কৰিছে। উপকৰা সাধু শেষ হোৱাৰ পিছত পুনাই যাই আখ্যান বৰ্ণনা কৰা হৈছে। এনে পৰিস্থিতি একাধিকবাৰ ঘটা দেখা যায়। গতিকে আৰম্ভ কৰা যাই বৰ্ণনাৰ অনুসৃতি বুজাবলৈ এনে স্থলত (অঃ) চিন দিয়া হৈছে। উদাহৰণৰে বিষয়টো স্পষ্ট কৰিব খুজিছোঁ।

১. ববৰুচিৰ আত্মকথা : (প্ৰথম লম্বকত থকা) মূল আখ্যানৰ এইটো প্ৰথম সাধু (উপ-আখ্যান)।

১. ক. ইন্দ্ৰদত্ত আৰু ব্যাড়ি : প্ৰথম সাধুৰ অন্তৰ্গত প্ৰথম সাধু

১. খ. পাটলীপুত্ৰ নগৰৰ প্ৰতিষ্ঠা : (প্ৰথম লম্বকত থকা) মূল আখ্যানৰ প্ৰথম সাধুৰ ভিতৰুৱা এইটো দ্বিতীয় সাধু।

১. খ. খ. বজা ব্ৰহ্মদত্তৰ কথা : (প্ৰথম লম্বকত থকা) মূল আখ্যানৰ প্ৰথম সাধুৰ অন্তৰ্গত দ্বিতীয় সাধুৰ ভিতৰত থকা এইটো দ্বিতীয় সাধু।

১. (অ.) বৰৰুচিৰ আত্মকথা : অন্যান্য আখ্যান-উপাখ্যান মাজত সোমোৱাৰ পিছত বৰৰুচিৰ সাধু কথা দুনাই অনুসৰণ কৰা হৈছে।

অনুবাদৰ প্ৰেৰণা :

প্ৰায় ত্ৰিশ বছৰ আগতে কথাসৰিৎ-সাগৰ প্ৰথমে পঢ়োঁতেই গ্ৰন্থখনৰ অসমীয়া ভাঙনি কৰিবলৈ প্ৰবল ইচ্ছা হৈছিল। তেতিয়া কোনো ভাৰতীয় ভাষাতে কথাসৰিৎ-সাগৰৰ অনুবাদ প্ৰকাশ হোৱা নাই। পিছে আলচা কথা সিদ্ধি নহ'ল। দুপাত কি চাৰিপাত ভাঙনি কৰাৰ পিছতে অন্য কৰ্ম ক্ষেত্ৰই হাতবাউল দি মতাত কথা-সৰিৎ-সাগৰৰ অনুবাদো সিমানতে অপাৰ সাগৰত উটি গ'ল। মোৰ সংকল্প উদ্‌যাপিত নহ'ল। এতিয়া প্ৰায় ত্ৰিশ বছৰৰ পিছত বহুধা বিসপি কৰ্ম-ব্যস্ততাৰ মাজতে চৌতে খৰ মাৰি বিস্মৃতপ্ৰায় সঙ্কল্প উদ্‌যাপনৰ চেষ্টা কৰিছোঁ।

আমুখ, ভূমিকা, আখ্যানৰ তুলনামূলক অধ্যয়ন, পৰিশিষ্ট, শব্দপঞ্জী, টোকা আদিৰে সৈতে কথা সৰিৎ-সাগৰৰ অসমীয়া অনুবাদ দুহেজাৰ পৃষ্ঠামানৰ এখন গ্ৰন্থ হ'বগৈ। এনে এখন বৃহৎ-কলেবৰ গ্ৰন্থ এটা খণ্ডত একে বাৰতে প্ৰকাশ কৰা অসম্ভৱ দেখি দহোটামান ভাগত প্ৰকাশৰ পৰিকল্পনা কৰি সম্প্ৰতি দুটা লম্বকৰ প্ৰথম ভাগ প্ৰকাশ কৰা হৈছে। এটাই কেউটা ভাগ প্ৰকাশ হ'বলৈ তিনি বছৰমান সময় লাগিব। এনে এটা কঠিন, পৰিশ্ৰমসাধ্য আৰু ব্যয়বহুল কামৰ বাবে আৱশ্যকীয় স্বাস্থ্য আৰু সম্পদ দুয়োটাৰে আমাৰ অভাৱ। চৌৰে পিছলৈ টানি উজাবলৈ নিদিয়ে যদিও উজাবলৈকে চেষ্টা কৰি আছোঁ—যাবই লাগিব, চৰৈবেতি।

ভূমিকাত কথাসৰিৎ-সাগৰৰ মূল, কথা-বস্তু আৰু অন্যান্য সংশ্লিষ্ট বিষয়ৰ আলোচনা কৰা হৈছে; কিন্তু কলেবৰতকৈ গুটি দীঘল হোৱাৰ আশঙ্কাত প্ৰথম ভাগতে সমগ্ৰ ভূমিকা, যোগ দিয়া নাই। ক্ৰমে প্ৰকাশ হ'ব লগীয়া পিছৰ ভাগবোৰত ভূমিকাৰ একো অংশ

থাকিব। এই অংশবোৰ হ'ব সেই সেই ভাগৰ কথা-বস্তুৰ সৈতে সংশ্লিষ্ট। প্ৰত্যেক ভাগৰ শেষৰ ফালে পৰিশিষ্টত উল্লেখযোগ্য শব্দ-পঞ্জী আৰু টোকা দিয়াৰ পৰিকল্পনা অনুসাৰে প্ৰথম ভাগৰ পৰিশিষ্টত উক্ত ভাগৰ শব্দ-পঞ্জী দিয়া হৈছে।

অনুবাদৰ বাবে গৃহীত সংস্কৰণ ঃ

১৮৩৯ খৃষ্টাব্দত কথাসৰিৎ-সাগৰ প্ৰথমে জাৰ্মানীত প্ৰকাশ হোৱাৰ পিছত এই গ্ৰন্থৰ কেবাটাও সংস্কৰণ প্ৰকাশ হৈছে। কেবাটাও ইউৰোপীয় ভাষাত আৰু তিনি চাৰিটা ভাৰতীয় ভাষাতো ইয়াৰ অনুবাদ ওলাইছে। (ভূমিকা দ্ৰষ্টব্য)। অসমীয়ালৈ অনুবাদ কৰোঁতে মতিলাল বানাৰসী দাসৰ (১৯৭০ খৃঃ) সংস্কৰণৰ পাঠকে ঘাইকৈ আহিৰূপে লৈছোঁ৷ যদিও ঠায়ে ঠায়ে দুৰ্গাপ্ৰসাদৰ (নিৰ্ণয় সাগৰ, ১৮৯৬ খৃঃ) সংস্কৰণৰ পাঠো গ্ৰহণ কৰিছোঁ। পাঠ-সমীক্ষাৰ অৱসৰ ইয়াত নাই বাবে অধিক যুক্তিযুক্ত ৰূপে প্ৰতীয়মান পাঠ, পাঠান্তৰৰ ক্ষেত্ৰত অনুবাদৰ বাবে গ্ৰহণ কৰা হৈছে। পৰিত্যক্ত পাঠৰ বিকল্প অনুবাদ দিয়া নাই।

সংস্কৃত কথাসৰিৎ-সাগৰ পঢ়াৰ উপৰিও এই গ্ৰন্থৰ জাৰ্মান আৰু টাওনিৰ ইংৰাজী অনুবাদো মাজে সময়ে পঢ়িছোঁ। অসমীয়া অনুবাদ মূল সংস্কৃতৰপৰাহে কৰা হৈছে। সংস্কৃতৰপৰা অসমীয়ালৈ অনুবাদত এটা স্বাভাবিক আত্মীয়তা প্ৰকাশ হয়; ইউৰপীয় ভাষাৰপৰা কৰা অনুবাদত সেই ঘনিষ্ঠতা দেখা নাযায়। ইয়াৰ উপৰি উক্ত ইংৰাজী অনুবাদত কোনো কোনো ক্ষেত্ৰত দুৰ্বোধ্য শব্দ আৰু বাক্যাংশ নিজস্ব ৰীতিৰে সৰল ভাৱে প্ৰকাশ কৰাত মূলৰ ভাৱাৰ্থহে প্ৰকাশ হৈছে। জাৰ্মান অনুবাদ প্ৰায়ে মূলানুগ। বঙলা আৰু হিন্দী অনুবাদৰ পাত লুটিয়াই চাই দেখিলোঁ যে বঙলা অনুবাদ চি. এইচ. টাওনিৰ ইংৰাজী অনুবাদৰপৰাহে কৰা হৈছে, মূল সংস্কৃতৰপৰা নহয়। ইয়াৰ উপৰিও মূলৰ বৰ্ণনাক্ৰম লঙ্ঘন কৰি খুল-মূলা ভাৱে কথাখিনিৰে সাধুহে কোৱা হৈছে। হিন্দী অনুবাদ প্ৰত্যেক শ্লোকৰে অনুবাদ যদিও মূলত নথকা বহুত বাক্য, বাক্যাংশ অনাৱশ্যক ভাৱে যোগ দি অৰ্থ সম্পূৰ্ণ কৰা হৈছে। এনে

চ্যুতি-বিচ্যুতিৰ হাত সাৰিবলৈ আমি সততে চেষ্টা কৰাৰ লগতে মূলৰ এটা শব্দও অসমীয়া অনুবাদত বাদ দিয়া নাই।

অনুবাদৰ বিষয়ে ঃ

অনুবাদৰ বিষয়ে একেষাৰ নকলে বক্তব্য অসম্পূৰ্ণ হৈ ৰ'ব। এটা ভাষাত এজন লেখকে লিখা কথাখিনি অনুবাদকে অন্য এটা ভাষাত প্ৰকাশ কৰিব লাগে। অনুবাদকে ৰচনাৰ কথা-বস্তু, উপস্থাপন ৰীতি, প্ৰকাশ-ভঙ্গী, পাৰিপাট্য, বৰ্ণনা-সৌষ্ঠৱ আদিৰ বিষয়ে একো চিন্তা কৰিব নালাগে; চিন্তাৰ আৱশ্যক আৰু অৱসৰ এটাও নাই। দেখাত অনুবাদকৰ কাম বৰ উজু। পিছে সাহিত্য সৃষ্টিৰ আটাইতকৈ ডাঙৰ কথা——লেখকৰ অবাধ বিচৰণৰ স্বাধীনতাৰপৰা অনুবাদক সম্পূৰ্ণৰূপে বঞ্চিত। স্বাধীন ভাৱে 'অপাৰ কাব্য—সংসাৰত' গজ-গমনেৰে বিচৰণ কৰিব খোজা 'নিৰঙ্কুশ কৱি'ৰ কান্ধত বহু যুগ আগৰ বহু দূৰ দেশৰ মূল লেখকৰ প্ৰেতাত্মাই চিন্দবাদৰ দৈত্যটোৰ দৰে উঠি হাতত থকা মাং চিং ডাল (অঙ্কুশ)ৰ হুঁকোটাৰে অনবৰত টানি থাকে। অঙ্কুশডাল অলপ ঢিলা হলেহে অনুবাদক আগ বাঢ়িব পাৰে।

আজি কালি অনুবাদ বুলিলে আমি যি বুজোঁ, প্ৰাচীন ভাৰতত সেই কাৰ্য্যক ভাষান্তৰ-সমাৰোপণ বোলা হৈছিল। একে কথাকে অন্য ভাৱে দুনাই কোৱাহে অনুবাদ (অনু-পিছত, বাদ-কথন; অৰ্থাৎ এবাৰ এক প্ৰকাৰে কোৱাৰ পিছত দুনাই অন্য প্ৰকাৰে তাকে কোৱা।)

এটা ভাষাৰ ৰচনা অকণো ক্ষতিক্ষুণ নোহোৱাকৈ অন্য এটা ভাষাত প্ৰকাশ কৰাই হ'ল ভাষান্তৰ-সমাৰোপণ। প্ৰকৃততে বৰ্ত্তমান অৰ্থত এয়ে মূলানুগ অনুবাদ। অসমীয়া ভাষাত অনুবাদৰ ঠাইত ভাঙনি শব্দৰ ব্যৱহাৰ দেখা যায়। ভাঙনি শব্দই মূল ৰচনাৰ ভাষান্তৰীকৰণৰ লগতে আৱশ্যকীয় স্পষ্টীকৰণৰো ইঙ্গিত দিয়ে। হাবি ভাঙি বাট কাটি দুৰ্গম ঠাইলৈ যাত্ৰা সুগম কৰাৰ দৰে ভাঙনিত দুৰ্বোধ্য মূল গ্ৰন্থ সহজবোধ্য কৰাৰ গুণ থাকে।

মুঠতে এটা ভাষাৰপৰা অন্য ভাষালৈ সাহিত্য-গুণ-বিশিষ্ট কোনো ৰচনাৰ অনুবাদ কৰিবলৈ হ'লে কেৱল কথা-বস্তুৰ উপস্থাপনেই

যথেষ্ট নহয়, তাৰ লগতে মূল ৰচনাৰ বৰ্ণনা-ৰীতি, প্ৰকাশ-ভঙ্গী শব্দচয়ন, উপমা, শব্দধ্বনি আদি সকলো সাহিত্য-গুণ তথা লেখকৰ হৃদয়-বৃত্তি সাৱধানে অনুধ্যান কৰি যথাসম্ভৱ অনূদিত ভাষাত প্ৰকাশ কৰিব লাগিব। এই দৰে কৰা অনুবাদেই মূলানুগ অনুবাদ। এই পদ্ধতিৰ ডাঙৰ বিপদ হৈছে এয়ে যে ইয়াৰ ফলত অনুবাদ প্ৰায়ে দুৰ্বোধ্য হোৱাৰ সম্ভাৱনাই দেখা দিয়ে; কেতিয়াবা আকৌ বিপৰীতাৰ্থক হোৱাৰ আশঙ্কাও থাকে।

আন হাতে মূলৰ কথাখিনিৰ ভাৱাৰ্থ বা মৰ্মাৰ্থ, অনুবাদ কৰিব খোজা ভাষাত নিজ অভিৰুচি অনুসাৰে লিখি গ'লে অনুবাদ সহজ আৰু সুখ-পাঠ্য হয়; কিন্তু এনে অনুবাদ কেতিয়াবা মূলৰপৰা এশ যোজন আঁতৰি যায়। মূলৰ সাহিত্যশৈলী, ৰচনাৰীতি, প্ৰকাশ ভঙ্গী, অলঙ্কাৰ, শব্দৰ ঝঙ্কাৰ আদি একেবাৰে নাম গোন্ধ তাত বিচাৰি পোৱা নাযায়। আমাৰ মতে এনে অনুবাদত মূল লেখকৰ প্ৰতি ঘোৰ অবিচাৰ কৰা হয় আৰু লগতে অনূদিত সাহিত্যৰ যাই উদ্দেশ্য, মূল ৰচনাৰ ভাষা নজনাকৈয়ে সেই সাহিত্যৰ ৰসাস্বাদৰ প্ৰচেষ্টাও ব্যাহত হয়। অনুবাদেৰে ভাষা সাহিত্য সমৃদ্ধিশালী কৰাৰ পথো প্ৰশস্ত হৈ নপৰে।

এটা ভাষাৰপৰা অন্য এটা ভাষালৈ অনুবাদৰ যোগেদি অনা সাহিত্য, এখন ঘৰৰপৰা অন্য এখন ঘৰলৈ বিয়া কৰাই অনা বোৱাৰীৰ নিচিনা। ভিন্ন পৰিৱেশত ডাঙৰ দীঘল হোৱা এজনী ছোৱালী যেতিয়া সুকীয়া পৰিবেশৰ স্বামীৰ ঘৰলৈ আহে, তেতিয়া আচহুৱা পৰিৱেশত সকলোৰে নিজকে খাপ খুৱাই ল'ব নোৱাৰে। ন-কন্যাৰ নিজক বিলীন কৰি দিয়াৰ প্ৰবৃত্তি আৰু স্বামীৰ ঘৰৰ অন্তৰ উবুৰিয়াই আপোন কৰিব খোজা ইচ্ছা—এই দুটাৰ সামঞ্জস্য হ'লে ন-বোৱাৰী অচিৰে নতুন পৰিয়ালৰ ধাৰাত মিলি যায়। অনুবাদৰ ক্ষেত্ৰতো এনে অৱস্থা বাঞ্ছনীয়, সেয়ে নহ'লে অনুবাদ আহঁ কণা হৈ থাকে।

বৰ্ত্তমান সময়ত কম্পিউটাৰৰ সহায়ত অনুবাদ কাৰ্য্য সম্পাদনৰ প্ৰচেষ্টা চলিছে। এটা ভাষাৰপৰা অন্য এটা ভাষালৈ ৰূপান্তৰীকৰণত দুটা পদ্ধতিৰে কম্পিউটাৰ ব্যৱহাৰৰ পৰীক্ষা-নিৰীক্ষা চলিছে। তাৰে প্ৰথম পদ্ধতিটো হৈছে—ভাষাত ৰ-সমাৰোপণৰ সম-

য়ত কম্পিউটাৰে অনুবাদকক প্ৰয়োজনীয় তথ্যৰ যোগান ধৰি সহায় কৰিব পাৰে। এনে তথ্য ঘাইকৈ শব্দৰ অৰ্থ আৰু প্ৰতিশব্দ, ব্যাকৰণ-গত বৈশিষ্ট্য আদি। ইয়াৰ উপৰিও বিশেষ বিশেষ বিষয়ৰ শব্দাৰ্থ-তালিকা (Text related glossary) কম্পিউটাৰত সংৰক্ষিত কৰিলে ভাষান্তৰ সমাৰোপণৰ সময়ত সেইবিলাক ব্যৱহাৰ কৰিব পাৰি। শব্দৰ অৰ্থ বিচাৰি অভিধান বা পৰিভাষা কোষৰ পাত লুটিয়াই থাকিব নালাগে। সুবিধা এয়ে যে প্ৰযুক্তিগত বিষয়ৰ অনুবাদৰ ক্ষেত্ৰত অনুবাদকৰ প্ৰযুক্তিবিদ্যাৰ জ্ঞান নাথাকিলেও ভাষা জানেৰেই অনুবাদকে সুকলমে অনুবাদ কৰিব পাৰে।

দ্বিতীয় পদ্ধতিত কম্পিউটাৰৰ ওপৰতে অনুবাদৰ দায়িত্ব ন্যস্ত কৰাৰ প্ৰচেষ্টা, অৰ্থাৎ কোনো অনুবাদকৰ সহায় নোলোৱাকৈয়ে কম্পিউটাৰে স্বয়ংক্ৰিয়ভাৱে অনুবাদ কৰা। বিজ্ঞান-বিষয়ক আৰু প্ৰযুক্তিবিদ্যা-বিষয়ক ৰচনাৰ ক্ষেত্ৰত এই পদ্ধতিয়ে কিছু সাফল্য লাভ কৰিলেও অন্য বিষয়ত ই এতিয়াও পৰীক্ষামূলক হৈয়ে আছে। এই ব্যৱস্থাত মূল বিষয়ৰ অনুবাদ-পূৰ্ব-সম্পাদনা আৰু অনুবাদোত্তৰ সম্পাদনাৰে কম্পিউটাৰে কৰা অনুবাদ পঠনীয় কৰা প্ৰচেষ্টা চলিছে। মুঠতে য'ত সাহিত্য গুণৰ প্ৰয়োজন নাই, কেৱল অৰ্থবোধেই যথেষ্ট তেনে ক্ষেত্ৰত কম্পিউটাৰক অনুবাদ-কাৰ্য্যত লগোৱাৰ উপক্ৰম হৈছে আৰু ভৱিষ্যতে ইয়াৰ পৰিসৰ সৰ্বব্যাপক হ'ব বুলি বিজ্ঞানীসকলে আশা প্ৰকাশ কৰিছে।

এই অনুবাদত আমি পাঠকক সংস্কৃত কথা সৰিৎ-সাগৰৰ কেৱল সাধু শুনাব খোজা নাই, সেই দেখি সাধু কথা কোৱা কৌশল বা ৰীতি এটাও অৱলম্বন কৰা নাই। সংস্কৃত কথাসৰিৎ-সাগৰৰ অবিকল অসমীয়া প্ৰতিৰূপ এটাহে আমি পাঠকৰ হাতত দিব খুজিছোঁ। এই অনুবাদ পঢ়ি যাতে পাঠকে অসমীয়া ভাষাতে মূল গ্ৰন্থৰ সকলো সাহিত্য সুষমা অনুভৱ কৰিব পাৰে, সেই উদ্দেশ্যে ৰচনা-ৰীতি আৰু প্ৰকাশভঙ্গী বিশিষ্ট অৰ্থ প্ৰকাশক শব্দাৱলীবে ৰক্ষা কৰিবলৈ যত্ন কৰা হৈছে। এটা উদাহৰণ দাঙি ধৰিলে এই অনুবাদত অনুসৰণ কৰা পদ্ধতিৰ আভাস পোৱা যাব। "সহাসুৰজনা-দুঃখ-ভাৰেণাদৰ্শনং যযৌ।" এই কথা ফাঁকিৰ মৰ্মাৰ্থ হৈছে— 'তেতিয়া সেই দৈত্য কন্যাবিলাকৰ অন্তৰৰ দুখ দূৰ হ'ল আৰু

সেই পুৰুষ জনো অন্তৰ্দ্ধান হ'ল।' আমি মূলৰ প্ৰকাশ ভঙ্গী ৰক্ষাত গুৰুত্ব আৰোপ কৰি কথা ফাঁকিৰ অসমীয়া ভাঙনি কৰিছোঁ। এইদৰে 'তেতিয়া সেই দৈত্য কন্যাবিলাপকৰ দুখৰ লগতে পুৰুষ জনো অদৃশ্য হ'ল।' এই অনুবাদত দুখ দূৰ হোৱা আৰু পুৰুষজন অন্তৰ্দ্ধান হোৱা—এই দুয়োটা কাৰ্য্যৰ সমকালীনত্ব আৰু পৰস্পৰ সম্বন্ধৰ ইঙ্গিত আছে।

অনুবাদ মূলানুগ কৰিবলৈ সততে মনোনিৱেশ কৰা হৈছে, ঠায়ে ঠায়ে অৰ্থব্যঞ্জক হৃদয়-বৃত্তিৰ প্ৰকাশক সংস্কৃত শব্দ প্ৰয়োগ কৰা হৈছে; সেই বুলি বাক্যৰ গঠন আৰু ৰচনা সংস্কৃতীয়া কৰা নাই। সংস্কৃত-গন্ধি শব্দৰ অৰ্থ বন্ধনীৰ ভিতৰত দিয়া হৈছে। অসমীয়া ৰচনা ৰীতিলৈ জড়তা নহাকৈ বৰ্ণনা সৰস আৰু জতুৱা কৰিবলৈ একান্ত যত্ন কৰা হৈছে। মূল ৰচনাত নথকা অনাৱশ্যকীয় কথাৰে অসমীয়া অনুবাদ কেনিও কৰা নাই, আন হাতে মূলত নথকা অথচ আৱশ্যকীয় শব্দ, বাক্য, বাক্যাংশ বন্ধনীৰ ভিতৰত দি অৰ্থ সুস্পষ্ট কৰা হৈছে।

বৰ্ণদেশনা ঃ

আখৰ জোটনিৰ পৰ্য্যায়বাচী শব্দ ৰূপে 'বৰ্ণদেশনা' শব্দ আমি ব্যৱহাৰ কৰিছোঁ। অসমীয়া ভাষাৰ বৰ্ণদেশনাত বিপ্লৱৰ অন্ত নাই। বৰ্ণবিপ্লৱে (আখৰ জোটনিৰ খেলি মেলি) অনেক সময়ত শব্দ-সচেতন লোকক দোধোৰ মোৰত পেলায়; লেখকে মূৰ খজুৱাব লগা হয়। অনুবাদত আমি শব্দৰ ব্যুৎপত্তি আৰু উৎপত্তিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰচলিত ৰীতি অনুসাৰে বৰ্ণদেশনা কৰি বৰ্ণ বিপ্লৱৰ হাত সাৰিবলৈ যত্ন কৰিছোঁ আৰু ক'ব খুজিছোঁ—"বৰ্ণবিপ্লৱনাশায় অয়ং যত্নঃ কৃতো ময়া।"

বহুত তৎসম শব্দৰ দুই প্ৰকাৰে বৰ্ণদেশনা দেখা যায়, তেনে শব্দৰ (যেনে বশিষ্ঠ-বৰিষ্ঠ, বিকাশ-বিকাস, কোষ-কোশ, লাঞ্ছনা-সান্ত্বনা, পাটলিপুত্ৰ-পাটলীপুত্ৰ, কোটী-কোটি ইত্যাদি) প্ৰায়ে পূৰ্বাকল্পত প্ৰচলিত ৰূপ ৰক্ষা কৰা হৈছে। কৰ্ম (কৰ্ম্ম), পৰ্বত (পৰ্ব্বত) আদিত ৰেফযুক্ত বৰ্ণৰ দ্বিত্ব ৰক্ষা কৰা নাই। মন কৰিবলগীয়া যে ৰেফযুক্ত কিছুমান বৰ্ণৰ দ্বিত্ব বহু কালৰ আগতে নাইকিয়া হৈছে।

(যেনে নিৰ্গুণ-নিৰ্গুণ ইত্যাদি।) 'কাৰ্ত্তিক' আৰু 'কাৰ্ত্তিকেয়' শব্দ এই পৰ্য্যায়ত নপৰে, কিয়নো ৰেফ যুক্ত হোৱা বাবে ইয়াত 'ত' 'ত্ত' লৈ ৰূপান্তৰিত হোৱা নাই। কৃত্তিকা শব্দৰপৰা হোৱা বাবে উৎপত্তি আৰু ব্যুৎপত্তি অনুসাৰে ইয়াত দ্বিত্ব অনিবাৰ্য্য। গৰ্ব্ভ, অন্তৰ্দ্ধান আদি শব্দত ৰেফ যুক্ত হৈ দ্বিত্ব হোৱা চতুৰ্থ বৰ্ণৰ ('ভ্ভ' 'ধ্ধ') প্ৰথমটো তৃতীয় বৰ্ণলৈ ('ব্', 'দ্') ৰূপান্তৰিত হয়; সেই দেখি এনে শব্দৰ বৰ্ণদেশনাত দ্বিত্ব ৰক্ষা কৰা বাঞ্ছনীয় যদিও গৰ্ব্ভ, গৰ্ভ; অন্তৰ্দ্ধান, অন্তৰ্ধান দুয়োবিধ বৰ্ণদেশনা ৰখা হৈছে। গৰ্ব্ভ-ৱতী, গৰ্ভৱতীৰ লগতে গৰ্ভাৱতী প্ৰয়োগো আছে।

পুত্ৰ শব্দ পুত্ৰ (পুৎ+ত্ৰ=পুত্ৰ) ৰূপে লিখা যুক্তিসঙ্গত যদিও দুয়ো প্ৰকাৰে লিখা হৈছে।

দম্পতীৰ অৰ্থ স্বামী-স্ত্ৰী (জায়া আৰু পতি) আৰু সেই কাৰণে সংস্কৃত ব্যাকৰণত দ্বিবচনৰ ৰূপ 'দম্পতী'। অন্ধ অনুকৰণত অসমীয়া ভাষাতো পতি শব্দৰ দ্বিবচনৰ দীৰ্ঘ ইকাৰান্ত ৰূপত শব্দটো লিখা হয়। আমি ইয়াত দম্পতীৰ ঠাইত দম্পতিহে লিখিছোঁ। অসমীয়া ভাষাত দ্বিবচনৰ নাম-গোন্ধ নাই; গতিকে পতি শব্দ 'পতী' ৰূপে লিখাৰো কোনো যুক্তি নাই।

সমাস হৈ থকা তৎসম শব্দৰ ক্ষেত্ৰত দুটা সুকীয়া পদ্ধতি অনুসৰণ কৰা হৈছে। মন্ত্ৰিবৰ্গ, মন্ত্ৰিত্ব লিখোঁতে সংস্কৃত ব্যাক-ৰণৰ নিয়ম অনুসৰণ কৰা হৈছে যদিও মন্ত্ৰীসভা লিখোঁতে সেই নিয়ম পালন নকৰি অসমীয়া ব্যাকৰণৰহে শৰণ লৈছোঁ। সভা শব্দ খাচ অসমীয়া যেন নেলাগে জানো?

বহুত শব্দত বিশেষকৈ ক্ৰিয়া-বাচক শব্দত চন্দ্ৰ বিন্দুৰ ব্যৱ-হাৰ কমাই দিয়া হৈছে; কেৱল অৰ্থৰ পাৰ্থক্য ৰক্ষাৰ প্ৰয়োজনতহে চন্দ্ৰ বিন্দুক ঘাইকৈ ঠাই দিব লগা হৈছে।

উৰ্দ্ধ কমা:

বক্তাৰ প্ৰত্যক্ষ উক্তি বৰ্ণনাৰ পৰা সুকীয়া কৰি দেখুৱাবলৈ যুগ্ম উৰ্দ্ধ কমাৰ "—" ভিতৰত দিয়া হৈছে। পিছে এজন বক্তাৰ বক্তব্যৰ মাজত আৰু এজন বক্তাৰ, তেওঁৰ উক্তিৰ মাজত আকৌ আৰু এজন বক্তাৰ উক্তি এইদৰে বহুত বক্তাৰ প্ৰত্যক্ষ উক্তি থকাত

মূল উক্তি ক'ত আৰম্ভ হৈছে আৰু ক'ত শেষ হৈছে উৰ্দ্ধ কমাৰে চিহ্নিত কৰা অসম্ভৱ। এনে কৰিবলৈ গ'লে পাঁচ-ছজোৰ উৰ্দ্ধ কমা একে ঠাইতে দিব লাগিব। গতিকে প্ৰত্যেক বৰ্ণনাৰ ভিতৰত থকা প্ৰত্যক্ষ উক্তি সুকীয়াকৈ "—" এই চিন দি দেখুওৱা হৈছে। স্বগতঃ উক্তি নাইবা প্ৰসিদ্ধ বাক্যাংশ একোটাকৈ উৰ্দ্ধ কমাৰে '—' চিহ্নিত কৰিবলৈ চেষ্টা কৰা হৈছে যদিও অনিবাৰ্য্য কাৰণত সেই নিয়ম নিঠাৰে পালন কৰিব পৰা নাই।

দুটামান গৱেষণামূলক গুৰুত্বপূৰ্ণ কামত অনবৰত লিপ্ত হৈ থাকিব লগা হোৱাত কথাসৰিৎ-সাগৰৰ অনুবাদ হেগা চোৰো-কাকৈহে কৰিছোঁ। সেই দেখি দোষ-ত্ৰুটিৰ হাত সম্পূৰ্ণৰূপে এৰাব পৰা নাই। ছপাৰ ভুলো দুই এটা পিছত চকুত পৰিছে।

অনুবাদৰ পৰিকল্পনা সম্পৰ্কে কহু দেশৰ প্ৰাচ্যবিদ্যাৱিদ চেৰিব্ৰেকভৰ সৈতে আলোচনা কৰোঁতে তেওঁ আৱশ্যকীয় দিহা-পৰামৰ্শ দিয়াত আমি উৎসাহিত হৈছোঁ। তেওঁলৈ কৃতজ্ঞতা জনালোঁ। মোৰ সহধৰ্মিণীয়ে দৈনন্দিন সকলো কামৰপৰা মোক আজৰাই দিয়া বাবেহে এই গ্ৰন্থৰ অনুবাদ তথা অন্যান্য সাহিত্য-কৰ্মত মনোনিৱেশ কৰাৰ সুযোগ পাইছোঁ। আমাৰ পুত্ৰ শ্ৰীমান পঙ্কজ গোস্বামীয়ে অনূদিত অংশৰ এছোৱাৰ প্ৰতিলিপি কৰি সহায় কৰিছে। এওঁলোকৰ সহায় মৰেমেৰে সুঁৱৰিছোঁ।

হেমকোষ প্ৰিণ্টাৰ্ছ কৰ্তৃপক্ষ আৰু কৰ্মচাৰী সকলে খৰ খেদাকৈ কিতাপখনি ছপাই দিছে। তেওঁলোক সকলো ধন্যবাদৰ পাত্ৰ। হেমকোষৰ স্বত্বাধিকাৰী শ্ৰীদেৱানন্দ বেজবৰুৱাই দেখুওৱা আগ্ৰহৰ বাবে তেওঁলৈ ধন্যবাদ আগ বঢ়ালোঁ।

অসমীয়া পাঠকে আগ্ৰহেৰে কথাসৰিৎ-সাগৰ হাতত ল'লে আমাৰ শ্ৰম সফল হ'ব।

বিশ্বনাৰায়ণ শাস্ত্ৰী

"বাতায়ন"
নবগিৰি ৰোড্
গুৱাহাটী—৩
ৰঙালী বিহু
১৯৮২

ভূমিকা

ল'ৰা-বুঢ়া সকলোৰে সাধু শুনাৰ প্ৰবল হেঁপাহ। ক'বলৈ গ'লে সকলো মানুহে সাধু শুনিবলৈ ভাল পায়--ভাল পায় কল্পনাৰ ছয়া-মায়া জগৎখনৰ কথা শুনিবলৈ। দুখে-শোকে ভৰা ঘাত-প্ৰতিঘাতত জৰ্জৰিত নিজৰ সংসাৰখনৰপৰা দূৰৈত সুখ-আনন্দৰ মাজত বিৰাজ কৰা প্ৰাণীৰ কথা শুনি আনন্দ লাভ কৰাৰ অন্তৰ্নিহিত প্ৰয়াসতে সাধু কথাৰ উৎপত্তি। সেই বুলি কোনো কাহানিও দুখ-কষ্ট নথকা একান্ত সুখৰ কথায়ো মানুহক আনন্দ দিব নোৱাৰে, যেনেকৈ চিৰ দুখৰ কথাই মানুহক আনন্দ নিদিয়ে। সুখে দুখেই মানুহৰ জীৱন। সুখে-দুখে ভৰা মানৱ জীৱন প্ৰতিবিম্বিত হোৱা হৰ্ষ-বিষাদ, মিলন-বিচ্ছেদ, শোক-অশ্ৰু, আশা-আকাংক্ষাৰ কাহিনীয়েহে মানুহৰ চিৰ অতৃপ্ত মনৰ কিঞ্চিৎ তৃপ্তি সাধন কৰিব পাৰে। সৃষ্টিৰ পাতনিৰপৰাই মানুহে চকুৰে দেখা, ঘাইকৈ ভ্ৰমণৰ অভিজ্ঞতাৰে উপলব্ধি কৰা সমাজখনৰ কাৰ্য্য-কলাপ আচৰণ-বিচৰণত কল্পনাৰ ৰহণ সানি সাধুকথা, আখ্যান-উপাখ্যানৰ জন্ম দিছে। এই বিষয়ত আদিম সমাজ আৰু সভ্য সমাজৰ মনোবৃত্তিত বিশেষ পাৰ্থক্য নাই——পাৰ্থক্য কেৱল প্ৰকাশৰ মাধ্যম আৰু ভঙ্গীত।

স্মৰণাতীত কালৰপৰা মানুহৰ মুখ বাগৰি অহা সাধুবোৰ মানৱ সভ্যতাৰ প্ৰব্ৰজনৰ দৰেই এখন সমাজৰপৰা অন্য এখন সমাজলৈ অবাধে বিচৰণ কৰি আহিছে। এনে অবাধ বিচৰণৰ ফলত পাৰি-পাৰ্শ্বিকতা, ধৰ্ম-বিশ্বাস আৰু সামাজিক ৰীতি-নীতিয়ে সাধুবোৰত প্ৰৱেশ কৰিছে; সেইবাবে বিভিন্ন ৰূপত থকা অনেক সাধু লেখাত বেলেগ যেন লাগিলেও মূলত একে; অৰ্থাৎ আকৃতি সুকীয়া হ'লেও সাধুবোৰৰ প্ৰকৃতি একে। (পিছত এই বিষয়ে কেইটামান সাধুৰ উল্লেখ কৰি আলোচনা কৰা হৈছে)। সেই দেখি কোনটো আচল আৰু কোনটো সাধু তাত ভেঁজা দি গঢ় লৈ উঠিছে সততাই আৰু নিশ্চিত ৰূপে কোৱা টান। মুঠতে একোটা সাধুৰ একোখন সমাজত

কোনোবা এসময়ত প্ৰথমে সৃষ্টি হৈছিল যদিও, ইয়াতে টিপা মাৰিলে শিপা গড়ি'ও পোৱাদি, কালক্ৰমত সি কোনোবা ধুবুৰী পাইছেগৈ।

সভ্য জগতত সুদূৰ অতীতত আখ্যান সাহিত্যৰ উদ্ভৱ দেখা যায়। প্ৰাচীন ভাৰতত মৌখিক আখ্যান সাহিত্যৰ প্ৰথম লিখিত ৰূপ, অৰ্থাৎ সাধু কথাৰ সংগ্ৰহ, গুণাঢ্যৰ বৃহৎ-কথা। বৃহৎ-কথা গুণাঢ্যই পৈশাচী ভাষাত লিখিছিল——সম্ভৱতঃ যিসকলৰ মুখৰপৰা তেওঁ সাধুবোৰ শুনিছিল বা যি পৰিৱেশৰপৰা সাধুবোৰ আহিছিল, তেওঁ লোকৰ ভাষাৰেই (পৈশাচী (?)) সাধুবোৰ লিখিত ৰূপত তেওঁ জন-সমাজলৈ আগ বঢ়াইছিল।

গুণাঢ্য আৰু বৃহৎ-কথা

সোমদেৱৰ কথাসৰিৎ-সাগৰৰ কথা-পীঠ নামৰ প্ৰথম লম্বকত গুণাঢ্যৰ আত্ম-পৰিচয়-মূলক বিৱৰণ আছে। এই বিৱৰণৰপৰাই জনা যায় যে এইখিনি গুণাঢ্যৰ আত্ম-জীৱনী নহয়, জীৱনী-মূলক আখ্যানহে। গুণাঢ্য-ৰচিত বৃহৎ-কথাত পিছত কোনো এজন আন্ধ্ৰ সাতবাহন (শালিবাহন) নৃপতিয়ে যোগ কৰি দিছে[১]। সি যি হওক, এই বৰ্ণনাত গুণাঢ্যৰ বিষয়ে বহুত লৌকিক-অলৌকিক, সম্ভৱ-অসম্ভৱ আখ্যান আছে। তাকে দেখি বহুত পাশ্চাত্য মনীষীয়ে সৌ সিদিনালৈকে সেই নামৰ কোনো কবি কোনো কালে নাছিল বুলি গুণাঢ্যৰ অস্তিত্বতে সন্দেহ প্ৰকাশ কৰি এই বৰ্ণনা বিশ্বাসকে কৰিব খোজা নাছিল।

আধুনিক গৱেষণাই নিঃসন্দেহে গুণাঢ্যৰ ঐতিহাসিকতা আৰু তেওঁৰ বৃহৎ-কথাৰ প্ৰভাৱ সুনিশ্চিত ৰূপে প্ৰমাণ কৰিছে। এতিয়া আৰু কোনেও তেনে সন্দেহ প্ৰকাশ নকৰে।

গুণাঢ্যই ক'ত জন্ম গ্ৰহণ কৰিছিল আৰু ক'ত কোন সময়ত বাস কৰিছিল, খাটাংকৈ কোৱা টান। কথাসৰিৎ-সাগৰৰ আখ্যান অনুসাৰে গুণাঢ্যই বৃহৎ-কথাৰ পাণ্ডুলিপি আন্ধ্ৰ সাতবাহন নৃপতিৰ ৰাজ-সভালৈ তেওঁৰ শিষ্য গুণদেৱ আৰু নন্দিদেৱৰ হাতত পঠাই-

১. কথাসৰিৎ-সাগৰ, ১. ৮.

ছিল। আন্ধ্ৰ সাতবাহন ৰজাসকলে খৃষ্টীয় প্ৰথম-দ্বিতীয় শতকত গোদাৱৰী উপত্যকাত ৰাজত্ব কৰিছিল। গতিকে গুণাঢ্যৰ স্থিতি আৰু বৃহৎ-কথাৰ ৰচনা কাল খৃষ্টীয় প্ৰথম-দ্বিতীয় শতক বুলি ঠাৱৰ কৰিব পাৰি। বুলহৰে (Bulhar) গুণাঢ্যৰ স্থিতি কাল খৃষ্টীয় তৃতীয় শতক বুলি মত প্ৰকাশ কৰিছে। জৈন কথা-গ্ৰন্থ বসুদেৱ হিণ্ডী (বসুদেৱৰ পৰিভ্ৰমণ) বৃহৎ-কথাৰ আধাৰত ৰচিত। এই গ্ৰন্থৰ ওপৰত ভিত্তি কৰি কোনো কোনোৱে গুণাঢ্যক খৃষ্টপূৰ্ব প্ৰথম শতকত ঠাই দিব খোজে, কিয়নো জৈন পুৰাণৰ ৰচনা খৃষ্টীয় প্ৰথম শতকতে শেষ হয়।

বৃহৎ-কথামঞ্জৰীৰ ৰচয়িতা ক্ষেমেন্দ্ৰই (দশম শতক) গুণাঢ্যৰ জন্ম গোদাৱৰীৰ পাৰৰ প্ৰতিষ্ঠান পুৰত বুলি উল্লেখ কৰিছে। সোমদেৱেও (একাদশ শতক) কথা সৰিৎ-সাগৰত তাকেই পুনৰাবৃত্তি কৰিছে। প্ৰতিষ্ঠানপুৰ আছিল সাতবাহন বংশীয় সম্ৰাট হাল বা শালিবাহনৰ ৰাজধানী। ঐতিহাসিকে হালক খৃষ্টীয় প্ৰথম শতকত ঠাই দিয়ে। প্ৰসিদ্ধ প্ৰাকৃত পদ্য-সংগ্ৰহ গাথা-সপ্তশতীৰ সঙ্কলয়িতা ৰূপে হালৰ প্ৰসিদ্ধি আছে। ইয়াৰপৰা গুণাঢ্যক সাতবাহন নৃপতিৰ সমকালীন আৰু প্ৰতিষ্ঠানপুৰ বা তাৰ আশে-পাশে থকা অঞ্চলৰ অধিবাসী বুলি ধৰিব পাৰি। 'গুণাঢ্যৰ জন্ম মথুৰাত হৈছিল আৰু পিছত তেওঁ উজ্জয়িনী আৰু কৌশাম্বীত বাস কৰিছিল' বুলি ফৰাচী পণ্ডিত লাকোতে (Lacote) অনুমান কৰে।

সাতবাহন নৃপতিসকলৰ ৰাজত্ব কালত বেপাৰ-বাণিজ্যৰ বাবে সাৰ্থবাহৰ দল সাগৰ পাৰ হৈ কাম্বোজ (বৰ্তমান কাম্পুচিয়া) আদি দেশলৈ আৰু দ্বীপ-দ্বীপান্তৰলৈ গৈছিল। নানা দেশৰ নানা লোক সমাজৰ আখ্যান-উপাখ্যানে তেওঁলোকৰ মন অভিভূত কৰি তুলিছিল। সামুদ্ৰিক বাণিজ্যেৰে ৰাজ্যৰ শ্ৰীবৃদ্ধি[২] কৰাৰ লগতে দ্বীপ-দ্বীপান্তৰত শুনা মনোমোহা লোক-কথাৰে এওঁলোকে জনতাৰ মনোৰঞ্জনো কৰিছিল। এনে পৰিৱেশ লোক-কথা ঠন ধৰি উঠাৰ

---

২. "অত্ৰ ভ্ৰমণেন শ্ৰীসমাকৰ্ষণং ভৱতি"—হৰ্ষচৰিত। (জল-পথ-বাণিজ্যৰ দ্বাৰা শ্ৰীলাভ হয়)।

বাবে যে অনুকূল আছিল সি সহজে অনুমেয়। সাধুকথাৰ এনে এক অনুকূল বাতাৱৰণতে গুণাঢ্যই বৃহৎ-কথা ৰচনা কৰিছিল বুলি অনুমান কৰা অসঙ্গত নহ'ব।

খৃষ্টীয় প্ৰথম শতকমানত ৰচিত বৃহৎ-কথাই কেবা শ বছৰ ধৰি ভাৰতীয় জন মানস আচ্ছন্ন কৰি ৰাখিছিল; গাঁৱৰ বুঢ়া-মেথাই (গ্ৰামবৃদ্ধ) বৃহৎ-কথাৰ সাধু কৈ শ্ৰোতাক বিস্ময়ত অভিভূত কৰি তুলিছিল আৰু কবি-সাহিত্যিকে বৃহৎ-কথাৰপৰা আহৰণ কৰা কথা-বস্তুৰ আধাৰত কাব্য-নাটক ৰচনা কৰিছিল। ৰামায়ণ আৰু মহাভাৰতৰ লগত বৃহৎ কথায়ো সমানে এখন সন্মানৰ আসন লাভ কৰিছিল।

হৰ-গৌৰীৰ শৃঙ্গাৰ-লীলা সদৃশ বৃহৎ-কথা সকলোৰে বিস্ময়-জনক বুলি বাণ ভট্টই হৰ্ষচৰিতত বৃহৎ-কথাৰ প্ৰশংসা কৰিছে।
"সমুদ্দীপিত-কন্দৰ্পা কৃতগৌৰী-প্ৰসাধনা।
হৰলীলেৱ নোকস্য (নোকস্য) বিস্ময়ায় বৃহৎকথা॥"
—হৰ্ষচৰিত,

বাণভট্টৰ উক্তিত থকা 'সমুদ্দীপিত-কন্দৰ্পা' বিশেষণৰপৰা আৰু হৰ-গৌৰীৰ শৃঙ্গাৰ লীলাৰে সৈতে কৰা তুলনাৰপৰা বুজা যায় যে বাণ ভট্টৰ সময়লৈকে বৃহৎ-কথা কাম-কথা-ৰূপে পৰিগণিত হৈছিল। 'কৃতগৌৰী-প্ৰসাধনা' বাক্যাংশই বৃহৎ-কথাৰ বিষয় বস্তুৰ আভাস দিয়ে, অৰ্থাৎ গৌৰীৰ মনোৰঞ্জন কৰা আখ্যানেৰে গ্ৰন্থ আৰম্ভ হৈছে। সোমদেৱে কথাসৰিৎ-সাগৰৰ কথা-পীঠ লম্বকত সেই একে বৰ্ণনাকে দিছে।

তাৰো আগতে কালিদাসে মেঘদূতত 'উদয়নৰ আখ্যান কোৱাত পাকৈত অৱন্তিৰ গ্ৰামবৃদ্ধৰ' বিষয়ে কৰা উক্তিয়েও পৰোক্ষ ভাৱে বৃহৎ-কথাৰ জনপ্ৰিয়তাৰে সূচনা কৰিছে৩। ভাসৰ স্বপ্নবাসৱদত্তা নাটকৰ কথা-বস্তুও বৃহৎ-কথাৰপৰাই আহৰণ কৰা।

---

৩. "প্ৰাপ্যাৱন্তীনুদয়ন-কথাকোবিদগ্ৰামবৃদ্ধান্"-মেঘদূত, পৃঃ, ৩০
উদয়নৰ পুত্ৰ নৰবাহন-দত্তৰ আখ্যানাংশহে সাতবাহন ৰজাই পাইছিল, পণ্ডিতে 'উদয়নকথা'ই বৃহৎ-কথাৰে সূচনা কৰিছে।

উল্লেখযোগ্য যে জৈন কবি উদ্দ্যোতন সুৰিয়ে তেওঁৰ কুবলয়মালা নামে কথা-কাব্যত গুণাঢ্যক ব্ৰহ্মা-স্বৰূপ আৰু বৃহৎ-কথাক সাক্ষাৎ সৰস্বতী বুলি সন্মানৰ উচ্চ শিখৰত ঠাই দিয়াৰ লগতে এই গ্ৰন্থক সকলো কলাৰ আকৰ বুলি বৰ্ণনা কৰিছে।

সয়লয়-কলাগমণিলয়া সিক্‌খাবিয়়ক ইয়ণ্‌স্‌স মুহয়ন্দা।
কমলাসণো গুণড্ঢো সৰস্‌সঈ জস্‌স বড্‌ঢকহা॥

সপ্তশতীৰ ৰচয়িতা গোবৰ্দ্ধন কবিয়ে ৰামায়ণ, মহাভাৰত আৰু বৃহৎ-কথাৰ কবিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি গ্ৰন্থ আৰম্ভ কৰিছে। নেপালত ৰচিত নেপাল-মাহাত্ম্য নামে গ্ৰন্থত (স্থানান্তৰত নেপাল-মাহাত্ম্যৰ আলোচনা কৰা হৈছে) গুণাঢ্যক বাল্মীকিৰ সৈতে তুলনা কৰা হৈছে। কেৱল ইমানেই নহয়, সাগৰ পাৰ হৈ গুণাঢ্যৰ কবি খ্যাতিয়ে ইন্দোচীনতো প্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰাচীন ভাৰতৰ উপনিবেশ কম্বোজ দেশত (বৰ্তমান কাম্পুচিয়া) খৃষ্টীয় নৱম শতকত ৰজা যশোবৰ্মণৰ সংস্কৃত ভাষাত প্ৰদত্ত শিলালিপিত প্ৰাচীন ভাৰতৰ বিশিষ্ট কবিসকলৰ সৈতে একে লগে গুণাঢ্যৰ প্ৰতিও শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হৈছে। এই শিলালিপিৰ 'প্ৰাকৃত প্ৰিয়'৪ বিশেষণে গুণাঢ্যৰ ৰচিত বৃহৎ-কথাৰ সূচনা কৰিছে। মন কৰিব লগীয়া উক্ত লিপিত তিনিবাৰ গুণাঢ্যৰ নামোল্লেখ আছে। খৃষ্টীয় একাদশ শতকৰ কবি ধনপালে তিলকমঞ্জৰীত সাগৰৰ সৈতে বৃহৎ-কথাৰ তুলনা কৰি কৈছে যে সমুদ্ৰ স্বৰূপ বৃহৎ-কথাৰ এটা টোপাল্‌পৰাই কিমান কথা-বস্তুৰ সৃষ্টি হ'ব পাৰে।

সত্যং বৃহৎকথাম্ভোধেৰ্বিন্দুমাদায় সংস্কৃতাঃ।
তেনেতৰকথাকন্থাঃ প্ৰতিভান্তি তদগ্ৰতঃ॥

---

৪. ভাৰতৰ বাহিৰৰ এইবোৰ দেশত (দ্বীপময় ভাৰতত) প্ৰাকৃত কাব্যই যথেষ্ট সমাদৰ লাভ কৰিছিল। বাণ ভট্টই একে প্ৰসঙ্গতে প্ৰৱৰসেনৰ সেতুবন্ধ মহাকাব্যৰ বিষয়ে কৰা প্ৰসংসা-সূচক উক্তিয়ে তাকে প্ৰমাণ কৰে।

"কীৰ্ত্তিঃ প্ৰৱৰসেনস্য প্ৰয়াতা কুমুদোজ্জ্বলা
সাগৰস্য পৰং পাৰং কপিসেনেৱ সেতুনা।" —হৰ্ষচৰিত।

আলঙ্কাৰিক হেমচন্দ্ৰই কাব্যানুশাসনৰ স্বৰচিত টীকাত কথা কাব্যৰ শ্ৰেণী বিভাগ কৰোঁতে বৃহৎ-কথাৰ উল্লেখ কৰিছে (অ. ৮ সূঃ ৮)।

কালিদাস, সুবন্ধু, বাণ, দণ্ডী, ধনিক, গোবৰ্দ্ধন আদি প্ৰাচীন ভাৰতৰ প্ৰসিদ্ধ কবিসকলে যি গ্ৰন্থৰ প্ৰশংসাত পঞ্চমুখ, যাক ৰামায়ণ আৰু মহাভাৰতৰ সমমৰ্য্যাদা দিয়া হৈছিল, গুণাঢ্য-ৰচিত সেই বৃহৎ-কথা কেতিয়া কেনেকৈ, কিয় লুপ্ত হ'ল কোৱা টান। সম্ভৱতঃ সোমদেৱৰ কথাসৰিৎ-সাগৰৰ বিপুল জনপ্ৰিয়তাই বৃহৎ-কথাক বিস্মৃতিৰ অন্ধকাৰলৈ ঠেলি দিলে আৰু এই গ্ৰন্থ চিৰ দিনৰ বাবে লুপ্ত হ'ল। এয়ে যদি প্ৰকৃত কাৰণ হয়, তেনেহ'লে খৃষ্টীয় দ্বাদশ শতকমানতে বৃহৎ-কথা লুপ্ত হ'ল।

বৃহৎ-কথা লুপ্ত হ'ল যদিও সেই গ্ৰন্থৰ আধাৰত ৰচিত তিনিখন সংস্কৃত গ্ৰন্থ আৰু এখন প্ৰাকৃত গ্ৰন্থ আমি বৰ্তমানে পাইছোঁ। সেই কেইখন হৈছে ঃ

(১) খৃষ্টীয় পঞ্চম শতকৰ নেপালী কবি বুধস্বামীৰ **বৃহৎকথা-শ্লোক সংগ্ৰহ**।

(২) খৃষ্টীয় একাদশ শতকৰ কাশ্মীৰী কবি প্ৰকাশেন্দ্ৰ-পুত্ৰ ক্ষেমেন্দ্ৰৰ **বৃহৎকথা-মঞ্জৰী**।

(৩) খৃষ্টীয় একাদশ শতকৰ কাশ্মীৰী কবি ৰাম ভট্টৰ পুত্ৰ সোমদেৱ ভট্টৰ **কথাসৰিৎ সাগৰ**।

(৪) খৃষ্টীয় ষষ্ঠ শতকৰ জৈন কবি সঙ্ঘদাস-গণিৰ প্ৰাকৃত কথা-কাব্য **বসুদেৱ হিণ্ডী**৫। বসুদেৱ হিণ্ডী (বসুদেৱৰ পৰিভ্ৰমণ) বৃহৎ-কথা আধাৰিত যদিও জৈন পৰম্পৰা অনুসাৰে এই গ্ৰন্থত আখ্যানৰ স্বৰূপ আৰু নায়ক বেলেগ কৰা হৈছে।

এটা প্ৰাসঙ্গিক প্ৰশ্নই এইখিনিতে ভুমুকি মাৰে। সেয়ে হৈছে সোমদেৱলৈকে কবিসকলে পৈশাচী ভাষাৰ বৃহৎ-কথাৰ ওপৰত ভিত্তি কৰিয়েই নিজ নিজ গ্ৰন্থ ৰচনা কৰিছিল নে তেওঁলোকে বৃহৎ-কথাৰ সংস্কৃত বাঙময় ৰূপো পাইছিল? কৰ্ণাটকৰ কোল্লাৰ ক্ষেত্ৰৰ অন্তৰ্গত গুম্মা ৰেড্ডিপুৰত পোৱা ৰজা দুৰ্বিনীতৰ এখন তামৰ ফলিত এই প্ৰশ্নৰ এটা উত্তৰ পোৱা যায়। ষষ্ঠ শতকৰ আৰম্ভণিত দুৰ্বিনীতৰ ৰাজত্বৰ চল্লিশতম বৰ্ষত প্ৰদত্ত এই তামৰ ফলিত

৫. দ্ৰ. *Eine neue Version der Verlorenen Brihatkatha des Gunadhya*.

দুর্বিনীতে এখন নতুন ব্যাকৰণ, কিৰাতাৰ্জুনীয়ৰ ১৫ সৰ্গলৈকে টীকা ৰচনা কৰা আৰু বৃহৎ-কথাৰ সংস্কৃত ৰূপান্তৰীকৰণৰ উল্লেখ আছে।৬ দুৰ্বিনীতে দেৱভাৰতীত নিবদ্ধ কৰা বৃহৎ-কথাৰ উল্লেখ অন্য ঠাইত নাই।

সোমদেৱ ভট্ট আৰু কথাসৰিৎ-সাগৰ

কাশ্মীৰৰ ৰজা অনন্ত দেৱৰ (১০১৯-১০৭৭ খৃঃ) মহিষী জলন্ধৰৰ ৰজা ইন্দুচন্দ্ৰৰ কন্যা সূৰ্য্যমতীৰ মনোৰঞ্জনৰ অৰ্থে ৰামভট্টৰ পুত্ৰ সোমদেৱ ভট্টই বৃহৎ-কথাৰ আধাৰত কথা সৰিৎ-সাগৰ নামৰ গ্ৰন্থ সংস্কৃত পদ্যাত ৰচনা কৰে। গ্ৰন্থৰ ৰচনা-কাল ১০৬৩-১০৮১ খৃষ্টাব্দৰ ভিতৰত। কথা সৰিৎ-সাগৰৰ কোনো কোনো সংস্কৰণত গ্ৰন্থৰ শেষত থকা কেইফাকিমান শ্লোকৰ পৰা এইখিনি কথা জনা যায়।

সোমদেৱৰ আত্ম-পৰিচয়-জ্ঞাপক এই তেৰটা শ্লোক সোমদেৱৰ স্বৰচিত হয় নে নহয় এই বিষয়ে সন্দেহৰ অৱকাশ আছে। এনে সন্দেহৰ প্ৰথম কাৰণ হৈছে কথাসৰিৎ-সাগৰৰ সকলো পাণ্ডু-লিপিত, আৰু সেই বাবে সকলো সংস্কৰণত এই শ্লোক কেইটা দেখা নাযায়।৭ দ্বিতীয় আৰু ঘাই কাৰণ হ'ল এয়ে যে—এই শ্লোক কেইফাকিত অনন্তদেৱ, সূৰ্য্যমতী, কলশ আৰু হৰ্ষক যিবিলাক গুণেৰে বিভূষিত কৰা হৈছে, সেই বৰ্ণনা ৰাজতৰঙ্গিণীৰ বৰ্ণনাৰ সংক্ষিপ্ত ৰূপ যেন হে দেখা যায়।

ইয়াৰপৰা অনুমান কৰিব পৰা যায় যে ৰাজতৰঙ্গিণীৰ বৰ্ণনা অনুসৰণ কৰি কোনো কবিয়ে পিছত এই কেইফাকি শ্লোক কথা

---

৬. "শব্দাৱতাৰ-কাৰেণ দেৱভাৰতী-নিবদ্ধকথেন কিৰাতাৰ্জুনীয়ে পঞ্চদশসৰ্গটীকাকাৰেণ দুৰ্বিনীত-নামধেয়েন।
Indian Antiquary 42/204, JRAS 1913, 389

৭. ১৮৯৩ খৃষ্টাব্দত নিৰ্ণয় সাগৰৰপৰা প্ৰকাশিত দুৰ্গাপ্ৰসাদ সম্পাদিত কথাসৰিৎ-সাগৰৰ প্ৰথম সংস্কৰণত এই শ্লোক কেইফাকি আছিল যদিও পিছৰ দুটামান সংস্কৰণত নাই। ব্ৰক্‌হাউচৰ সংস্কৰণতো নাই আৰু সেই দেখি চি. এইচ্. টাওনীয়ে ইয়াৰ ইংৰাজী অনুবাদ কৰা নাই।

সৰিৎ-সাগৰত যোগ দিছে। সোমদেৱ-ৰচিত বা অন্য-ৰচিত যিয়েই নহওক, এই শ্লোক কেইফাঁকিয়ে গ্ৰন্থ ৰচনাৰ সময় আৰু পৃষ্ঠ পোষকতাৰ আভাস দিয়ে। ইয়াৰপৰা গ্ৰন্থৰ ৰচনা কাল আৰু গ্ৰন্থকাৰৰ ঐতিহাসিকতা প্ৰমাণিত হৈছে।

উল্লেখযোগ্য যে কল্‌হণে ৰাজতৰঙ্গিণীত আনন্দবৰ্দ্ধন, বপ্পট, ভৰ্তৃমেণ্ঠ, হেলাৰাজ, দামোদৰগুপ্ত, মংখ, মনোৰথ, মৃতৃগুপ্ত, শঙ্কুক আদি বহুত কাশ্মীৰোদ্ভৱ পূৰ্ব-সূৰিৰ নাম উল্লেখ কৰিছে; কিন্তু সোমদেৱ নাইবা তেওঁৰ কথাসৰিৎ-সাগৰ, এটাৰো নাম উল্লেখ কৰা নাই। অথচ সোমদেৱৰ বিশ-পঁচিশ বছৰমান আগতে বৃহৎ-কথামঞ্জৰী ৰচনা কৰা ভূৰিলেখক ক্ষেমেন্দ্ৰৰ (৯০৯০-১০৬৫) সাহিত্য-কৃতিৰ কথা ৰাজতৰঙ্গিণীৰ আদিতে কল্‌হণে উল্লেখ কৰিছে৮। অৱশ্যে এই উক্তি পূৰ্বসূৰিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপক নহয়, ক্ষেমেন্দ্ৰই কাশ্মীৰৰ ৰজাসকলৰ বিষয়ে দিয়া বিৱৰণৰ প্ৰতি কটাক্ষপাতহে। মন কৰিব লগীয়া যে কল্‌হণে কেৱল ৰজা আৰু ৰাজবংশ, যুদ্ধ-বিগ্ৰহ আৰু ৰাজ্য জয়ৰ বিৱৰণেৰেই ৰাজতৰঙ্গিণীৰ কলেৱৰ সমৃদ্ধ কৰা নাই, সমসাময়িক কাশ্মীৰৰ সামাজিক আৰু সংস্কৃতিক চিত্ৰ এখনো তাত তেওঁ দাঙি ধৰিছে। ৰাজতৰঙ্গিণী ৰচনাৰ মাত্ৰ এশ বছৰমান আগৰ অনন্তদেৱ, কলশ, হৰ্ষ আদিৰ ৰাজত্ব কালৰ বিশদ বিৱৰণ দিয়াৰ লগতে কল্‌হণে অনন্ত-দেৱ-সূৰ্যামতীৰ দাম্পত্য জীৱনৰ বিষাদ-মধুৰ অন্তৰঙ্গ চিত্ৰ এখনো তাত অঙ্কন কৰিছে। এনে অৱস্থাত সোমদেৱে সূৰ্য্যমতীৰ মনোৰঞ্জনৰ বাবে ৰচনা কৰা কথাসৰিৎ-সাগৰৰ বিষয়ত কল্‌হণৰ মৌনতাৰ কাৰণ কি কোৱা টান। অথচ কলশৰ ৰাজত্ব কালত (১০৬৪-১০৯০ খৃঃ) কাশ্মীৰ এৰি কৰ্ণাটকলৈ যোৱা কবি বিল্‌হণৰ কথাও কল্‌হণে উল্লেখ কৰিছে।

---

৮. ৰাজতৰঙ্গিনী, ১, ১৩
ক্ষেমেন্দ্ৰৰ 'নৃপাৱলি' উত্তম কাব্যৰূপে পৰিগণিত হ'লেও সম্পূৰ্ণ ত্ৰুটিপূৰ্ণ।

গ্ৰন্থ ৰচনাৰ পটভূমি

কল্হণৰ বৰ্ণনা অনুসাৰে খৃষ্টীয় দশম-একাদশ শতকৰ কাশ্মীৰ এফালে শাস্ত্ৰ চৰ্চ্চা, সাহিত্য সৃষ্টি আৰু সুকুমাৰ কলাৰ অনুশীলনত প্ৰগতিৰ পথত আগ বাঢ়িছিল, আন ফালে সিংহাসন লাভৰ বাবে ষড়যন্ত্ৰ, বিদ্ৰোহ, ৰাজ অন্তঃপুৰৰ অনাচাৰ-ব্যাভিচাৰ আৰু ৰজা-ৰাণীৰ বিকৃত যৌন-সম্ভোগ লালসাই কাশ্মীৰক নৈতিক অধঃ পতনৰ অতল তলীত পোত খুৱাই থৈছিল। দশম শতকৰ মাজ ভাগত (৯৫০ খৃঃ) 'পৰনাৰী-ৰতিপ্ৰিয়' জুৱাৰী মদপী আৰু কামুক ক্ষেমগুপ্ত কাশ্মীৰৰ ৰাজপাটত বহে। ক্ষেমগুপ্ত আছিল কাশ্মীৰৰ ৰজাক হত্যা কৰি ৰাজ-সিংহাসন লাভ কৰা দুষ্টমন্ত্ৰী প্ৰৱৰগুপ্তৰ পুত্ৰ। ক্ষেমগুপ্তই শাহী৯ ৰজাৰ নাতিনীয়েক, সিংহৰাজৰ কন্যা দিদ্দাক১০ নিজৰ মহিষী পাতে। কামুক ক্ষেমগুপ্ত দিদ্দাৰ প্ৰতি ইমান আসক্ত হৈ পৰিছিল যে মানুহে তেওঁক উপলুণ্ডা কৰি 'দিদ্দা-ক্ষেম' নাম দিছিল। আঠ বছৰমান ৰাজত্ব কৰাৰ পিছত ক্ষেমগুপ্তৰ হাইজ্বাত মৃত্যু হ'ল। ৰজাৰ মৃত্যুত দিদ্দাৰ শয্যাত শূন্য ঠাই মন্ত্ৰী, বিষয়া আৰু ৰাজ অন্তঃপুৰৰ ভৃত্যই সততে পূৰ কৰিবলৈ ধৰিলে। নৰবাহন নামৰ মন্ত্ৰীজনে নিগাজীকৈ ৰাজ অন্তঃপুৰতে বাস কৰিবলৈকে ধৰিলে। আহাৰ-বিহাৰ, শয়ন-ভোজন সকলোতে নৰবাহন দিদ্দাৰ এনে অন্তৰঙ্গ হৈ পৰিছিল যে নৰবাহনে হাঁহিলে দিদ্দায়ো হাঁহিছিল আৰু কান্দিলে কান্দিছিল, শুলে শুইছিল।

---

৯. শাহী- আফঘানিস্থানত বাস কৰা তুৰ্কবিলাকক শাহী বোলা হৈছিল। শাহী বিলাক হিন্দু আৰু বৌদ্ধ আছিল। চাবক্তগিনে আফঘানিস্থান দখল কৰাত শাহী ৰাজকুমাৰ সকলে কাশ্মীৰত আশ্ৰয় লয়।

১০. দিদ্দা- কাশ্মীৰী ভাষাত দিদ্দাৰ অৰ্থ ৰাইদেউ। ৰাণী দিদ্দা যৌন-ব্যভিচাৰ আৰু নিষ্ঠুৰতাৰ বাবে ইতিহাস-প্ৰসিদ্ধ। ৰুচিয়াৰ সম্ৰাজ্ঞী কেথেৰিণৰ সৈতে এওঁ একে পৰ্য্যায়ত পৰে। দিদ্দা খোৰা আছিল আৰু বল্গা নামে লিগিৰী এজনীয়ে তেওঁক উঠা বহাত সহায় কৰিছিল।

ক্ষেমগুপ্তৰ পিছত পুতেক অভিমন্যু নামত ৰজা হ'ল যদিও, আচলতে শাসনকাৰ্য্য নিৰ্বাহ কৰিছিল ৰাণী দিদ্দাই। ১৫ বছৰ ৰাজত্ব কৰাৰ পিছত ৯৭২ খৃষ্টাব্দত অভিমন্যুৰ মৃত্যু হোৱাত ৰাণী দিদ্দাই নিজেই ৰাজপাটত বহিব খুজিছিল, কিন্তু একাঙ্গসকলে[১১] অভিমন্যুৰ পুত্ৰ বালক নন্দীগুপ্তক ৰজা পাতে। এবছৰ এমাহ ন দিন ৰাজত্ব কৰাৰ পিছত দিদ্দাই নন্দীগুপ্তক হত্যা কৰোৱাত অন্য এটা নাতিনিয়েক ত্ৰিভুৱনক একাঙ্গ আৰু কেইজনমান মন্ত্ৰীয়ে ৯৭৪ খৃষ্টাব্দত ৰাজপাটত বহুৱায়। দিদ্দাই ত্ৰিভুৱনকো প্ৰায় দুবছৰ পিছত সেই একে দৰেই হত্যা কৰোৱাত সৰ্বকনিষ্ঠ নাতিনিয়েক ভীমগুপ্ত ৯৭৬ খৃষ্টাব্দত ৰজা হয়। এই সময় ছোৱাত ৰাণী দিদ্দাই সকলোকে পিঠি দি একমাত্ৰ কামোপভোগত মদমত্ত হাতীৰ দৰে বিচৰণ কৰি প্ৰচণ্ড প্ৰতাপেৰে ৰাজ্য চলাইছিল। তেওঁৰ কথা মতেই ভাল-বেয়া ন্যায়-অন্যায়ৰ বিচাৰ হৈছিল। কলহণৰ ভাষাত···

"মণ্ডলেঽখণ্ডিতাজ্ঞত্বং ৰণ্ডায়াঃ সমাজৃম্ভত।"

(ৰাজ্যত বেশ্যা (দিদ্দা)ৰ অখণ্ড প্ৰতাপ চলিবলৈ ধৰিলে)।

এই সময়তে তুঙ্গ নামে খশ জাতীয় এটা গাঁৱলীয়া ডেকাৰ ওপৰত দিদ্দা এদিন চকু পৰিল। তুঙ্গ আছিল পৰ্ণোৎস নামৰ অঞ্চলৰ বদ্ধিবাসা নামে গাঁৱৰ ডেকা ল'ৰা। চকচকীয়া ডেকা ওখ-পাখ তুঙ্গ আহিছিল শ্ৰীনগৰলৈ নতুন জীৱিকাৰ সন্ধানত। মন্ত্ৰীয়ে তুঙ্গক পত্ৰবাহকৰ কামত নিযুক্ত কৰিলে। মন্ত্ৰীৰ ঘৰত এদিন তুঙ্গক দেখি দিদ্দা তুঙ্গৰ প্ৰতি ইমান আসক্ত হৈ পৰিল যে তেওঁ এজনী লিগিৰীৰ হতুৱাই তুঙ্গক আনি ৰাতি ৰাজ অন্তঃপুৰ পোৱালেহি। 'ভুৰিজাৰা' দিদ্দা তুঙ্গৰ প্ৰেমত বুৰ গ'ল। ইফালে তুঙ্গও খাপে খাপে উঠি ক্ষমতাৰ উচ্চ স্থান পালেগৈ। তুঙ্গই তেতিয়া নিজৰ চাৰিটা ভায়েকক আনি বিভিন্ন পদত নিযুক্ত কৰিলে।

ল'ৰামতীয়া ৰজা ভীমগুপ্ত বুঢ়ীমাকৰ ব্যভিচাৰ আৰু বীভৎস আচৰণত ক্ষুব্ধ হৈ বাধা দিব খোজাত দিদ্দাই ৰাজদ্ৰোহৰ

---

১১. ৰজাৰ নিজস্ব ৰক্ষিবাহিনী।

অপৰাধত ভীমগুপ্তক প্ৰথমে কাৰাগাৰত বন্দী কৰি থৈ পিছত বধ কৰায়। ভীমগুপ্ত মাত্ৰ পাঁচ বছৰ ৰাজপাটত আছিল। ইয়াৰ পিছত (৯৮০ খৃষ্টাব্দ) কাকো সাক্ষী-গোপাল ৰজা নকৰাকৈ দিদ্দা নিজেই ৰাজপাটত বহি নিজ হাতেৰে ৰাজ্য শাসন কৰিবলৈ ধৰিলে। চিৰ অতৃপ্ত কামনা চৰিতাৰ্থ কৰিবলৈ তেওঁ নিতে নতুন নতুন প্ৰেমিকৰ কণ্ঠ-লগ্না হ'বলৈ ধৰিলে। তাকে দেখি কুট-কৌশলীয়ে পুৰণি প্ৰেমিক মন্ত্ৰী নৰবাহনৰ লৈতে দিদ্দাৰ বিচ্ছেদ ঘটালে। ৰাজ্যত কেবা বাৰো বিদ্ৰোহ হ'ল। আগৰ বিদ্ৰোহ বিশ্বাসী নৰবাহনৰ সহায়ত দমন কৰাৰ দৰে এইবোৰ বিদ্ৰোহো দিদ্দাই এতিয়া সাহসী তুঙ্গৰ সহায়ত নিষ্ঠুৰ হাতে কঠোৰভাৱে দমন কৰিলে। এইদৰে ২৩ বছৰ কাশ্মীৰক ব্যভিচাৰত বুৰাই ১০০৩ খৃষ্টাব্দত দিদ্দা মৃত্যুৰ মুখত পৰে।

মৃত্যুৰ কিছুদিন আগতে ৰাণী দিদ্দাই নিজৰ ভায়েকৰ পুতেক সংগ্ৰামৰাজক কাশ্মীৰৰ যুৱৰাজ পাতে। এতিয়া দিদ্দাৰ মৃত্যুৰ পিছত তেৱেঁই ৰজা হয়। সংগ্ৰামৰাজো মদপী, স্ত্ৰীলম্পট আৰু ব্যাভিচাৰী আছিল।

তুঙ্গক ভাল নোপোৱা বহুত বিষয়াই ভাবিছিল যে ৰাণী দিদ্দাৰ মৃত্যুৰ পিছত তুঙ্গৰ প্ৰভাৱ প্ৰতিপত্তি কমিব। সংগ্ৰাম ৰাজেও তেনে আশাকে কৰিছিল, পিছে তেনে কোনো লক্ষণ নেদেখি সংগ্ৰাম ৰাজে তুঙ্গক তুৰুকৰ আক্ৰমণৰ বিপক্ষে শাহী ৰাজক সহায় কৰিবলৈ সসৈন্যে পঠালে। উদ্দেশ্য, যুদ্ধত তুঙ্গৰ মৃত্যু হ'লে তেওঁ নিষ্কণ্টক হ'ব আৰু যদিহে তুঙ্গ পৰাস্ত হয়, পৰাজয়ৰ গ্লানিত তুঙ্গ প্ৰভাৱহীন হ'ব। যুদ্ধত তুঙ্গ পৰাজিত হল; শাহীৰাজ্য চিৰদিনৰ বাবে বিলুপ্ত হ'ল। পৰাজিত তুঙ্গ কাশ্মীৰলৈ উভতি আহিল; কিন্তু তুঙ্গৰ প্ৰভাৱ প্ৰতিপত্তি হ্ৰাস নকমিল, আগৰ দৰেই থাকিল।

তুঙ্গ আৰু তুঙ্গ-পুত্ৰ কন্দৰ্পৰ প্ৰভাৱ প্ৰতাপৰ দেখি ঈৰ্ষাত তুঙ্গৰ ভায়েক নাগ আৰু আন বহুতে তুঙ্গৰ বিৰুদ্ধে ৰজা সংগ্ৰামৰাজৰ কাণত দিনে ৰাতিয়ে বিহ ঢালিবলৈ ধৰিলে। ৰজাই তুঙ্গ আৰু পুতেকক অকস্মাৎ ৰাজকাৰেওঁলৈ অহাকৈ বাট চাবলৈ ক'লে। তেওঁলোকে এইদৰে অপেক্ষা কৰি থাকোঁতে এদিন তুঙ্গ আৰু তুঙ্গ-

পুত্ৰক তেনে অৱস্থাত পাই ৰজাৰ আদেশমৈ বাট নোচোৰাকৈয়ে এই দলটোৰে দুয়োকে হত্যা কৰিলে। তুঙ্গৰ ভায়েক নাগে তুঙ্গ-পুত্ৰ কন্দৰ্পৰ ভাৰ্য্যা ক্ষেমাক উপপত্নী ৰূপে গ্ৰহণ কৰিলে। ভ্ৰষ্ট সংগ্ৰাম ৰাজে ভ্ৰাতৃ-জাৰাৰক্ত পাৰ্থ আৰু তেনেকুৱা বহুত লম্পটক শাসনৰ উচ্চ পদত নিযুক্ত কৰি ভোগ বিলাসত গা এৰি দিবলৈ ধৰিলে। ক্ৰমাগত অত্যাচাৰ ব্যাভিচাৰত সংগ্ৰাম ৰতি-শক্তিহীন হৈ পৰাত তেওঁৰ ভাৰ্য্যা শ্ৰীলেখাই গণিকাপুত্ৰ ত্ৰিভুবন আৰু বিচক্ষণ মন্ত্ৰী জয়াকৰক প্ৰকাশ্যভাৱে ৰাজ অন্তঃপুৰত উপপতি গ্ৰহণ কৰিলে। ২৪ বছৰ ৯ মাহ ৮ দিন ৰাজত্ব কৰাৰ পিছত ১০২৮ খৃষ্টাব্দত সংগ্ৰামৰাজৰ মৃত্যু হ'ল। ধাৰ্মিক হৰিৰাজে মাক শ্ৰীলেখাৰ ভ্ৰষ্ট চৰিত্ৰতাত বাধা দিবলৈ চেষ্টা কৰাত মাকে অভিচাৰ ক্ৰিয়াৰে পুত্ৰৰ মৃত্যু ঘটালে আৰু দিদ্দাৰ পদাঙ্ক অনুসৰণ কৰি শ্ৰীলেখা নিজেই ৰাজপাটত বহিব খোজোঁতে একাঙ্গসকলে মগ লাগি তেওঁৰ কনিষ্ঠপুত্ৰ অনন্তদেৱক ১০২৮ খৃষ্টাব্দত ৰজা পাতিলে। নিৰঙ্কুশ ভোগবিলাস চৰিতাৰ্থ কৰাৰ আশাৰে ৰাজপাটত বহিব খোজা শ্ৰীলেখা অভাৱনীয় ৰূপে সিংহাসনৰপৰা বঞ্চিত হৈ দুঃখে ক্ষোভে দুগুণে কামলীলাত মত্ত হৈ পৰিল।

এই সময়তে শাহীৰাজ বিগ্ৰহৰাজে (শ্ৰীলেখাৰ ভায়েক) কাশ্মীৰ ৰাজ্য দখল কৰিবলৈ আহি এটা মঠত আশ্ৰয় লওঁতেই শ্ৰীলেখাই সৈন্য পঠাই ৰাতি জুই লগাই মঠৰে সৈতে বিগ্ৰহৰাজক পুৰি ভস্ম কৰিলে। ইফালে সৈন্যাধ্যক্ষ ত্ৰিভুবনে সুযোগ বুজি বিদ্ৰোহ কৰিলে; অনন্তদেৱে পৰাক্ৰমেৰে বিদ্ৰোহ দমন কৰিলে। অনন্তৰ দুষ্ট বন্ধু বহুত হ'ল। তাৰে ৰুদ্ৰপাল নামৰ এজনে ৰজাৰ প্ৰশ্ৰয় পাই জলন্ধৰৰ ৰজা ইন্দুচন্দ্ৰৰ কন্যা আশ(স)মতীক ৰজালৈ বুলি খুজি নিজেই বিয়া কৰালে। পিছত জানিবা আশমতীৰ ভনীয়েক সূৰ্য্যমতীৰে সৈতে অনন্তৰ বিয়া পাতি দিলে। এই সূৰ্য্যমতীয়েই সোমদেৱ ভট্টৰ পৃষ্ঠপোষিকা। সূৰ্য্যমতীৰ আন এটা নাম সুভটা।

কিছু দিনৰ পিছত বিদ্ৰোহী সেনাধ্যক্ষ ত্ৰিভুবনে ৰাজ-অনুগ্ৰহ পাই পুনাই নিজৰ পদ লাভ কৰিলে আৰু ভায়েক ৰুদ্ৰৰাজক মন্ত্ৰী পাতিলে। ৰুদ্ৰৰাজে ৰাজ্যৰ, আও-ভাও বুজি সাতজন স্নেচ্ছ

ৰজাৰ লগ লৈ (সংস্তভিম্লেৰ্চ্ছভূপালৈঃ) এদিন কাশ্মীৰ আক্ৰমণ কৰিলে। যুদ্ধত আক্ৰমণকাৰী হাৰিল। ক্ষদ্ৰপালে ম্লেচ্ছ ৰজা দৰদৰাজৰ ছিন্ন শিৰ ৰজা অনন্তক উপহাৰ দিলে।

কালক্ৰমত ক্ষদ্ৰপাল আদি বহুত দুষ্ট বন্ধুৰ মৃত্যু হোৱাত আৰু আন কিছুমান আঁতৰি যোৱাত ৰাণী সূৰ্য্যমতীয়ে ৰজাৰ ওপৰত সম্পূৰ্ণ প্ৰভাব বিস্তাৰ কৰিবলৈ সুযোগ পালে। চঞ্চল ৰজা অনন্ত শান্ত হৈ ৰাণীৰ একান্ত আজ্ঞাবহ হৈ পৰিল। যুদ্ধ আৰু মৃগয়াৰ বাহিৰে ৰাজ্য শাসনৰ সকলো বিষয়তে ৰাণীয়ে সক্ৰিয় অংশ গ্ৰহণ কৰিলে। ত্ৰিগৰ্ত্ত১২ দেশৰ কেশৱ নামে এজন ব্ৰাহ্মণে মন্ত্ৰীৰ দায়িত্ব লৈ ৰাজ্যলৈ শান্তি শৃঙ্খলা ঘূৰাই আনিলে আৰু ৰাজ্যধনৰ শ্ৰীবৃদ্ধি কৰিলে। ইফালে হলধৰ নামে এজন বিশ্বস্ত বৈশ্যই কোষাগাৰ উন্নকিয়াল কৰিলে। হলধৰ সম্বন্ধে ৰাণীৰ ওচৰলৈ অহা যোৱা কৰাৰ আপাহত অনন্তৰ লগৰীয়াই ৰাণীৰ চৰিত্ৰত কলঙ্ক সানিলে। ৰজাই হলধৰক কাৰাগাৰত বন্দী কৰি থলে। ইফালে ৰাণী সূৰ্য্যমতীয়ে নিজৰ ভাই ককায়েকক আনি ৰাজ্যৰ উচ্চ পদত প্ৰতিষ্ঠা কৰিলে।

ডম্বক নামে এটা বিদেশী অনন্তদেৱৰ ঘোঁৰাশালৰ অধ্যক্ষ হোৱাৰ লগতে ৰজাৰ একান্ত বিশ্বস্ত হৈ প্ৰজাৰ ধন অপহৰণত লাগিল। তামোলৰ ৰাগীত অনন্ত ইমান মজিছিল যে পদ্মৰাজ নামৰ এটা বিদেশী তাম্বুলী ৰজাৰ অনুগ্ৰহত পৰম আত্মৰক্ত হৈ উঠিল। ৰজাই ৰাজমুকুট আৰু সিংহাসন পদ্মৰাজৰ ওচৰত বন্ধক দি টকা ধাৰে লৈ ৰাজ্যৰ শাসন পৰিচালনা কৰিব লগা হ'ল। ৰাণীয়ে নিজৰ সঞ্চিত ধনেৰে আনিবা বন্ধক মোকোলালে। ক্ৰমে সূৰ্য্যমতীৰ প্ৰভাৱত অনন্তৰ স্বভাৱৰ সম্পূৰ্ণ সলনি হ'ল, মতি-গতি একেবাৰে ভালৰ ফালে আহিল। ফলত অনন্ত সূৰ্য্যমতীৰ একান্ত বশীভূত (ভাৰ্য্যাজিত) হৈ পৰিল। ইমান দিনি কৰিও সূৰ্য্যমতীৰ তৃপ্তি নহ'ল। এইবাৰ সূৰ্য্যমতীয়ে পুতেক কলশক ৰজা পাতিবলৈ উঠি পৰি লাগিল। ৰণাদিত্য আদি বিশ্বাসী অমাত্যবৰ্গই বাধা

১২. বৰ্ত্তমানৰ জলন্ধৰ অঞ্চল।

দিয়া সত্বে সূৰ্য্যমতীৰ কথা পেলাব নোৱাৰি তিক্তাসেকৰা অনন্তদেৱে ১০৬৩ খৃষ্টাব্দাত কলশক ৰাজ্যত অভিষিক্তি কৰিলে। কামুক কলশে ৰজা হৈ ব্যভিচাৰৰ সোঁতত গা উটাই দিলে। কলশক ব্যভিচাৰত উদগনি দিয়া গুৰুও গোট খালে। প্ৰমদকণ্ঠ নামৰ গুৰুৱে যৌন সঙ্গমত উচিত অনুচিতৰ বিচাৰ (গম্যা-অগম্যা বিচাৰ) কলশৰ মনৰপৰা সমূলি নাইকিয়া কৰি আৰু নিজেও নিজ কন্যাৰে সৈতে ব্যভিচাৰত লিপ্ত হৈ কলশক আঁহি দেখুৱালে। কলশৰ কামাগ্নিত অনন্তদেৱৰ ভনীয়েক কল্পনা আৰু কল্পনাৰ জীয়েক নাগা দুয়ো সমানে আহুতি হ'ল।

এদিন ৰাতি নগৰীয়াৰে সৈতে কলশ জিন্দুৰাজ নামে অমাত্যৰ কুলটা পুত্ৰবধূৰ আহ্বানত ৰাতি তেওঁৰ ঘৰ সোমোৱাত কুকুৰৰ ভুক্ ভুকনি শুনি ৰখীয়াবোৰে আহি কলশক বৰ কৈ মাৰিলে। নগৰীয়াইহঁতে কোনোমতে তেওঁৰ প্ৰাণ ৰক্ষা কৰিলে। এই কথা পুৰাই অনন্ত আৰু সূৰ্য্যমতীৰ কাণত পৰাত দুয়ো শোকে বেজাৰে ম্ৰিয়মান হ'ল। অনন্তই গৈ খণ্ডত কলশক এটা চৰ মাৰিলে। তাৰ পিছত অনন্ত আৰু সূৰ্য্যমতী দুয়ো ৰাজধানী এৰি বিজয়েশ্বৰ ক্ষেত্ৰলৈ যাত্ৰা কৰিলে। যাওঁতে বাটত পদ্মপুৰ নামে ঠাই পাওঁতেই তাৰ ব্ৰাহ্মণসকলে অনন্তক ৰাজধানী এৰি নাযাবলৈ অনুৰোধ কৰিলে। এনে সময়তে সপত্নীক কলশো তাত উপস্থিত হ'ল। তেওঁ অনুনয়-বিনয় কৰি অনন্ত আৰু সূৰ্য্যমতীক ৰাজধানীলৈ ঘূৰাই আনিলে। ৰজা ঘূৰি আহিল যদিও তেওঁৰ মনৰ খং মাৰ নগ'ল। ইফালে নগনীয়াই পিতা-পুত্ৰৰ মাজত সন্দেহ আৰু বিদ্বেষ বঢ়াই তুলিবলৈ ধৰিলে। অনন্তই এই বাৰ ৰাজ-কোষৰ সমস্ত ধন-সম্পদ লৈ বিজয়েশ্বৰ ক্ষেত্ৰলৈ যাত্ৰা কৰিলে আৰু তাত ৰাজ পয়োভৱেৰে বাস কৰিবলৈ ধৰিলে। পিতা-পুত্ৰৰ মাজত মনোমালিন্য ক্ৰমে বঢ়িবলৈ ধৰিলে। সূৰ্য্যমতীয়ে কলশৰ পুত্ৰ হৰ্ষক বিহুজয়েশ্বৰলৈ মতাই নি তেওঁক ৰজা পাতাৰ চেষ্টা কৰিলে। কথা বিষম দেখি কলশে অনন্ত আৰু সূৰ্য্যমতীক ৰাজধানীলৈ আকৌ ঘূৰাই আনিলে। আঢ়ৈ মাহ থকাৰ পিছত তেওঁলোকে দুয়ো আকৌ ১০৭৯ খৃষ্টাব্দৰ জেঠ মাহত বিজয়ে-

শ্বৰ পালে গৈ। এইবাৰ কলশে ক্ৰুদ্ধ লগাই বিজয়েশ্বৰ ক্ষেত্ৰ ভস্মীভূত কৰিলে। অনন্তই সূৰ্য্যমতীক সকলো অনৰ্থৰ মূল বুলি আক্ষেপ কৰাত সূৰ্য্যমতীয়ে কুট কথাৰে কলশৰ জন্ম ৰহস্য প্ৰকাশ কৰি দিলে। (কলশ অনন্তৰ পুত্ৰ নহয়, মৃত পুত্ৰৰ সলনি মনে মনে ৰাণীয়ে কৰবাৰপৰা অনা)। খং-বেজাৰ, লাজ-অপমানত জৰ্জ্জৰিত হৈ ১০৮১ খৃষ্টাব্দৰ কাতি মাহৰ পূৰ্ণিমাৰ দিনা অনন্তই আত্মহত্যা কৰিলে। ৰাণী সূৰ্য্যমতী সহমৃতা হ'ল। কলশে কেইবছৰমান ৰাজত্ব কৰাৰ পিছত পুতেক হৰ্ষ বিদ্ৰোহী হয়।১৩। কলশে বিদ্ৰোহ দমন কৰি হৰ্ষক কাৰাগাৰত বন্দী কৰি থয়। হৰ্ষৰ ভাৰ্য্যা আৰু ৰক্ষিতা বিলাকক কলশে শত্ৰু জয় কৰি অনা ৰমণীৰ দৰে উপভোগ কৰিবলৈ ধৰিলে। তাৰে সুলভা নামে হৰ্ষৰ এগৰাকী ভাৰ্য্যা শহুৰেক কলশৰ অতিশয় বল্লভা হৈ পৰে। ২৬ বছৰ ৰাজত্ব কৰাৰ পিছত ১০০৯ চনৰ আঘোণ মাহত কলশৰ মৃত্যু হয়।

ৰাণী দিদ্দাৰপৰা আৰম্ভ কৰি ৰজা-ৰাণীৰ চৰিত্ৰ আৰু জঘন্য আচৰণ, নৈতিক অধঃপতন, ষড়যন্ত্ৰ আদি প্ৰতিফলিত হোৱা এই কথাখিনি এই পাতনিত অবান্তৰ যেন লাগিলেও এই পটভূমিয়ে কথাসৰিৎ-সাগৰত চিত্ৰিত, ধূৰ্ত্ত, গণিকা, চোৰ, জুৱাৰী, ভ্ৰষ্টা নাৰী, লম্পট, গুপ্তঘাতক আদিৰ চৰিত্ৰ বুজাত সহায় কৰিব বুলিয়েই অলপ দীঘলীয়াকৈ উল্লেখ কৰা হ'ল। এই ছোৱা সময়তে বৃহৎ-কথা মঞ্জৰীও ৰচিত।

হৰ্ষ কবি বিদ্বান আছিল যদিও তেওঁৰ চৰিত্ৰ আৰু কাৰ্য্য আছিল অতিশয় জঘন্য। হৰ্ষৰ অন্তঃপুৰৰ ৰমণীৰ সংখ্যা আছিল ৩৬০। হৰ্ষৰ অজাচাৰ এনে নিন্দনীয় স্তৰ পাইছিল গৈ যে ওচৰ সম্বন্ধীয় ৰমণী তেওঁৰ উপভোগ্যা হৈছিল। ১১০১ খৃষ্টাব্দত গুপ্তঘাতকে হৰ্ষক হত্যা কৰে। কহ্লণৰ ভাষাত—

"শৈশৱে ৰক্ষিতো যাভিৰঙ্কমাৰুহ্য মাতৃভিঃ।
সোঽঙ্কমাৰোপ্য তা এব চুম্বন্ সংৰভুজেনিশম্ ॥"

কথাসৰিৎ-সাগৰ

গ্ৰন্থ ৰচনাৰ আৰম্ভণিতে সোমদেৱে আমাক এই বুলি কৈছেঃ "মূলৰূপৰ। তিলমানো আতৰি নোযোৱাকৈ এই গ্ৰন্থ (কথা সৰিৎ-সাগৰ) সংগ্ৰহ কৰা হৈছে। ঔচিত্য আৰু পৌৰ্বাপৰ্য্য সমন্বয়ো যথাসম্ভৱ ৰক্ষা কৰা হৈছে। কথা-বস্তুৰ সৌষ্ঠৱ হানি নোহোৱাকৈ কাব্য-ভঙ্গীও সেই দৰে প্ৰয়োগ কৰা হৈছে। মোৰ এই প্ৰচেষ্টা বৈদগ্ধ্য বা পাণ্ডিত্য খ্যাতি লাভৰ বাবে নহয়; সিচঁৰিত হৈ থকা আখ্যানসমূহ যাতে সকলোৱে মনত ৰাখিব পাৰে, তাৰ বাবেহে।"

ইয়াৰপৰা জনা যায় যে সোমদেৱে তেওঁৰ সমকালীন কাশ্মীৰত প্ৰচলিত বৃহৎ-কথাৰ কাশ্মীৰী ৰূচন (Kasmiri version) অৱলম্বন কৰি কথা সৰিৎ-সাগৰ ৰচনা কৰিছে। সোমদেৱে কথা সৰিৎ-সাগৰ ৰচনা কৰাৰ পঁচিশ বছৰমান আগতে কাশ্মীৰৰে ভূৰি-লেখক ক্ষেমেন্দ্ৰ-ৰচিত বৃহৎ-কথা-মঞ্জৰী সোমদেৱৰ দৰে এজন বহুদৰ্শী বিখ্যাত কবিৰ দৃষ্টিগোচৰ নোহোৱাৰ কাৰণ অনুমান কৰা কঠিন। ৰামায়ণ মহাভাৰতৰ সাৰ সংগ্ৰহ কৰি ৰামায়ণ-মঞ্জৰী আৰু ভাৰত-মঞ্জৰী ৰচনা কৰাৰ দৰেই যে বৃহৎ-কথাৰ সাৰাংশ ৰূপে ক্ষেমেন্দ্ৰই বৃহৎ-কথা-মঞ্জৰী ৰচনা কৰিছিল, গ্ৰন্থৰ নামেই সেই কথা প্ৰমাণ কৰে। ক্ষেমেন্দ্ৰই নিজেই আমাক কৈছে যে তেৱেঁই পোন প্ৰথমে বৃহৎ-কথাৰ সংস্কৃত ৰূপান্তৰ কৰিছে। ইয়াৰ তিনি চাৰি শ বছৰমান আগতে নেপালৰ কবি বুধস্বামীয়ে সংস্কৃত ভাষাত ৰচনা কৰা বৃহৎ-কথা-শ্লোক সংগ্ৰহ নিশ্চয় ক্ষেমেন্দ্ৰৰ দৃষ্টি-গোচৰ বা শ্ৰুতিগোচৰ হোৱা নাছিল। সেয়ে নহ'লে, তেওঁ বৃহৎ কথা-মঞ্জৰীক বৃহৎ-কথাৰ প্ৰথম সংস্কৃত ৰূপান্তৰ বুলি কৃতিত্ব লোৱাৰ প্ৰয়াস নকৰিলেহেঁতেন। সোমদেৱেও বৃহৎ-কথা-শ্লোক সংগ্ৰহ দেখা নাছিল কিজানি। এইখিনিতে এটা প্ৰাসঙ্গিক প্ৰশ্নৰ উদয় হয়——সেয়ে হৈছে, ক্ষেমেন্দ্ৰ আৰু সোমদেৱ দুয়ো বৃহৎ-কথাৰ একে মূলৰূপৰা নিজৰ ৰচনাৰ বাবে কথা-বস্তু আহৰণ কৰিছিল নে দুয়ো বৃহৎ-কথাৰ সুকীয়া সুকীয়া ৰূচন (version) অনুসৰণ

কৰিছিল ? এই কথাৰ আলোচনা পিছলৈ থৈ সম্প্ৰতি ইয়াকে ক'ব খুজিছো যে বৃহৎ-কথা-মঞ্জৰী আৰু কথাসৰিৎ-সাগৰ দুয়োখন গ্ৰন্থতে ওঠৰটাকৈ লম্বক আছে; কিন্তু প্ৰথমৰ পাঁচোটা লম্বকৰ পিছৰ পৰা দুয়োখন গ্ৰন্থৰ বাকী লম্বকবিলাকৰ নাম একে যদিও ক্ৰম সুকীয়া।

মন কৰিব লগীয়া যে বুধস্বামী আৰু ক্ষেমেন্দ্ৰই বৃহৎ-কথা নামটো ৰাখিছে; কিন্তু সোমদেৱে এটা সম্পূৰ্ণ নতুন নাম দিছে—কথাসৰিৎ-সাগৰ। বৃহৎ-কথা-আধাৰিত হ'লেও কথাসৰিৎ-সাগৰক সোমদেৱে নিশ্চয় স্বৰচিত অভিনৱ গ্ৰন্থৰূপে প্ৰচাৰৰ ইচ্ছা কৰিছিল। ইয়াৰপৰাই কথা-সৰিৎ-সাগৰৰ জনপ্ৰিয়তা আৰু ইয়াৰ প্ৰভাৱত বৃহৎ-কথা বা বৃহৎ-কথা-মঞ্জৰী লুপ্ত বা নিষ্প্ৰভ হৈ পৰা সহজে অনুমান কৰিব পাৰি। কথাসৰিৎ-সাগৰৰ প্ৰথম লম্বকত বৃহৎ কথাৰ কেনেকৈ সৃষ্টি হ'ল, কেতিয়া কোনে কাৰ আগত কৈছিল আৰু কেনেকৈ কাৰ দ্বাৰা এই গ্ৰন্থৰ প্ৰচাৰ হ'ল—সেই সকলোখিনি কথা পাতনি স্বৰূপে গুণাঢ্যৰ মূল বৃহৎ-কথাৰ লগত যোগ দিয়াৰ বৰ্ণনা আছে। বৰ্ণনা মতে এই অংশ সাতবাহন নৃপতিয়ে ৰচনা কৰি বৃহৎ-কথাত যোগ দিয়ে। সাতবাহনে কি ভাষাত এই অংশ ৰচনা কৰিছিল তাৰ উল্লেখ নাই যদিও সাতবাহনৰ সংস্কৃত ভাষা শিকাৰ আখ্যানে এই অংশ সংস্কৃত ভাষাত ৰচিত বুলি কৰা অনুমান সমৰ্থন কৰে।

কথাসৰিৎ-সাগৰৰ বৰ্ণনা মতে গুণাঢ্যই বৃহৎ-কথা সাত লাখ শ্লোকত ৰচনা কৰিছিল, তাৰে ছয় লাখ শ্লোক থকা পুথিৰ পাত তেওঁ জুইত পুৰিলে। ৰজা সাতবাহনে মাত্ৰ এক লাখ শ্লোকাত্মক বৃহৎ-কথাহে পালে। তাৰে লগত তেওঁ স্বৰচিত অংশ যোগ দিছিল। গতিকে বৃহৎ-কথাৰ কলেৱৰ এক লাখ শ্লোকতকৈ ডাঙৰ হোৱাটো যুক্তিযুক্ত। ইয়াৰ আধাৰত ৰচিত সোমদেৱৰ কথাসৰিৎ-সাগৰত মুঠ বাইশ হেজাৰ শ্লোক আছে; তাৰে প্ৰথম লম্বকত আছে ৮২৪ শ্লোক। আখ্যান অনুসৰণ কৰিলে ক'ব লাগিব যে গুণাঢ্যৰ এক লাখ শ্লোকৰ কথা-বস্তু সোমদেৱে সংক্ষেপে প্ৰকাশ কৰিছে।

কথামুখ (দ্বিতীয় লম্বক) নামটোৱেই সেই সেই অংশ যে মূল বৃহৎ-কথাৰ পাতনি সেই কথা সুস্পষ্ট ভাৱে বুজায়। এনে স্থলত পাতনি স্বৰূপে আকৌ কথাপীঠ নামৰ প্ৰথম লম্বকৰ প্ৰয়োজন কি? ইয়াৰপৰা জনা যায় যে 'কথামুখ' গুণাঢ্যৰ মূল বৃহৎ-কথাত পাতনি ৰূপে আছিল আৰু বৃহৎ-কথাৰ উদ্ভৱৰ বিষয়ে বৰ্ণনা থকা কথাপীঠ নামৰ লম্বক কথাসৰিৎ-সাগৰত পাতনি স্বৰূপে যোগ হৈছে। অৱশ্যে এই অংশ সোমদেৱে উদ্ভাৱন কৰা নহয়।

কথা সৰিৎ-সাগৰে যোৱা ন শ বছৰে ভাৰতৰ জনমানসত অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ইয়াৰ সাধুবিলাক কিছু সাল সলনি হৈ মুখে বাগৰি সমগ্ৰ দেশতে নানা ৰূপত চলি আছে। ক'ৰপৰা আহিছে নজনাকৈয়ে কথকে সাধুবোৰ নিজৰ যেন কৈ কৈছে আৰু শ্ৰোতায়ো তাক একান্ত আপোন ভাৱে অন্তৰেৰে গ্ৰহণ কৰিছে। ইফালে কবি-সাহিত্যিকে কথা সৰিৎ-সাগৰৰ অপূৰ্ব কথা-বস্তু, অপূৰ্ব-বস্তু-ৰচনা, কথা-শৈলী, বৰ্ণনা পৰিপাটী, প্ৰকাশ-ভঙ্গী, অঙ্গ-সৌষ্ঠৱ, শব্দবিন্যাস, উপমা আদি অনুসৰণ, অনুকৰণ আৰু অনুস্মৰণ কৰি নিজৰ ৰচনা সমৃদ্ধ কৰিছে।

উনবিংশ শতিকৰ শেষৰ ফালে এই কথা-গ্ৰন্থই কেবাজনো ইউৰোপীয় মনীষীৰ দৃষ্টি আকৰ্ষণ কৰে; তেওঁলোকে এই গ্ৰন্থত এখন নতুন কথা-জগৎ আবিষ্কাৰ কৰিলে। লগে লগে জাৰ্মান, ইংৰাজী আৰু ফৰাচী ভাষাত কথাসৰিৎ-সাগৰৰ অনুবাদ প্ৰকাশ হয়। সম্প্ৰতি ৰুচ ভাষাৰ অনুবাদো প্ৰকাশ হৈছে। ভাৰতীয় ভাষাৰ ভিতৰত হিন্দী, বঙলা আৰু মালায়ালম ভাষাত কথা সৰিৎ-সাগৰৰ অনুবাদ আমি দেখিছোঁ। কাশ্মীৰী ভাষাৰ অনুবাদ প্ৰকাশৰ পথত। অন্যান্য ভাৰতীয় ভাষাতো কথাসৰিৎ-সাগৰৰ অনুবাদ প্ৰকাশ হৈছে বুলি শুনিছোঁ।

কথা সৰিৎ-সাগৰ : প্ৰথম লম্বকৰ আখ্যান

এদিন শিৱ-বল্লভা পাৰ্বতীয়ে শিৱক এটা নতুন সাধু ক'বলৈ মিনতি জনালে। শিৱই পাল মাৰি নিজৰ মাহাত্ম্য-সূচক এটা

সাধু কোৱাত প্ৰণয়কুপিতা পাৰ্বতীয়ে শিৱৰ গঙ্গাৰ প্ৰতি আসক্তিৰ উল্লেখ কৰি প্ৰণয়-কোপ প্ৰকাশ কৰিলে। তাকে দেখি শিৱই চিৰ দুখেৰে ভৰা মানুহৰ আখ্যান আৰু সদায় সুখত থকা দেৱতাৰ আখ্যান এই দুবিধৰ এবিধো মনোৰঞ্জক নহয় বুলি মন্তব্য কৰি সুখে দুখে ভৰা সপ্ত-বিদ্যাধৰৰ এটা সম্পূৰ্ণ নতুন আখ্যান ক'বলৈ ধৰিলে। শিৱই কোৱা আখ্যান আন কোনেও শুনিব নোৱাৰাকৈ পাৰ্বতীয়ে ঘৰৰ দুৱাৰ বন্ধ কৰি দুৱাৰত ৰখীয়া থলে। পিছে সেই সময়তে পুষ্পদন্ত নামৰ শিৱৰ এজন অনুচৰ তালৈ আহিল; তেওঁ মায়াৰ বলেৰে অদৃশ্য হৈ ঘৰৰ ভিতৰ সোমাই শিৱই পাৰ্বতীক কোৱা গোটেইটো সাধু শুনিলে। তাৰ পিছত পুষ্পদন্তই শিৱৰ পৰা শুনা সেই নতুন সাধুটো নিজৰ ভাৰ্য্যা জয়াক ক'লে। জয়াই আকৌ উধাতু খাই আহি পাৰ্বতীক সাধুটো শুনালেহি। জয়াৰ মুখৰপৰা সাধু শুনি পাৰ্বতীৰ বৰ খং উঠিল। খঙৰ কোবত পাৰ্বতীয়ে শিৱক ক'লে; "আপুনি মোক কি নতুন সাধু ডাঙি কৈছে? এইটো আও পুৰণি সাধু, আনকি জয়ায়ো এই সাধুকথা জানে।" পাৰ্বতীয়ে এইদৰে কোৱাত শিৱ বৰ আচৰিত হ'ল আৰু যোগ বলত সকলো কথা জানিব পাৰি পাৰ্বতীক ক'লে। শিৱৰপৰা পুষ্পদন্তৰ অপকৰ্মৰ কথা জানিব পাৰি পাৰ্বতীৰ পুষ্পদন্তৰ ওপৰত খং উঠিল আৰু দেৱীয়ে তেওঁক মৰ্ত্যত মানুহ হৈ জন্ম লবলৈ অভিশাপ দিলে। পুষ্পদন্তৰ মিত্ৰ মাল্যবানে পুষ্পদন্তৰ হৈ পাৰ্বতীক মিনতি জনোৱাত তেওঁকো পাৰ্বতীয়ে একে অভিশাপ দিলে। তেতিয়া জয়াৰে সৈতে পুষ্পদন্ত আৰু মাল্যবানে শাপান্তৰ বাবে দেৱীক অনুনয়-বিনয় কৰাত দেৱীয়ে শাপান্তৰ কথা এই দৰে ক'লে:—"বিন্ধ্যাৰণ্যত সুপ্ৰতীক নামৰ এটা যক্ষ কুবেৰৰ অভিশাপত কাণভূতি নামে পিশাচ হৈ আছে। পুষ্পদন্তই পৃথিৱীত জন্ম লৈ পূৰ্ব জন্মৰ কথা সুঁৱৰি এই আখ্যান কাণভূতিক শুনোৱাৰ পিছত পুষ্পদন্ত শাপমুক্ত হ'ব। সেই কাণভূতিক সাক্ষাৎ কৰি মানৱৰূপী মাল্যবানে যেতিয়া এই আখ্যান তেওঁৰপৰা শুনিব আৰু তাৰ পিছত পৃথিৱীত প্ৰচাৰ কৰিব, তেতিয়া মাল্যবানো শাপমুক্ত হ'ব।"

দেৱীৰ অভিশাপত পুষ্পদন্তই বৰৰুচি (কাত্যায়ন) নামে কৌশাম্বী নগৰত জন্ম ল'লে আৰু মাল্যৱানেও সুপ্ৰতিষ্ঠিত নগৰত জন্ম লৈ গুণাঢ্য নামে প্ৰখ্যাত হৈ পৰিল। কালক্ৰমত বৰৰুচিয়ে কাণভূতিক বিন্ধ্যাৰণ্যত সাক্ষাৎ লাভ কৰিলে। পূৰ্ব জন্মৰ সকলো কথা তেতিয়া তেওঁৰ স্মৃতি পথলৈ আহিল আৰু পাৰ্বতীয়ে কোৱা সমগ্ৰ আখ্যান তেওঁক শুনালে। সাধু শুনি পুষ্পদন্ত শাপমুক্ত হ'ল। গুণাঢ্যই কাণভূতিৰ সাক্ষাৎ লাভ কৰি তেওঁৰপৰা গোটেইবোৰ সাধু শুনিলে। তেতিয়া কাণভূতিয়ে শাপৰপৰা মুক্তি লাভ কৰিলে। গুণাঢ্যই তেতিয়া কাণভূতিৰপৰা সমগ্ৰ আখ্যান পৈশাচী ভাষাত সাত লক্ষ শ্লোকত লিপিবদ্ধ কৰিলে (ইতি পূৰ্বে গুণাঢ্যই বৰৰুচিৰে সৈতে এটা প্ৰতিস্পৰ্দ্ধাত হাৰি সংস্কৃত, প্ৰাকৃত আৰু দেশীয় ভাষা এই তিনিটাৰ এটা ভাষাও ব্যৱহাৰ নকৰো বুলি প্ৰতিজ্ঞা কৰিছিল)। বিন্ধ্যাৰণ্যত চিয়াঁহীৰ অভাৱত গুণাঢ্যই গাৰ তেজেৰে গছৰ বাকলিত সপ্ত লক্ষ-শ্লোকাত্মক এই কথা-গ্ৰন্থ ৰচনা কৰিলে আৰু গ্ৰন্থৰ নাম দিলে বৃহৎ-কথা। ইয়াৰ পিছত গুণাঢ্যই তেওঁৰ গুণদেৱ আৰু নন্দিদেৱ নামে শিষ্য দুজনৰ হাতত এই গ্ৰন্থ প্ৰচাৰৰ বাবে সাহিত্যানুৰাগী ৰজা সাতবাহনৰ ওচৰলৈ পঠালে। গুণাঢ্যৰ শিষ্য দুজনৰ পিশাচৰ নিচিনা গঢ়, পৈশাচী ভাষাৰ সাত লাখ শ্লোকৰ কথা-গ্ৰন্থ, সিয়ো তেজেৰে লিখা——এইবোৰ দেখি শুনি সাতবাহনে সেই গ্ৰন্থ প্ৰত্যাখ্যান কৰিলে। ব্যৰ্থ মনোৰথ হৈ শিষ্য দুজন গ্ৰন্থ সহ উলটি যোৱাত গুণাঢ্যই ওচৰৰ পৰ্বত এটাৰ ওপৰলৈ গৈ এটা অগ্নিকুণ্ড সাজিলে আৰু বৃহৎ-কথাৰ একো খিলাকৈ পাত পঢ়ি উঠি অগ্নিকুণ্ডত পেলাই পুৰিবলৈ ধৰিলে। গুণাঢ্যই পঢ়া সাধু শুনিবলৈ হাতী, মহ, বাঘ, পহু আদি বনৰীয়া জন্তু আহি তাত গোট খালে। আহাৰ-পানী এৰি একেৰাহে সাধু শুনি থাকোঁতে সিহঁতৰ চকুৰপৰা টপটপকৈ চকুলো বাগৰিবলৈ ধৰিলে। এইদৰে গুণাঢ্যই স্বৰচিত বৃহৎ-কথাৰ ছয় লাখ শ্লোকৰ আখ্যান পুৰি শেষ কৰিলে, মাত্ৰ শিষ্য দুজনৰ অনুৰোধত তেওঁলোকৰ অতিপ্ৰিয় এক লাখ শ্লোকৰ নৰবাহনদত্তৰ আখ্যানটো নোপোৰাকৈ এৰিলে। ইতিমধ্যে ঘটনা সূত্ৰে ৰজা সাতবাহনে এই কথাৰ

গম পাই স্বয়ং সেই ঠাইলৈ গৈ নিজৰ কৃতকৰ্মৰ বাবে অনুতাপ প্ৰকাশ কৰিলে। আৰু বৃহৎ-কথাৰ অৱশিষ্ট অংশ প্ৰচাৰ কৰিবলৈ বুলি লৈ আহিল। গুণাঢ্য শাপমুক্ত হ'ল। গুণদেৱ আৰু নন্দিদেৱে ৰজা সাতবাহনক কথা গ্ৰন্থ ব্যাখ্যা কৰি শুনালে। কালক্ৰমত বৃহৎ-কথা নগৰে চহৰে প্ৰচাৰ হৈ পৰিল। বৃহৎ-কথা কেনেকৈ কৈলাসৰপৰা পৃথিৱীলৈ আহিল সেই বিষয়ে অৱগত কৰাবলৈ এই উপক্ৰমমণিকা অংশ সাতবাহনে নিজে ৰচনা কৰি বৃহৎ-কথাৰ লগত যোগ কৰি দিলে।

নেপাল-মাহাত্ম্য নামে গ্ৰন্থতো এই আখ্যান অলপ বেলেগ কৈ বৰ্ণনা কৰা দেখা যায়।

কথামুখ নামৰ দ্বিতীয় লম্বক

কথামুখ নামৰ দ্বিতীয় লম্বক যে মূল বৃহৎ-কথাৰ আমুখ অৰ্থাৎ পাতনি নামটোৱেই (কথা+আমুখ) অৰ্থাৎ বৃহৎ-কথাৰ পাতনি সেই কথা প্ৰকাশ কৰিছে। প্ৰকৃততে এই খিনিৰপৰাহে কথা আৰম্ভ হৈছে।

"পৃথিৱীত অমৰাৱতী সদৃশ বৎস ৰাজ্যৰ ৰাজধানী মনোমোহা কৌশাম্বী নগৰী। সেই নগৰত তৃতীয় পাণ্ডৱ অৰ্জুনৰ পৰিনাতি সহস্ৰানীক নামে ৰজাই ৰাজত্ব কৰিছিল। সহস্ৰানীকৰ পুত্ৰ উদয়ন বীণা বজোৱা আৰু হাতী ধৰাত পাকৈত আছিল। উদয়নে ছলে বলে কৌশলে উজ্জয়িনীৰ ৰজা চণ্ড মহাসেনৰ কন্যা বাসৱদত্তাক অপহৰণ কৰে। পিছত মহাসেনে বাসৱদত্তাৰে সৈতে উদয়নৰ বিয়া পাতি দিয়ে।"

এইখিনি আখ্যানৰ ভিতৰত চুটি-দীঘল বহুত উপকৰা আখ্যান সোমাই আছে। উদয়নৰ পুত্ৰ নৰবাহনদত্ত। নৰবাহনদত্তৰ আখ্যান তৃতীয় লম্বকৰপৰা আৰম্ভ হৈছে। নৰবাহন দত্তৰ আখ্যানেই বৃহৎ কথাৰ অৱশিষ্ট অংশ আৰু সেই বাবে কথাসৰিৎ-সাগৰে মূল কথা বস্তু বুলি কথাপীঠত আগতে উল্লেখ কৰা হৈছে।

কথাসৰিৎ-সাগৰৰ পিছৰ লম্বকবিলাকৰ কথা-বস্তুৰ সাৰাংশ আৰু অন্যান্য সংশ্লিষ্ট বিষয়সমূহৰ আলোচনা ইয়াৰ পাছত প্ৰকাশ হ'ব লগীয়া ভাগবোৰত ছোৱা ছোৱাকৈ যোগ দিয়া হৈছে।

সূচী-পত্ৰ

	পৃষ্ঠা
আমুখ	ক-ঠ
ভূমিকা	[১]-[২১]
কথা-পীঠ নামৰ প্ৰথম লম্বক :	১-৭৪
প্ৰথম তৰঙ্গ : ১. ১	১-৬
লম্বকৰ নাম আৰু অনুক্ৰম	১
উপক্ৰমণিকা	২
শিৱ-পাৰ্বতী-সংবাদ	২
ব্ৰহ্মা আৰু নাৰায়ণ	৩
কথাৰম্ভ : পুষ্পদন্তৰ আখ্যান শ্ৰৱণ	৫
[পুষ্পদন্ত আৰু মাল্যৱানৰ প্ৰতি পাৰ্বতীৰ অভিশাপ— দুয়োৰে মৰ্ত্যত জন্ম গ্ৰহণ।]	
দ্বিতীয় ৰঙ্গ : ১. ২	৭-১৪
(মূঃ) পুষ্পদন্ত (বৰৰুচি)—কাণভূতি-সাক্ষাৎ	৭
কুবেৰৰ অভিশাপ	৮
১. বৰৰুচিৰ আত্ম-কথা	৯
১. ক. ইন্দ্ৰদত্ত আৰু ব্যাড়ি	১০
১. ক. ক. বৰ্ষ আৰু উপবৰ্ষ	১১
১. ক. ইন্দ্ৰদত্ত আৰু ব্যাড়ি	১২
১. (অ.) বৰৰুচিৰ আত্ম-কথা	১২
তৃতীয় তৰঙ্গ : ১. ৩	১৫-২১
১. (অ.) বৰৰুচিৰ আত্ম-কথা	১৫
১. খ. পাটলীপুত্ৰ নগৰৰ প্ৰতিষ্ঠা	১৫
১. খ. খ. ৰজা ব্ৰহ্মদত্তৰ কথা	১৬
১. খ. পাটলীপুত্ৰ নগৰৰ প্ৰতিষ্ঠা	১৮
১. (অ.) বৰৰুচিৰ আত্ম-কথা	২১

চতুৰ্থ তৰঙ্গ ঃ ১. ৪ ২২-৩৩

১. (অ.) ৰৰৰুচিৰ আত্ম-কথা ২২
পাণিনি ব্যাকৰণৰ উৎপত্তি ২৩
উপকোশাৰ চাৰিজন প্ৰেমিক ২৪
[ৰৰৰুচিৰ পাণিনি ব্যাকৰণৰ বাৰ্তিক ৰচনা] ২৯
মৃত নন্দৰ শৰীৰত ইন্দ্ৰদত্তৰ প্ৰৱেশ ৩০
মন্ত্ৰী শকটালৰ বন্দিত্ব ৩২

পঞ্চম তৰঙ্গ ঃ ১. ৫ ৩৪-৪৫

১. (অ.) ৰৰৰুচিৰ আত্ম-কথা ৩৪
যোগনন্দৰ অন্তঃপুৰৰ কথা ৩৫
[যোগনন্দৰ মহিষীৰ চিত্ৰৰ জঘনত ৰৰৰুচিৰ তিল অঙ্কন] ৩৬
১. গ. ৰজা আদিত্য বৰ্মা আৰু মন্ত্ৰী শিৱ শৰ্মাৰ কথা ৩৮
ৰৰৰুচিৰ আত্ম-কথা ঃ হিৰণ্যগুপ্ত আৰু ভালুক ৪০
শকটালৰ প্ৰতিশোধ
চাণক্যৰ কথা ৪৩
[চাণক্যৰ অভিচাৰ ক্ৰিয়াত যোগনন্দৰ মৃত্যু আৰু
চন্দ্ৰগুপ্তৰ ৰাজ্য লাভ ঃ ৪৪
ৰৰৰুচিৰ বদৰিকাশ্ৰমত আত্মাহুতি] ৪৫

ষষ্ঠ তৰঙ্গ ঃ ১. ৬ ৪৬-৫৯

২. গুণাঢ্যৰ কথা ঃ বৎস আৰু গুল্ম ৪৬
২. ক. নিগনিৰপৰা ধনী হোৱা বণিকৰ কথা ৪৮
২. খ. সামগায়ক আৰু গণিকাৰ কথা ৫০
২. (অ.) গুণাঢ্যৰ কথা ৫১
২. গ. মায়া উদ্যান ৫২
২. (অ.) গুণাঢ্যৰ কথা ৫৩
২. ঘ. সাতৱাহন ৰজাৰ কথা ৫৩
২. (অ.) গুণাঢ্যৰ কথা ঃ ৰজা সাতৱাহনৰ অপমান ৫৫
শিৱবৰ্মাৰ প্ৰতিজ্ঞা আৰু বৰ লাভ ৫৮

সপ্তম তৰঙ্গ ঃ ১. ৭ — ৬০-৭০

২. (অ.) গুণাঢ্যৰ কথা — ৬০
২. ৩. কলাপ ব্যাকৰণৰ উৎপত্তি — ৬০
২. (অ.) গুণাঢ্যৰ কথা — ৬২
৩. পুষ্পদন্তৰ কথা — ৬৩
৩. ক. ৰজা শিবিৰ কথা — ৬৭
৩. (অ.) পুষ্পদন্তৰ কথা — ৬৮
৪. মাল্যৱানৰ কথা — ৬৯

অষ্টম তৰঙ্গ ঃ ১. ৮ — ৭৭-৪১

[গুণাঢ্যৰ সাত লাখ শ্লোকৰ বৃহৎ কথা ৰচনা— বৃহৎ-কথা শ্ৰৱণত কাণভূতিৰ শাপমুক্তি— সাতবাহন ৰজাৰ দ্বাৰা বৃহৎ-কথা প্ৰত্যাখ্যান—বৃহৎ-কথাৰ ছয় লাখ শ্লোক গুণাঢ্যৰ দ্বাৰা অগ্নিত ভস্ম— সাতবাহন নৃপতিৰ এক লাখ শ্লোকৰ বৃহৎ-কথা গ্ৰহণ]

কথা-মুখ নামৰ দ্বিতীয় লম্বক ঃ — ৭৭-১৫২

প্ৰথম তৰঙ্গ ঃ ২. ১ — ৭৭-৮৪

(মুঃ) বৎসৰাজ উদয়নৰ কথা — ৭৭
[মৃগাৱতীৰে সৈতে সহস্ৰানীকৰ বিবাহ আৰু বিচ্ছেদ]

দ্বিতীয় তৰঙ্গ ঃ ২. ২ — ৮৫-১০২

৫. শ্ৰীদত্ত আৰু মৃগাঙ্কৱতীৰ কথা — ৮৫
[সহস্ৰানীকৰ জমদগ্নি মুনিৰ আশ্ৰমত ভাৰ্য্যা মৃগাৱতী আৰু পুত্ৰ উদয়নৰে সৈতে মিলন]

তৃতীয় তৰঙ্গ ঃ ২. ৩ — ১০৩-১১০

(মুঃ) উদয়নৰ কথা — ১০৩
৬. চণ্ড মহাসেনৰ কথা — ১০৩

চতুৰ্থ তৰঙ্গ ২. ৪ ১১১-১২৭

[চণ্ড মহাসেনৰ দ্বাৰা কৌশলেৰে উদয়নৰ বন্দীকৰণ] ১১১

৭. ৰূপিণিকা গণিকাৰ কথা ১১৭

[লোহজংঘৰ লঙ্কাত অৱতৰণ—বিভীষণৰপৰা শঙ্খ-চক্ৰ-গদা-পদ্ম সহ ধন-বস্ত্ৰ লৈ মথুৰালৈ প্ৰত্যাৱৰ্তন]

পঞ্চম তৰঙ্গ ঃ ২. ৫ ১২৮-১৪৪

(মূঃ) উদয়নৰ বাসৱদত্তা হৰণ ১২৮

৮. দেৱস্মিতাৰ কথা ১৩২

৮. ক. ধূৰ্তা সিদ্ধিকৰী ১৩৫

৮. খ. শক্তিমতী আৰু তেওঁৰ স্বামী ১৪১

৮. (অ.) দেৱস্মিতাৰ কথা ১৪২

ষষ্ঠ তৰঙ্গ ঃ ২. ৬ ১৪৩-১৫২

(মূঃ) [উদয়নৰ বাসৱদত্তাৰে সৈতে কৌশাম্বীলৈ প্ৰত্যাৱৰ্তন—বাসৱদত্তাৰে সৈতে বিবাহ]

৯. বাল-বিনষ্টৰ কথা ১৪৭

১০. ৰুৰুৰ কথা ১৫১

(মূঃ) উদয়নৰ সম্ভোগ

কথাসৰিৎ-সাগৰ

এই মহৎ কথামৃত প্ৰাচীন কালত ,পাৰ্বতীৰ প্ৰণয়-ৰূপ গন্দাৰ পৰ্বতৰ আলোড়নৰ ফলত হৰৰ মুখসমুদ্ৰৰপৰা অমৃত-ৰূপে ওলাইছিল। যিসকলে আগ্ৰহেৰে এই কথামৃত পান কৰে, মহাদেৱৰ প্ৰসাদত তেওঁলোকে নিৰ্বিঘ্নে সমৃদ্ধি লাভ কৰি এই পৃথিৱীত দেৱতুল্য হৈ বিৰাজ কৰে।

কথাসৰিৎ-সাগৰ

কথাপীঠ নামৰ প্ৰথম লম্বক

প্ৰথম তৰঙ্গ

কোলাত বহি থকা পাৰ্বতীৰ স্নিগ্ধ-দৃষ্টিপাত-ৰূপ পাশেৰে কাম-দেৱে মেৰিয়াই থোৱা শম্ভুৰ নীল-কণ্ঠই তোমালোকৰ মঙ্গল বিধান কৰক ।১

সান্ধ্য নৃত্যোৎসৱৰ আনন্দত বিঘ্ন-বিনাশক গণেশে শুণ্ডেৰে আকাশৰ তৰা থপিয়াই আনি ফোঁৰোহনি মাৰি শুণ্ডৰ আগেৰে উলিওৱা পানীৰ কণিকাৰে যেন নতুন তাৰকা-মণ্ডল হে সৃষ্টি কৰিব খুজিছে, তেওঁ তোমালোকক ৰক্ষা কৰক ।২

অশেষ পদাৰ্থ প্ৰকাশৰ প্ৰদীপ স্বৰূপ বাগদেৱীক প্ৰণাম কৰি মই বৃহৎ-কথাৰ সাৰ সংগ্ৰহ ৰচনা কৰিছোঁ ।৩

এই সংগ্ৰহৰ প্ৰথম লম্বক (খণ্ড) (১) কথা-পীঠ। তাৰ পিছত (২) কথামুখ। তাৰ পিছত (৩) লাৱাণক নামৰ তৃতীয় লম্বক। তাৰ পিছত হল (৪) নৰবাহন-দত্তৰ জন্ম। ইয়াৰ পিছত ক্ৰমে (৫) চতুৰ্দাৰিকা আৰু (৬) মদন-মঞ্চুকা। তাৰ পিছত (৭) ৰত্নপ্ৰভা নামৰ সপ্তম লম্বক। অষ্টম লম্বকৰ নাম (৮) সূৰ্য্যপ্ৰভা। ইয়াৰ পিছত হৈছে (৯) অলঙ্কাৰৱতী আৰু (১০) শক্তিযশা। একাদশ লম্বকৰ নাম (১১) বেলা। ইয়াৰ পিছৰ লম্বক দুটা ক্ৰমে (১২) শশাঙ্ক-ৱতী আৰু (১৩) মদিৰাৱতী। তাৰ পিছত হৈছে (১৪) পঞ্চ আৰু তাৰ অনুগামী লম্বক (১৫) মহাভিষেক। ইয়াৰ পিছত আছে (১৬) সুৰতমঞ্জৰী আৰু (১৭) পদ্মাৱতী লম্বক। তাৰ পিছত আছে (১৮) বিষমশীল নামৰ অষ্টাদশ লম্বক। ৪-৯

মূলৰ পৰা তিলমানো আঁতৰি নোযোৱাকৈ এই গ্ৰন্থ সংগ্ৰহ কৰা হৈছে, কেৱল মাত্ৰ ঠায়ে ঠায়ে গ্ৰন্থ সংক্ষেপ আৰু ভাষা যোজনা হৈছে। ঔচিত্য আৰু পৌৰ্বাপৰ্য্য সমন্বয়ো যথাসম্ভৱ ৰক্ষা কৰা হৈছে। কথা-ৰসৰ সৌষ্ঠৱ হানি নোহোৱাকৈ কাব্য-ভঙ্গীও সেইমতে প্ৰয়োগ কৰা হৈছে। মোৰ এই প্ৰচেষ্টা বৈদগ্ধ্য বা পাণ্ডিত্য-খ্যাতি লাভৰ বাবে

নহয়। সিচঁৰতি হৈ থকা আখ্যানসমূহ যাতে সকলোৱে সহজে মনত ৰাখিব পাৰে, তাৰ বাবেহে। ১০-১২

উপক্ৰমণিকা :

(মূঃ) কিন্নৰ গন্ধৰ্ব আৰু বিদ্যাধৰসকলৰ আৱাসভূমি হিমৱান্ নামৰ এক বিশ্ব-বিশ্রুত গিৰিৰাজ আছে। এই নগাধিৰাজ হিমালয়ৰ মহিমা ইমান উচ্চশিখৰ পাইছিল গৈ যে ত্ৰিজগতৰ জননী ভৱানীয়ে নিজে তেওঁৰ কন্যা ৰূপে জন্ম লৈছিল। হিমালয়ৰ উত্তৰ ফালে বহু যোজন-বিস্তৃত কৈলাস নামৰ এটা শিখৰ আছে। 'মন্দৰ পৰ্বত সমুদ্ৰ মন্থনত মন্থনদণ্ড হৈয়ো। অমৃতৰ সমান শুভ্ৰ হ'ব পৰা নাই আৰু মই অপ্ৰয়াসে ইয়াতে তাতোধিক শুভ্ৰতা লাভ কৰিছোঁ'--এই বুলি কৈলাসে নিজৰ তুষাৰ-ধৱল কান্তিৰে উদ্ভাসিত হৈ যেন মিচিকিয়াই হাঁহি আছে। ১৩-১৬

গণ, বিদ্যাধৰ আৰু অপ্সৰা-সেৱিত চৰাচৰ জগতৰ গুৰু অম্বিকা-প্ৰিয় মহাদেৱে ইয়াতে বাস কৰে। সন্ধ্যা সময়ত মহাদেৱৰ শিৰৰ পিঙ্গলবৰ্ণৰ উত্তুঙ্গ জটাজূটৰ ওপৰত বিৰাজমান নৱোদিত চন্দ্ৰই সান্ধ্য সূৰ্যৰ কিৰণেৰে হালধীয়া হৈ উদয়াচলৰ শৃঙ্গৰ সঙ্গ সুখ উপভোগ কৰে। যেতিয়া মহাদেৱে নিজৰ ত্ৰিশূলেৰে অসুৰাধিপতি এক অন্ধকৰ হৃদয় শালি পেলালে, আচৰিত কথা যে তেতিয়া অন্ধকাসুৰে তিনিও লোকৰ হৃদয়ত প্ৰহাৰ কৰা শক্তিশেলবোৰ ওলাই আহিল। সেই সময়ত দেৱতা আৰু দানৱৰ মূৰৰ মুকুট-মণিত মহাদেৱৰ ভৰিৰ বুঢ়া আঙুলিৰ নখ-বিম্ব প্ৰতিবিম্বিত হোৱাত তেওঁলোক সকলো মহাদেৱৰ কৃপা-প্ৰদত্ত অৰ্দ্ধচন্দ্ৰেৰে সুশোভিত হোৱা যেন লাগিছিল। ১৭-২০

শিৱ-পাৰ্বতী সংবাদ :

কোনো এসময়ত পৰমেশ্বৰে সৈতে নিৰ্জন স্থানত থাকোঁতে স্বামীৰ অনুৰাগ-পৰিতা পাৰ্বতীয়ে স্তুতি-নতিৰে মহাদেৱৰ পৰম সন্তুষ্টি সাধন কৰিছিল। স্তুতিত সন্তোষ লভি চন্দ্ৰশেখৰে পাৰ্বতীক কোলাত তুলি লৈ সুধিলে, "কোৱাচোন, মই কি কৰিলেনো তুমি ভাল পাবা?" তেতিয়া দেৱিয়ে মাতেৰে খিখিলাই ক'লে,

--"প্ৰভু, আপুনি যদি মোৰ প্ৰতি প্ৰসন্ন হৈছে, তেনেহ'লে আজি মোক এটা সম্পূৰ্ণ নতুন মনোমোহা সাধুকথা শুনাওক।"

তাকে শুনি মহাদেৱে ক'লে,—"বৰ্তমান, ভূত আৰু ভৱিষ্যতত তুমি নজনা এনে কি আখ্যান আছে ?"

তেতিয়া প্ৰিয়তমৰ প্ৰণয়াসক্তিৰ প্ৰশ্ৰয় পোৱা শিৱৰকতা পাৰ্ব-তীয়ে সাধু ক'বলৈ শিৱক টানি ধৰিলে আৰু শিৱয়ো পাৰ্বতীক চাটুকথাৰে সন্তুষ্ট কৰাৰ অভিপ্ৰায়েৰে তেওঁৰে অলৌকিক মহাত্ম্য-সূচক এটা চমু আখ্যান ক'লে। ২৯-২৬

ব্ৰহ্মা আৰু নাৰায়ণ :

এসময়ত মোৰ দৰ্শন লাভ কৰিবলৈ বুলি ব্ৰহ্মা আৰু নাৰায়ণ দুয়ো সমগ্ৰ পৃথিৱী ভ্ৰমণ কৰি হিমালয়ৰ পাদদেশত উপস্থিত হ'ল। তেতিয়া তেওঁলোক দুয়ো সম্মুখত এক জ্যোতিৰ্ময় লিঙ্গ দেখা পালে। সেই জ্যোতিৰ্ময় লিঙ্গৰ আদি অন্তনো ক'ত আছে চাবলৈ বুলি এজন ওপৰৰ ফালে আৰু ইজন তলৰ ফালে গ'ল। পিছে তেওঁলোক দুয়ো লিঙ্গৰ আদি অন্ত নাপাই মোক তপস্যাৰে তুষ্ট কৰিলে। মই তেতিয়া তেওঁলোকৰ সম্মুখত আবিৰ্ভূত হৈ দুয়োকো বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লোঁ। তাকে শুনি ব্ৰহ্মাই 'তুমি মোৰ পুত্ৰ হোৱা'—বুলি বৰ মাগিলে। অতি উগ্ৰ কামনাৰে তেনে বৰ প্ৰাৰ্থনা কৰাত তেতিয়াৰে পৰা ব্ৰহ্মা নিন্দনীয় আৰু অপূজ্য হৈ পৰিল।

দেৱতা নাৰায়ণে তেতিয়া এই বুলি মোৰ ওচৰত বৰ মাগিলে, "হে প্ৰভু! মই যেন সদায় একান্ত ভাৱে আপোনাৰ সেৱাত নিমগ্ন হৈ ৰ'ব পাৰোঁ।" ২৭-৩১

তাৰ পিছত নাৰায়ণ মোৰ শৰীৰ-ৰূপেই তোমাৰ ৰূপত আবি-ৰ্ভূত হ'ল। নাৰায়ণেই তুমি, তুমিয়েই মোৰ শক্তি, তোমাৰ দ্বাৰা মই শক্তিমান্। ইয়াৰ উপৰি তুমি মোৰ পূৰ্বজায়া (পূৰ্ব জন্মৰ ভাৰ্য্যা) আছিলা। শঙ্কৰে এইদৰে কোৱাত পাৰ্বতীয়ে সুধিলে—"মইনো কেনেকৈ আপোনাৰ পূৰ্বজায়া, মোক কওকচোন।" ৩২-৩৩

তেতিয়া শঙ্কৰে ক'বলৈ ধৰিলে,—"পূৰ্বকালত প্ৰজাপতি দক্ষৰ কেবা গৰাকী কন্যা জন্মিছিল। তাৰ ভিতৰতে এগৰাকী তুমিও। প্ৰজাপতি দক্ষই তোমাক মোলৈ আৰু আন কেইগৰাকী কন্যাক ধৰ্ম

আদি দেৱতালৈ বিয়া দিছিল। এসময়ত দক্ষ প্ৰজাপতিয়ে এটা যজ্ঞ পাতি সেই যজ্ঞলৈ এটাই কেউজন জোঁৱায়েকক নিমন্ত্ৰণ কৰিলে; কিন্তু মোক হ'লে নিমন্ত্ৰণ নিদিলে। তেতিয়া তুমি পিতাৰাক সুধিলা,—'পিতাদেউ! যজ্ঞলৈ মোৰ স্বামীক কিয় নিমন্ত্ৰণ কৰা নাই, কওক।' 'তোমাৰ স্বামী কপাল-মালী (মানুহৰ মূৰৰ খোলাৰ মালা পিন্ধোতা); তেওঁকনো কেনেকৈ যজ্ঞলৈ নিমন্ত্ৰণ কৰোঁ' বুলি কোৱা দক্ষৰ কথাষাৰে তোমাৰ কাণত বিহৰ শলাই বিন্ধাদি বিন্ধিলে,। ৩৪-৩৭

তেতিয়া তুমি 'মোৰ পিতৃ পাপী, পাপী পিতৃৰপৰা জন্ম লোৱা এই শৰীৰ ধাৰণ কৰাৰ প্ৰয়োজন কি?' বুলি খঙত সেই শৰীৰ পৰিত্যাগ কৰিলা আৰু মই তেতিয়া খঙত অধীৰ হৈ দক্ষৰ সেই যজ্ঞ ভঙ্গ কৰিলোঁ। তাৰ পিছত সমুদ্ৰৰপৰা চন্দ্ৰকলাৰ উদ্ভৱ হোৱাৰ দৰে তুমি হিমালয়ৰ কন্যাৰূপে জন্ম গ্ৰহণ কৰিলা। এতিয়া মনত পেলোৱাচোন কেনেকৈ মই হিমালয়ত তপস্যা কৰিবলৈ আহিছিলোঁ আৰু তোমাৰ পিতৃয়ে অতিথি-ৰূপী মোৰ সেৱা-শুশ্ৰূষাৰ বাবে কেনেকৈ তোমাক নিযুক্ত কৰিছিল। তাৰকাসুৰক বধ কৰিব পৰা মোৰ যাতে এটি পুত্ৰ জন্মে সেই উদ্দেশ্যে, দেৱতাবৃন্দই সেই সময়তে কামদেৱক তালৈ পঠায়। কামদেৱেও ছল চাই তেতিয়া মোলৈ কামশৰ হানে আৰু মোৰ কোপানলত ভস্মীভূত হয়। তাৰ পিছত ধৈৰ্য্যশীলা তুমি কঠোৰ তপস্যাৰে মোক তোমাৰ ক্ৰীতাদাসত পৰিণত কৰিলা আৰু জগতৰ অভ্যুদয়ৰ বাবেই মই সেই প্ৰস্তাৱত সন্মতি দিলোঁ। এইদৰেই পূৰ্বজন্মত তুমি মোৰ জায়া আছিলা। ইয়াতকৈ মই আৰু কি বেছি ক'ম?" ৩৮-৪২ <u>১</u>

ইয়াকে কৈ শিৱ নীৰৱ হোৱাত খঙত অধীৰ হৈ দেৱী পাৰ্বতীয়ে ক'লে। "তুমি অতি ধূৰ্ত্ত। মই ইমান অনুনয়-বিনয় কৰা সত্ত্বেও তুমি মোক এটা নতুন মনোমোহা আখ্যান কোৱা নাই। তুমি সন্ধ্যাক উপাসনা কৰা আৰু গঙ্গাক মূৰত লৈ ফুৰোঁৱা বুলি মই কিবা নেজানো নে কি?" ৪৩-৪৪

এই কথা শুনি দেৱীক অনুনয়-বিনয় কৰি শিৱই এটা অপূৰ্ব মনোহৰ আখ্যান ক'ম বুলি প্ৰতিশ্ৰুতি দিলে। দেৱীৰ তেতিয়া খং মাৰ গ'ল। তেতিয়া দেৱীয়ে নিজেই আদেশ দিলে যে শিৱই আখ্যান

কোৱা সময়ত কোনো তাত সোমাব নোৱাৰে। আদেশ অনুসাৰে নন্দী দুৱৰী হৈ ৰ'ল আৰু শিৱই আখ্যান ক'বলৈ আৰম্ভ কৰিলে। ৪৫-৪৬

কথাবস্তু : পুষ্পদন্তৰ আখ্যান শ্ৰৱণ :

দেৱতাসকল চিৰসুখী আৰু মানুহ সদায় দুখী। দেৱতা আৰু মানুহ কাৰো কাহিনীয়ে সম্পূৰ্ণ মনোৰঞ্জন কৰিব নোৱাৰে, সেই দেখি বিদ্যাধৰসকলৰ মনোমোহা আখ্যান মই তোমাক কওঁ।

দেৱীক এইদৰে কোৱাৰ সময়তে শম্ভুৰ অত্যন্ত অনুগৃহীত গণোত্তম পুষ্পদন্ত তাত আহি উপস্থিত হ'ল। দ্বাৰপাল নন্দীয়ে পুষ্পদন্তক ভিতৰলৈ যাবলৈ নিষেধ কৰিলে। কোনো কাৰণ নোহোৱাকৈ আজি আনকি মোকো ভিতৰলৈ সোমাবলৈ কিয় বাধা দিছে, ইয়াৰ নো কাৰণ কি বুলি কৌতুহল জন্মাত পুষ্পদন্তই যোগবলেৰে সকলোৰে অলক্ষিতে তৎক্ষণাত তাত প্ৰৱেশ কৰিলে। ভিতৰ সোমাই পুষ্পদন্তই পিণাকপাণিয়ে বৰ্ণনা কৰা সপ্তবিদ্যাধৰৰ অলৌকিক আখ্যান আদ্যোপান্ত শুনিলে। আখ্যান শুনাৰ পিছত পুষ্পদন্তই ঘৰলৈ আহি নিজৰ ভাৰ্য্যা জয়াৰ আগত আগৰপৰা গুৰিলৈকে সকলোখিনি ক'লে। স্ত্ৰীৰূপ! কোনেনো ধন আৰু গোপন কথা লুকাই ধৰ পাৰে? আখ্যান শুনি বিস্ময়ত অভিভূত হোৱা প্ৰতিহাৰী (দুৱৰী) জয়াই পাৰ্বতীৰ ওচৰলৈ গৈ তেওঁৰ আগত সকলোখিনি বৰ্ণনা কৰিলে। স্ত্ৰীৰ বাক্-সংযম বোলা কথা ক'ৰবাত আছে জানো? ৪৭-৫০

আখ্যান শুনি পাৰ্বতীয়ে খঙত শিৱৰ ওচৰলৈ আহি ক'লে,—"তুমিতো মোক একো নতুন আখ্যান কোৱা নাই। জয়ায়ো এই সকলোবোৰ আখ্যান জানে।"৫৪

তেতিয়া ধ্যানৰ বলত শিৱই সকলো কথা জানিব পাৰি পাৰ্বতীক এই বুলি ক'লে,—"মই আখ্যান কৈ থকা সময়ত পুষ্পদন্তই যোগৰ প্ৰভাৱেৰে ভিতৰ সোমাই সকলোখিনি শুনি আছিল আৰু পিছত নিজৰ ভাৰ্য্যা জয়াৰ আগত কৈছে। নহ'লে এই কথা আন কোনে জানিব পাৰে?" ইয়াকে শুনি অতিশয় খঙত দেৱীয়ে পুষ্পদন্তক তাতে মতাই আনিলে আৰু ভয়ত বিহ্বল হৈ পৰা গণোত্তমক এই বুলি অভিশাপ দিলে,—"হেৰ দুৰ্বিনীত ভৃত্য, তই পৃথিৱীত মানুহ হৈ জন্ম ল' গৈ যা।"

পুষ্পদন্তৰ হৈ অনুনয়-বিনয় কৰা অন্যতম গণ মাল্যৱানকো দেৱীয়ে তেনে অভিশাপকে দিলে। তেতিয়া দুয়োজন গণে জয়াৰ সৈতে দেৱীৰ চৰণত পৰি কাকুতি-মিনতি কৰাত দেৱী শৰ্বাণীয়ে শাপান্তৰ কথা লাহে লাহে ক'বলৈ ধৰিলে। ৫৫-৫৮

—"কুবেৰৰ অভিশাপত সুপ্ৰতীক নামৰ যক্ষই পিশাচ-ৰূপ ধৰি বিন্ধ্যাৰণ্যত কাণভূতি নামেৰে বাস কৰিছে। পুষ্পদন্ত, শুন, কাণভূতিৰ সাক্ষাৎ লাভ কৰি জাতিস্মৰ হৈ (পূৰ্বজন্মৰ কথা সুঁৱৰি) তই যেতিয়া কাণভূতিক এই আখ্যান কবি, তেতিয়া শাপৰপৰা মুক্তি লাভ কৰিবি। মাল্যৱানে কাণভূতিৰপৰা এই আখ্যান শুনাৰ পিছত কাণভূতি শাপমুক্ত হ'ব আৰু মাল্যৱান! তয়ো যেতিয়া এই আখ্যান প্ৰচাৰ কৰিবি, তেতিয়াহে শাপমুক্ত হবি।" এইখিনি কৈ শৈলাধিৰাজ-তনয়া নীৰৱ হ'ল। আকাশত বিজুলী ওলাই ক্ষন্তেকতে মাৰ যোৱাৰ দৰে নিমিষতে দুইজন গণ অদৃশ্য হৈ পৰিল।

কিছুকাল পাৰ হোৱাৰ পিছত এসময়ত দয়াপৰৱশ হৈ গৌৰীয়ে শঙ্কৰক সুধিলে,—"প্ৰভু! মই যি দুজন শ্ৰেষ্ঠ প্ৰথমক অভিশাপ দিছিলোঁ, পৃথিৱীত তেওঁলোকে ক'ত কেনেকৈ জন্ম গ্ৰহণ কৰিছে?"

ইয়াৰ উত্তৰত চন্দ্ৰমৌলিয়ে (শিৱ) ক'লে—"পুষ্পদন্তই কৌশাম্বী নগৰত বৰৰুচি নামে জন্মগ্ৰহণ কৰিছে আৰু ইজন প্ৰথম মাল্যৱানে সুপ্ৰতিষ্ঠিত নামে নগৰত গুণাঢ্য নাম লৈ জন্ম লৈছে। দেৱী, তেওঁলোকৰ বৃত্তান্ত এয়ে।"

এই বৃত্তান্ত শুনাৰ পিছত চিৰ অনুগত সেৱক দুজনৰ অৱমাননাৰ কথা সুঁৱৰি পাৰ্বতী অতিশয় অনুতপ্ত হৈ পৰিল। তাকে দেখি মহাদেৱে কৈলাস পৰ্বতৰ সানুদেশত কল্পতৰু বৃক্ষ-লতাৰে সুসজ্জিত লীলা-কুঞ্জত প্ৰিয়া পাৰ্বতীৰ মনোৰঞ্জন কৰি বাস কৰিবলৈ ধৰিলে।

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথাপীঠ নামৰ
লম্বকৰ প্ৰথম তৰঙ্গ।

প্ৰথম তৰঙ্গ, শ্লোক ৬৬

কথাসৰিৎ সাগৰ

কথাপীঠ লম্বক

দ্বিতীয় তৰঙ্গ

পুষ্পদন্ত (বৰৰুচি) কাণভূতি সাক্ষাৎ

(মুঃ) তাৰ পিছত মনুষ্যদেহধাৰী পুষ্পদন্তই বৰৰুচি নামেৰে পৃথিৱীত ভ্ৰমণ কৰিবলৈ ধৰিলে। কাত্যায়ন নামেৰেও তেওঁ জনাজাত হৈ পৰিছিল। সমস্ত বিদ্যাত পাৰদৰ্শী হৈ তেওঁ নন্দৰাজৰ মন্ত্ৰিত্ব গ্ৰহণ কৰিছিল। মন্ত্ৰীৰ কাৰ্য্য নিৰ্বাহ কৰি অৱসাদগ্ৰস্ত হৈ এসময়ত তেওঁ দেৱী বিন্ধ্যবাসিনীৰ মন্দিৰ দৰ্শন কৰিবলৈ আহিল। তেতিয়া বৰৰুচিৰ তপস্যাত সন্তুষ্টা দেৱী বিন্ধ্যবাসিনীয়ে গভীৰ বিন্ধ্যাৰণ্যত বাস কৰা কাণভূতিক সাক্ষাৎ কৰিবলৈ তেওঁক আদেশ দিলে। (আদেশ মতে) বাঘ-বান্দৰ আদি জন্তুৰে পৰিপূৰ্ণ জলহীন সেই ভয়াবহ বিন্ধ্যাৰণ্যত ঘূৰি ফুৰোঁতে এজোপা ডাঙৰ বৰগছ বৰৰুচিৰ চকুত পৰিল। সেই বৰগছজোপাৰ তলত শ শ পিশাচে বেঢ়ি থকা শাল-প্ৰাংশু মহাভুজ পিশাচ কাণভূতিক দেখিবলৈ পালে। তেওঁক দেখি কাণভূতিয়ে ভৰিত পৰি সেৱা জনালে। তেতিয়া কাত্যায়ন তেওঁৰ ওচৰতে বহিল। বহাৰ পিছতে কাত্যায়নে সুধিলে, 'তুমি সদাচাৰী, তথাপি তোমাৰ এই অৱস্থা কিয় হ'ল ?' ৯৬

কাত্যায়নে সহৃদয়ভাৱ পৰিচয় দি কোৱা এই কথা শুনি কাণভূতিয়ে এই বুলি উত্তৰ দিলে। "উজ্জয়িনীৰ শ্মশানত শ্মশানবাসী মহাদেৱৰ পৰা সৃষ্টি-প্ৰক্ৰিয়া যি শুনিছিলোঁ, তাকে তোমাক কওঁ শুনা। 'মানুহৰ মূৰৰ মালাৰ আৰু শ্মশানৰ প্ৰতি আপোনাৰ অনুৰাগ কিয় ?' এসময়ত দেৱীৰ এই প্ৰশ্নৰ উত্তৰত শিৱই এইদৰে উত্তৰ দিছিল।

"পুৰণি কালত কল্প শেষ হ'লত সমস্ত জগৎ জলময় হৈ পৰিল। মই তেতিয়া মোৰ উৰু ভেদ কৰি এটোপাল তেজ সেই পানীত পেলাই

দিলোঁ। পানীত পৰা সেই ৰক্তবিন্দুৰপৰা এটা ডিম্বৰ উদ্ভৱ হ'ল। তাৰ পিছত সেই অণ্ড দ্বিখণ্ডিত হ'ল আৰু তাৰপৰা এক পুৰুষ (পৰমাত্মা)ৰ উদ্ভৱ হ'ল। তাৰপৰাই সংসাৰ স্ৰজনৰ অৰ্থে মই প্ৰকৃতিৰ সৃষ্টি কৰিলোঁ। তেতিয়া প্ৰকৃতি-পুৰুষ এওঁলোক দুয়ো অন্যান্য প্ৰজাপতিসকলৰ আৰু প্ৰজাৰ সৃষ্টি কৰিলে। প্ৰিয়ে! এই কাৰণে সেই পুৰুষ জগতত পিতামহ নামে প্ৰখ্যাত। এইদৰে চৰাচৰ বিশ্ব স্ৰজন কৰি সেই পুৰুষৰ গৰ্ব্বভাৱ হ'ল। তেতিয়া মই তেওঁৰ মস্তক ছেদন কৰিলোঁ। পিছত অনুতপ্ত হৈ মহাব্ৰত পালন কৰিবলৈ ধৰিলোঁ। সেই দেখি মই কপালপাণি আৰু শ্মশান মোৰ প্ৰিয়। দেৱী, সমগ্ৰ জগৎ নৰকপাল (মানুহৰ মূৰৰ খোলা) ৰূপে মোৰ হাতত আছে। হে দেৱী! আগতে কৈ অহা দ্বিখণ্ডিত অণ্ডৰ খোলা দুফাল ৰোদসী (স্বৰ্গ আৰু মৰ্ত্ত্য) নামে অভিহিত।" ৮ ১৫

শিৱই এইখিনি কথা কোৱাৰ পিছত আৰু শুনাৰ কৌতূহলত মই তাত ৰৈ থাকোঁতে পাৰ্বতীয়ে আকৌ স্বামীক সুধিলে।১৬

"সেই পুষ্পদন্ত আৰু কিমান দিনৰ মূৰত আকৌ আমাৰ ওচৰ পাবহি?" তাকে শুনি মোলৈ আঙুলিয়াই মহাদেৱে পাৰ্বতীক ক'লে।১৭

কুবেৰৰ অভিশাপ :

"সৌ যে পিশাচটো দেখিছা, সি কুবেৰৰ অনুচৰ যক্ষ; স্থূলশিৰা নামে ৰাক্ষস এটাৰে সৈতে তাৰ মিত্ৰতা হৈছিল। পাপিষ্ঠ ৰাক্ষসৰ সঙ্গ লোৱা দেখি ধনপতি কুবেৰে তাক বিন্ধ্যাৰণ্যত পিশাচ হৈ থাকিবলৈ আদেশ দিলে। তেতিয়া তাৰ ভায়েক দীৰ্ঘজঙ্ঘই কুবেৰৰ ভৰিত পৰি সি কেনেকৈ শাপমুক্ত হ'ব জানিব খোজাত কুবেৰে ক'লে,—"তোমাৰ ককায়েৰাই শাপগ্ৰস্ত হৈ মৰ্ত্তালোকত বাস কৰা পুষ্পদন্তৰপৰা 'মহা কথা' (বৃহৎ কথা) শুনি যেতিয়া সেই আখ্যানসমূহ শাপগ্ৰস্ত হৈ মৰ্ত্তাত মানুহ হৈ থকা মাল্যৱন্তক ক'ব, তেতিয়া সেই দুই গণৰ (পুষ্পদন্ত আৰু মাল্যৱান) সৈতে সি একে লগে এই শাপৰপৰা মুক্তি পাব।" ১৮-২২। ধনপতি কুবেৰে এইদৰে তাৰ শাপমুক্তিৰ বিধান দিলে।

প্ৰিয়ে, তোমাৰ মনত থাকিব পায় যে তুমিও পুষ্পদন্তৰ শাপমুক্তিৰ অৰ্থে সেই একে সৰ্তকে আৰোপ কৰিছিলা।"

শিৱৰ মুখৰ এই কথা শুনি আনন্দত মই ইয়ালৈ আহিছোঁ। পতিকে পুষ্পদন্তৰ আগমন পৰ্য্যন্ত মোৰ ওপৰত শাওপাত থাকিব। ইমানকে কৈ কাণভূতি নীৰৱ হ'লত তৎক্ষণাত বৰৰুচিৰ পূৰ্বজন্মৰ স্মৃতি মনলৈ আহিল। তেতিয়া টোপনিৰপৰা সাৰ পাই উঠাৰ দৰে বৰৰুচিয়ে ক'লে 'ময়েই সেই পুষ্পদন্ত, মোৰপৰা সেই কথা শুনা' এইদৰে কৈ কাত্যায়নে সাত লক্ষ শ্লোকৰ সাতোটা আখ্যানৰ মহা-কথা (বৃহৎ কথা) কাণভূতিৰ আগত ক'লে। তেতিয়া কাণভূতিয়ে নিবেদন কৰিলে।

—"প্ৰভু! আপুনি স্বয়ং ৰুদ্ৰৰ অৱতাৰ, আপোনাৰ বাহিৰে আন কোনে এই মহৎ-কথা জানিব পাৰে। আপোনাৰ অনুগ্ৰহত মোৰ শৰীৰৰপৰা শাপ প্ৰায় আঁতৰ হৈছেই। যদিহে মোৰ নিচিনা লোকৰপৰা গোপনে ৰাখিব লগীয়া বুলি নাভাবে, তেনেহ'লে এতিয়া জন্মৰপৰা আৰম্ভ কৰি প্ৰভুৱে নিজৰ সকলো বৃত্তান্ত কৈ মোক পুনাই পৱিত্ৰ কৰক।" ২৬-২৮

প্ৰণত কাণভূতিৰ অনুৰোধত তেতিয়া বৰৰুচিয়ে জন্মৰপৰা আৰম্ভ কৰি নিজৰ সকলো বৃত্তান্ত বিশদভাৱে বৰ্ণনা কৰিবলৈ ধৰিলে। ২৯

১ বৰৰুচিৰ আত্মকথা :

কৌশাম্বী নগৰত সোমদত্ত নামে এজন ব্ৰাহ্মণ আছিল, অগ্নি-শিখ নামেৰেও তেওঁ জনাজাত। তেওঁৰ ভাৰ্য্যাৰ নাম বসুদত্তা। তেওঁ মুনি-কন্যা, শাপভ্ৰষ্টা হৈ ব্ৰাহ্মণ কুলত উপজিছিল। শাপৰ ফলতময়ো এই পিতৃ-মাতৃৰ সন্তান ৰূপে জন্মিছোঁ। মোৰ নিচেই কেচুৱা অৱস্থাতে পিতৃদেৱৰ মৃত্যু হয়। তেতিয়া মোৰ আইয়ে অতিপাত পৰিশ্ৰম কৰি মোক ভাওৰ-পীয়ল কৰিবলৈ ধৰিলে। এদিন বহু পথ অতিক্ৰম কৰি ধূলি-ধূসৰিত অৱস্থাত দুজন ব্ৰাহ্মণ এৰাতি কটাবলৈ বুলি আমাৰ ঘৰত উপস্থিত হ'ল। তেওঁলোক দুয়োজন আমাৰ ঘৰত থকা সময়ত মুৰুজ বাদ্যৰ শব্দ শুনা গ'ল। তাকে শুনি আয়ে দুখ-

গামী পিতৃৰ কথা সুঁৱৰি শোকত থোকাথুকি মাতেৰে মোক ক'লে,—'বোপাই, এয়া তোমাৰ পিতাৰাৰ বন্ধু নট নন্দই নৃত্য কৰিছে।' মই তেতিয়া ক'লোঁ, 'আই, মই এই নাচ চাবলৈ যাওঁ। ঘূৰি আহি গীত-মাতৰ সৈতে সমগ্ৰ নৃত্য তোমাক দেখুৱাম।' মোৰ এই কথা শুনি ব্ৰাহ্মণ দুজন বৰ আচৰিত হ'ল। তাকে দেখি আয়ে তেওঁলোকক ক'লে।—'বোপাইঁত, ল'ৰাৰ কথাত অকণো সন্দেহ নাই। মোৰ ল'ৰাই এবাৰ শুনিলেই সকলো কথা মনত ৰাখিব পাৰে।' ৩৩-৩৭

এই কথাৰ প্ৰমাণ চাবলৈ বুলি তেওঁলোকে মোৰ আগত প্ৰাতিশাখ্য পাঠ কৰিলে। শুনাৰ পিছত তেওঁলোক দুয়োৰে আগত মই গোটেইখিনি প্ৰাতিশাখ্য অবিকল পাঠ কৰিলোঁ। তেতিয়া তেওঁলোক দুয়োজনৰে সৈতে মই নাট্যানুষ্ঠান চাবলৈ গ'লোঁ আৰু ঘৰলৈ ঘূৰি আহি সকলোখিনি আইক দেখুৱালোঁ। মোক 'একশ্ৰুতিধৰ' (এবাৰ শুনিয়েই মনত ৰাখিব পৰা) বুলি নিশ্চয় কৰি তেওঁলোক দুজনৰ ভিতৰৰ ব্যাড়ি নামৰ জনে আইক প্ৰণাম জনাই এই বৃত্তান্ত ক'লে। ৩৮-৪০

১. ক ইন্দ্ৰদত্ত আৰু ব্যাড়ি :

—"আই, বেতসা নামে নগৰত দেৱস্বামী আৰু কৰম্ভক নামে দুজন ব্ৰাহ্মণ ককাই-ভায়ে বাস কৰিছিল। দুয়োৰে মাজত বৰ মিলা-প্ৰীতি আছিল। তেওঁলোকৰ এজনৰ পুত্ৰ এওঁ ইন্দ্ৰদত্ত আৰু আনজনৰ পুত্ৰ মই; মোৰ নাম ব্যাড়ি। কিছুদিনৰ পিছত মোৰ পিতাৰ মৃত্যু হ'ল আৰু ভ্ৰাতৃ বিয়োগৰ শোকত ইন্দ্ৰদত্তৰ পিতৃও স্বৰ্গগামী হ'ল। তেতিয়া আমাৰ দুয়োৰে মাতৃ দুগৰাকীৰো হৃদয় শোকত ফাটি গ'ল (মৃত্যু হ'ল)। আমি দুয়ো অনাথ হ'লোঁ। আমাৰ অৰ্থ-সম্পত্তি আছিল, তথাপি বিদ্যা লাভৰ আকাংক্ষাৰে কুমাৰ কাৰ্ত্তিকেয়ক তপস্যাৰে আৰাধনা কৰিবলৈ ঘৰ এৰি ওলালোঁ। কাৰ্ত্তিকেয়ৰ আৰাধনাত মগ্ন হৈ থকা অৱস্থাত এৰাতি প্ৰভু কাৰ্ত্তিকেয়ই আমাক এইদৰে স্বপ্নাদেশ কৰিলে,—'নন্দৰজাৰ পাটলী নামে এখন নগৰ আছে। সেই নগৰত বৰ্ষ নামে এজন ব্ৰাহ্মণে বাস কৰে। তেওঁৰপৰা তোমালোক

দুয়ো সমগ্ৰ বিদ্যা আহৰণ কৰিব পাৰিবা ; গতিকে এতিয়া তোমালোক সেই নগৰলৈ যোৱা ।' ৪১-৪৬

তেতিয়া আমি পাটলী নগৰলৈ আহি বৰ্ষৰ কথা সোধাত মানুহে ক'লে—'হয়, বৰ্ষ নামেৰে এক মূৰ্খ ব্ৰাহ্মণ ইয়াত আছে ।' এই কথা শুনি সন্দেহত দোদুল্যমান মনেৰে আমি বৰ্ষৰ ঘৰৰ ফালে আগবাঢ়িলোঁ । গৈ দেখিলোঁ—বৰ্ষৰ লাগ-বান্ধ নোহোৱা জৰাজীৰ্ণ কুটিৰৰ মজিয়াত নিগনিয়ে মাটি তুলি উই হাফলু যেন কৰিছে, বেৰ ছাল উৰ'লি গৈছে, ওপৰৰ ছালে (বৰঘুণ নালাগে) ব'দো বাখিব নোৱাৰে, যেন দৈন্যৰ জীৱন্ত প্ৰতীক (উৎপত্তি স্থান) । ৪৭-৪৯

সেই ঘৰৰ ভিতৰত বৰ্ষক ধ্যানমগ্ন অৱস্থাত দেখি আমি বৰ্ষৰ পত্নীৰ কাষ চাপিলোঁ আৰু তেওঁ আমাৰ যথোচিত আতিথ্য সৎকাৰ কৰিলে । মলিন বৰণৰ উৰ'লি যোৱা লেতেৰা কাপোৰ এখন পিন্ধি তেওঁক তাত থকা দেখি ধাৰণা হ'ল যেন বিপ্ৰৰ গুণানুৰক্ত দুৰ্ভাগ্যই মূৰ্তিমতী হৈ বিৰাজ কৰিছে । ৫০-৫১

আমি দুয়ো বৰ্ষ-পত্নীক প্ৰণাম কৰি আমাৰ নিজৰ বৃত্তান্ত আৰু নগৰত তেওঁৰ স্বামীৰ মূৰ্খতাৰ বিষয়ে শুনা কথাও তেওঁক ক'লোঁ । ৫২

'বোপাহঁত, তোমালোক দুয়ো মোৰ ল'ৰাৰ নিচিনা । তোমালোকৰ আগত ক'বলৈ মই কি লাজ কৰিম ; কওঁ শুনা ।' ইয়াকে কৈ সেই সাধ্বী ৰমণীয়ে এই আখ্যান বৰ্ণনা কৰিলে । ৫৩

১. ক.ক. বৰ্ষ আৰু উপবৰ্ষ ঃ

এই নগৰত শঙ্কৰ স্বামী নামে এজন শ্ৰেষ্ঠ ব্ৰাহ্মণে বাস কৰিছিল। তেওঁৰ দুজন পুত্ৰ, মোৰ স্বামী বৰ্ষ আৰু তেওঁৰ ভায়েক উপবৰ্ষ । মোৰ স্বামী মূৰ্খ আৰু দৰিদ্ৰ ; কিন্তু ভায়েক উপবৰ্ষ ইয়াৰ বিপৰীত। উপবৰ্ষই নিজৰ পত্নীক ঘৰ চলোৱাৰ ভাৰ দিছিল । তাৰ পিছত এসময়ত বৰ্ষা ঋতুৱে দেখা দিলে । বৰ্ষাকালত তিৰোতাসকলে গুৰ আৰু পিঠাগুৰিৰে লেখিলে খিণ লগা লিঙ্গাকৰ এবিধ পিঠা সাজে । এনেকুৱা পিঠা তিৰোতাসকলে কোনো মূৰ্খ ব্ৰাহ্মণক দান দিয়ে । তাকে কৰিলে তেওঁলোকৰ জাৰকালি গা ধোৱাৰ কষ্ট আৰু জহ-

কালি শৰীৰৰ ক্লান্তি দূৰ হয়। এই আচাৰ নিন্দনীয় বুলি কোনো-ব্ৰাহ্মণে পিঠাৰ দান নলয়। মোৰ দেওৰৰ পত্নীয়ে এনে পিঠা দক্ষিণাৰে সৈতে মোৰ স্বামী বৰ্ষক দিলে। তাকে লৈ এওঁ ঘৰলৈ অহাত মই বৰ ভৎসনা কৰিলোঁ। তেতিয়া নিজকে মহামূৰ্খ বুলি ভাবি খঙে-বেজাৰে তেওঁ অনুতপ্ত হ'ল আৰু স্বামী কাৰ্ত্তিকেয়ৰ চৰণত পৰিল গৈ। তেওঁৰ তপস্যাত তুষ্ট হৈ কাৰ্ত্তিকেয়ই সকলো বিদ্যা তেওঁৰ আগত প্ৰকাশ কৰিলে আৰু ক'লে 'এবাৰ শুনিয়েই মনত ৰাখিব পাৰে, এনে ব্ৰাহ্মণ পালে তেওঁক তুমি এই বিদ্যা দান কৰিবা।' কাৰ্ত্তিকেয়ৰ এই আদেশ পাই তেওঁ মনৰ আনন্দত ইয়ালৈ ঘূৰি আহি সকলো বৃত্তান্ত মোৰ আগত ভাঙি-পাতি ক'লে। তেতিয়াৰ-পৰা তেওঁ সদায় ধ্যানমগ্ন হৈ জপ কৰি কাল কটাইছে। গতিকে তোমালোকে যিকোনো এজন একশ্ৰুতিধৰ (এবাৰ শুনিয়েই মনত ৰাখিব পৰা) বিদ্যাৰ্থী বিচাৰি আনা। ইয়াকে কৰিলে নিসন্দেহে তোমালোকৰ সকলো কামনা সিদ্ধি হ'ব। ৫৩-৬৩

১. ক ইন্দ্ৰদত্ত আৰু ব্যাড়ি:

বৰ্ষৰ পত্নীৰ এই কথা শুনি দুখ-দাৰিদ্ৰ্য নিবাৰণৰ বাবে তেওঁক এশ স্বৰ্ণ মুদ্ৰা দি আমি দুয়ো সেই নগৰৰ বাহিৰলৈ যাত্ৰা কৰিলোঁ। আমি দুয়ো সমগ্ৰ পৃথিৱী ভ্ৰমণ কৰিও ক'তো একশ্ৰুতিধৰ বালক নেপালোঁ। শেষত পৰিশ্ৰান্ত হৈ আজি আপোনাৰ ঘৰত উপস্থিত হৈছোঁ, আৰু আপোনাৰ এই একশ্ৰুতিধৰ পুত্ৰক দেখা পাইছোঁ। আই, আপোনাৰ পুত্ৰক এতিয়া আমাক দিয়ক, সমগ্ৰ বিদ্যাসম্পদ লাভ কৰিবলৈ আমি এতিয়া যাওঁ। ৬৪-৬৬

১. (অ) বৰৰুচিৰ কথা:

ব্যাড়িৰ কথা শুনি মোৰ মাতৃয়ে শ্ৰদ্ধাৰে ক'লে,—"তোমাৰ কথা সম্পূৰ্ণ মিলি গৈছে আৰু মোৰ বিশ্বাস হৈছে। পূৰ্বে মোৰ এই একমাত্ৰ পুত্ৰৰ জন্মৰ সময়ত আকাশবাণী হৈছিল—'জন্ম হোৱা বালক একশ্ৰুতিধৰ হ'ব, এওঁ বৰ্ষৰপৰা সকলো বিদ্যা লাভ কৰিব আৰু

আৰু পৃথিৱীত ব্যাকৰণ শাস্ত্ৰ প্ৰৱৰ্তন কৰিব। এওঁৰ নাম হ'ব বৰৰুচি; কিয়নো যিবিলাক 'বৰ' অৰ্থাৎ শ্ৰেষ্ঠ বস্তু, সেইবিলাকৰ প্ৰতিহে এওঁৰ ৰুচি জন্মিব।' ইয়াকে কৈ আকাশবাণী নীৰৱ হ'ল। গতিকে ল'ৰাটি ডাঙৰ হোৱাৰ লগে লগে মই দিনে ৰাতিয়ে, কেৱল এই কথাকে ভাবি-চিন্তি আছোঁ—'সেই বৰ্ষ উপাধ্যায়নো কোন?' আজি তোমালোকৰ মুখৰপৰা সম্ভেদ পাই পৰম সন্তোষ লাভ কৰিলোঁ। গতিকে ল'ৰাটি নিয়া; এওঁ তোমালোকৰ নিজৰ ভ্ৰাতৃতুল্য। ইয়াত আৰু মোৰ ক্ষতিৰ কি আশঙ্কা আছে?" ৬৭-৭২

মোৰ মাতৃৰ মুখৰপৰা এই কথা শুনিবলৈ পাই পৰম আনন্দত ব্যাড়ি আৰু ইন্দ্ৰদত্ত দুয়োৰে সেই ৰাতিটো এটা মুহূৰ্ত যেন হৈ পাৰ হ'ল। তেতিয়া এটা উৎসৱৰ বাবে ব্যাড়িয়ে ততালিকে আইক নিজৰ গাঁথিৰ ধন দিলে আৰু বেদাধ্যয়নৰ অধিকাৰী হ'বৰ বাবে তেওঁ নিজেই মোৰ উপনয়ন ক্ৰিয়া সম্পন্ন কৰিলে। তাৰ পিছত আয়ে কোনো মতে চকুলো সামৰি মোক যাবলৈ অনুমতি দিয়াত আৰু ময়ো বিদায় মুহূৰ্তৰ অশেষ ব্যথা ধৈৰ্য্যেৰে কোনো মতে সংযত কৰাত তেওঁলোকৰ ওপৰত কুমাৰ কাৰ্ত্তিকেয়ৰ কুসুম ফুলি উঠিছে বুলি ভাবি ব্যাড়ি আৰু ইন্দ্ৰদত্ত দুয়ো মোক লগত লৈ লৰালৰিকৈ সেই নগৰৰপৰা প্ৰস্থান কৰিলে। আমি সকলোটি গৈ গুৰু বৰ্ষৰ ঘৰত উপস্থিত হ'লোঁ আৰু তেওঁ মোক দেখি কুমাৰ কাৰ্ত্তিকেয়ৰ কৃপা মূৰ্ত্তিমান হৈ তেওঁৰ ওচৰলৈ আহিছে বুলি ভাবিলে। এদিন উপাধ্যায় বৰ্ষই আমাৰ এটাই কেউজনকে নিজৰ আগলৈ আনি নিজে শুদ্ধ ভূমিত বহি দিব্য নাদেৰে 'ওম্ কাৰ' ধ্বনি উচ্চাৰণ কৰিলে। তাৰ লগে লগে সকলো অঙ্গৰ সৈতে সমগ্ৰ বেদ তেওঁৰ মনত উদিত হ'ল আৰু তেওঁ আমাৰ বেদ অধ্যাপনাত প্ৰবৃত্ত হ'ল। ৭৯

এবাৰ শুনিয়েই গুৰুৰ উক্তি মই মনত ৰাখিব পাৰিছিলোঁ, ব্যাড়িয়ে দুবাৰ আৰু ইন্দ্ৰদত্তই তিনিবাৰ শুনাৰ পিছত মনত ৰাখিবলৈ সমৰ্থ হ'ল।

তেতিয়া সেই অপূৰ্ব দিব্য ধ্বনি শুনি নগৰবাসী ব্ৰাহ্মণসকলৰ অন্তৰ তৎক্ষণাত বিস্ময়েৰে উপচি পৰিল—'এইটোনো কিহৰ শব্দ'

১ বেদৰ ছটা অঙ্গ—শিক্ষা, কল্প, জ্যোতিষ, ছন্দ, ব্যাকৰণ আৰু নিৰুক্ত।

চাৰলৈ বুলি চাৰিওফালৰপৰা তেওঁলোক আহি তাত উপস্থিত হ'ল। বৰ্ষৰ প্ৰতি স্তুতি-গানত তেওঁলোকৰ মুখশ্ৰী উজ্জ্বল হৈ উঠিল। তেতিয়া এই আচৰিত কাৰ্য্য দেখি আনন্দত কেৱল উপবৰ্ষই নহয় সমগ্ৰ পাটলিপুত্ৰৰ নাগৰিকেই আনন্দত মহোৎসৱ কৰিলে। শিৱ-পুত্ৰ কাৰ্ত্তিকেয়ৰ বৰৰ মাহাত্ম্য দেখি অতি সমৃদ্ধিশালী ৰজা নন্দও পৰম আনন্দিত হ'ল আৰু শ্ৰদ্ধাৱশতঃ ততালিকে বৰ্ষৰ ঘৰ ধনৰত্নেৰে ওপচাই দিলে। ৮০-৮৩

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰ কথাপীঠ
লম্বকৰ দ্বিতীয় তৰঙ্গ।

দ্বিতীয় তৰঙ্গ, শ্লোক-৮৩

কথাপীঠ লম্বক

তৃতীয় তৰঙ্গ

(মূঃ) সেই অৰণ্যত বৰৰুচিয়ে কোৱা কথাখিনি কাণভূতিয়ে একাগ্র মনে শুনি আছিল। তাৰ পিছত বৰৰুচিয়ে আকৌ ক'বলৈ ধৰিলে।

১. (অ) বৰৰুচিৰ আত্মকথা:

কিছুকালৰ পিছত এদিনাখন আহ্নিক শেষ কৰি উঠাত আমি উপাধ্যায় বৰ্ষক সুধিলোঁ।—"উপাধ্যায়! কেনেকৈ এই নগৰখন লক্ষ্মী আৰু সৰস্বতী দুয়োৰে সমানে অধিষ্ঠান-ক্ষেত্র হ'ল, আমাক কওক।" ১-৩

১. খ. পাটলীপুত্র নগৰৰ প্রতিষ্ঠা:

তাকে শুনি তেওঁ ক'লে—"বোপাইঁত! সেই কথা কওঁ শুনা। গঙ্গাৰ অৱতৰণ ক্ষেত্রত (গঙ্গাদ্বাৰ) কণখল নামে এখন পবিত্র তীর্থ আছে। সেই ঠাইতে কাঞ্চনপাত নামেৰে স্বৰ্গৰ ঐৰাৱতে উশীনৰ গিৰি-শৃঙ্গ ভেদ কৰি জাহ্নৱীক এই পৃথিৱীলৈ নমাই আনিছে। এসময়ত দাক্ষিণাত্যৰ এজন ব্রাহ্মণে সপত্নীক তাতে তপস্যা কৰি আছিল। তাতে তেওঁৰ তিনিটি পুত্র জন্মিল। কালক্রমত সেই ব্রাহ্মণ আৰু তেওঁৰ পত্নী স্বৰ্গগামী হ'ল আৰু তিনিওজন পুত্রই বিদ্যা উপাৰ্জনৰ আশাৰে ৰাজগৃহলৈ যাত্রা কৰিলে। ৪-৭

তাত তিনিওজনে বিদ্যা উপাৰ্জন কৰি অৰ্থৰ অভাৱত পীড়িত হৈ কুমাৰ কাৰ্ত্তিকেয়ৰ দৰ্শন-মানসেৰে দক্ষিণাপথলৈ গ'ল।" তাত তেওঁলোকে সাগৰৰ তীৰত অৱস্থিত চিঞ্চিনা নামে নগৰত ভোজিক নামে এজন ব্রাহ্মণৰ ঘৰত বাস কৰিবলৈ ধৰিলে। ভোজিকে সমস্ত ধন-সম্পত্তিৰে সৈতে নিজৰ তিনিওজনী জোৱালী তেওঁলোক তিনিওজনৰ

বিয়া দিলে আৰু আন সতি-সন্ততি নথকা বাবে ভোজিকে তেতিয়া তপস্যা কৰিবৰ নিমিত্তে গঙ্গাৰ তীৰলৈ যাত্ৰা কৰিলে। ৮-১০

তেওঁলোক তিনিও শহুৰেকৰ ঘৰত বাস কৰি থকা সময়তে অনাবৃষ্টিৰ বাবে দেশত ভীষণ দুৰ্ভিক্ষ হ'ল। তেতিয়া তিনিওজন ব্ৰাহ্মণ নিজৰ সতী সাধ্বী ভাৰ্য্যাক পৰিত্যাগ কৰি তাৰপৰা গুচি গ'ল। নৃশংস লোকৰ অন্তৰ আত্মীয়ৰ মমতাই স্পৰ্শ নকৰে। ১১-১২

সেই কন্যা তিনিজনীৰ মাজুজনী ইতিমধ্যে গৰ্ভৱতী হৈ পৰাত তেওঁলোক তিনিও পিতৃবন্ধু যজ্ঞদত্তৰ ঘৰত আশ্ৰয় ল'লে গৈ। তাত নিজৰ স্বামীৰ কথাকে ভাবি চিন্তি তিনিও অতি কষ্টেৰে কাল যাপন কৰিবলৈ লাগিল। অতিশয় বিপদত পৰিলেও জানো কুলস্ত্ৰীয়ে সতীত্ব বিসৰ্জন দিব পাৰে? ১৩-১৪

কালক্ৰমত তিনি কন্যাৰ ভিতৰৰ মাজুজনীয়ে এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে। এই সন্তানটিক কোনজনীয়ে কিমান মৰম চেনেহ কৰিব পাৰে তাৰে যেন প্ৰতিযোগিতাহে চলিল। কোনো এদিন আকাশ মাৰ্গেদি শিৱৰ বিচৰণ কালত স্বামীৰ কণ্ঠলগ্না স্কন্দজননী পাৰ্বতীয়ে সেই ল'ৰাটিক দেখি করুণা-বিগলিত অন্তৰেৰে স্বামীক ক'লে।১৫-১৬

—"প্ৰভু! চাওকচোন 'ভৱিষ্যতে এই ল'ৰাটিয়ে আমাৰ জীৱন ৰক্ষা কৰিব' এই আশাতে সৌ তিনিগৰাকী মহিলা ল'ৰাটিৰ প্ৰতি কিমান স্নেহপৰায়ণা হৈছে। গতিকে বাল্য অৱস্থাতেই ল'ৰাটিয়ে যাতে তেওঁলোকক পালন পোষণ কৰি ৰক্ষা কৰিব পাৰে তেনে ব্যৱস্থা আপুনি কৰক।" প্ৰিয়া পাৰ্বতীয়ে এইদৰে অনুৰোধ কৰাত বৰদাতা শিৱই পাৰ্বতীক ক'লে,—"মই এই বালকৰ প্ৰতি করুণা কৰিছোঁ, কিয়নো পূৰ্বজন্মত সপত্নীক এওঁ মোৰ আৰধনা কৰিছিল। এই ল'ৰাটিয়ে পূৰ্বজন্মত কৰা তপস্যাৰ ফল লাভ কৰিবলৈ পৃথিৱীত পুনাই জন্ম গ্ৰহণ কৰিছে। বালকৰ পূৰ্বজন্মৰ পত্নীয়ে এই জন্মত পাটলী নাম লৈ ৰজা মহেন্দ্ৰ বৰ্মাৰ কন্যা ৰূপে জন্ম গ্ৰহণ কৰিছে। পাটলী এই জন্মতো এই বালকৰে পত্নী হ'ব।" ১৭-২০

এইখিনি কথা কোৱাৰ পিছত শিৱই সেই সতী সাধ্বী কন্যা তিনি গৰাকীক স্বপ্নাদেশ কৰিলে,—"তোমালোকৰ এই কেচুৱা ল'ৰাটিৰ নাম পুত্ৰক হ'ব। নিতৌ ৰাতিপুৱা যেতিয়া পুত্ৰক টোপনি ৰপৰা

সাৰ পাই উঠিব, তেতিয়া ল'ৰাটিৰ গাকৰ তলত এক লাখ সোণৰ মুদ্ৰা ওলাব আৰু ভৱিষ্যতে ল'ৰাটি ৰজা হ'ব।" ২১-২২

ল'ৰাটি ৰাতিপুৱা শুই উঠাৰ পিছত গাকৰ তলত সোণৰ মুদ্ৰা পাই যজ্ঞদত্তৰ (পালিতা) তিনি কন্যাই নিজৰ ব্ৰত সফল হৈছে বুলি জানি আনন্দ লাভ কৰিলে। কালক্ৰমত এই দৰে পোৱা স্বৰ্ণমুদ্ৰাৰে পুত্ৰকৰ ধনকোষ ভৰি পৰিল আৰু তাৰ প্ৰভাৱত পুত্ৰক ৰজা হ'ল। কিয়নো সকলো সম্পদ তপস্যাৰ বলত লাভ কৰিব পাৰি। ২৩-২৪

এদিন যজ্ঞদত্তই গোপনে পুত্ৰকক ক'লে,—"মহাৰাজ! তোমাৰ পিতাৰা আৰু পিতৃব্যসকল দুৰ্ভিক্ষৰ কবলত পৰি ইয়াৰপৰা ক'ৰবালৈ গুচি গ'ল। গতিকে তুমি সদায় ব্ৰাহ্মণক ধন-সোণ দান কৰা, যাতে দানৰ খ্যাতি শুনি তেওঁলোক ইয়ালৈ আহে। এই প্ৰসঙ্গত মই ব্ৰহ্মদত্তৰ আখ্যান কওঁ, শুনা।" ২৫-২৬

১. খ.খ. ৰজা ব্ৰহ্মদত্তৰ কথা ঃ

পূৰণি কালত কাশীত ব্ৰহ্মদত্ত নামে এজন ৰজা আছিল। এদিনাখন ৰাতি তেওঁ এজোৰ ৰাজহাঁহ আকাশেদি উৰি যোৱা দেখিলে। ৰাজহাঁহহাল সোণ যেন হৈ জিলিকি আছিল আৰু শ শ বগা ৰাজ হাঁহে বেৰি থোৱাত বগা ডাৱৰৰ মাজত হঠাতে ওলোৱা বিজুলীৰ দৰে সিহঁত চিকমিকাই উঠিছিল। এবাৰ দেখাৰ পিছত ৰাজহাঁহজোৰ চাবলৈ ৰজা ইমান উগ্ৰাৱল হ'ল যে ৰাজসুখতো তেওঁৰ অৰুচি জন্মিল। তেতিয়া মন্ত্ৰীসকলেৰে আলোচনা কৰি ৰজাই নিজৰ মনোমত এখন ধুনীয়া সৰোবৰ খন্দালে আৰু তাত বাস কৰিবলৈ সকলো প্ৰাণীকে অভয় দিলে। কিছু কালৰ ভিতৰতে সেই ৰাজহাঁহজোৰ আহি সৰোৱৰত থাকিবলৈ লোৱা ৰজাই দেখিবলৈ পালে। হাঁহজোৰে পোহ মানি থকা হৈ পৰাত সিহঁতেনো কেনেকৈ সোণৰ শৰীৰ লাভ কৰিলে, সেই কথা ৰজাই সুধিলে। ২৭-৩১

তেতিয়া হাঁহজোৰে মানুহৰ মাতেৰে ক'লে,

—"মহাৰাজ! পূৰ্বজন্মত আমি এহাল কাউৰী আছিলোঁ। এটা শূন্য পৱিত্ৰ শিৱ মন্দিৰত বলিৰ (কাউৰীয়ে আগ বঢ়োৱা অন্ন আদি) খাবে পৰস্পৰ যুঁজ কৰোঁতে এটা ভলা গাত পৰি আমাৰ মৃত্যু হয়

আৰু তাৰ পিছত আমি জাতিস্মৰ হৈ সোণৰ ৰাজহাঁহ ৰূপে জন্ম লৈছোঁ।"

সেই কথা শুনি আৰু একেৰাহে ৰাজহাঁহজোৰলৈ চাই ৰজাই বৰ সন্তোষ পালে। ৩২-৩৪

১. খ. পাটলীপুত্ৰ নগৰৰ প্ৰতিষ্ঠা :

তেতিয়া যজ্ঞদত্তই পুত্ৰকক ক'লে,—'তুমিও অনন্য-সাধাৰণ দান কৰি তোমাৰ পিতৃ আৰু পিতৃব্যসকলক লাভ কৰিবা।' তেতিয়া পুত্ৰকেও (তেওঁৰ উপদেশ মতে) তাকে কৰিলে। ধন-বস্ত্ৰ দানৰ বাতৰি শুনি সেই ব্ৰাহ্মণ কেইজন সেই ঠাই পালেহি। তেওঁলোকৰ পৰিচয় জনাজাত হৈ পৰাত তেওঁলোকে নিজ নিজ পত্নীৰ লগতে অতুল ঐশ্বৰ্য্যও লাভ কৰিলে। আচৰিত কথা যে ঘোৰ বিপদত পৰি সৰ্বস্বান্ত হোৱাৰ পিছতো বিবেচনাহীন, লোভান্ধ দুৰ্বৃত্তবিলাকে নিজৰ স্বভাৱ এৰিব নোৱাৰে। কালক্ৰমত তেওঁলোকৰ ৰাজ্যলাভৰ বাবে প্ৰবল আকাংক্ষা জন্মিল আৰু পুত্ৰকক হত্যা কৰিবলৈ মন কৰিলে। সেই উদ্দেশ্যে তেওঁলোকে দেৱী বিন্ধ্যবাসিনীৰ মন্দিৰ দৰ্শনৰ ছলেৰে পুত্ৰকক মন্দিৰলৈ মাতি নিলে। মন্দিৰৰ গৰ্ভগৃহত গুপ্তঘাতক নিযুক্ত কৰি তেওঁলোকৰ এজনে ক'লে,—'পুত্ৰক! তুমি প্ৰথমে অকলশৰে দেৱীক দৰ্শন কৰিবলৈ মন্দিৰৰ ভিতৰলৈ যোৱাঁ।' ৩৫-৩৯

সেই কথাত বিশ্বাস কৰি পুত্ৰক মন্দিৰৰ ভিতৰ সোমাল আৰু জিঘাংসু গুপ্তঘাতক কেইটাক দেখি সুধিলে—'তোমালোকে মোক কিয় হত্যা কৰিব খুজিছা।' 'তোমাৰ পিতৃ আৰু পিতৃব্যই আমাক বহুত স্বৰ্ণ মুদ্ৰা দি তোমাক হত্যা কৰিবলৈ নিযুক্ত কৰিছে'—সিহঁতে ক'লে। তাকে শুনি পুত্ৰকে ক'লে,—'মোৰ এই বহুমূলীয়া বস্ত্ৰ-অলঙ্কাৰ তোমালোকক দিওঁ, তাকে লৈ মোক এৰি দিয়া। এই কথা মই ক'তো প্ৰকাশ নকৰোঁ আৰু মই ইয়াৰপৰা বহুত দূৰ দেশলৈ যামগৈ।'

'বাৰু সেয়ে হওক' বুলি গুপ্তঘাতক কেইটাই শলাগিলে আৰু বস্ত্ৰ-অলঙ্কাৰ লৈ বাহিৰলৈ আহি 'পুত্ৰকক' বধ কৰা হ'ল বুলি পুত্ৰকৰ পিতৃ আৰু পিতৃব্যৰ আগত মিছাকৈ ক'লে। ৪০-৪৩

তাৰ পিছত ৰাজ্যলোভী সেই ব্ৰাহ্মণ কেইজন ৰাজ্যলৈ ঘূৰি আহিলত ৰাজদ্ৰোহী বুলি মন্ত্ৰীসকলে সিহঁতক বধ কৰিলে। কৃতঘ্নৰ নো ক'ত মঙ্গল আছে ? ৪৪

তেতিয়া নিজৰ আত্মীয়-স্বজনৰ ওপৰত বিৰক্ত হৈ সেই সত্যসন্ধ ৰজা পুত্ৰকে গভীৰ বিন্ধ্যাৰণ্যত প্ৰৱেশ কৰিলে। দুৰ্গম বিন্ধ্যাৰণ্যত ইফালে সিফালে ঘূৰি ফুৰোঁতে এঠাইত বাহযুদ্ধত লিপ্ত দুজন পুৰুষ দেখা পাই তেওঁ সুধিলে,—"তোমালোক কোন আৰু কিয় এইদৰে যুদ্ধ কৰিছা ?" তাকে শুনি তেওঁলোকে উত্তৰ দিলে,—"আমি দুয়ো মায়া-সুৰৰ পুত্ৰ। এই পাত্ৰটো, এই লাঠিডাল আৰু খৰমজোৰ তেওঁৰ সম্পত্তি। ইয়াৰ বাবেই আমাৰ যুদ্ধ ; আমাৰ দুজনৰ ভিতৰত যুদ্ধত যেয়ে জিকে, সেয়ে এই সম্পত্তিখিনি পাব।" এই কথা শুনি হাঁহি হাঁহি পুত্ৰকে ক'লে,—"পুৰুষ এজনৰ বাবে এয়ানো কি সম্পত্তি ?" তেতিয়া তেওঁলোক দুয়ো ক'লে,—"এই খৰমজোৰ পিন্ধি আকাশ মাৰ্গেদি বিচৰণ কৰিব পাৰি, এইডাল লাঠিৰে যি লিখা যায়, সেয়ে সত্যত পৰিণত হয় আৰু খাবলৈ মন যোৱা আহাৰ চিন্তা কৰা মাত্ৰকে এই পাত্ৰটোত ওলায়।" ৪৫-৫০

এই কথা শুনি পুত্ৰকে ক'লে,—"মিছাকৈ যুদ্ধ কৰাৰ প্ৰয়োজন কি ? এই পণ ৰখা হওক যে দৌৰ প্ৰতিযোগিতাত যিয়েই আগ বাঢ়িব পাৰে তেৱেঁই সম্পত্তিখিনি পাব।" 'বাৰু, সেয়ে হওক' বুলি কৈ মূৰ্খ দুটাই লৰি কিছু দূৰ যাওঁতেই পুত্ৰকে পাত্ৰটো আৰু লাঠিডাল হাতত লৈ খৰমজোৰ পিন্ধি আকাশলৈ উৰা মাৰিলে। খন্তেকৰ ভিতৰতে বহুত দূৰ পথ অতিক্ৰম কৰি আকৰ্ষিকা নামে এখন সুন্দৰ নগৰী দেখি ৰজাই নভোমাৰ্গৰপৰা তাতে অৱতৰণ কৰিলে। তেওঁ মনে মনে ভাবিবলৈ ধৰিলে—'বেশ্যা হ'ল প্ৰবঞ্চক, ব্ৰাহ্মণ মোৰ পিতা আৰু পিতৃব্যৰ নিচিনা, বেপাৰীবিলাক ধনৰ খকুৱা ; তেনেহ'লে মইনো কাৰ ঘৰত বাস কৰিম ?' এই দৰে ভাবি-চিন্তি পুত্ৰক অকলশৰীয়া এটা জীৰ্ণ কুটিৰত উপস্থিত হ'ল গৈ আৰু ঘৰৰ ভিতৰত একমাত্ৰ বুঢ়ী এজনীক দেখিবলৈ পালে। বৃদ্ধাক ধন-সোণ দি সন্তুষ্ট কৰাত বৃদ্ধাই তেওঁক আদৰ-সাদৰ কৰি ৰাখিলে। সেই জীৰ্ণ কুটিৰতে কোনেও নজনাকৈ পুত্ৰকে বাস কৰিবলৈ ধৰিলে। ৫০-৫৬

এদিনাখন সেই বৃদ্ধাই পৰম প্ৰীতি ভাবেৰে পুত্ৰকক ক'লে,— "বোপা তোমাৰ অনুৰূপ ভাৰ্য্যা নাই দেখি মোৰ মনত বৰ দুখ লাগিছে। এই নগৰৰ ৰজাৰ পাটলী নামৰ এটী কন্যা আছে। ৰাজ-অন্তঃপুৰৰ প্ৰাসাদৰ ওপৰ তলাত তেওঁক মহামূল্য ৰত্নৰ দৰে ৰক্ষা কৰা হৈছে।" বৃদ্ধাৰ কথা পুত্ৰকে কাণ পাতি আগ্ৰহেৰে শুনি থাকোঁতে কামদেৱে শ্ৰৱণপথৰ ৰন্ধ্ৰেদি তেওঁৰ অন্তৰত প্ৰৱেশ কৰিলে। 'সেই মনোমোহা কন্যাক মই আজিয়েই দৰ্শন কৰিম' বুলি কৃতসংকল্প হৈ পুত্ৰক নিশা সেই খৰমজোৰ পিন্ধি আকাশ-মাৰ্গেদি ৰাজপ্ৰসাদলৈ গ'ল আৰু পৰ্বতৰ শৃঙ্গৰ সমান ওখত থকা এখন খিৰিকিয়েদি অন্তঃপুৰত প্ৰৱেশ কৰি গুপ্তস্থানত অকলে শুই থকা পাটলীক দেখিবলৈ পালে। স্নিগ্ধ চন্দ্ৰ-কিৰণে তেওঁৰ সৰ্বাঙ্গ চৌৰাই খোৱাত এনেহে লাগিছিল যেন সমগ্ৰ জগৎ নিজৰ সৌন্দৰ্য্যৰে জয় কৰি মদনৰ মূৰ্তিমতী শক্তিয়ে ভাগৰত বিশ্ৰামহে কৰিছে। 'এওঁকেনো এতিয়া কেনেকৈ জগাওঁ' বুলি চিন্তা কৰোঁতেই বাহিৰত পৰীয়াই গোৱা এফাঁকি গীত পুত্ৰকৰ কাণত পৰিল। ৫৭-৬৩

'নিৰ্জনত নিদ্ৰামগ্ন প্ৰিয়াক যুৱকে আলিঙ্গনেৰে জগাই তোলোঁতে আলস্যত ঈষৎ উন্মীলিত নয়নেৰে প্ৰিয়াই যেতিয়া ভৰ্ৎসনা কৰে, তেতিয়াই যুৱকৰ জন্ম সফল হয়।' ৬৪

এই ইঙ্গিতময় উক্তি শুনি আবেগত কম্পিত-কলেবৰ পুত্ৰকে আলিঙ্গন কৰাত পাটলীয়ে সাৰ পালে। সাৰ পাই ৰাজকুমাৰক দেখি পাটলীৰ নয়নত লাজ আৰু কৌতুকে পৰস্পৰ সংঘৰ্ষত লুকা-ভাকু খেলিলে আৰু কুমাৰৰ মুখত নিক্ষেপ কৰা দৃষ্টি বাৰেপতি ঘূৰাই আনিলে। তাৰ পিছত আলপ-পৰিচয় হোৱাত গান্ধৰ্ব প্ৰথা মতে দুয়োৰে বিবাহ সম্পন্ন হ'ল। তেতিয়া সেই দম্পতিৰ প্ৰেম ক্ৰমে বাঢ়ি যাবলৈ ধৰিলে কিন্তু ৰাতিটো হ'লে বাঢ়ি নগ'ল। (ৰাতি শেষ হ'বলৈ ধৰাৰ লগে লগে দম্পতিৰ প্ৰেমো ক্ৰমে ক্ৰমে বাঢ়িবলৈ ধৰিলে)। তেওঁতে মন-প্ৰাণ অৰ্পি উৎকণ্ঠিত হৈ পৰা প্ৰিয়াৰপৰা শেহ ৰাতি বিদায় লৈ পুত্ৰক সেই বৃদ্ধাৰ কুটিৰলৈ উলটি আহিল। ৬৫-৬৮

এই দৰে সদায় ৰাতি পুত্ৰক পাটলীৰ ওচৰলৈ যাতায়াত কৰাত এদিন ৰক্ষীবিলাকে পাটলীৰ গাত পুৰুষ-সম্ভোগৰ চিন দেখিবলৈ

পালে। তেতিয়া সিহঁতে পাটলীৰ পিতৃ-ৰজাক সেই কথা জনালে। ৰাতিনো কি ঘটে লক্ষ্য কৰিবৰ বাবে ৰজাই এজনী তিৰোতাক গোপনে কন্যান্তঃপুৰত নিযুক্ত কৰিলে। পুত্ৰক যথা নিয়মে আহিল আৰু নিদ্ৰামগ্ন হৈ পৰিল। তেতিয়া লুকাই থকা সেই তিৰোতাজনীয়ে চিন ৰাখিবৰ বাবে পুত্ৰকৰ কাপোৰ আলতাৰে ৰঙা কৰি থলে। পিছদিনা পুৱা তাই সকলো কথা ৰজাক জনোৱাত সেই চিনৰ মানুহ বিচাৰি ৰজাই চাৰিওফালে চোৰাংচোৱা পঠালে। চোৰাংচোৱা বিলাকে সেই চিনেৰে বৃদ্ধাৰ জীৰ্ণ কুটিৰত পুত্ৰকক বিচাৰি উলিয়ালে। তেতিয়া পুত্ৰকক ৰজাৰ সন্মুখলৈ অনা হ'ল। পুত্ৰকে ৰজাক অতিশয় ক্ৰুদ্ধ দেখি খৰমজোৰৰ সহায়ত আকাশ মাৰ্গেদি পাটলীৰ অন্তঃপুৰত প্ৰৱেশ কৰিলে। পুত্ৰকে ক'লে,—"পাটলী, আমাক ধৰা পেলাইছে। আহা, আমি এই খৰমজোৰৰ বলত ইয়াৰপৰা যাওঁ।" ইয়াকে কৈ পাটলীক কোলাত লৈ পুত্ৰকে আকাশ মাৰ্গেদি প্ৰস্থান কৰিলে। তাৰ পিছত গঙ্গাৰ তীৰত আকাশৰপৰা অৱতৰণ কৰি অলৌকিক পাত্ৰৰপৰা পোৱা আহাৰেৰে পুত্ৰকে পৰিশ্ৰান্ত প্ৰিয়া পাটলীক তৃপ্ত কৰিলে। পুত্ৰকৰ অলৌকিক প্ৰভাৱ দেখি তেতিয়া পাটলীয়ে অনুৰোধ কৰাত পুত্ৰকে সেই লাঠিডালেৰে চতুৰঙ্গ বলেৰে সুৰক্ষিত এখন নগৰৰ চিত্ৰ আঁকিলে। সেই চিত্ৰ-নগৰ লগে লগে সত্য নগৰত পৰিণত হোৱাত পুত্ৰক তাৰ ৰজা হ'ল আৰু কালক্ৰমত শত্ৰুবৰ্গক দমন কৰি সসাগৰা পৃথিৱী শাসন কৰিলে। এয়ে সেই নাগৰিক অধ্যুষিত দিব্য নগৰী আৰু এই কাৰণেই ইয়াৰ নাম পাটলীপুত্ৰ; লক্ষ্মী সৰস্বতীৰ ক্ষেত্ৰ। ৬৯-৭৮

১. (অ) বৰৰুচিৰ আত্মকথা:

কাণভূতি! বৰ্ষৰ মুখৰপৰা শুনা অপূৰ্ব আৰু অতি বিচিত্ৰ এই আখ্যানে আমাৰ মন বহুকাল বিস্ময়ত আপ্লুত আৰু আনন্দিত কৰি ৰাখিছে। ৭৯

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথাপীঠ নামৰ
প্ৰথম লম্বকৰ তৃতীয় তৰঙ্গ।
তৃতীয়া তৰঙ্গ, শ্লোক ৭৯

কথাপীঠ লম্বক
চতুৰ্থ তৰঙ্গ

১. (অ) বৰৰুচিৰ আত্মকথা

বিন্ধ্যাৰণ্যত কাণভূতিক এইখিনি কথা কৈ বৰৰুচিয়ে আকৌ মূল আখ্যানৰ সূত্ৰ ধৰিলে। ১

এইদৰে ব্যাড়ি আৰু ইন্দ্ৰদত্তৰ সৈতে তাত বাস কৰি থাকোঁতে মই শৈশৱ অতিক্ৰম কৰিলোঁ আৰু সৰ্ব-বিদ্যাত পাৰদৰ্শী হ'লোঁ। এদিন আমি ইন্দ্ৰোৎসৱ চাবলৈ গৈ কামদেৱৰ অস্ত্ৰ স্বৰূপ, অথচ কামৰ শৰ নহয়, এনে এক সুন্দৰী কন্যা দেখা পালোঁ। তেতিয়া মই 'এওঁনো কোন' বুলি ইন্দ্ৰদত্তক সোধাত ইন্দ্ৰদত্তই তেওঁ উপবৰ্ষৰ দুহিতা উপকোশা বুলি ক'লে। উপকোশায়ো সখীয়েকহঁতৰপৰা মোৰ পৰিচয় জানিব পাৰিলে। তেতিয়া অতিশয় স্নিগ্ধ দৃষ্টিৰে তেওঁ মোৰ মন আকৰ্ষণ কৰি অতি কষ্টেৰেহে ঘৰলৈ উলটি যাবলৈ সক্ষম হৈছিল। ২-৫

উপকোশাৰ মুখখনি পূৰ্ণিমাৰ জোন যেন, চকু দুটি জানিবা এজোৰ নীলোৎপল, বৈ পৰা বাহু যুগল মৃণাল সদৃশ, শঙ্খ যেন ডিঙি ত্ৰিবলীশোভিত, স্তনযুগল পীনোন্নত; প্ৰবালৰ ৰক্তিম আভা-ৰঞ্জিত অধৰেৰে উজ্জ্বল লাৱণ্যময়ী উপকোশা ৰজা কামদেৱৰ সৌন্দৰ্য্য মন্দিৰৰ অন্য এগৰাকী লক্ষ্মী যেন প্ৰতীয়মান হৈছিল। তেতিয়া কামশৰত মোৰ হৃদয় ছিন্ন-ভিন্ন হৈ পৰিল আৰু তেওঁৰ বিম্বাধৰোষ্ঠ চুম্বনৰ পিপাসাত সেই নিশা মোৰ টোপনি নাহিল। ৰাতিপুৱাৰ সময়ত কোনোমতে চিকমিককৈ টোপনি অহাত এগৰাকী শুভ্ৰবস্ত্ৰ-পৰিহিতা দিব্য ৰমণী মই সপোনত দেখিলোঁ। তেওঁ মোক ক'লে—"উপকোশা তোমাৰ পূৰ্বজন্মৰ ভাৰ্য্যা। গুণজ্ঞা উপকোশাই তোমাৰ বাহিৰে আন কাকো পতি কামনা নকৰে; পতিকে তুমি এই বিষয়ে অকণো চিন্তা নকৰিবা। মই তোমাৰ অন্তৰত সদায় বাস কৰা সৰস্বতী। তোমাৰ মনোবেদনা মই সহ্য কৰিব পৰা নাই।" ইয়াকে কৈ দেৱী অন্তৰ্দ্ধান হ'ল। ৬-১১

তেতিয়া মই সাৰ পালোঁ আৰু কিঞ্চিৎ আশ্বস্ত হ'লোঁ। মই লাহে লাহে গৈ প্ৰিয়া উপকোশাৰ ঘৰৰ ওচৰৰ এটা আমগুলিৰ তলত ঠিয় হৈ ৰ'লোঁগৈ। তেতিয়া উপকোশাৰ সখীয়েক এজনী আহি অনঙ্গৰ প্ৰথম প্ৰভাৱত মোৰ প্ৰতি জন্মা উপকোশাৰ গভীৰ প্ৰণয়াসক্তিৰ কথা মোক ক'লে। সেই কথা শুনি মোৰ সন্তাপ দুগুণে বাঢ়িল। মই তেওঁক ক'লোঁ, "উপকোশাৰ গুৰুজনে নিজ ইচ্ছাৰে তেওঁক মোৰ হাতত সমৰ্পণ নকৰিলে মই কেনেকৈ তেওঁক নিজৰ কৰোঁ? কিয়নো অপযশতকৈ মৃত্যুয়েই শ্ৰেয়ঃ। যদি কেতিয়াবা তোমাৰ সখীৰ মনোভাৱ তেওঁৰ গুৰুজনে বুজে, হয়তো শুভ ফল হ'ব পাৰে। হে ভদ্ৰে, গতিকে তুমি এই কাম কৰা কৰি তোমাৰ সখী-য়েৰা আৰু মোৰো প্ৰাণ ৰক্ষা কৰা।"

এই কথা শুনি তেওঁ সখীয়েকে উপকোশাৰ মাতৃৰ আগত সকলো কথা ক'লেগৈ। মাকেও ততক্ষণাত সকলো কথা স্বামী উপবৰ্ষক জনালে। উপবৰ্ষই ককায়েক বৰ্ষক ক'লে আৰু বৰ্ষই শুনি এই কথাত আনন্দৰে সন্মতি জনালে। বিবাহ স্থিৰ হোৱাত আচাৰ্য্য বৰ্ষৰ নিৰ্দেশ মতে ব্যাড়িয়ে গৈ কৌশাম্বীৰপৰা মোৰ আইক তালৈ আনিলে। উপকোশাক পিতাকে যথা-বিধি মোলৈ সম্প্ৰদান দিলে। তেতিয়া আই আৰু ভাৰ্য্যাৰে সৈতে মই সুখেৰে তাত বাস কৰিবলৈ ধৰিলোঁ। ১২-১৯

পাণিনি ব্যাকৰণৰ উৎপত্তি:

কালক্ৰমত বৰ্ষৰ বহুত শিষ্য হ'ল। তাৰ ভিতৰত পাণিনি নামৰ শিষ্যজন আছিল অতিশয় মূৰ্খ। বৰ্ষভাৰ্য্যাৰ নিৰ্দেশত সেৱা-শুশ্ৰূষাত নিৰত পাণিনি অতিশয় অৱসন্ন হৈ পৰিছিল। মনৰ দুখত বিদ্যা অৰ্জনৰ কামনাৰে পাণিনি তপস্যা কৰিবলৈ হিমালয়লৈ গ'ল। ২০-২১

তেওঁ কঠোৰ তপস্যাৰে চন্দ্ৰশেখৰক সন্তুষ্ট কৰি চন্দ্ৰশেখৰৰ-পৰা সকলো শাস্ত্ৰৰ মুখ স্বৰূপ এখন নতুন ব্যাকৰণ লাভ কৰিলে। তাৰ পিছত পাণিনি ইয়ালৈ ঘূৰি আহি মোকেই তৰ্ক যুদ্ধলৈ আহ্বান জনালে। আমাৰ তৰ্ক-বিতৰ্ক সাত দিন ধৰি চলিল। অষ্টম দিনৰ

দিনা তেওঁক মই তৰ্কত পৰাস্ত কৰিব ধৰোঁতেই আকাশৰপৰা মহাদেৱে মহাভৈৰৱ হুঙ্কাৰ ধ্বনি কৰিলে। ২২-২৪

সেই হুঙ্কাৰ ধ্বনিত পৃথিৱীৰপৰা ঐন্দ্ৰ ব্যাকৰণ লোপ পালে। আমাৰ সকলোকে পাণিনিয়ে তৰ্কত পৰাস্ত কৰাত আমি মূৰ্খ হৈ পৰিলোঁ। তাৰ পিছত মনৰ দুখত ঘৰখনৰ ভৰণ-পোষণৰ বাবে বণিক হিৰণ্য গুপ্তৰ হাতত নিজৰ সকলো ধন-সম্পত্তি গটাই দিলোঁ আৰু উপকোশাক এই সকলো কথা ভাঙি-পাতি কৈ নিৰাহাৰ তপস্যাৰে শঙ্কৰক সন্তুষ্ট কৰিবলৈ মই হিমালয়লৈ যাত্ৰা কৰিলোঁ। ২৫-২৭

উপকোশাৰ চাৰিজন প্ৰেমিক ঃ

উপকোশাই নিজ ঘৰতে থাকি মোৰ মঙ্গল-কামনাৰে নিতৌ গঙ্গাস্নান কৰি ব্ৰত পালন কৰিবলৈ ধৰিলে। খীণাই শেতা পৰি যোৱা সত্বেও উপকোশাই প্ৰতিপদৰ চন্দ্ৰকলাৰ দৰে মনোমোহা হৈ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। এদিন বসন্তকালত ত্ৰিপথগা গঙ্গাত স্নান কৰিবলৈ যাওঁতে তেওঁ ৰাজপুৰোহিত, সেনাপতি আৰু ৰাজমন্ত্ৰীৰ দৃষ্টিত পৰিল। উপকোশাক দেখা মাত্ৰেই তেওঁলোক এটাই কেউজন কামশৰত জৰ্জৰিত হৈ পৰিল। উপকোশায়ো সেইদিনা গা ধোওঁতে কেহোলি-কেন্দেলি কৰি নানা প্ৰকাৰে বহুত সময় কৰিলে। ২৮-৩১

সন্ধিয়া পৰত ঘূৰি আহোঁতে ৰাজমন্ত্ৰীয়ে বাটত হঠাৎ তেওঁক আগ ভেটি ধৰিলে। তেতিয়া উপকোশাই উত্তৰ দিলে,—"ভদ্ৰ! আপোনাৰ মনৰ যি কামনা মোৰো সেয়ে ইচ্ছা। কিন্তু উত্তম কুলত মোৰ জন্ম আৰু সম্প্ৰতি স্বামী বিদেশত আছে। গতিকে মই কেনেকৈ আপোনাৰ সৈতে এই কামত প্ৰবৃত্ত হওঁ? কেতিয়াবা কোনোবাই ক'ৰবাত দেখিব লাগিলে আপোনাৰ আৰু মোৰ দুয়োৰো নিশ্চয় মহা বিপদ ঘটিব। গতিকে নাগৰিকসকল মধুপান উৎসৱত মত্ত হৈ থকা সময়ত ৰাতি প্ৰথম প্ৰহৰত আপুনি অকল মোৰ ঘৰলৈ আহিব।" ৩২-৩৫

সেইদৰে প্ৰতিজ্ঞা কৰাত উপকোশাক তেওঁ এৰি দিলে। তাৰ পিছত কিছুদূৰ যাওঁতে নেযাওঁতেই ভাগ্যৰ ফেৰত ৰাজপুৰোহিতে তেওঁক বাট আগছি ধৰিলে। তেওঁকো আগৰ দৰে সেই একে দিনাই

নিশা দ্বিতীয় প্ৰহৰত আহিবলৈ সঙ্কেত দি কোনোমতে তেওঁৰ হাতৰপৰা উপকোশাই নিষ্কৃতি লাভ কৰিলে। ইয়াৰ পিছত বিহ্বল ভাৱে অলপ দূৰ যাওঁতেই তৃতীয়জন লোক সেনাপতিয়ে তেওঁক বাট ভেটি ধৰিলে। তেওঁকো সেই একেদৰে সেই দিনা নিশা তৃতীয় প্ৰহৰত তেওঁৰ ঘৰলৈ আহিবলৈ সঙ্কেত দিলে। ৩৬-৩৯

এইদৰে কৈ তেওঁলোকৰ হাতৰপৰা ভাগ্যক্ৰমে মুক্তি লাভ কৰি ভয়ত কম্পিত-কলেবৰা উপকোশা আহি ঘৰ সোমাল আৰু ধেমালিই সকলো কথা লিগিৰীহঁতৰ আগত ভাঙি-পাতি ক'লে। ৪০

'স্বামী প্ৰবাসত থকা কালত কামুকৰ লোলুপ দৃষ্টিত পৰি নিৰ্যাতিত হোৱাতকৈ কুলবধূৰ পক্ষে মৰণেই শ্ৰেয়।' ইয়াকে চিন্তা কৰি তেওঁ নিজৰ ৰূপ-যৌৱনক ধিক্কাৰ দিবলৈ ধৰিলে আৰু মোৰ কথা সুঁৰৰি অনাহাৰে সেই নিশাটো কটালে। ৪১-৪২

ব্ৰাহ্মণৰ পূজাৰ বাবে অলপ ধন খুজিবলৈ বুলি পিছ দিনা ৰাতি-পুৱা উপকোশাই লিগিৰী এজনীক বণিক হিৰণ্যগুপ্তৰ ওচৰলৈ পঠালে। তেতিয়া হিৰণ্যগুপ্ত স্বয়ং উপকোশাৰ ওচৰলৈ আহি অকথনীয়াকৈ তেওঁক ক'লে,--"মোক তুমি উপপতিৰূপে গ্ৰহণ কৰিলেহে তোমাৰ স্বামীয়ে মোৰ হাতত দি থৈ যোৱা ধন-সোণ অলপমান তোমাক দিম।" তাকে শুনি উপকোশাই মনতে গুণা-গঁথা কৰিবলৈ ধৰিলে—'এই বণিক অতিশয় পাপিষ্ঠ, আনহাতে মোৰ স্বামীয়ে যে ইয়াৰ হাতত ধন-সোণ থৈ গৈছে তাৰো কোনো সাক্ষী নাই।' ইয়াকে ভাবি দুঃখে শোকে ম্ৰিয়মাণ হৈ পতিব্ৰতা উপকোশাই সেই দিনা ৰাতি বণিকৰ সৈতে মিলনৰ প্ৰতিশ্ৰুতি দিলে। সেই কথাত পতিয়ন গৈ বণিক নিজ ঘৰলৈ উভতি গ'ল। ৪৩-৪৬

ইপিনে উপকোশাই লিগিৰীহঁতৰ সৈতে লগ লাগি এটা ডাঙৰ পাত্ৰত তেল, কস্তুৰী আৰু অন্যান্য দ্ৰব্য মিহলাই এটা ঘোৰ ক'লা বং প্ৰস্তুত কৰিলে আৰু সেই ৰঙত কুকুৰিয়াই চাৰি টুকুৰা কাপোৰ ক'লা কৰি থ'লে, লগতে বাহিৰৰপৰা ডাং মাৰি বন্ধ কৰিব পৰা এটা পেৰাও সাজু কৰি ৰাখিলে। ৪৭-৪৮

বসন্তোৎসৱৰ দিনা নিশা প্ৰথম প্ৰহৰত বহমূলীয়া সাজ-পাৰ পিন্ধি ৰাজমন্ত্ৰী উপকোশাৰ ঘৰত উপস্থিত হ'ল আৰু কোনেও

নেদেখাকৈ ঘৰৰ ভিতৰলৈ সোমাল। তেতিয়া উপকোশাই মন্ত্ৰীক ক'লে,— "আপুনি স্নান কৰা নাই! স্নান নকৰা লোকক মই কেতিয়াও স্পৰ্শ নকৰোঁ, সেই দেখি আপুনি ভিতৰলৈ গৈ সোণকালে স্নান কৰি আহক।" ৫০

মূৰ্খ মন্ত্ৰী সেই কথাত মান্তি হ'ল। লিগিৰীহঁতে তেওঁক এটা অন্ধকাৰময় গুপ্তগৃহৰ ভিতৰলৈ নিলে আৰু অন্তৰ্বাসৰ সৈতে তেওঁৰ গাৰপৰা সকলো বসন-আভৰণ সোলোকাই বং সানি ক'লা কৰি থোৱা এখন সৰু কাপোৰ তেওঁক পিন্ধিবলৈ দিলে। তেতিয়া লিগিৰীহঁতে গাত সুগন্ধি দ্ৰব্য ঘঁহাৰ ছলেৰে ভৰিৰপৰা মূৰলৈকে মন্ত্ৰীৰ সৰ্বাঙ্গ শৰীৰত ক'লা বং ঘঁহিবলৈ ধৰিলে; মূৰ্খ মন্ত্ৰীয়ে তাৰ একো গমকে নাপালে। লিগিৰীহঁতে ৰাজমন্ত্ৰীৰ অঙ্গ-প্ৰত্যঙ্গত ক'লা বং ঘঁহি থাকোতে ৰাতি দ্বিতীয় প্ৰহৰ হোৱাত ৰাজ-পুৰোহিত আহি তাত উপস্থিত হ'ল। ৫১-৫৪

তেতিয়া লিগিৰীহঁতে মন্ত্ৰীক ক'লে,— "এয়া বৰৰুচিৰ অন্তৰঙ্গ বন্ধু ৰাজ-পুৰোহিত উপস্থিত হৈছেহি; গতিকে আপুনি এই পেৰাটোৰ ভিতৰত সোমাই লুকাই থাকক।" ৫৫

ইয়াকে কৈ লিগিৰীহঁতে লৰালৰি কৈ নাওঠ মন্ত্ৰীক পেৰাত ঠেলি হেঁচি সুমাই বাহিৰৰপৰা ডাং মাৰি দুৱাৰ বন্ধ কৰি দিলে। তাৰ পিছত সেই একে দৰেই স্নান কৰোৱাৰ ছলেৰে লিগিৰীহঁতে পুৰোহিতকো সেই এন্ধাৰ গুপ্ত গৃহলৈ আনি তেওঁৰ গাৰ বস্ত্ৰ-আভৰণ সোলোকাই এখন সৰু ক'লা কাপোৰ পিন্ধিবলৈ বুলি তেওঁক দিলে আৰু আগৰ জনৰ দৰেই পুৰোহিতৰো সৰ্বাঙ্গ শৰীত ক'লা বং ঘঁহিবলৈ লাগিল। বং ঘঁহি থাকোঁতে ৰাতি তৃতীয় প্ৰহৰ হোৱাত সেনাপতি ওলালহি। সেনাপতি অহাৰ কথা পুৰোহিতক কোৱাত তেওঁ ভয়ত বিহ্বল হৈ পৰিল। তেতিয়া লিগিৰীহঁতে গাৰ বলেৰে ঠেলি ঠেলি পুৰোহিতক পেৰাৰ ভিতৰলৈ সুমালে। পুৰোহিতক পেৰাৰ ভিতৰত আবদ্ধ কৰাৰ পিছত স্নান কৰোৱাৰ ছলেৰে লিগিৰীহঁতে সেনাপতিকো গুপ্ত গৃহলৈ আনি আগৰ দুজনক কৰাৰ দৰেই তেওঁকো এখন ক'লা কাপোৰ পিন্ধাই তেওঁৰ সৰ্বাঙ্গ শৰীৰত কলা বং ঘঁহিবলৈ ধৰিলে। এই দৰে বং ঘঁহি থাকোতে ৰাতি চতুৰ্থ প্ৰহৰ হোৱাত

বণিক আহি তাত উপস্থিত হ'ল। 'বণিক আহিছে আৰু তেওঁ কেনেবাকৈ দেখা পাব' বুলি ভয় দেখুৱাই লিগিৰীহঁতে তেওঁকো আগৰ দুজনৰ দৰে পেৰাত সুমাই বাহিৰৰপৰা তাং মাৰি পেৰাটো বন্ধ কৰি থ'লে। ৫৬-৬২

অন্ধতমিস্ৰ নৰকত কেনেকৈ থাকিব লাগিব, তাকে অভ্যাস কৰিবলৈকে যেন তেওঁলোক তাত সোমাই আছিল। পেৰাৰ ভিতৰত ইজনৰ গাত সিজনৰ গা লাগিছিল যদিও ভয়তে তেওঁলোক কোনেও মুখেৰে মাত মতা নাছিল। ৬৩

তেতিয়া উপকোশা এটা চাকি লৈ সেই কোঠালৈ আহিল আৰু বণিকক তালৈ অনাই ক'লে,— "মোৰ স্বামীয়ে আপোনাৰ হাতত থৈ যোৱা ধন-সোণখিনি মোক সোনকালে ঘূৰাই দিয়ক।" ৬৪ সেই কথা শুনি ধূৰ্ত্ত বণিকে চাকিৰ পোহৰত গুপ্তগৃহ শূন্য দেখি উপকোশাক ক'লে, "—তোমাৰ স্বামীয়ে মোৰ হাতত থৈ যোৱা ধন সোণখিনি ঘূৰাই দিম বুলি মইতো তোমাক কৈছোঁৱেই।" তেতিয়া উপকোশাই পেৰাটোক শুনাই ক'বলৈ ধৰিলে,—"হে দেৱতাসকল! আপোনালোকে বণিক্ হিৰণ্যগুপ্তই কোৱা কথাষাৰ শুনক।" ইয়াকে কৈ উপকোশাই চাকিটো নুমাই দিলে আৰু লিগিৰীহঁতে আন কিজনৰ দৰে সেই বণিককো স্নান কৰোৱাৰ ছলেৰে নি বহুপৰ তাৰ গাত ক'লা ৰং ঘঁহিবলৈ ধৰিলে। —'নিশা শেষ হৈছে, ৰাতি পুৱাইছে, তুমি ইয়াৰপৰা সোণকালে যোৱা' এই বুলি কৈ লিগিৰীহঁতে কোনোপধ্যে যাব নোখোজা বণিকক ডিঙিত ধৰি গতিয়াই তাৰপৰা উলিয়াই পঠালে ৬৫-৬৮।

ঘোৰ ক'লা ৰঙত পোত খাই থকা বণিক্ ঘৰলৈ উলটিল। যাওঁতে বাটত কুকুৰে খোজে পতি তাক কামুৰিবলৈ ধৰিলে, তেনে অৱস্থাত লাজে-অপমানে ম্ৰিয়মান হৈ বণিক ঘৰ সোমাল। ঘৰত লগুৱাহঁতে তাৰ গাৰপৰা চিয়াঁহিৰ নিচিনা ক'লা ৰং ঘঁহি ঘঁহি গুচাওঁতে সি লাজত মুৰ দাঙি সিহঁতৰ ফালে চাব নোৱাৰা হৈ পৰিল। কু-কৰ্ম্মৰ পৰিণাম সঁচাকৈয়ে কষ্টদায়ক। ৬৯-৭০

ৰাতি পুৱালত উপকোশাই [illegible] নজনোৱাকৈ লিগিৰীহঁতৰ

সৈতে ৰজা নন্দৰ ৰাজসভাত উপস্থিত হ'ল। উপকোশাই তেতিয়া নিজেই ৰজাক এই বুলি জনালে। ৭১

—"মোৰ স্বামীয়ে বণিক হিৰণ্যগুপ্তৰ হাতত ন্যাসৰূপে থৈ যোৱা ধন-সোণখিনি বণিকে আত্মসাৎ কৰিব খুজিছে।" ৭২

তাকে শুনি ৰজাই প্ৰকৃত কথা জানিব খুজি বণিকক ৰাজসভালৈ অনালত বণিকে ক'লে,—"মহাৰাজ! মোৰ হাতত এই ৰমণীৰ একো পাপ্য বস্তু নাই।" ৭৩

তেতিয়া উপকোশাই দুনাই এই দৰে নিবেদন কৰিলে, —"মহাৰাজ! দেৱতা মোৰ সাক্ষী আছে। মোৰ স্বামীয়ে বিদেশ যাত্ৰাৰ সময়ত গৃহদেৱতাসকলক এটা পেৰাত বন্দী কৰি থৈ গৈছে। এই বণিকে তেওঁলোকৰ আগত নিজ মুখে ন্যস্তধনৰ কথা স্বীকাৰ কৰিছে। গতিকে মহাৰাজে সেই পেৰাটো ইয়ালৈ অনাই তেওঁলোকক ন্যস্ত ধনৰ বিষয়ে সুধিব লাগে।" ৭৪-৭৫

এই কথা শুনি অতিশয় আচৰিত হৈ ৰজাই সেই পেৰাটো ৰাজসভালৈ আনিবলৈ আদেশ দিলে। ৰাজ-আদেশত কেবা জনো মানুহে সেই পেৰাটো ৰাজসভালৈ অনাত উপকোশাই এইদৰে ক'লে।

—"দেৱতাসকল! আপোনালোকে সত্য কথা ক'ব। বণিকে যি কথা কৈছিল সেই কথা কৈ আপোনালোক ঘৰলৈ উভতি যাওক। সেয়ে নহ'লে এই ৰাজ সভাতে পেৰাটো মোকোলাই আপোনালোকক উলিয়াই দিম, নহ'লে বা জুইত পুৰি মাৰিম।" ৭৬-৭৮

উপকোশাৰ কথা শুনি ভয়ত অতিশয় বিহ্বল হৈ পেৰাৰ ভিতৰত থকা তিনিউটাই একে লগে মাত লগালে,—"সঁচা কথা, বণিকে ন্যস্ত ধনৰ কথা আমাৰ আগত নিজ মুখে স্বীকাৰ কৰিছে।" তাকে শুনি বণিকৰ মুখৰ মাত হেৰাল। ৰজাই কৌতূহলী হৈ ডাং গুচাই ৰাজ সভাতে পেৰাটো মুকলি কৰোৱাৰ লগে লগে পেৰাৰ ভিতৰৰপৰা অন্ধকাৰপিণ্ডৰ নিচিনা তিনিটা মানুহ ওলাই আহিল। বহুত চেষ্টাৰ মূৰতহে ৰজা আৰু মন্ত্ৰীসকলে কোনোমতে সিহঁতক চিনিব পাৰিলে। সিহঁতক দেখি সভাৰ সকলোৱে হাঁহিবলৈ ধৰাত 'কথাটোনো কি' জানিবলৈ বুলি কৌতূহলবশতঃ ৰজাই উপকোশাক সুধিলে আৰু উপকোশায়ো সকলো কথা বিৱৰি ক'লে। ৭৯-৮২

'নিজৰ চৰিত্ৰ ৰক্ষা কৰা সাধ্বী ৰমণীৰ আচৰণ সঁচাকৈয়ে প্ৰশংসনীয়' বুলি কৈ তেতিয়া সভাত উপস্থিত সকলে সভাসদ উপকোশাৰ চৰিত্ৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ৮৩

তাৰ পিছত ৰজাই পৰদাৰানুৰক্ত সেই এটাই কেউটা লম্পটৰে ধন-সম্পত্তি বাজেয়াপ্ত কৰি সিহঁতক ৰাজ্যৰপৰা নিৰ্বাসন দিলে আৰু 'তুমি আজিৰপৰা মোৰ ভনী হ'লা' বুলি কৈ উপকোশাক বহুত ধন-সোণ দি বিদায় দিলে। উপকোশা নিজ ঘৰলৈ গ'ল। বৰ্ষ আৰু উপবৰ্ষই সকলো কথা জানি সেই পতিব্ৰতা ৰমণীক অভিনন্দন জনালে আৰু নগৰৰ লোকসকলে কথাটো শুনি মিচিকিয়াই হাঁহিলে।৮৪-৮৬

ইতিমধ্যে মই হিমালয় পৰ্বতত অতিশয় কঠোৰ তপস্যাৰে বৰদ মহাদেৱক আৰাধনা কৰি আছিলোঁ। মোৰ তপস্যাত তুষ্ট হৈ মহাদেৱে তেতিয়া সেই পাণিনি শাস্ত্ৰ (ব্যাকৰণ) মোৰ আগত প্ৰকাশ কৰিলে আৰু ময়ো মহাদেৱৰ ইচ্ছানুসাৰে তেওঁৰেই অনুগ্ৰহত (বাৰ্তিক ৰচনা কৰি) পাণিনি ব্যাকৰণ পূৰ্ণাঙ্গ কৰিলোঁ। ৮৭-৮৮

তাৰ পিছত চন্দ্ৰমৌলীৰ প্ৰসাদত পৰিতৃপ্ত হৈ অকণো পথশ্ৰম অনুভৱ নকৰাকৈ আহি ঘৰ পালোঁ। ঘৰ পাই মাতৃ আৰু গুৰুজনৰ চৰণত প্ৰণিপাত কৰাৰ পিছত তেওঁলোকৰ মুখৰপৰা উপকোশাৰ সেই অতিশয় আচৰিত বৃত্তান্ত শুনি মোৰ আনন্দ আৰু বিস্ময়ৰ পাৰ নোহোৱা হ'ল। উপকোশাৰ প্ৰতি থকা মোৰ স্বাভাৱিক প্ৰীতি আৰু শ্ৰদ্ধা বহুগুণে বৃদ্ধি পালে। ৮৯-৯১

উপাধ্যায় বৰ্ষই মোৰ মুখৰপৰা এই নতুন ব্যাকৰণ শুনিবলৈ ইচ্ছা প্ৰকাশ কৰাত কুমাৰ কাৰ্ত্তিকেয়ই নিজেই তাক (নতুন ব্যাকৰণ) তেওঁৰ আগত প্ৰকাশ কৰিলে। তেতিয়া ব্যাড়ি আৰু ইন্দ্ৰদত্তই গুৰু-দক্ষিণা দিবলৈ আগ্ৰহ প্ৰকাশ কৰি গুৰুৰ অনুমতি বিচৰাত গুৰু বৰ্ষই 'এক কোটী স্বৰ্ণমুদ্ৰা গুৰু দক্ষিণা' বুলি ক'লে। ৯২-৯৪

গুৰু বৰ্ষৰ আজ্ঞা শিৰোধাৰ্য্য কৰি ব্যাড়ি আৰু ইন্দ্ৰদত্তই মোক ক'লে,

—"বন্ধু! আঁহা, আমি ৰজা নন্দৰপৰা গুৰু দক্ষিণা খুজি আনোগৈ; কিয়নো আন কাৰোৰপৰা আমি অভীপ্সিত ইমানখিনি স্বৰ্ণ-মুদ্ৰা নাপাওঁ। সম্প্ৰতি মহাৰাজ নন্দ নিৱাসৰে কোটী স্বৰ্ণমুদ্ৰাৰ অধিকাৰী।

তাৰ উপৰিও কিছু দিন আগতে তেওঁ তোমাৰ পত্নীক ধৰ্মমতে ভনী বুলি গ্ৰহণ কৰিছে; গতিকে প্ৰকৃততে এতিয়া তেওঁ তোমাৰ খুলশালি। তোমাৰ গুণৰ প্ৰভাৱত নিশ্চয় তেওঁৰপৰা আমি কিছু পাম।" ৯৫-৯৬

এইদৰে নিশ্চয় কৰি আমি তিনিওজন সহপাঠী অযোধ্যা নগৰত থকা মহাৰাজ নন্দৰ শিবিৰলৈ যাত্ৰা কৰিলোঁ। ৯৭

আমি তাত উপস্থিত হোৱা মুহূৰ্ত্তে মহাৰাজ নন্দ মৃত্যুৰ মুখত পৰিল। সমগ্ৰ ৰাষ্ট্ৰতে শোকৰ কোলাহল উঠিল আৰু আমিও বিষণ্ণ হৈ পৰিলোঁ। তৎক্ষণাত যোগসিদ্ধ পুৰুষ ইন্দ্ৰদত্তই ক'লে।

—"মই মৃত ৰজাৰ শৰীৰত প্ৰৱেশ কৰিম। তেতিয়া বৰৰুচিয়ে মোৰ ওচৰত কোটী স্বৰ্ণমুদ্ৰা প্ৰাৰ্থনা কৰিব আৰু মই তেওঁক সেইখিনি দান কৰিম। মই ঘূৰি নহালৈকে ব্যাড়িয়ে যেন মোৰ (পৰিত্যক্ত) দেহ ৰক্ষা কৰি থাকে।" ৯৮-১০০

নন্দৰ শৰীৰত ইন্দ্ৰদত্তৰ প্ৰৱেশ:

ইয়াকে কৈ ইন্দ্ৰদত্তই মৃত ৰজাৰ শৰীৰত প্ৰৱেশ কৰিলে। ৰজা পুনৰ্জীৱিত হোৱাত ৰাজ্যত মহোৎসৱ আৰম্ভ হ'ল। ইফালে শূন্য দেৱালয়ত ব্যাড়িয়ে ইন্দ্ৰদত্তৰ দেহ ৰক্ষা কৰি থাকিল আৰু মই ৰাজসভালৈ যাত্ৰা কৰিলোঁ। ৰাজসভাত প্ৰৱেশ কৰি মই যথাবিধি স্বস্তিবাচনপূৰ্বক তথাকথিত নন্দৰ ওচৰত এক কোটী স্বৰ্ণমুদ্ৰা প্ৰাৰ্থনা কৰিলোঁ। ৰজাই তেতিয়া প্ৰকৃত নন্দ ৰজাৰ শাকটাল নামে মন্ত্ৰীজনক 'এওঁক এক কোটী স্বৰ্ণমুদ্ৰা দিয়া' বুলি আদেশ দিলে। ৰজা পুনৰ্জীৱিত হোৱা আৰু খোজা মাত্ৰকে প্ৰাৰ্থীক এক কোটী স্বৰ্ণ মুদ্ৰা প্ৰদান কৰা দেখি সেই মন্ত্ৰীজনে প্ৰকৃত কথা জানিব পাৰিলে। প্ৰকৃততে বুদ্ধিমানসকলে নজনা কথা কি আছে? ১০১-১০৫

'মহাৰাজ! স্বৰ্ণমুদ্ৰা প্ৰদান কৰা হৈছে' বুলি কৈ মন্ত্ৰীয়ে মনে মনে চিন্তা কৰিবলৈ ধৰিলে। 'নন্দৰ পুত্ৰ একেবাৰে ল'ৰা হৈ আছে, ইফালে আছে ৰাজ্যৰ অপাৰ শত্ৰু। এনে অৱস্থাত নন্দৰাজৰ এই দেহকে (অন্য আত্মা প্ৰবিষ্ট) সম্প্ৰতি ৰাজ আসনত ৰক্ষা কৰা উচিত' এইদৰে সিদ্ধান্ত কৰি তেওঁ ততালিকে ৰাজ্যৰ সকলোবোৰ মৰা শ দাহ কৰালে। গুপ্তচৰে বিচাৰি বিচাৰি শূন্য দেৱালয়ত ইন্দ্ৰদত্তৰ মৃতদেহ

পাই ব্যাড়িক তাৰপৰা খেদি সেই শটোও দাহ কৰিলে। ১০৬-১০৮

কোটি স্বৰ্ণমুদ্ৰা দিবলৈ ৰজাক খৰখেদা লগোৱা দেখি ভাবি-চিন্তি শাকটালে ক'লে ।

—"সকলো ৰাজসেৱকৰ মন উৎসৱত নিমগ্ন হৈ আছে, গতিকে মই কোটি স্বৰ্ণমুদ্ৰা দিওঁ মানে এই বিপ্ৰই ক্ষন্তেক অপেক্ষা কৰক।" ১০৯-১১০

এনে সময়তে ব্যাড়িয়ে যোগনন্দৰ ওচৰত উপস্থিত হৈ ৰৰকৈ চিঞৰি আক্ষেপ কৰিবলৈ ধৰিলে।

—"মহাৰাজ! আপোনাৰ অভ্যুদয় কালত যোগৰ বলত সমাধিস্থ হৈ জীয়াই থকা এজন ব্ৰাহ্মণৰ শৰীৰ অনাথ শ বুলি আপোনাৰ কৰ্মচাৰীসকলে বলেৰে দাহ কৰিলে।" তাকে শুনি শোকত যোগনন্দৰ১ এক অৱৰ্ণনীয় অৱস্থা হ'ল। ইন্দ্ৰদত্তৰ দেহ দগ্ধ হোৱাত তেওঁ নন্দৰ শৰীৰত স্থিৰ হৈ থাকিব বুলি জানি মহামতি শকটালে তেতিয়া বাহিৰলৈ ওলাই আহি মোক এক কোটি স্বৰ্ণমুদ্ৰা দিলে। ১১১-১১৩

তেতিয়া যোগনন্দই শোকত অভিভূত হৈ অকলশৰে ব্যাড়িক ক'লে, "ব্ৰাহ্মণ হৈয়ো মই এতিয়া শূদ্ৰত পৰিণত হ'লোঁ। অচলা লক্ষ্মীৰে মোৰ কি লাভ হ'ব?' তাকে শুনি ব্যাড়িয়ে তেওঁক সান্ত্বনা দি সময়োচিত কথা ক'লে।

—"বন্ধু! মন্ত্ৰী শকটালে তোমাক ধৰিব পাৰিছে, গতিকে তুমি তেওঁৰপৰা সাৱধান হৈ থাকিবা। মহামন্ত্ৰী শকটালে অচিৰে তোমাক বধ কৰি পূৰ্বনন্দৰ পুত্ৰ চন্দ্ৰগুপ্তক ৰজা পাতিব। সেই দেখি তুমি বৰৰুচিক মুখ্যমন্ত্ৰী নিযুক্ত কৰা, তেওঁৰ অলৌকিক বুদ্ধি আৰু প্ৰতিভাৰ বলত তোমাৰ ৰাজ্য সুস্থিৰ হ'ব।" ১১৪-১১৭

ইয়াকে কৈ ব্যাড়ি গুৰু দক্ষিণা দিবলৈ গ'ল আৰু ইফালে যোগনন্দই তেতিয়াই মোক তালৈ অনাই মন্ত্ৰিত্বত বৰণ কৰিলে। মই তেতিয়া ৰজাক এই বুলি সাঁকিয়াই দিলোঁ। —"ৰজা হৈ তোমাৰ ব্ৰাহ্মণত্ব লোপ পাইছে, কিন্তু শকটাল মন্ত্ৰীপদত থকালৈকে তোমাৰ

(১) প্ৰকৃত নন্দক সত্যনন্দ আৰু পূৰ্বনন্দ বুলি আৰু নন্দৰ দেহত যোগবলেৰে প্ৰবিষ্ট হৈ নন্দৰূপে থকা নন্দক যোগনন্দ বা জা হৈছে।

ৰাজ্য সুস্থিৰ হৈছে বুলি মই নাভাবোঁ। গতিকে যুক্তি কৌশলেৰে শকটালক নাশ কৰা।" ১১৮-১২০

মন্ত্ৰী শকটাল বন্দিত্ব :

মই এইদৰে কোৱাত 'জীৱন্ত ব্ৰাহ্মণক শকটালে অগ্নিত দাহ কৰাইছে'—এই অভিযোগ প্ৰচাৰ কৰি যোগনন্দই এশ পুত্ৰৰ সৈতে শকটালক এটা অন্ধকূপত বন্দী কৰি থ'লে। অন্ধকূপত শকটাল আৰু তেওঁৰ এশ পুত্ৰৰ বাবে প্ৰতিদিনে মাত্ৰ এমলা পিঠাগুৰি আৰু এলোটা পানী দিয়াৰহে ব্যৱস্থা কৰা হ'ল। ১১৮-১২২

শকটালে পুত্ৰসকলক ক'লে।

—"বোপাইহঁত! এমলা পিঠাগুৰি আৰু এলোটা পানীৰে এটা মানুহেই জীয়াই থকা টান, তাৰে আমাৰ সকলোৰে জীৱন ধাৰণ কৰাৰ কথাই নাই। সেই দেখি যিজনে যোগনন্দৰ শত্ৰুতাৰ প্ৰতিশোধ ল'ব পাৰে, তেনে এজনে মাত্ৰ নিতৌ এই পিঠাগুৰি আৰু পানী খাই জীয়াই থাকক।" তেতিয়া পুত্ৰসকলে শকটালক ক'লে,—"কেৱল আপুনিহে ইয়াৰ প্ৰতিশোধ ল'বলৈ সক্ষম, সেই দেখি আপুনিয়েই এইখিনি খাই জীয়াই থাকক, কিয়নো ধৈৰ্য্যশীল ব্যক্তিৰ পক্ষে নিজৰ প্ৰাণ ৰক্ষা কৰাতকৈয়ো শত্ৰুৰ ওপৰত প্ৰতিশোধ লোৱাটো অধিক প্ৰিয়।" ১২৩-১২৫

তেতিয়া কেৱল একমাত্ৰ শকটালে সেই পিঠাগুৰি আৰু পানী খাই জীৱন ধাৰণ কৰি থাকিল। শত্ৰুজয়ৰ বাসনা প্ৰবল হ'লে মানুহ অতি ক্ৰুৰ প্ৰকৃতিৰ হৈ পৰে। সেই অন্ধকূপত নিজৰ চকুৰ আগতে পুতেকহঁতে অনাহাৰত তিলে তিলে মৃত্যু-যন্ত্ৰণা ভোগ কৰা দেখি শকটালে মনে মনে এইদৰে চিন্তা কৰিবলৈ ধৰিলে। 'নিজৰ মঙ্গল কামনা কৰা লোকে প্ৰভাৱশালী লোকৰ পৰাক্ৰম নুবুজাকৈ আৰু তেনে লোকৰ মনত বিশ্বাস নজন্মোৱাকৈ নিজ ইচ্ছামতে আচৰণ কৰা উচিত নহয়।' ১২৬-১২৮

লাহে লাহে তেওঁৰ চকুৰ আগতে এটা এটাকৈ তেওঁৰ এশ পুত্ৰ মৃত্যুৰ মুখত পৰিল আৰু তেওঁলোকৰ কঙ্কালেৰে পৰিবেষ্টিত হৈ কেৱল শকটালহে জীয়াই থাকিল। ১২৯

ইতিমধ্যে যোগনন্দ ৰাজ্যত সুপ্ৰতিষ্ঠিত হ'ল আৰু গুৰুক দক্ষিণা দি ব্যাড়িও তালৈ আহিল। ব্যাড়িয়ে আহিয়েই যোগনন্দক ক'লে,—"বন্ধু! তুমি সুখেৰে চিৰকাল ৰাজ্য ভোগ কৰি থাকা; মোক বিদায় দিয়া, মই তপস্যা কৰিবলৈ যাওঁ।" তাকে শুনি যোগনন্দই শোকত কাতৰ হৈ বাষ্প গদ্‌গদ্ কণ্ঠে ক'লে,—"বন্ধু! মোৰ ৰাজ্যত থাকি সুখ ভোগ কৰা, মোক এৰি থৈ নাযাবা।" তাকে শুনি ব্যাড়িয়ে উত্তৰ দিলে,—"বন্ধু! এই শৰীৰ ক্ষণভঙ্গুৰ, নশ্বৰ; এনে স্থলত কোন বুদ্ধিমান লোকে অসাৰ সংসাৰৰ সুখ ভোগত মগ্ন হৈ থাকিব? মৃগতৃষ্ণাৰ নিচিনা ঐশ্বৰ্য্য-সম্পদৰ ঝিক্‌মিকনিয়ে প্ৰজ্ঞাসম্পন্ন লোকক আকৰ্ষণ কৰিব নোৱাৰে।" ১৩০-১৩৩

ইয়াকে কৈ তেওঁ সেই মুহূৰ্ত্ততে তপস্যা কৰিবলৈ যাত্ৰা কৰিলে।

হে কাণভূতি! ইয়াৰ পিছত ৰাজ-সুখ ভোগ কৰিবৰ বাবে যোগনন্দই সৈন্য-সেনাপতিসহ মোক লগত লৈ অযোধ্যা শিবিৰৰপৰা নিজ ৰাজধানী পাটলীপুত্ৰলৈ যাত্ৰা কৰিলে। পাটলীপুত্ৰলৈ আহি মাতৃ আৰু অন্যান্য গুৰুজনৰ সাহচৰ্য্যত আৰু উপকোশাৰ সেৱা-শুশ্ৰূষাত তৃপ্ত হৈ মই মন্ত্ৰিত্বৰ দায়িত্ব বহন কৰি ৰাজ-সুখত বাস কৰিবলৈ ধৰিলোঁ। পাটলীপুত্ৰ নগৰত মোৰ তপস্যাত তুষ্ট হৈ গঙ্গা দেৱীয়ে মোক নিতৌ বহুত সোণ দিবলৈ ধৰিলে আৰু তপস্যাত তুষ্টা সৰস্বতী দেৱীয়ে সশৰীৰে মোৰ সন্মুখত দেখা দি ৰাজসভাত মোক সদায় সকলো কামত উপদেশ দিছিল। ১৩৪-১৩৭

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথাপীঠ
নামৰ লম্বকৰ চতুৰ্থ তৰঙ্গ।
চতুৰ্থ তৰঙ্গ, শ্লোক ১৩৭

কথাপীঠ লম্বক

পঞ্চম তৰঙ্গ

১. (অ) ৰৰৰুচিৰ আত্মকথা

ইয়াকে কৈ ৰৰৰুচিয়ে নিজৰ কথা দুনাই আৰম্ভ কৰিলে।

কালক্ৰমত যোগনন্দ কাম আদিৰ বশীভূত হৈ পৰিল আৰু মদমত্ত হস্তীৰ দৰে একো বাধা-নিষেধ নমনা হ'ল। হঠাতে অভাৱনীয় ভাবে পোৱা ঐশ্বৰ্য্য-সম্পদে কাক নো মত্ত নকৰাকৈ থাকে? ১-২ তেতিয়া মই চিন্তা কৰিবলৈ ধৰিলোঁ—'ৰজা উচ্ছৃঙ্খল, ইফালে ৰাজকাৰ্য্যৰ প্ৰতি মনোযোগ দিওঁতে মোৰ ধৰ্ম-কৰ্মও লোপ পাইছে; গতিকে মোক সহায় কৰিবৰ বাবে শকটালক উদ্ধাৰ কৰাই ভাল। তেওঁ বিৰুদ্ধাচৰণ কৰিবলৈ ইচ্ছা কৰিলেও মই নিজ পদত অধিষ্ঠিত থাকোঁতে কি কৰিব পাৰে?' ৩-৪

এই দৰে নিশ্চয় কৰি মই ৰজাৰ অনুমতি লৈ শকটালক অন্ধকূপৰপৰা উদ্ধাৰ কৰি আনিলোঁ। কিয়নো ব্ৰাহ্মণৰ অন্তৰ-প্ৰবৃত্তি স্বভাৱতে সুকোমল। 'ৰৰৰুচি জীয়াই থকা পৰ্য্যন্ত যোগনন্দ অপৰাজেয় গতিকে বেতৰ স্বভাৱ (পানীৰ সোঁতত বেত বেঁকা হোৱা) অনুকৰণ কৰি প্ৰতিশোধ ল'বলৈ সুযোগ প্ৰতীক্ষা কৰিব লাগিব'—এই দৰে সেই মহামতি শকটালে চিন্তা কৰিছিল। মোৰ ইচ্ছা মতে দুনাই মন্ত্ৰিত্ব লাভ কৰি তেওঁ ৰাজকাৰ্য্য সম্পাদন কৰিবলৈ ধৰিলে। ৫-৭

কোনো এসময়ত যোগনন্দ নগৰৰপৰা বাহিৰ ওলাই যাওঁতে পাঁচোটা আঙুলি একে লগ হৈ থকা এখন হাত গঙ্গাৰ বুকুত দেখিবলৈ পালে। ৰজাই তৎক্ষণাত মোক তালৈ মাতি আনি 'ইয়াৰ তাৎপৰ্য্য কি' বুলি সুধিলে। মই তেতিয়া মোৰ দুটা আঙুলি সেই ফালে টোঁৱাই দেখুৱালোঁ আৰু লগে লগে সেই হাত অদৃশ্য হৈ পৰিল। তাকে দেখি ৰজাই অতিশয় বিস্মিত হৈ দুনাই মোক ইয়াৰ কাৰণ সোধাত মই এই বুলি উত্তৰ দিলোঁ। 'পাঁচ জন পুৰুষ একেলগ হ'লে সাধন কৰিব নোৱাৰা কি কাম জগতত আছে? পাঁচোটা আঙুলি

জগলগাই দেখুৱাই সেই হাতখনে এই কথাকে প্ৰকাশ কৰিছে। মহাৰাজ! মই দুটা আঙুলি সেই ফালে টোঁৱাই ইয়াকে বুজাই দিলোঁ। যে দুজন পুৰুষৰ মন এক হ'লেও জগতত অসাধ্য কি আছে?' ৮-১২

সেই গূঢ়তত্ত্ব মই এইদৰে প্ৰকাশ কৰাত ৰজা সন্তুষ্ট হ'ল, কিন্তু মোৰ দুৰ্জয় বুদ্ধি দেখি শকটাল অতি বিষণ্ণ হৈ পৰিল। ৮-১৩

যোগনন্দৰ অন্তঃপুৰৰ কথা:

এদিন যোগনন্দই দেখিলে—অন্তঃপুৰৰ বাতায়নেদি মুখ উলিয়াই ৰাজ-মহিষীয়ে ওপৰলৈ মুখ কৰি থকা এজন অতিথি ব্ৰাহ্মণৰ সৈতে কথা পাতি আছে। দেখা মাত্ৰকে সেই ব্ৰাহ্মণৰ ওপৰত ক্ৰুদ্ধ হৈ ৰজাই ব্ৰাহ্মণক বধ কৰাৰ আদেশ দিলে; কিয়নো ঈৰ্ষা বিবেকৰ পৰিপন্থী। ৰাজ-আদেশত তেতিয়া সেই ব্ৰাহ্মণক বধ কৰিবলৈ বুলি বধ্যভূমিলৈ নিয়া দেখি দোকান এখনত থকা এটা মৰা মাছে হাঁহিবলৈ ধৰিলে। ৰজাই সেই কথা গম পোৱা মাত্ৰকে সেই ব্ৰাহ্মণক বধ কৰিবলৈ বাধা দিলে আৰু মৰা মাছটোৰে হঁহাৰ কাৰণ নো কি বুলি মোক সুধিলে। ১৪-১৭

'ভাবি-চিন্তি পিচত কম' বুলি মই তাৰপৰা চিন্তাযুক্ত হৈ ওলাই যাওঁতে দেৱী সৰস্বতীয়ে মোক অকলশৰে পাই এই দৰে ক'লে। "কোনেও নেদেখাকৈ এই তাল গছজোপাৰ ওপৰত ৰাতি উঠি থাকিবা, তাত থাকিলেই তুমি মাছে হঁহাৰ কাৰণ নিশ্চয় শুনিবলৈ পাবা।" ১৮-১৯

দেৱীৰ কথা শুনি ৰাতি মই তাতে গৈ তাল গছজোপাৰ ওপৰত উঠি থাকোঁতে এজনী কৰাল ৰাক্ষসীক নিজৰ ল'ৰা কেইটাৰে সৈতে তাতে অহা দেখিলোঁ। ল'ৰা কেইটাই খোৱা বস্তু বিচৰাত ৰাক্ষসী জনীয়ে সিহঁতক ক'লে—'অলপ বাট চাহঁক, কাইলৈ ৰাতিপুৱা তহঁতক ব্ৰাহ্মণৰ মাংস খাবলৈ দিম। আজি তাক বধ নকৰিলে।' ২০-২১

আজিনো কিয় তাক (ব্ৰাহ্মণক) বধ কৰা নহ'ল বুলি পুতেকহঁতে সোধাত ৰাক্ষসীজনীয়ে ক'লে 'তাক দেখি মৰা মাছেও হঁহাৰ কাৰণে।' 'কিয়নো মৰা মাছে হাঁহিছিল' বুলি পুতেকহঁতে ঘূৰাই সোধাত ৰাক্ষসীয়ে উত্তৰ দিলে,—"ৰজাৰ সকলো মহিষীয়েই নষ্ট

চৰিত্ৰৰ। অন্তঃপুৰত স্ত্ৰীৰ বেশ ধৰি থকা পুৰুষ কোনো ধৰা পৰা নাই, অথচ এই নিৰপৰাধী ব্ৰাহ্মণ যুৱকক মৃত্যু দণ্ড দিয়া হৈছে' এই বুলি (দোকানত থকা মৰা) মাছটোৱে হাঁহিছিল। ৰাজ-অন্তঃপুৰত বিচৰণ কৰা সকলোৰে এনেকুৱা বিকৃতি ঘটেই আৰু তেনে লোকে ৰজাৰ একান্ত বিবেচনা-হীনতা দেখি উপহাস কৰে।" ২২-২৫

ৰাক্ষসীজনীৰ এই কথা শুনি মই তাল গছ জোপাৰপৰা নামি আহিলোঁ। পিছ দিনা ৰাতিপুৱা ৰজাৰ আগত মাছটোৱে হঁহাৰ কাৰণ নিৱেদন কৰিলোঁ। মোৰ কথা মতে ৰজাই অন্তঃপুৰত বিচৰণ কৰা স্ত্ৰীবেশধাৰী পুৰুষবোৰক ধৰা পেলালে আৰু মোৰ প্ৰতি অশেষ সন্মান দেখুওৱাৰ লগতে সেই ব্ৰাহ্মণ যুৱকক মৃত্যুদণ্ডৰপৰা মুক্তি দিলে। ২৬-২৭

ৰজাৰ এনেকুৱা বহুত উচ্ছৃঙ্খল আচৰণ দেখি মই বৰ বিষণ্ণ হৈ পৰিছিলোঁ। এনে সময়তে ৰাজসভাত এজন নতুন চিত্ৰকৰ উপস্থিত হ'লহি। চিত্ৰকৰজনে এখন পটত যোগনন্দ আৰু তেওঁৰ প্ৰধান মহিষীৰ চিত্ৰ অঙ্কন কৰিলে। মুখৰ মাত আৰু অঙ্গ-সঞ্চালনৰ বাহিৰে সেই চিত্ৰ সম্পূৰ্ণ জীৱন্ত যেন দেখা গৈছিল। চিত্ৰকৰৰ প্ৰতি সন্তুষ্ট হৈ ৰজাই তেওঁক প্ৰচুৰ ধন-ৰত্ন উপহাৰ দিলে আৰু চিত্ৰ পটখন নি অন্তঃপুৰৰ শয়ন কক্ষৰ বেৰত আঁৰি থ'লে। ২৮-৩০

এদিন ৰজাৰ শয়ন কক্ষত সোমাওঁতে পটত আঁকি থোৱা ৰাজমহিষীক দেখি তেওঁ সৰ্বসুলক্ষণ-সম্পন্না মহাদেৱী বুলি মোৰ মনত প্ৰতিভাত হ'ল। (মহিষীৰ শৰীৰত প্ৰকাশ পোৱা) অন্যান্য লক্ষণসমূহৰপৰা আৰু নিজস্ব প্ৰতিভাৰ দ্বাৰা মোৰ প্ৰতীতি জন্মিল যে মহিষীৰ জঘনত এটা তিল থাকিব লাগে আৰু মই চিত্ৰখনৰ সেই ঠাইত এটা তিল আঁকি দিলোঁ। ৩১-৩২

তিলটো আঁকি মহিষীক সম্পূৰ্ণ সুলক্ষণা কৰি মই তাৰপৰা প্ৰস্থান কৰিলোঁ। তাৰ পিছত যোগনন্দ তালৈ আহি চিত্ৰত মই অঁকা তিলটো দেখিলে। ৰজাই তেতিয়া 'কোনে এই তিলটো আঁকিলে' বুলি পৰিচাৰক বিলাকক সোধাত, সিহঁতে মই তিলটো আঁকিছোঁ বুলি ক'লে। 'মহিষীৰ গুপ্ত অঙ্গত থকা এই তিলটোৰ কথা মোৰ বাহিৰে আন কোনোৱে জানিব নোৱাৰে, এনে স্থলত বৰৰুচিয়ে এই

তিলচটোৰ কথা কেনেকৈ জানিলে ? বৰৰুচিয়ে ছদ্মবেশ ধৰি নিশ্চয় মোৰ অন্তঃপুৰত ব্যভিচাৰ কৰিছে, সেই দেখিছে অন্তঃপুৰত স্ত্ৰীবেশ ধৰি বাস কৰা পুৰুষসকলক তেওঁ দেখিছে।' ৩৩-৩৬

এইদৰে চিন্তা কৰি যোগনন্দ খঙত জ্বলি উঠিল। সঁচাকৈয়ে, মূৰ্খলোকৰ সকলো কথা মূৰ্খতাপূৰ্ণ হয়। তেতিয়া যোগনন্দই শকটালক নিজ ইচ্ছা মতে মতি আনি আদেশ দিলে,—"বৰৰুচিয়ে মহিষীৰ সতীত্ব নাশ কৰিছে, সেই অপৰাধৰ বাবে তুমি তেওঁক বধ কৰা।"৩৮

'মহাৰাজৰ যি আজ্ঞা' (তাক পালন কৰা হ'ব) বুলি শকটালে বাহিৰলৈ আহি চিন্তা কৰিবলৈ ধৰিলে—"বৰৰুচিক বধ কৰিবলৈ মোৰ শক্তি নাই। তেওঁ অলৌকিক প্ৰতিভাশালী। তেওঁ মোক মৃত্যুৰ মুখৰপৰা ৰক্ষা কৰিছে। ইয়াৰ উপৰি তেওঁ ব্ৰাহ্মণ। গতিকে সম্প্ৰতি ৰাজ-আজ্ঞা মানি লৈ তেওঁক গোপনে ৰাখিম।' ৩৭-৪০

ইয়াকে মনত স্থিৰ কৰি তেতিয়া শকটাল মোৰ ওচৰলৈ আহি ৰজাই অকাৰণতে ক্ৰুদ্ধ হৈ মোক মৃত্যুদণ্ড দিছে বুলি ক'লে আৰু লগতে জনালে—"তুমি মোৰ ঘৰত গোপন ভাবে থাকা আৰু এই খঙাল ৰজাৰপৰা মোক ৰক্ষা কৰা। অন্য কোনো লোকক হত্যা কৰি তোমাক বধ কৰা হৈছে বুলি মই বাতৰি প্ৰচাৰ কৰি দিম।" তেওঁৰ উপদেশ মতে মই তেওঁৰ ঘৰত প্ৰচ্ছন্নভাৱে বাস কৰিবলৈ ধৰিলোঁ আৰু তেওঁ বাতি অন্য কোনো লোকক হত্যা কৰাই মোক বধ কৰা হৈছে বুলি প্ৰচাৰ কৰিলে। ৪১-৪৩

তেওঁ এই নীতিকৌশল প্ৰয়োগ কৰিলত মই প্ৰীতিবশতঃ এদিন তেওঁক ক'লোঁ। 'তুমিয়েই একমাত্ৰ মন্ত্ৰী যি মোক হত্যা কৰিবলৈ ইচ্ছা কৰা নাই। মোক কোনেও বধ কৰিব নোৱাৰে, মোৰ মিত্ৰ এটা ৰাক্ষস আছে। মই স্মৰণ কৰা মাত্ৰকে সি মোৰ আগত উপস্থিত হয় আৰু মই ইচ্ছা কৰিলে সি সমগ্ৰ বিশ্বকে গ্ৰাস কৰিব পাৰে। এই ৰজা (যোগনন্দ) মোৰ মিত্ৰ ইন্দ্ৰদত্ত, তেওঁ ব্ৰাহ্মণ, গতিকে তেওঁ মোৰ অবধ্য।' তাকে শুনি মন্ত্ৰী শকটালে ক'লে, 'সেই ৰাক্ষসটো মোক দেখুওৱা।' তেতিয়া স্মৰণ কৰা মাত্ৰকে উপস্থিত হোৱা ৰাক্ষসটোক মই শকটালক দেখুৱালোঁ। তাক দেখি শকটাল সন্ত্ৰস্ত আৰু বিস্মিত হ'ল। ৪৪-৪৭

ইয়াৰ পিছত ৰাক্ষসটো তাৰপৰা আঁতৰি যোৱাত শকটালে মোক আকৌ সুধিলে,—"সেই ৰাক্ষসটো নো কেনেকৈ তোমাৰ মিত্ৰ হ'ল ?" ৪৮ তেতিয়া মই তেওঁক ক'লোঁ ।

আগতে নগৰ ৰক্ষাৰ কাৰণে নিশা পৰিভ্ৰমণ কৰোঁতে প্ৰতিনিশা একোজনকৈ নগৰপালৰ মৃত্যু ঘটিছিল । এই বাৰ্তা শুনি যোগনন্দই মোক নগৰপাল নিযুক্ত কৰিলে । ৰাতি নগৰ পৰিভ্ৰমণ কৰোঁতে মই এটা ৰাক্ষস দেখিবলৈ পালোঁ । সি মোক দেখি সুধিলে,

—"কোৱাচোন, এই নগৰত কোনজনী গাভৰু এটাইতকৈ ধুনীয়া ?" তাৰ প্ৰশ্নটো শুনি মই ৰৰকৈ হাঁহি তাক ক'লোঁ,—"মূৰ্খ ! তই এইটোৱো নাজান নে, যি যাক ভাল পায়, তেৱেঁই তেওঁৰ পক্ষে সকলোতকৈ সুন্দৰী ।" মোৰ উত্তৰ শুনি ৰাক্ষসটোৱে ক'লে, 'একমাত্ৰ তুমিয়েই মোক পৰাজিত কৰিলা ।' ৪৯-৫২

প্ৰশ্নৰ যথাযথ উত্তৰ দি মই মুক্তি লাভ কৰিলোঁ; তেতিয়া সি মোক আকৌ ক'লে,—"মই তোমাৰ প্ৰতি সন্তুষ্ট হৈছোঁ, তুমি মোৰ মিত্ৰ । তুমি স্মৰণ কৰা মাত্ৰকে মই তোমাৰ সন্মুখত উপস্থিত হ'ম ।" ৫৩

ইয়াকে কৈ সেই ৰাক্ষস অন্তৰ্দ্ধান হ'ল আৰু মই যি দৰে গৈছিলোঁ সেই দৰেই ঘূৰি আহিলোঁ । এই দৰেই সেই ৰাক্ষস মোৰ বিপদৰ বন্ধু হৈ পৰিল । মই এইখিনি কথা কোৱাৰ পিছত শকটালে (গঙ্গাক দেখুৱাবলৈ) মোক অনুৰোধ কৰাত মোৰ ধ্যানৰ বলত তাত উপস্থিত হোৱা গঙ্গা দেৱীক মই তেওঁক দেখুৱালোঁ । মোৰ স্তুতিত সন্তুষ্ট হৈ গঙ্গা দেৱী অন্তৰ্ধান হ'ল । এইবোৰ দেখি শুনি মোক প্ৰণাম জনাই শকটাল মোৰ সহায়ক হৈ পৰিল । ৫৪-৫৬

আত্মগোপন কৰি বিষাদ-মগ্ন হোৱা দেখি এদিন মন্ত্ৰী শকটালে মোক ক'লে,

—"আপুনি সৰ্বজ্ঞ হৈয়ো কিয় মিছাতে নিজৰ আত্মাক বিষাদ-গ্ৰস্ত কৰিছে ? আপুনি জানো নাজানে যে ৰজাৰ বুদ্ধি-যুক্তি বিচাৰহীন। এই ৰজাৰ বিচাৰহীনতাৰ বাবে অতি শীঘ্ৰে অপবাদৰপৰা আপোনাৰ শুদ্ধি হ'ব ? এই প্ৰসঙ্গত এটা আখ্যান কওঁ, শুনক। ৫৭-৫৮

১.গ. ৰজা আদিত্য বৰ্মা আৰু মন্ত্ৰী শিৱ শৰ্মাৰ কথা:

পুৰণি কালত আদিত্য বৰ্মা নামেৰে এজন ৰজাৰ শিৱ শৰ্মা নামেৰে এজন অতিশয় বুদ্ধিমান্ মন্ত্ৰী আছিল। এসময়ত তেওঁৰ এগৰাকী ৰাণী গৰ্ভৱতী হ'ল। ৰাণী গৰ্ভাৱতী হোৱাৰ কথা জানিব প'ৰি ৰজাই অন্তঃপুৰ ৰখীয়াবোৰক এই বুলি সুধিলে,

—"মই ৰাণীৰ অন্তঃপুৰত প্ৰৱেশ কৰাৰ দুবছৰ পাৰ হৈ গ'ল, এনে স্থলত ৰাণী কেনেকৈ গৰ্ভৱতী হ'ল মোক কোঁৱা। ৫৯-৬১ ৰখীয়াবিলাকে উত্তৰ দিলে,

—"প্ৰভু! ৰাণীৰ অন্তঃপুৰলৈ আপোনাৰ মন্ত্ৰী শিৱ শৰ্মাৰ বাহিৰে অন্য কোনো পুৰুষৰে প্ৰৱেশ নাই, অন্তঃপুৰলৈ কেৱল মন্ত্ৰী শিৱ শৰ্মাৰ হে অবাধ গতি।" ৰক্ষীবিলাকৰ কথা শুনি ৰজাই চিন্তা কৰিবলৈ ধৰিলে, 'এই মন্ত্ৰী নিশ্চয় ৰাজদ্ৰোহী, পিছে তাক প্ৰকাশ্যে বধ কৰিলে মোক অপযশে চুব।' যুক্তিৰে ইয়াকে স্থিৰ কৰি সেই ৰজাই নিজৰ সামন্ত ৰজা মিত্ৰ ভোগ বৰ্মাৰ ওচৰলৈ শিৱ শৰ্মাক পঠাই দিলে। ইফালে তাৰ পিছতে ৰজাই শিৱ শৰ্মাৰ বধৰ আদেশ লিখা এখন পত্ৰৰ সৈতে এজন পত্ৰবাহকক সামন্ত ৰজাজনৰ ওচৰলৈ প্ৰেৰণ কৰিলে। ৬২-৬৫

মন্ত্ৰী যোৱাৰ এসপ্তাহৰ পিছত ভয়ত সেই মহিষী পলাই যাওঁতে ৰক্ষীবিলাকে স্ত্ৰীবেশত থকা পুৰুষ এজনৰ সৈতে তেওঁক ধৰা পেলালে। এই কথা জানিব পাৰি 'অকাৰণতে মই এনে এজন মন্ত্ৰীক হত্যা কৰোৱালোঁ' বুলি আদিত্য বৰ্মা শোকত অনুতপ্ত হ'ল। ইতিমধ্যে মন্ত্ৰী শিৱ শৰ্মা সামন্ত ভোগবৰ্মাৰ ওচৰত উপস্থিত হ'ল আৰু সেই পত্ৰবাহক পুৰুষজনো পত্ৰসহ সেইদিনা পালেগৈ। ৬৬-৬৮

দৈৱবশতঃ নিৰ্জন ঠাইত ভোগ বৰ্মাই সেই পত্ৰখন শিৱ শৰ্মাক পঢ়ি শুনাই মৃত্যু দণ্ডাজ্ঞাৰ কথা তেওঁক ক'লে। তেতিয়া সেই মন্ত্ৰী-প্ৰৱৰ শিৱশৰ্মাই এই বুলি সামন্ত ৰজাজনক ক'লে,—"আপুনি নিৰ্দেশ মতে মোক বধ কৰক, নহ'লে মই আত্মহত্যা কৰিম।" সেই কথা শুনি অতিশয় আচৰিত হৈ ভোগ বৰ্মাই সুধিলে,- "হে বিপ্ৰ! এইটো কি কথা আপুনি মোক কওক, নকয় যদি মই শপত দিছোঁ।" তেতিয়া সেই মন্ত্ৰীজনে সামন্ত ভোগ বৰ্মাক ক'লে,—"মহাৰাজ! যি ঠাইত মোক হত্যা কৰা হ'ব, তাত বাৰ বছৰ জুৰি সেইতাৰ কোপত অনাবৃষ্টি

হ'ব।" ৬৯-৭২

তাকে শুনি ভোগ বৰ্মাই মন্ত্ৰীসকলৰ সৈতে আলোচনা কৰি এইদৰে মত প্ৰকাশ কৰিলে। "সেই ৰজা অতি দুষ্ট। তেওঁ মোৰ ৰাজ্যৰ ধ্বংস কামনা কৰে। নহ'লে, তাত জানো এওঁক বধ কৰিবলৈ গুপ্তঘাতক নোলাৰহেঁতেন? সেই দেখি মই কেতিয়াও এওঁক হত্যা নকৰোঁ, বৰং যাতে এওঁ কোনোপধ্যে আত্মঘাতী হ'ব নোৱাৰে তাৰ ব্যৱস্থাহে গ্ৰহণ কৰিম।' এইদৰে আলোচনা কৰি ভোগ-বৰ্মাই কেইজনমান ৰক্ষক লগত দি শিৱ শৰ্মাক তৎক্ষণাত নিজৰ ৰাজ্যৰপৰা পঠাই দিলে। এইদৰে মন্ত্ৰী শিৱ শৰ্মা নিজৰ বুদ্ধিৰ বলত (ৰাজ্যলৈ) জীৱন্তে ঘূৰি আহিল আৰু অন্যান্য উপায়ৰ দ্বাৰা তেওঁ নিৰপৰাধী বুলি প্ৰমাণ হ'ল। ধৰ্মৰ অন্যথা হ'ব নোৱাৰে। হে কাত্যায়ন! এইদৰে আপোনাৰো নিৰপৰাধিত্ব প্ৰমাণ হ'ব, মোৰ ঘৰত কিছুদিন গোপনে থাকক। ৰজা নিজৰ কৃতকৰ্মৰ বাবে অনুতপ্ত হ'ব। ৭৪-৭৭

বৰৰুচিৰ আত্ম-কথাঃ হিৰণ্যগুপ্ত আৰু ভালুক:

শকটালে এইদৰে কোৱাৰ পিছত মই তেওঁৰ ঘৰত আত্ম-গোপন কৰি কালযাপন কৰিবলৈ ধৰিলোঁ। ৭৮

হে কাণভূতি! এদিনাখন যোগনন্দৰ পুত্ৰ হিৰণ্যগুপ্ত মৃগয়া কৰিবলৈ বুলি বাহিৰ ওলাল। বেগী ঘোঁৰাই নিমিষতে তেওঁক কোনোবাখন পোৱালেগৈ। অৰণ্যত অকলে ঘূৰি ফুৰোঁতে বেলি পৰিল, গতিকে নিশাটো হাৰিতে কটাবৰ মনেৰে হিৰণ্যগুপ্ত এজোপা ডাঙৰ গছত উঠিল। বিধিৰ বিপাক, সেই মুহূৰ্ততে সিংহৰ ভয়ত পলাই এটা ভালুকো সেই গছজোপাতে উঠিল গৈ। ভালুকটোৱে ৰাজপুত্ৰক ভীত-সন্ত্ৰস্ত দেখি মানুহৰ কথাৰে "ভয় নকৰিবা বন্ধু, মই তোমাৰ মিত্ৰ" বুলি কৈ তেওঁক নিৰ্ভয় দিলে। ৭৯-৮২

ভালুকৰ কথাত পতিয়ন গৈ ৰাজপুত্ৰ নিদ্ৰামগ্ন হ'ল, ভালুকটো হ'লে সাৰে থাকিল। তেতিয়া গছৰ তলৰপৰা সিংহটোৱে মাত লগালে,

—"হেৰ ভালুক! এই মানুহটোক তই তললৈ পেলাই দে। মই তেতিয়া গুচি যাম (আৰু তোৰ কোনো ভয় নাই)। তাকে শুনি

ভালুকটোৱে উত্তৰ দিলে,

—"হেৰ পাপিষ্ঠ সিংহ ! মই কেতিয়াও মোৰ মিত্ৰক মৃত্যুৰ মুখলৈ ঠেলি নিদিওঁ ।" ৮০-৮২

ইয়াৰ পিছত (নিৰ্দিষ্ট ক্ৰম অনুসাৰে) ভালুকটো শুলে আৰু ৰাজপুত্ৰ সাৰে থাকিল । তেতিয়া সিংহটোৱে আকৌ ক'লে,

—"হেৰ মানুহ ! ভালুকটো মোলৈ পেলাই দে ।"

তাকে শুনি ৰাজকুমাৰে নিজৰ নিৰাপত্তাৰ কথা ভাবি আৰু লগতে সিংহটোকো সন্তুষ্ট কৰিব খুজি ভালুকটোক তললৈ পেলাই দিবলৈ ধৰোঁতেই, কি আচৰিত কথা ! ভালুকটোৱে দৈৱবশতঃ সাৰ পালে, সি তললৈ নপৰিল । ৮৩-৮৬

তেতিয়া ভালুকটোৱে "ৰাজপুত্ৰ ! তোৰ এই বৃত্তান্ত তৃতীয় ব্যক্তিয়ে নজনালৈকে তই উন্মাদ হৈ থাক" বুলি ৰাজকুমাৰক অভিশাপ দিলে । ৮৭

পিছ দিনা বাতিপুৱা ৰাজকুমাৰ ৰাজপ্ৰাসাদলৈ আহি উন্মত্ত হৈ পৰিল । তাকে দেখি যোগনন্দ অতিশয় বিষণ্ণ হ'ল । ৰজাই নিজৰ মনতে চিন্তা কৰি ক'বলৈ ধৰিলে—'এই সময়ত বৰৰুচি জীয়াই থকা হলে তেওঁ সকলো কথা ক'ব পাৰিলেহেঁতেন । ধিক্কাৰজনক কথা, কিয় মই তেওঁক হত্যা কৰালোঁ ।' ৰজাৰ কথা শুনি শকটালে মনে মনে চিন্তা কৰিবলৈ ধৰিলে—'অঃ, কাত্যায়নে আত্মপ্ৰকাশ কৰাৰ সময় উপস্থিত হৈছে । আত্মাভিমানী কাত্যায়ন কেতিয়াও ইয়াত নাথাকে, গতিকে ৰজাই মোৰ ওপৰত নিশ্চয় বিশ্বাস স্থাপন কৰিব ।' এইদৰে ভাবি চিন্তি শকটালে ৰজাৰ ওচৰত অভয়দান ভিক্ষা মাগি ৰজাক ক'লে,

—"মহাৰাজ ! আপুনি শোক নকৰিব, বৰৰুচি জীয়াই আছে ।" ৰজাই ক'লে,—"তেনেহ'লে তেওঁক অতিশীঘ্ৰে ইয়ালৈ আনিব লাগে ।" ৮৭-৯২

তাৰ পিছত ৰাজ-আদেশত শকটালে মোক যোগানন্দৰ ওচৰলৈ আনিলে । মই ৰাজপুত্ৰক সেই অৱস্থাত দেখি 'মহাৰাজ ! আপোনাৰ পুত্ৰই মিত্ৰদ্ৰোহ আচৰণ কৰিছে' বুলি কৈ সৰস্বতী দেৱীৰ কৃপাত সমস্ত বৃত্তান্ত তেওঁৰ আগত প্ৰকাশ কৰিলোঁ । ৯৩-৯৪ । বৃত্তান্ত শুনি শাপমুক্ত

হৈ ৰাজকুমাৰে মোক স্তুতি কৰিবলৈ ধৰিলে। মইনো কেনেকৈ এই ঘটনাৰ বিষয়ে অৱগত হ'লোঁ বুলি ৰজাই জানিব খোজাত মই ক'লোঁ,

—"মহাৰাজ। লক্ষণ, অনুমান আৰু প্ৰতিভাৰ বলত প্ৰাজ্ঞ-লোকে সকলো কথা জানিব পাৰে। মহিষীৰ জঘনৰ তিলৰ কথা যি দৰে জানিছিলোঁ ঠিক তেনেকৈয়ে এই সকলোবোৰ মোৰ জ্ঞানগোচৰ হৈছে।" মোৰ এই কথা শুনি ৰজা লজ্জিত আৰু অনুতপ্ত হ'ল। ৯৩-৯৭

মোৰ চৰিত্ৰৰ পৱিত্ৰতা প্ৰমাণ হোৱাটোৱেই পৰম লাভ বুলি ভাবি মই ৰাজ-প্ৰদত্ত মান-সৎকাৰ অৱহেলা কৰি নিজৰ ঘৰলৈ উলটি আহিলোঁ; কিয়নো, 'চৰিত্ৰই বিদ্বান্‌সকলৰ অমূল্য ধন।' ৯৮

মই ঘৰ পালত তাত থকা সকলোৱে কান্দিবলৈ ধৰিলে। তাকে দেখি মই বৰ ব্যাকুল হৈ পৰিলোঁ। তেতিয়া মোৰ শহৰ উপবৰ্ষ মোৰ ওচৰলৈ আহি ক'লে, 'ৰজাই তোমাক হত্যা কৰিলে বুলি শুনি উপকোশাই অগ্নিত আত্মাহুতি দিলে আৰু শোকত তোমাৰ মাৰাৰ হৃদয় ফাটি গৈছে।' এই কথা শুনা মাত্ৰকে অসহ্য শোকৰ বেগত মোৰ চেতনা লোপ পালে আৰু মই বতাহে ভঙা গছৰ দৰে মাটিত বাগৰি পৰিলোঁ। পিছ মুহূৰ্তৰপৰা মই প্ৰলাপ বকিবলৈ আৰম্ভ কৰিলোঁ। একান্ত প্ৰিয়জনৰ বিয়োগানলে কাক নো দগ্ধ নকৰে? ৯৮-১০২

"অনিত্যতাই এই অসাৰ সংসাৰত একমাত্ৰ নিত্য বস্তু। ঐশ্বৰিক মায়াৰ এই কথা ভালকৈ জানিও তুমি কিয় শোকত মুহ্যমান হৈ পৰিছা?" বৰ্ষই তেতিয়া মোৰ ওচৰলৈ আহি মোক এনেকুৱা বহুত নীতি উপদেশেৰে সান্ত্বনা দিয়াত মই প্ৰকৃত তত্ত্ব বুজি অতি কষ্টেৰে কোনো মতে ধৈৰ্য্য অৱলম্বন কৰিলোঁ। তেতিয়া মই সমস্ত সাংসাৰিক বন্ধনৰপৰা মুক্ত হৈ একমাত্ৰ প্ৰশান্তি আশ্ৰয় কৰি বিৰক্ত মনেৰে আশ্ৰমত আশ্ৰয় ললোঁ।১০৩-১০৫

সেই আশ্ৰমত মই বহুত দিন কটোৱাৰ পিছত কালক্ৰমত এদিন এজন বিপ্ৰ অযোধ্যাৰপৰা আহি তাত উপস্থিত হ'ল। 'যোগনন্দৰ ৰাজ্যশাসন কেনে দৰে চলিছে' বুলি মই সোধাত তেওঁ মোক চিনিব পাৰি দুঃখেৰে এই কাহিনী বৰ্ণনা কৰিলে।১০৬-১০৭

শকটালৰ প্ৰতিশোধ :

—"আপুনি নন্দক পৰিত্যাগ কৰি গুচি আহিলত তেওঁৰ কি হ'ল—শুনক। বহু দিন অপেক্ষা কৰাৰ পিছত, শকটালে নন্দৰ ওপৰত প্ৰতিশোধ লোৱাৰ সুযোগ লাভ কৰিলে। কেনেকৈ যোগনন্দক বধ কৰিব পাৰি তাৰ যুক্তিযুক্ত উপায় বিচাৰি ফুৰোঁতে শকটালে এদিন বাটত মাটি খান্দি থকা চাণক্য নামে এজন ব্ৰাহ্মণক লগ পালে। 'আপুনি কিয় মাটি খান্দিছে' বুলি শকটালে প্ৰশ্ন কৰাত চাণক্যই উত্তৰ দিলে, 'কুশৰ জোঙা আগে মোৰ ভৰি বিন্ধিছে, সেই দেখি মই কুশৰ মূলোৎপাত কৰিব খুজিছোঁ।' ১০৮-১১০

তাকে শুনি মন্ত্ৰী শকটালৰ মনত হঠাতে খেলালে, 'এই ব্ৰাহ্মণ অত্যন্ত কোপন স্বভাৱৰ আৰু নিষ্ঠুৰ-প্ৰতিজ্ঞ, যোগনন্দৰ হত্যাৰ বাবে এৱেঁই উপযুক্ত পাত্ৰ হ'ব।' ইয়াৰ পিছত নাম-ধাম সুধি-পুছি শকটালে বিপ্ৰক এই বুলি ক'লে,

—"হে ব্ৰাহ্মণ! মহাৰাজ নন্দৰ ভৱনত শুক্ল পক্ষৰ ত্ৰয়োদশী তিথিত অনুষ্ঠীয়মান শ্ৰাদ্ধ কৰ্মৰ ভাৰ আপোনাক দিব খুজিছোঁ। শ্ৰাদ্ধৰ দক্ষিণাৰূপে এক লক্ষ স্বৰ্ণমুদ্ৰা আপোনাক দিয়া হ'ব আৰু আপুনি সৰ্বশ্ৰেষ্ঠ আসন লাভ কৰিব। সম্প্ৰতি আপুনি মোৰ ঘৰলৈ আহক। ১১১-১১৩

চাণক্যৰ কথা :

এইদৰে কৈ শকটালে চাণক্যক নিজৰ ঘৰলৈ আনি ৰাখিলে। শ্ৰাদ্ধৰ দিনা চাণক্যক নি ৰজাৰ আগত নিবেদন কৰিলে আৰু ৰজাৰো তেওঁক শ্ৰদ্ধাৰে গ্ৰহণ কৰিলে। তাৰ পিছত শ্ৰাদ্ধ স্থলীলৈ গৈ চাণক্য শ্ৰাদ্ধৰ মুখ্য আসনত বহিল। ইফালে সুবন্ধু নামে অন্য এজন ব্ৰাহ্মণেও সেই মুখ্য আসনত বহিবলৈ ইচ্ছা কৰিলে। তেতিয়া শকটালে মুখ্য আসনৰ বাবে হোৱা বিবাদৰ কথা নন্দৰজাক জনালে গৈ। ৰজাই সমিধান দিলে যে সুবন্ধুৰ বাহিৰে অন্য কোনো সেই আসনৰ যোগ্য নহয়; সুবন্ধুৱেই মুখ্য আসনত অধিষ্ঠিত হৈ থাকিব। ঘূৰি আহি ভয়ত তলমুৰাকৈ শকটালে ৰজাৰ আদেশ চাণক্যক জনালে আৰু 'মোৰ কোনো দোষ নাই' বুলি ক'লে। ১১৪-১১৭

তেতিয়া চাণক্যই খঙত জ্বলি-পকি গাঁথি সোলোকাই শিখা মুক্ত কৰি এই প্ৰতিজ্ঞা কৰিলে, 'মই নিশ্চয় নন্দক এসপ্তাহৰ ভিতৰত বিনাশ কৰিম। নন্দৰ মৃত্যু হ'লেহে মোৰ খং শাম কাটিব আৰু তেতিয়াহে মই শিখা আকৌ বান্ধিম।' ১১৮-১১৯

চাণক্যৰ এই কথা শুনি যোগনন্দ তেওঁৰ ওপৰত অত্যন্ত ক্ৰুদ্ধ হৈ পৰাত তেওঁ তাৰপৰা পলাই গ'ল। পলায়মান চাণক্যকক কোনেও গম নোপোৱাকৈ শকটালে নিজৰ ঘৰত আশ্ৰয় দি ৰাখিলে। তেতিয়া সেই মন্ত্ৰী শকটালে সামগ্ৰী গোটাই দিয়াত চাণক্যই কোনো এক নিৰ্জন ঠাইলৈ গৈ তাত কৃত্যা (শত্ৰু নিধনৰ বাবে অভিচাৰ ক্ৰিয়া) আৰম্ভ কৰিলে। কৃত্যাৰ প্ৰভাৱত যোগনন্দৰ দাহজ্বৰ আৰম্ভ হ'ল আৰু সাত দিনৰ দিনা তেওঁৰ মৃত্যু হ'ল। তেতিয়া শকটালে যোগ-নন্দৰ পুত্ৰ হিৰণ্যগুপ্তক হত্যা কৰি পূৰ্বনন্দৰ পুত্ৰ চন্দ্ৰগুপ্তৰ হাতত ৰাজলক্ষ্মী অৰ্পণ কৰিলে। তাৰ পিছত শকটালে বুদ্ধিত বৃহস্পতি তুল্য চাণক্যক চন্দ্ৰগুপ্তৰ মন্ত্ৰিত্ব গ্ৰহণৰ বাবে প্ৰাৰ্থনা জনাই সন্মত কৰালে। যোগনন্দৰ শত্ৰুতাৰ প্ৰতিকাৰ কৰিবলৈ সমৰ্থ হোৱাত তেওঁ নিজকে কৃতকৃত্য বোধ কৰিলে; কিন্তু পুত্ৰশোকত একান্ত বিষণ্ণ হৈ তেওঁ তেতিয়া মহা অৰণ্যত প্ৰৱেশ কৰিলে। ১২০-১২৫

[মুঃ] হে কাণভূতি! সেই ব্ৰাহ্মণৰ মুখৰপৰা নন্দৰজাৰ সকলো বৃত্তান্ত শুনি মোৰ বৰ খেদ জন্মিল আৰু গোটেই সংসাৰখন অনিত্য যেন লাগিল। মনৰ খেদ দূৰ কৰিবলৈ বুলি দেৱী বিন্ধ্যবাসিনীৰ দৰ্শনৰ বাবে ইয়ালৈ আহি দেৱীৰ কৃপাত আপোনাৰ সাক্ষাৎ লাভ কৰাত এতিয়া পূৰ্বজন্মৰ সকলো কথা মোৰ স্মৃতি-পথলৈ আহিছে। ১২৬-২৭

মোৰ দিব্য জ্ঞান লাভ হৈছে। এই বৃহৎ কথা তোমাৰ আগত আদ্যোপান্ত বৰ্ণনা কৰিলোঁ। এতিয়া মই শাপ মুক্ত হৈছোঁ আৰু এই দেহ পৰিত্যাগ কৰিবলৈ যত্ন কৰিম। তিনিটা ভাষা বিস্মৃত হোৱা গুণাঢ্য নামে ব্ৰাহ্মণ সশিষ্যে আপোনাৰ ওচৰলৈ নহালৈকে আপুনি ইয়াতে অৱস্থান কৰক।

গণোত্তম মাল্যৱানে মোৰ পক্ষ অৱলম্বন কৰা বাবে দেৱী পাৰ্বতীয়ে তাহানি তেওঁকো মোৰ দৰেই অভিশাপ দিয়াত তেৱোঁ মৰ্ত্যলোকত মনুষ্য হৈ আছে। সেই গুণাঢ্যক মহাদেৱৰ মুখনিঃসৃত

আৰু মই কোৱা এই বৃহৎকথা শুনালে আপুনি আৰু তেওঁ দুয়ো মুক্তি লাভ কৰিব। বৰৰুচিয়ে কাণভূতিক এইখিনি কথা কৈ শৰীৰ ত্যাগ কৰিবলৈ বুলি বদৰিকাশ্ৰমলৈ যাত্ৰা কৰিলে। ১২৮-১৩২

বদৰিকাশ্ৰমলৈ গৈ থাকোঁতে বৰৰুচিয়ে গজাৰি পাৰত এজন শাকাহাৰী মুনি দেখিলে। তেওঁ চাই থাকোঁতেই সেই মুনিজনৰ হাতত কুশে বিন্ধিলে। তেতিয়া বৰৰুচিয়ে কৌতুকতে মুনিৰ অহং ভাৱ পৰীক্ষা কৰিবলৈ বুলি নিজৰ তপস্যাৰ প্ৰভাৱেৰে মুনিৰ হাতৰপৰা ওলোৱা তেজ শাকৰ ৰসত পৰিণত কৰিলে। তাকে দেখি "আহা! মই সিদ্ধি লাভ কৰিছোঁ" বুলি মুনিজনে অহংভাৱ প্ৰকাশ কৰিলে। মুনিৰ উক্তি শুনি বৰৰুচিয়ে মিচিকিয়াই হাঁহি ক'লে।

—"মুনিপ্ৰৱৰ! তোমাৰ অহং ভাৱ পৰীক্ষা কৰিবলৈকে মই তোমাৰ হাতৰপৰা ওলোৱা তেজ শাকৰ ৰসত পৰিণত কৰিলোঁ, দেখিছোঁ, এতিয়াও তুমি অহংভাৱৰপৰা মুক্ত হোৱা নাই। জ্ঞান-মাৰ্গত অহঙ্কাৰ দুৰতিক্ৰম্য প্ৰতিবন্ধক। জ্ঞানৰ অবিহনে শত সহস্ৰ ব্ৰত আচৰণ কৰিলেও মোক্ষ লাভ নহয়। মুনিপ্ৰৱৰ! ক্ষয়িষ্ণু স্বৰ্গ সুখৰ কামনাই মুমুক্ষুসকলৰ চিত্তবিলোভন কৰা অনুচিত; গতিকে অহঙ্কাৰ পৰিত্যাগ কৰি নিৰ্মল জ্ঞান লাভৰ বাবে যত্নপৰ হোৱা।" ১৩৩-১৩৮

তেতিয়া মুনিজনে প্ৰণামপূৰ্ব্বক বৰৰুচিক স্তুতি-প্ৰাৰ্থনা কৰিবলৈ ধৰিলে আৰু বৰৰুচিয়েও তেওঁক উপদেশ দি শান্তিধাম বদৰিকা-শ্ৰমলৈ যাত্ৰা কৰিলে। ১৩৯

তাৰ পিছত বৰৰুচিয়ে মৰ্ত্ত্য শৰীৰ ত্যাগ কৰিবলৈ ইচ্ছা কৰি বদৰিকাশ্ৰমত একান্ত ভক্তিৰে সকলো প্ৰাণীৰে আশ্ৰয়ভূতা দেৱীৰ শৰণা-গত হ'ল। তেতিয়া দেৱীয়ে নিজৰূপ ধাৰণ কৰি বৰৰুচিৰ আগত আবিৰ্ভূত হৈ নিজৰ শৰীৰৰপৰা উদ্ভৱ হোৱা অগ্নিত আত্মাহুতি দিবলৈ তেওঁক আদেশ কৰিলে। সেই দৰে উপদিষ্ট হৈ বৰৰুচিয়ে স্বশৰী-ৰোদ্ভৱ বহ্নিত নিজ দেহ ভস্মীভূত কৰি দিব্য গতি লাভ কৰিলে। ইফালে বিন্ধ্যাৰণ্যত কাণভূতিয়ে গুণাঢ্যৰ আগমনলৈ উৎসুক ভাৱে অপেক্ষা কৰি থাকিল। ১৪০-১৪২

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথাপীঠ
নামৰ লম্বকৰ পঞ্চম তৰঙ্গ।
পঞ্চম তৰঙ্গ, শ্লোক ১৪২

কথাপীঠ লম্বক
ষষ্ঠ তৰঙ্গ

(মূঃ) তাৰ পিছত গণমুখ্য মাল্যবান্ গুণাঢ্য নামেৰে বিখ্যাত হৈ অৰণ্যত ভ্ৰমণ কৰি থাকোঁতে সাতবাহন ৰজাৰ সেৱা কাৰ্য্যত নিযুক্ত হ'ল। প্ৰতিজ্ঞা অনুযায়ী সংস্কৃত আদি তিনিটা ভাষা বৰ্জন কৰি খিন্ন মনেৰে এদিন তেওঁ বিন্ধ্যবাসিনী দেৱীৰ দৰ্শন কৰিবলৈ আহিল। দেৱী বিন্ধ্যবাসিনীৰ আদেশত তেওঁ কাণভূতিক বিন্ধ্যাৰণ্যত সাক্ষাৎ কৰিলে। কাণভূতিক দেখা মাত্ৰেই গুণাঢ্যৰ পূৰ্বজন্মৰ সকলো স্মৃতি মনলৈ আহিল আৰু তেওঁ হঠাৎ জন্ম-সচেতন হৈ পৰিল। সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ এই তিনিটা ভাষাতকৈ সম্পূৰ্ণ সুকীয়া পৈশাচী ভাষাৰে গুণাঢ্যই নিজৰ নাম প্ৰকাশ কৰি কাণভূতিক ক'লে। ১-৪

—"সখি! পুষ্পদন্তৰপৰা শুনা অলৌকিক আখ্যান আপুনি শীঘ্ৰে মোক শুনাওক, সেই কথা শুনিলে আপুনি আৰু মই দুয়ো একে লগে শাপমুক্ত হ'ম।" ৫

গুণাঢ্যৰ কথা শুনি কাণভূতিয়ে তেওঁক প্ৰণাম জনাই আনন্দ মনেৰে ক'লে,

—"হে প্ৰভু! মই সম্পূৰ্ণ আখ্যান আপোনাক ক'ম; কিন্তু মৰ্ত্য ভূমিত জন্ম গ্ৰহণ কৰাৰপৰা আপুনি যি যি কৰিলে, সেই সকলো কথা শুনিবলৈ মোৰ বৰ কৌতূহল জন্মিছে। গতিকে সেইখিনি মোক কৃপা কৰি কওক।"

এইদৰে অনুৰুদ্ধ হৈ গুণাঢ্যই নিজৰ কথা ক'বলৈ আৰম্ভ কৰিলে। ৬-৭

২. গুণাঢ্যৰ কথা: বৎস আৰু গুল্ম:

—"সখি! শুনক, প্ৰতিষ্ঠান ৰাজ্যত সুপ্ৰতিষ্ঠিত নামে এখন নগৰ আছে। সেই নগৰত সোম শৰ্মা নামে এজন

শ্ৰেষ্ঠ ব্ৰাহ্মণে বাস কৰিছিল। তেওঁৰ বৎস আৰু গুল্ম নামৰ দুটি পুত্ৰ আৰু শ্ৰুতাৰ্থা নামে এটি কন্যা আছিল। কালক্ৰমত ব্ৰাহ্মণ আৰু তেওঁৰ পত্নী স্বৰ্গগামী হোৱাত, কুমাৰ দুটাই ভনীয়েকক পালন-পোষণ কৰি থাকিবলৈ ধৰিলে। এইদৰে বাস কৰি থাকোঁতে অকস্মাৎ শ্ৰুতাৰ্থা গৰ্ভৱতী হ'ল। তাইক দেখি বৎস আৰু গুল্মই পৰস্পৰক সন্দেহ কৰিবলৈ ধৰিলে, কিয়নো তাত অন্য কোনো পুৰুষ আৰু নাছিল। ককায়েকহঁতৰ মনোভাৱ বুজিব পাৰি শ্ৰুতাৰ্থাই তেওঁলোকক ক'লে। "তোমালোকে মিছাতে পাপ আশঙ্কা নকৰিবা। প্ৰকৃত কথা তোমালোক দুয়োকে কওঁ, শুনা। নাগৰাজ বাসুকিৰ ভায়েকৰ কুমাৰ কীৰ্ত্তিসেন নামে এজন পুত্ৰ আছে। এদিন মই স্নান কৰিবলৈ যাওঁতে তেওঁ মোক দেখিলে আৰু দেখা মাত্ৰেই কামশৰত জৰ্জৰিত হৈ নিজৰ নাম-গোত্ৰৰ কথা জনাই মোক নিজৰ ভাৰ্য্যা ৰূপে তেওঁ গ্ৰহণ কৰিলে। তেওঁ জাতিত ব্ৰাহ্মণ, তেওঁৰ দ্বাৰাই মই গৰ্ভৱতী হৈছোঁ।"

ভনীয়েকৰ এই কথা শুনি বৎস গুল্মই ক'লে, 'এই কথাত সন্ধাত কি?' ৮-১৫

তাকে শুনি শ্ৰুতাৰ্থাই একান্ত ঠাইত নাগকুমাৰক স্মৰণ কৰিলে। স্মৰণ কৰা মাত্ৰকে নাগকুমাৰ কীৰ্ত্তিসেন তাত উপস্থিত হৈ বৎস-গুল্মক এইদৰে ক'লে। "তোমালোকৰ ভনীয়েৰা শাপভ্ৰষ্টা শ্ৰেষ্ঠ অপ্সৰা, মই তেওঁক ভাৰ্য্যাৰূপে গ্ৰহণ কৰিছোঁ। তোমালোক দুয়ো শাপভ্ৰষ্ট হৈ পৃথিৱীত জন্ম গ্ৰহণ কৰিছা। তোমালোকৰ ভনীয়েৰাৰ নিঃসন্দেহে এটি পুত্ৰসন্তান জন্মিব। সেই সন্তানৰপৰাই তোমালোক দুয়োৰে আৰু ভনীয়েৰাৰো শাপমোচন হ'ব।" ১৬-১৮

ইয়াকে কৈ তেওঁ অন্তৰ্দ্ধান হ'ল। তাৰ কিছু দিনৰ পিছত শ্ৰুতাৰ্থাৰ এটি পুত্ৰ জন্মিল আৰু ময়েই সেই পুত্ৰ। মোৰ জন্ম মুহূৰ্ত্তত এইদৰে আকাশী বাণী হৈছিল—

'সদ্যজাত সন্তানটি গণৰ অৱতাৰ, আৰু জাতিত ব্ৰাহ্মণ, এওঁ গুণাঢ্য নামেৰে প্ৰখ্যাত হ'ব।' ১৯-২০

কালক্ৰমত মোৰ মাতৃ আৰু মোমাই দুজনেও শাপমুক্ত হৈ পঞ্চত্ব লাভ কৰাত মই অতিশয় শোকাকুল হৈ পৰিছোঁ। মই বয়সত

ল'ৰা হ'লেও শোক-বেজাৰ আঁতৰাই থৈ নিজৰ প্ৰচেষ্টাত বিদ্যা লাভ কৰিবলৈ বুলি দক্ষিণাপথলৈ যাত্ৰা কৰিলোঁ। তাত থাকি সৰ্ববিদ্যাত পাৰংগত আৰু সুপ্ৰসিদ্ধ হৈ নিজৰ গুণৰাজি প্ৰদৰ্শন কৰিবলৈ মই স্বদেশলৈ উভতি আহিলোঁ। বহু কালৰ পিছত সুপ্ৰতিষ্ঠিত নগৰত সশিষ্যে প্ৰবেশ কৰি মই নগৰখনৰ এক অপূৰ্ব শোভা দেখিবলৈ পালোঁ। দেখিলোঁ——কোনো ঠাইত সামবেদজ্ঞসকলে সামগান কৰিছে, কোনো ঠাইত বা বেদজ্ঞ বিপ্ৰসকল বেদাৰ্থ নিৰ্ণয়ৰ বাবে বিতৰ্কত প্ৰবৃত্ত হৈছে। কোনো ঠাইত আকৌ 'যি জন দ্যূতকলাত সুনিপুণ, সকলো সম্পদ তেওঁৰ হাতৰ মুঠিত' বুলি জুৱাৰীবিলাক ছলনাময়ী উক্তিৰে দ্যূতৰ প্ৰশংসাত সৰৱ হৈ পৰিছে। অন্য এঠাইত আকৌ বণিক্ গোষ্ঠীয়ে নিজৰ নিজৰ বাণিজ্যৰ কলা-কৌশল প্ৰকাশ কৰি থাকোঁতে এজন বণিকে এই বুলি ক'বলৈ আৰম্ভ কৰিলে। ২১-২৭

২. ক. নিগনিৰপৰা ধনী হোৱা বণিকৰ কথা :

'অৰ্থ-সংযমী পুৰুষে ধনেৰে ধন লাভ কৰাত' আশ্চৰ্য্য হ'ব লগীয়া একো নাই। মই হ'লে ধন নোহোৱাকৈয়ে বহুকাল পূৰ্বে অৰ্থ সম্পদ লাভ কৰিছিলোঁ। মই মাতৃগৰ্ভত থাকোতেই মোৰ পিতৃবিয়োগ হয়। তেতিয়া বংশৰ দুষ্ট প্ৰকৃতিৰ লোকসকলে আইৰ হাতৰ ধন-বিত গোটেইখিনি অপহৰণ কৰিলে। সিহঁতৰ ভয়ত ভীত হৈ গৰ্ভস্থ সন্তানৰ ৰক্ষা কামনাৰে মোৰ আয়ে পিতৃবন্ধু কুমাৰদত্তৰ ঘৰত বাস কৰিবলৈ ধৰিলে। তাত থকা কালতে সতী সাধ্বী মোৰ মাতৃয়ে ভৱিষ্যৎ জীৱনৰ অৱলম্বন মোক জন্ম দিলে আৰু অতিশয় কষ্টসাধ্য কাৰ্য্য নিৰ্বাহ কৰি মোক তুলি-তালি ডাঙৰ কৰিলে। মোৰ মাতৃৰ হাতত এটিও ফুটা কড়ি নাছিল যদিও তেওঁ উপাধ্যায়ক করুণ ভাৱে প্ৰাৰ্থনা কৰাত উপাধ্যায়ে ক্ৰমে মোক লিপি আৰু গণিতৰ শিক্ষা দিলে। কিছু লিখা-পঢ়া শিকাৰ পিছত মাতৃয়ে এদিন মোক ক'লে। "বোপা, তুমি বেপাৰীৰ ল'ৰা, গতিকে এতিয়া বেপাৰ-বাণিজ্য কৰা। এই ৰাজ্যত বিশাখিল নামে এজন বৰ ধনী সদাগৰ আছে। সেই সদাগৰে সদ্ বংশজাত দৰিদ্ৰ যুৱকসকলক বেপাৰ-বাণিজ্য কৰিবলৈ পণ্য সামগ্ৰীৰ মূল্য দিয়ে। তুমি তেওঁৰ ওচৰত পণ্য মূল্য খোজা গৈ।" ২৮-৩৪

তেতিয়া মাতৃৰ উপদেশমতে মই সেই বণিকৰ ওচৰলৈ গ'লোঁ। সেই সময়তে বিশাখিলে এজন বণিক্-পুত্ৰক খঙেৰে এই দুজি কোৱা শুনিলোঁ—"এই যে মাটিত এটা মৰা নিগনি পৰি আছে, বুদ্ধিমান্ জনে তাকে পণ্য ৰূপে লৈ ধন উপাৰ্জন কৰিব পাৰে। হেৰ অপদাৰ্থ। মই তোক বহুত দীনাৰ (সোণৰ মোহৰ) দিলোঁ, সেই খিনি বেপাৰত লগাই বৃদ্ধি কৰাটো দূৰৰ কথা, তই সেই খিনিকো ৰাখিব নোৱাৰিলি।" ৩৫-৩৭

তাকে শুনি মই হঠাতে বিশাখিলক ক'লোঁ,—"আপোনাৰ পৰা পণ্যমূল্য-ৰূপে মই এই মৰা নিগনিটো ল'লোঁ।" ইয়াকে কৈ মই সেই মৰা নিগনিটো হাতেৰে তুলি লৈ এটা টেমাত ভৰালোঁ আৰু বণিক বিশাখিলৰ খাতাত (মৰা নিগনি অনাৰ কথা) লিখি গুচি আহিলোঁ। বণিকে মোৰ কাম দেখি অলপ হাঁহিলে। তেতিয়া মই সেই মৰা নিগনিটো দুঅঁাজলি বুটৰ সলনি কোনো এজন বণিকক তেওঁৰ মেকুৰীয়ে খাবৰ বাবে দিলোঁ। সেই বুট মাহখিনি গুড়ি কৰি আৰু একলহ পানী লৈ মই নগৰৰ বাহিৰৰ এটা চাৰি আলিৰ ওচৰত গছৰ ছাঁত বহি থাকিলোঁ। তেতিয়া মই সেই চেঁচা পানী আৰু বুটমাহৰ গুৰি খৰি কাটি ভাগৰত ক্লান্ত হৈ অহা খৰিভাৰীবোৰক বৰ নম্ৰ ভাৱে দিলোঁ। প্ৰতিটো খৰিকটীয়াই সন্তুষ্ট হৈ মোক দুডালকৈ কাঠ দি গ'ল। মই সেই কাঠখিনি নি দোকানত বেচিলোঁগৈ। তাৰ পিছত অলপ মূল্য দি বুটমাহ কিনিলোঁ আৰু আগ দিনাৰ দৰেই সেই দিনাও কাঠকটীয়া-বোৰক দিলোঁ। ৩৮-৪৪। এইদৰে মই বহুত কাঠ গোটালোঁ। এইদৰে নিতৌ সেই কাম কৰি কাঠ বেচি মই ক্ৰমে কিছু ধন গোটালোঁ। সেই ধনেৰে একেৰাহে তিন দিন মই খৰিকটীয়াবোৰৰ এটাইখিনি খৰি কিনি পেলালোঁ। তাৰ পিছত ধাৰাসাৰে বৰষুণ হোৱাত হাবিৰপৰা খৰি কাটি আনিব নোৱাৰা হোৱাত গোটাই থোৱা খৰিবোৰ মই কেবা শ টকা মূল্যত বেচিলোঁ। সেই ধনেৰে এখন দোকান খুলি নিজৰ বুদ্ধি-কৌশলেৰে বেপাৰ বাণিজ্য বঢ়াই ক্ৰমে মই অতিশয় আঢ্যৱন্ত হৈ পৰিলোঁ। মই তেতিয়া এটা সোণৰ নিগনি সজাই বিশাখিল বণিকক দিলোঁ। তেওঁ সন্তুষ্ট হৈ নিজৰ কন্যাক মোলৈ বিয়া দিলে। এই কাৰণে সমাজত মই 'নিগনি বণিক' নামেৰে জনাজাত। এই দৰেই মই ধনহীন হৈও ঐশ্বৰ্য্য সম্পদ লাভ

কৰিবলৈ সমৰ্থ হ'লোঁ। এই কথা শুনি তাত সমবেত সকলো বণিক বিস্ময়ত অভিভূত হৈ পৰিল। ভিত্তি নোহোৱাকৈ চিত্ৰাঙ্কন দেখিলে কাৰ নো বিস্ময় নজন্মে? ৪৫-৫০

২. খ. সামগায়ক আৰু গণিকাৰ কথা :

এসময়ত এজন সামগায়ক ব্ৰাহ্মণে আঠ মহা সোণ দান পাইছিল। তাকে দেখি গণিকাৰ সহায়ক এটা বিটে এইদৰে ক'লে— 'ব্ৰাহ্মণ কুলত জন্মগ্ৰহণ কৰা বাবে তোমাৰ পেটৰ ভাতমুঠিৰ চিন্তা নাই, সেই দেখি দান পোৱা এই সোণখিনিৰে ইয়াত সংসাৰ যাত্ৰা নিৰ্বাহৰ কৌশল শিকি বিদগ্ধ হোৱা।' ৫১-৫২

'মোকনো কোনে বৈদগ্ধ্য শিক্ষা দিব' এই বুলি সেই মূঢ় ব্ৰাহ্মণে জানিব খোজাত সেই ধূৰ্ত বিটে ক'লে। "চতুৰিকা নামৰ গণিকাৰ ঘৰলৈ ব'লা।" ৫৩

"তালৈ গৈ মই কি কৰিম?" ব্ৰাহ্মণে সুধিলে।

'সোণৰ মুদ্ৰা কেইটা দিবা আৰু মনোৰঞ্জনৰ বাবে অলপ সামবো[১] প্ৰয়োগ কৰিবা' বুলি বিটে উত্তৰ দিলে। বিটৰ কথা শুনি সামগায়ক লৰালৰিকৈ গণিকা চতুৰিকাৰ ঘৰ পালেগৈ। চতুৰিকাই নিজৰ আসনৰপৰা উঠি তেওঁক আদৰ-অভ্যৰ্থনা জনোৱাত তেওঁ ভিতৰ সোমাই ৰহিল। তেতিয়া সামগায়কে সোণৰ মোহৰ কেইটা চতুৰিকাক দি ক'লে,—"ইয়াকে লৈ তুমি এতিয়া মোক সাংসাৰিক ব্যৱহাৰ শিকোৱাঁ।" ৫৪-৫৬

এই কথাত তাত উপস্থিত সকলোৱে পিৰ্জনি মাৰি হাঁহিলত সেই মূৰ্খ সামগায়কে খন্তেক চিন্তা কৰি হাত দুখন গৰুৰ কাণৰ দৰে জোওা কৰি মূৰৰ দুয়োফালে লগ লগাই ইমানকৈ চিঞৰি চিঞৰি সাম আবৃত্তি কৰিবলৈ ধৰিলে যে "কি হৈছে নো" চাবলৈ বুলি বিট-ধূৰ্ত এটাইবোৰ হাঁহি হাঁহি তাত গোট খালেহি। সিহঁতে ক'বলৈ ধৰিলে,—"এই শিয়ালটো ইয়ালৈ ক'ৰপৰা আহিল? গতিকে এতিয়া

১. 'সাম'—সামবেদৰ মন্ত্ৰ, এই মন্ত্ৰ গানৰ সুৰত আবৃত্তি কৰা হয়। 'সাম'—সান্ত্বনা বাক্য, খেমেলীয়া কথা।

ইয়াক সোণকালে উভিভত অৰ্দ্ধচন্দ্ৰ দিব লাগে (উভিভত ধৰি গতিয়াই উলিয়াই দিব লাগে।)" ৫৭-৫৯

'অৰ্দ্ধচন্দ্ৰ' শব্দ বুলি ভাবি সেই ব্ৰাহ্মণে তেতিয়া শৰে মূখ কটাস ভয়ত সন্ত্ৰস্ত হৈ 'সাংসাৰিক ব্যৱহাৰ শিকিলোঁ' বুলি চিঞৰি চিঞৰি তাৰপৰা ওলাই লৰ মাৰিলে আৰু যিটো বিটে তেওঁক তাত পঠাইছিল, তাৰ ওচৰ পালেগৈ। সকলো কথা তেতিয়া তাক কোৱাত সি এই বুলি ক'লে,—" 'সাম' বুলি মই তোমাক খেমেলীয়া কথা ক'বলৈহে কৈছিলোঁ, তাত তোমাৰ বেদ বিদ্যা জাহিৰ কৰাৰ পৰিবেশ ক'ত? প্ৰকৃত কথা এয়ে যে বেদাভ্যাসত জড় হোৱা ব্ৰাহ্মণত মূৰ্খতাই একাধিপত্য কৰিছে।" ৬০-৬২। এইদৰে কৈ হাঁহি হাঁহি সেই বিটটো গণিকা চতুৰিকাৰ ওচৰ পালেগৈ আৰু তেওঁক ক'লে,—"এই দুঠেঙীয়াৰ সুবৰ্ণ-তৃণ (সোণৰ মোহৰ কেইটা সেই গৰুটোৰ বাবে ঘাঁহৰ সামান) তাক ঘূৰাই দিয়া। গণিকায়ো হাঁহি হাঁহি মোহৰ কেইটা ওলোটাই দিলে। সোণৰ মোহৰ কেইটা ঘূৰাই পাই সেই ব্ৰাহ্মণে পুনৰ্জন্ম লাভ কৰা যেন পালে আৰু নিজৰ ঘৰলৈ গ'ল। ৬৩-৬৪

২. (অ) গুণাঢ্যৰ কথা:

খোজে পতি এনেকুৱা নানা তৰহৰ কৌতুকপূৰ্ণ দৃশ্য উপভোগ কৰি মই ইন্দ্ৰপুৰী সদৃশ ৰাজ-ভৱনত উপস্থিত হ'লোঁগৈ। মোৰ শিষ্যবৰ্গই মোৰ আগমন বাৰ্তা জনোৱাৰ পিছত মই ৰাজ সভাত প্ৰৱেশ কৰি শৰ্ববৰ্মা প্ৰভৃতি মন্ত্ৰিবৰ্গৰ মাজত অমৰবৃন্দ-পৰিবেষ্টিত ইন্দ্ৰ তুল্য নৃপতি সাতবাহনক ৰত্নখচিত সিংহাসনত বিৰাজমান দেখিলোঁ। মই ৰজাক আশীৰ্বাদ দিলোঁ আৰু ৰজায়ো মোৰ প্ৰতি যথোচিত সন্মান দেখুৱালে। তেতিয়া মই নিজ আসন গ্ৰহণ কৰাত শৰ্ব বৰ্মা প্ৰভৃতি মন্ত্ৰিবৰ্গই মোৰ উচ্চ প্ৰশংসা কৰিবলৈ ধৰিলে। 'মহাৰাজ! এই মহা পুৰুষ সৰ্ববিদ্যাবিশাৰদ বুলি বিশ্ববিখ্যাত, সেই দেখি এখেতৰ গুণাঢ্য নাম (গুণেৰে বিভূষিত) যথাৰ্থক হৈছে।' ৬৫-৬৯

মন্ত্ৰীসকলে মোৰ ভূৰি ভূৰি প্ৰশংসা কৰা দেখি সন্তুষ্ট হৈ ৰজা সাতবাহনে মোক তৎক্ষণাত মন্ত্ৰীপদত বৰণ কৰিলে। মন্ত্ৰিত্ব লাভ কৰি মই তাতে বিয়া-বাৰু কৰাই ৰাজকাৰ্য্য নিৰ্বাহ কৰিবলৈ ধৰিলোঁ

আৰু লগতে শিষ্যবৰ্গৰ অধ্যাপনা কৰি সুখেৰে কাল যাপন কৰি আছিলোঁ । ৭০-৭১

২. গ. মায়া উদ্যান :

এদিন কৌতূহলেৰে গোদাবৰী নদীৰ পাৰত ভ্ৰমণ কৰি থাকোঁতে দেৱীকৃতি নামে এখন মনোৰম উদ্যান দেখিবলৈ পালোঁ। ভূ-তলত নন্দনকানন সদৃশ অতি মনোমোহা সেই উদ্যানখন দেখি মই উদ্যান ৰখীয়াক সুধিলোঁ। "এই উদ্যানখন ইয়াত কেনেকৈ হ'ল, কোনে পাতিলে?" ৰখীয়াই তেতিয়া মোক এইদৰে ক'বলৈ ধৰিলে। ৭২-৭৩

——"প্ৰভু! বুঢ়াসকলৰপৰা শুনা মতে বহুদিন আগতে ইয়ালৈ এজন মৌনী নিৰাহাৰী ব্ৰাহ্মণ আহিছিল; তেৱেঁই দেৱ মন্দিৰৰ সৈতে এই উদ্যানখন প্ৰতিষ্ঠা কৰিছিল।" তাকে দেখি কৌতূহল জন্মাত এদিন ইয়াত থকা ব্ৰাহ্মণসকল আহি সেই মৌনী সাধুক (আত্ম-বৃত্তান্ত) ক'বলৈ নেৰা-নেপেৰাকৈ ধৰাত তেওঁ এইদৰে আত্মকথা ব্যক্ত কৰিছিল।

"নৰ্মদাৰ পাৰত ভৰুকচ্ছ নামে এখন ঠাই আছে। পূৰ্বণি কালত মই তাত ব্ৰাহ্মণৰ ঘৰত জন্ম গ্ৰহণ কৰিছিলোঁ। মই বৰ দুখীয়া আৰু এলেহুৱা আছিলোঁ, খুজিলেও কোনেও ভিক্ষা এমুঠিও মোক নিদিয়া হ'ল। জীৱনৰ প্ৰতি বিৰক্ত হৈ মনৰ দুখত তীৰ্থ ভ্ৰমণ কৰি ঘূৰি ফুৰোঁতে এদিন দেৱী বিন্ধ্যবাসিনীৰ মন্দিৰত উপস্থিত হ'লোঁ। দেৱীক দৰ্শন কৰি মই মনতে এইদৰে চিন্তা কৰিবলৈ ধৰিলোঁ 'বৰদায়িনী দেৱী বিন্ধ্যবাসিনীক মানুহে পশু বলি দি সন্তুষ্ট কৰে; মই মূৰ্খ পশু গতিকে নিজকে দেৱীৰ আগত উছৰ্গা কৰিম।'

ইয়াকে স্থিৰ কৰি নিজৰ শিৰশ্ছেদ কৰিবলৈ বুলি মই এখন খড়্গ হাতত তুলি ললোঁ। তৎক্ষণাত দেৱী মোৰ প্ৰতি সুপ্ৰসন্না হৈ স্বয়ং মোক ক'লে,—'পুত্ৰ! তুমি সিদ্ধি লাভ কৰিলা, আত্মঘাতী নহ'বা, মোৰ ওচৰত বাস কৰা।' ৭৪-৮১

দেৱীৰ বৰত মই দিব্য ভাৱ লাভ কৰিলোঁ আৰু তেতিয়াৰপৰা মোৰ ভোক-পিয়াহো নোহোৱা হ'ল। দেৱীৰ সমীপত বাস কৰি

থাকোঁতে এদিন দেৱীয়ে স্বয়ং মোক এই বুলি আদেশ কৰিলে, 'বৎস ! তুমি প্ৰতিষ্ঠান পুৰলৈ গৈ এখন মনোৰম উদ্যান প্ৰতিষ্ঠা কৰা।' ইয়াকে কৈ দেৱীয়ে মোক দিব্য বীজ মন্ত্ৰ প্ৰদান কৰিলে মই তাৰ পিছত ইয়ালৈ আহি দেৱীৰ প্ৰভাৱত এই উদ্যানখন প্ৰতিষ্ঠা কৰিলোঁ। 'এতিয়া তোমালোকে এইখন প্ৰতিপালন কৰিব লাগে' ইয়াকে কৈ তেওঁ অন্তৰ্দ্ধান হ'ল। হে প্ৰভু ! প্ৰাচীন কালত দেৱীৰ প্ৰভাৱত এই উদ্যানখনৰ এই দৰেই প্ৰতিষ্ঠা হৈছিল।" ৮২-৮৫

২. (অ.) গুণাঢ্যৰ কথা :

দেৱীৰ অলৌকিক কৃপাৰ এই আখ্যান শুনি মই অতিশয় বিস্ময়ত অভিভূত হৈ ঘৰলৈ উভতি আহিলোঁ। ৮৬

(মূঃ) গুণাঢ্যই এইখিনি কোৱাৰ পিছত কাণভূতিয়ে দুনাই সুধিলে,—'প্ৰভু ? কওকচোন, সাতবাহন নামটো কেনেকৈ হ'ল ?' ৮৭

২. খ. সাতবাহন ৰজাৰ কথা :

তেতিয়া গুণাঢ্যই ক'লে,

—"শুনা বাৰু মই কওঁ। পুৰণি কালত দীপকৰ্ণি নামে এজন পৰাক্ৰমী ৰজা আছিল। তেওঁৰ শক্তিমতী নামে প্ৰাণাধিক-প্ৰিয়া ভাৰ্য্যা আছিল। এদিন ৰতিক্ৰিয়াৰ পিছত শ্ৰান্ত হৈ উদ্যানত শুই থাকোঁতে তেওঁক সাপে খুটিলে। সৰ্প-দংশনত তেওঁৰ মৃত্যু ঘটাত শক্তিমতী-প্ৰাণ ৰজাই অপুত্ৰক হৈয়ো ব্ৰহ্মচৰ্য্য অৱলম্বন কৰিলে। ৰাজ্যভাৰ গ্ৰহণৰ বাবে উপযুক্ত পুত্ৰ নথকাত দুখেৰে কাল যাপন কৰা ৰজাক এদিন ভগৱান চন্দ্ৰশেখৰে এই বুলি স্বপ্নাদেশ কৰিলে।

'অৰণ্যত ভ্ৰমণ কৰি ফুৰোঁতে তুমি সিংহত উঠি ফুৰা এটি কুমাৰ দেখিবলৈ পাবা, তেওঁক ধৰি ঘৰলৈ লৈ আহিবা, তেৱেঁই তোমাৰ পুত্ৰ হ'ব।' ৮৮-৯২

পুত্ৰ লাভ পাই স্বপ্নৰ কথা সুঁৱৰি ৰজাই আনন্দ লাভ কৰিলে। তাৰ পিছত মৃগয়া কৰিবলৈ বুলি এদিন ৰজা এখন দূৰ অৰণ্যলৈ গ'ল।

দুপৰীয়া সময়ত ৰজাই সেই অৰণ্যত পদুম ফুলেৰে ভৰি থকা এখন সৰোবৰৰ পাৰত সূৰ্য্যসম কান্তিসম্পন্ন এটি সিংহাৰূঢ় বালক দেখিবলৈ পালে। তেতিয়া ৰজাই স্বপ্নৰ কথা সুৱঁৰি ল'ৰাটিক নমাই আনি পানী খাবলৈ যোৱা সিংহটোক এপাত কাঁড় মাৰি মাৰিলে। বাণবিদ্ধ হৈ সিংহই নিজ শৰীৰ ত্যাগ কৰি মনুষ্য দেহ ধাৰণ কৰিলে। তাকে দেখি ৰজাই 'তোমাৰ এনে দুৰ্দ্দশাৰ কাৰণ কি' বুলি সোধাত মনুষ্য দেহী সিংহই ক'বলৈ ধৰিলে। ৯৩-৯৬

—'মহাৰাজ! মই ধনদ কুবেৰৰ মিত্ৰ সাত নামে যক্ষ। মই এসময়ত গঙ্গাত স্নান কৰি থকা অৱস্থাত এগৰাকী ঋষি কন্যা দেখি তেওঁৰ প্ৰতি আসক্ত হৈ পৰিছিলোঁ আৰু মোক দেখামাত্ৰেই তেওঁৰো মোৰ দৰেই কাম ভাৱ উপজিছিল। তেতিয়া গান্ধৰ্ব প্ৰথাৰে তেওঁক বিয়া কৰি মই ভাৰ্য্যাৰূপে গ্ৰহণ কৰিলোঁ। ঋষি কন্যাৰ আত্মীয় স্বজনে এই কথাৰ গম পাই আমাৰ দুয়োকো 'তহঁত পাপিষ্ঠ, স্বেচ্ছা-চাৰী, সিংহ হ'গৈ যা' বুলি অভিশাপ দিলে। তেওঁৰ শাপৰ অৱধি নিজৰ পুত্ৰজন্ম আৰু মোৰ শাপৰ অৱধি তোমাৰ শৰাঘাত বুলি মুনি-সকলে নিৰ্ণয় কৰিলে। ৯৭-১০০

তৎক্ষণাত্ আমি দুয়ো এহাল সিংহ হৈ পৰিলোঁ। কালক্ৰমত সিংহৰূপিণী সেই ঋষি-কন্যা গৰ্ভৱতী হ'ল আৰু এটি পুত্ৰ জন্ম দি মৃত্যুৰ মুখত পৰিল। তেতিয়া মই অন্যান্য সিংহিনীৰ স্তন-দুগ্ধেৰে পুত্ৰক ডাঙৰ-দীঘল কৰিলোঁ। তোমাৰ দ্বাৰা বাণাহত হৈ আজি মই শাপৰপৰা মুক্তি লাভ কৰিছোঁ। 'এতিয়া এই মহাপ্ৰাণ বালকক মই তোমাৰ হাতত অৰ্পণ কৰিছোঁ, তুমি গ্ৰহণ কৰা।' এই কথাকে পূৰ্বতে শাপ দিয়াৰ সময়ত ঋষিসকলে ব্যক্ত কৰিছিল। ১০১-১০৩

ইয়াকে কৈ সাত নামৰ সেই যক্ষ অন্তৰ্ধান হ'ল আৰু ইফালে ৰজায়ো ল'ৰাটি লৈ নিজ প্ৰাসাদলৈ প্ৰত্যাৱৰ্তন কৰিলে। 'সাত নামৰ যক্ষই বহন কৰা বাবে' ৰজাই ল'ৰাটিৰ নাম থ'লে সাতবাহন। কালক্ৰমত তেওঁক ৰাজ্যত অভিষিক্ত কৰি ৰজা বানপ্ৰস্থী হ'ল আৰু তেতিয়া সাতবাহন সাৰ্বভৌম ৰজা হ'ল। ১০৪-১০৬

(মূল) এইখিনি কোৱাৰ পিছত কাণভূতিৰ অনুৰোধ ক্ৰমে শ্ৰীমান্ গুণাঢ্যই মূল আখ্যান অনুসৰণ কৰি পুনাই ক'বলৈ ধৰিলে। ১০৭

২. (অ.) গুণাঢ্যৰ কথা: ৰজা সাতবাহনৰ অপমান:

তাৰ পিছত এসময়ত বসন্ত কালত ৰজা সাতবাহনে সেই দেৱী-নিৰ্মিত উদ্যানত বিহাৰ কৰিছিল। মহেন্দ্ৰই নন্দন বনত বিহাৰ কৰাৰ দৰে সাতবাহনেও সেই উদ্যানত বহু পৰ বিহাৰ কৰি ৰমণীসকলৰ সৈতে জলক্ৰীড়াৰ বাবে পুখুৰীৰ পানীত নামিল। ৰজাই প্ৰিয়তমা ৰমণীসকলৰ মুখলৈ কৌতুকেৰে হাতেৰে পানী ছটিয়াবলৈ ধৰিলে আৰু তেওঁলোকেও ওলোটাই তেওঁৰ মুখলৈ পানী ছটিয়াবলৈ ধৰিলে, যেন এজাক মাইকী হাতীয়ে মথনা এটাৰ গাত শুৰেৰে পানী ছটিয়াইছে।

পানীয়ে চকুৰ অঞ্জন ধুৱাই নিলত ৰাণীসকলৰ চকুবোৰ তাম বৰণীয়া হৈ পৰিল আৰু তিতা কাপোৰ গাত লেপেটি খাই লাগি ধৰাত ৰাণীসকলৰ গাৰ প্ৰত্যেকটো ভাঁজ চকুত পৰাকৈ জিলিকি উঠিল। এই অৱস্থাতে তেওঁলোকে ৰজাৰ গালৈ পানী ছটিয়াই আছিল আৰু ৰজায়ো বতাহে বনৰীয়া লতাৰ ফুল পাত ছিঙি নঠংগা কৰাৰ দৰে ৰাণীহঁতৰ গাৰপৰা পুষ্প স্বৰূপ বসন-আভৰণ গুচাই তেওঁলোকক নাঙঠ কৰিলে। ১০৮-১১২

মহিষীসকলৰ ভিতৰৰ শিৰীস-কুসুম-পেলৱাঙ্গী এগৰাকী মহিষী স্তনযুগলৰ ভৰত জলক্ৰীড়াত অত্যন্ত ক্লান্ত হৈ পৰিল। ৰজাই বাৰে বাৰে তেওঁৰ মুখলৈ পানী ছটিয়াই থকা সহ্য কৰিব নোৱাৰি তেওঁ ৰজাক ক'লে, "মহাৰাজ! মোদকৈঃ পাড়িতাড়য়।" (মা উদকৈঃ পৰিতাড়য়—পানী ছটিয়াই মোক কষ্ট নিদিব)। সেই কথা শুনি ৰজাই তালৈ বহুত মোদক (মিঠাই) অনালে, তাকে দেখি সেই ৰাণী গৰাকীয়ে হাঁহি হাঁহি ৰজাক ক'লে। ১১৩-১১৫

—"মহাৰাজ! পানীত নামি গা ধুই থকা অৱস্থাত মোদকৰ কি প্ৰয়োজন? 'মোৰ গালৈ আৰু পানী নছটিয়াব' বুলিহে মই আপোনাক কৈছিলোঁ। 'মা' শব্দ আৰু 'উদক' শব্দৰ মাজত হোৱা সন্ধিটোও (মা+উদক=মোদক) নেজানে, কি প্ৰসঙ্গত কোৱা হৈছে সেই কথাও নেজানে, আপুনি এনে মূৰ্খ কেনেকৈ হ'ল?" ১১৬-১১৭

শব্দ-শাস্ত্ৰ-বিশাৰদা ৰাণীয়ে এনেকৈ কোৱাত অন্যান্য ৰাণীসকলে হাঁহিলে; ৰজা লেতিৰা পেতি পেতি লাজত মৰি যোৱা যেন হ'ল।

তেওঁৰ মনৰ অহঙ্কাৰ চূড়মাৰ হ'ল, অপমানিত হৈ তৎক্ষণাত তেওঁ জলক্ৰীড়া পৰিত্যাগ কৰিলে আৰু কোনেও নেদেখাকৈ নিজৰ শয়ন কক্ষ পালেগৈ। ৰজাই চিন্তাত মুহ্যমান হৈ আহাৰ-পানী এৰিলে, সুধিলেও কোনো কথাৰ উত্তৰ নিদিয়া হ'ল—যেন এটা মূৰ্তিমান চিত্ৰ হে। শোকসন্তপ্ত হৈ ৰজাই শয্যাত নিজৰ গা এৰি দি ভাবিবলৈ ধৰিলে। 'পাণ্ডিত্য নাইবা মৃত্যু, এই দুটাৰ ভিতৰত এটাৰ মই আশ্ৰয় ল'ব লাগিব।' ১১৮-১২১

অকস্মাৎ ৰজাৰ এনেকুৱা অৱস্থা হোৱা দেখি ৰজাৰ পৰিজন-বৰ্গই 'ৰজাৰ কি হ'ল' বুলি আকুল হৈ চিন্তা কৰিবলৈ ধৰিলে। ১২২

ইয়াৰ পিছত শৰ্ব বৰ্মা আৰু মই দুয়ো যেতিয়া লাহে লাহে তেনে অৱস্থাৰ কথা জানিব পাৰিলোঁ, তেতিয়া ৰাতি হ'ল। 'অস্বস্থ ৰজাৰ ওচৰলৈ ৰাতি যোৱা অনুচিত' বুলি ভাবি আমি ৰজাৰ ৰাজহংস নামৰ লগুৱাৰ (যি ৰজাক খবৰ জনায়) মতাই অনালোঁ। ১২৩-১২৪

ৰজাৰ শাৰীৰিক অৱস্থাৰ বিষয়ে সোধাত ৰাজহংসই এই বুলি ক'লে,—'মহাৰাজক এনেকুৱা বিষণ্ণ হোৱা আগেয়ে আমি কেতিয়াও দেখা নাই। বিষ্ণুশক্তিৰ কন্যা পণ্ডিতম্মন্যা ৰাণীয়ে ৰজাৰ এনে অৱস্থা কৰিছে বুলি অন্য ৰাণীসকলে বৰ খঙেৰে কৈছে।' ৰজাৰ খাচ লগুৱাৰ মুখৰপৰা ৰজা বিষণ্ণ হোৱাৰ কথা শুনি শৰ্ব বৰ্মাৰে সৈতে আমি দুয়ো চিন্তা কৰিবলৈ ধৰিলোঁ—'যদি ৰজাৰ কিবা ব্যাধি১ হৈছে, তেনেহ'লে চিকিৎসকক মতা উচিত; কিন্তু যদিহে ৰজা আধিপীড়িত২ হৈছে তেনেহ'লে তাৰ কোনো কাৰণ দেখা নাযায়। ৰজাৰ কোনো শত্ৰু নাই, ৰাজ্য নিষ্কণ্টক, সকলো প্ৰজা ৰজাৰ প্ৰতি অনুৰক্ত, ক'তো একো হানি-বিঘিনি দেখা নাই। এনে স্থলত কেনেকৈ ক'ৰপৰা ৰজাৰ দুশ্চিন্তা উত্তৱ হ'ল?'—এইদৰে মই ভাবি শুনি থাকোঁতে প্ৰতিভাশালী শৰ্ব বৰ্মাই ক'লে। ১২৫-১৩০

—"মই ৰজাৰ খং-বেজাৰৰ কাৰণ জানো; নিজৰ মূৰ্খতাৰ কাৰণে ৰজাৰ অনুতাপ হৈছে। ৰজাই নিজকে মূৰ্খ বুলি জানি পাণ্ডিত্য লাভৰ বাবে সদায় কামনা কৰি থকা ৰজাৰ মনোভাৱৰ কথা মই

---

১. ব্যাধি–শাৰীৰিক ৰোগ। ২. আধি–মানসিক ব্যথা, ৰোগ।

আগেয়ে জানো। ৰাণীৰ ওচৰত আজি ৰজা অপমানিত হৈছে আৰু সেয়ে তেওঁৰ বিষণ্ণতাৰ কাৰণ বুলি শুনিছোঁ।" ১৩১-১৩২

এইদৰে আমি দুয়ো পৰস্পৰ আলোচনা কৰি সেই ৰাতি অতি-বাহিত কৰিলোঁ আৰু পিছ দিনা পুৱাই আমি দুয়ো ৰজাৰ বাস ভৱনলৈ যাত্ৰা কৰিলোঁ। ৰজাৰ বিশ্ৰাম কক্ষলৈ সকলোৰে প্ৰৱেশ নিষিদ্ধ হোৱা সত্ত্বেও কোনো মতে মই ভিতৰ সোমালোঁ আৰু মোৰ পিছে পিছে সৰ্ব বৰ্মাও লাহেকৈ ভিতৰলৈ আহিল। ৰজাৰ ওচৰত বহি 'মহাৰাজ! অকাৰণত কিয় আপুনি বিষাদগ্ৰস্ত হৈছে ?' বুলি মই নিবেদন কৰিলোঁ।১৩৩-১৩৫

মোৰ কথা শুনিও ৰজা সাতবাহন পূৰ্বৰ দৰে মৌনী হৈয়ে ৰ'ল। পিছে তেতিয়া শৰ্ব বৰ্মাই এটা অদ্ভুত কথা ক'লে।

'মোৰ জ্ঞান লাভ হোৱাৰ উপায় দিয়া' এই বুলি মহাৰাজে মোক পূৰ্বতে এবাৰ কৈছিল, সেই কাৰণে কালি ৰাতি মই স্বপ্ন দৰ্শনৰ কৌশল অৱলম্বন কৰিলোঁ (সপোনত এজন পুৰুষ দেখাৰ আকাংক্ষা)। ৰাতি সপোন দেখিলোঁ —এজন দিব্যজ্যোতিৰ কুমাৰে বিকাশ কৰা পদুম ফুলবোৰ আকাশৰপৰা পৰিব লাগিছে। তাৰ পিছত দেখিলোঁ— সেই পদুমফুলবোৰৰ মাজৰপৰা শুক্লবস্ত্ৰ-পৰিহিতা এগৰাকী ৰমণী ওলাই আপোনাৰ মুখৰ ভিতৰলৈ সোমাল। এইখিনিলৈকে দেখাৰ পিছত মই সাৰ পালোঁ। মহাৰাজ! মোৰ মনেৰে সেই ৰমণী নিঃ-সন্দেহে সাক্ষাৎ দেৱী সৰস্বতী আৰু সেই দেৱীয়েই আপোনাৰ মুখত সোমাইছে।" ১৩৭-১৪০

শৰ্ব বৰ্মাই এইদৰে স্বপ্ন বৃত্তান্ত নিবেদন কৰিলত ৰজা সাতবাহনে মৌনতা পৰিত্যাগ কৰি অৰ্থপূৰ্ণ ভাৱে মোক সুধিলে।

"যত্ন পূৰ্বক একান্ত ভাৱে শিকিলে মানুহে কিমান দিনৰ ভিতৰত পাণ্ডিত্য লাভ কৰিব পাৰে ? আপুনি মোক কওকচোন। পাণ্ডিত্যৰ অবিহনে এই ৰাজ-সম্পদ মোৰ অকণো ভাল লগা নাই। কাঠৰ খুঁতিত পিন্ধোৱা এনেকুৱা ঐশ্বৰ্য্য-বিভূতিৰ প্ৰয়োজন কি ?" ১৪১-১৪৩

তেতিয়া মই এইদৰে উত্তৰ দিলোঁ।

"মহাৰাজ! সকলো শাস্ত্ৰৰ মুখ স্বৰূপ ব্যাকৰণ শাস্ত্ৰত ব্যুৎপত্তি লাভ কৰিবলৈ বাৰ বছৰ লাগে।"

শৰ্ব বৰ্মাৰ প্ৰতিজ্ঞা আৰু বৰ লাভ :

তাকে শুনি শৰ্ব বৰ্মাই ঈৰ্ষাৰে ক'লে, 'ৰজাৰ দৰে সুখত থকা লোকে কিয় ইমান দিন অধ্যয়নৰ ক্লেশ সহ্য কৰিব ? গতিকে মহাৰাজ! মই আপোনাক ছমাহৰ ভিতৰতে ব্যাকৰণত পাৰ্গত কৰি তুলিম ।' ১৪৪-১৪৬

এনেকুৱা অসম্ভৱ কথা শুনি মই তেতিয়া তেওঁক ক'লোঁ । "ছমাহৰ ভিতৰত যদি তুমি মহাৰাজক ব্যাকৰণত ব্যুৎপন্ন কৰিব পাৰা, তেনেহ'লে মই মনুষ্য সমাজত প্ৰচলিত সংস্কৃত ভাষা, প্ৰাকৃত ভাষা আৰু দেশীয় ভাষা—এই তিনিওটা ভাষা পৰিত্যাগ কৰিম ।"

তেতিয়া শৰ্ব বৰ্মাই প্ৰত্যুত্তৰ দিলে,—"মই যদি এই কাম কৰিব নোৱাৰোঁ তেনেহ'লে তোমাৰ পাদুকা জোৰ বাৰ বছৰ মূৰত তুলি লৈ ফুৰিম ।" ১৪৭-১৪৯

ইয়াকে কৈ তেওঁ তাৰপৰা গ'ল আৰু ময়ো মোৰ ঘৰলৈ উভতি আহিলোঁ । দুয়ো ফালে কাৰ্য্য সিদ্ধি হ'ব বুলি জানি ৰজা আশ্বস্ত হ'ল । অভিজ্ঞ শৰ্ব বৰ্মায়ো পালন কৰিব নোৱাৰা এনে এটা প্ৰতিজ্ঞা কৰি অনুতপ্ত হ'ল আৰু নিজৰ ভাৰ্য্যাক সকলো কথা ভাঙি পাতি ক'লে । সেই কথা শুনি তেওঁ (শৰ্ব বৰ্মাৰ ভাৰ্য্যা) বেজাৰ মনেৰে স্বামীক ক'লে,—"প্ৰভু ! এই সঙ্কট কালত কুমাৰস্বামী (কাৰ্ত্তিক)ৰ আশ্ৰয় লোৱাৰ বাহিৰে আপোনাৰ গত্যন্তৰ মই দেখা নাই ।"

শৰ্ব বৰ্মায়ো সেই কথাতে হয় ভৰ দি ৰাতি শেষ প্ৰহৰত ঘৰৰ পৰা নিৰাহাৰে কুমাৰস্বামীৰ মন্দিৰলৈ যাত্ৰা কৰিলে। ১৫০-১৫৩

চোৰাং চোৱাৰ মুখৰপৰা সেই কথা জানিব পাৰি পুৱা মই ৰজাক নিবেদন কৰিলোঁ । তাকে শুনি 'কি হ'ব বুজিব পৰা নাই' বুলি ৰজা চিন্তিত হৈ পৰিল । তেতিয়া সিংহগুপ্ত নামে হিতৈষী ৰাজ পুত্ৰই এইদৰে ক'লে,

—"মহাৰাজ ! আপোনাক তেতিয়া বিষণ্ণ দেখি মই অতিশয় কাতৰ হৈ পৰিছিলোঁ আৰু নগৰৰ বাহিৰলৈ গৈ আপোনাৰ মঙ্গলৰ কাৰণে মোৰ মূৰটো কাটি দেৱী চণ্ডিকাক অৰ্পণ কৰিব খুজিলোঁ । 'এনেকুৱা কাম কেতিয়াও নকৰিবা, ৰজাৰ মনোবাঞ্ছা নিশ্চয় পূৰ্ণ হ'ব' বুলি আকাশ বাণীয়ে মোক নিজৰ শিৰশ্ছেদ কৰাত বাধা দিলে। এই উক্তিত আপোনাৰ সিদ্ধি লাভ নিহিত আছে ।" ১৫৪-১৫৭

ইয়াকে কৈ সিংহগুপ্তই ৰজাৰগৰা বিদায় ল'লে আৰু শৰ্ব বৰ্মাৰ গতি-বিধি জানিবৰ বাবে দুটা গুপ্তচৰ পঠালে। ১৫৮

ইফালে শৰ্ব বৰ্মায়ো কেৱল বায়ু ভক্ষণ কৰি নিৰাহাৰে মৌনী হৈ গৈ ক্ৰমে কুমাৰস্বামীৰ মন্দিৰত উপস্থিত হ'ল। শৰীৰলৈ আওকাণ কৰি শৰ্ব বৰ্মাই কঠোৰ তপস্যাৰে কাৰ্ত্তিকক সন্তুষ্ট কৰাত কাৰ্ত্তিকে তেওঁক অভীষ্ট (বৰ) প্ৰদান কৰিলে। তেতিয়া সিংহগুপ্ত-প্ৰেৰিত গুপ্তচৰ দুটা ৰজাৰ ওচৰলৈ আহি শৰ্ব বৰ্মাই সিদ্ধি লাভ কৰাৰ কথা ৰজাক জনালে। ১৫৯-১৬১

ভাৱৰে ওন্দোলাই অহা দেখিলে চাতক চৰাই আৰু হাঁহৰ ক্ৰমে আনন্দ বিষাদ জন্মাৰ দৰে এই বাৰ্তা শুনি ৰজা আৰু মোৰ ক্ৰমে আনন্দ বিষাদে দেখা দিলে। কুমাৰৰ বৰৰ প্ৰভাৱত সিদ্ধি লাভ কৰি শৰ্ব বৰ্মায়ো স্মৰণ মাত্ৰেই উপস্থিত হোৱা সকলো বিদ্যা ৰজাক প্ৰদান কৰিলে আৰু তৎক্ষণাত সকলো বিদ্যা ৰজা সাতবাহনৰ অন্তৰত প্ৰকাশিত হ'ল। ঈশ্বৰৰ কৃপা হ'লে নো কি নোহোৱাকৈ থাকে? ১৬২-১৬৪

ৰজা সাতবাহনে সৰ্ববিদ্যা লাভ কৰাৰ বাৰ্তা প্ৰচাৰ হোৱা মাত্ৰে আনন্দমুখৰ ৰাজ্যত ৰাজ্যজুৰি উৎসৱ অনুষ্ঠিত হ'ল। উৎসৱ উপলক্ষে প্ৰাসাদৰ ওপৰত তোলা পতাকাবিলাক বতাহ লাগি কঁপাত আনন্দত নাচি থকা যেন দেখা গৈছিল। ১৬৫

তাৰ পিছত ৰজা সাতবাহনে প্ৰণাম পূৰ্বক শৰ্ব বৰ্মাক গুৰুপদত বৰণ কৰি ৰাজযোগ্য বস্ত্ৰ-অলঙ্কাৰেৰে অৰ্চনা কৰিলে আৰু নৰ্মদা নৈৰ পাৰৰ ভৰুকচ্ছ নামৰ অঞ্চল (বিষয়)ৰ স্বামিত্ব প্ৰদান কৰিলে। যি জনে সকলোৰে আগতে শৰ্ব বৰ্মাই কাৰ্ত্তিকেয়ৰপৰা বৰ লাভ কৰাৰ বাতৰি গুপ্তচৰৰ মুখে শুনিছিল, সেই সিংহগুপ্তক ঐশ্বৰ্য্য-সম্পদ প্ৰদানেৰে সন্তুষ্ট কৰি নিজৰ সমতুল্য ৰজা পাতিলে আৰু ৰজা বিষ্ণুশক্তিৰ কন্যা সেই ৰাণীক সৰ্ববিদ্যা লাভৰ কাৰণ বুলি ভাব কৰি সন্তুষ্ট হৈ তেওঁক সকলো পট্টমহিষীৰ ওপৰত মহাদেৱীৰ পদত স্বয়ং অভিষিক্ত কৰিলে। ১৬৬-১৬৭

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথাপীঠ
নামৰ লম্বকৰ ষষ্ঠ তৰঙ্গ।
ষষ্ঠ তৰঙ্গ, শ্লোক ১৬৭

কথাপীঠ লম্বক

সপ্তম তৰঙ্গ

২. (অ.) গুণাঢ্যৰ কথা :

মই মৌন ব্ৰত ধাৰণ কৰি থকা অৱস্থাতে এদিন ৰজাৰ ওচৰলৈ আহিলোঁ । মই ৰাজসভালৈ অহাৰ সময়তে এজন ব্ৰাহ্মণে স্বৰচিত এফাঁকি কবিতা আবৃত্তি কৰি ৰজাক শুনালে । ৰজায়ো বিশুদ্ধ সংস্কৃত ভাষাৰে তেওঁৰে সৈতে কথা পাতিলে । তাকে দেখি তাত উপস্থিত থকা সকলো লোক (ৰজাৰ পাণ্ডিত্যত) আনন্দিত হ'ল । তেতিয়া ৰজাই শৰ্ববৰ্মাক এই বুলি সানুনয়ে অনুৰোধ জনালে ।

——"কুমাৰ কাৰ্ত্তিকেয়ৰ অনুগ্ৰহ আপোনাৰ ওপৰত কেনেকৈ বৰ্ষিত হ'ল, আপুনি নিজ মুখে আমাক শুনাওক ।" ১-৩

ৰাজ অনুগ্ৰহ-সূচক সেই কথাষাৰ শুনি শৰ্ব বৰ্মাই ক'বলৈ ধৰিলে ।

২. ও. কলাপ ব্যাকৰণৰ উৎপত্তি :

——"মহাৰাজ ! মই তেতিয়া (আপোনাৰ ওচৰত প্ৰতিজ্ঞা কৰাৰ পিছত) মৌনী হৈ নিৰাহাৰে কাৰ্ত্তিকেয়ৰ মন্দিৰলৈ যাত্ৰা কৰিলোঁ । তীব্ৰ তপস্যা (অনাহাৰ)ৰ বাবে মই বৰ কৃশ আৰু ক্লান্ত হৈ পৰিছিলোঁ, মন্দিৰ পাবলৈ অলপ দূৰ থাকোঁতে মই চেতনা হেৰুৱাই মাটিত বাগৰি পৰিলোঁ । মই সেই দৰে অচেতন হৈ মাটিত পৰি থকা অৱস্থাত হাতত শক্তি (এবিধ অস্ত্ৰ) ধাৰণ কৰা পুৰুষ এজনে আহি মোক——'বোপা, উঠা, তোমাৰ সকলো মনোবাঞ্ছা পূৰ্ণ হ'ব' বুলি কোৱা যেন শুনিলোঁ । সেই কথা শুনি অমৃতৰ ধাৰৰে সিক্ত হোৱা যেন অনুভৱ কৰি মই টোপনিৰপৰা সাৰ পাই উঠাৰ দৰে তৎক্ষণাত সংজ্ঞা লাভ কৰিলোঁ । মোৰ ভোক-পিয়াহ সকলো হৰিল ; মই সম্পূৰ্ণ সুস্থ হোৱা যেন অনুভৱ কৰিলোঁ । তাৰ পিছত দেৱতা কাৰ্ত্তিকেয়ৰ ওচৰ পাই ভক্তি-নম্ৰ হৃদয়েৰে স্নান সমাপন কৰিলোঁ আৰু মন্দিৰৰ গৰ্ভগৃহত প্ৰৱেশ কৰি দেৱতাৰ দৰ্শন লাভৰ বাবে উৎকণ্ঠিত হৈ অপেক্ষা কৰি থাকিলোঁ । ৪-৮

মন্দিৰৰ গৰ্ভগৃহত ভগবান স্কন্দই (কাৰ্ত্তিক) মোক দৰ্শন দিয়াৰ লগে লগে মোৰ অন্তৰত মূৰ্ত্তিমতী সৰস্বতীয়ে প্ৰৱেশ কৰিলে। তেতিয়া ভগবান স্কন্দই পঙ্কজতুল্য ছয়খন মুখেৰে একেলগে 'সিদ্ধো বৰ্ণসমাম্নায়ঃ' (অক্ষৰ-তত্ত্ব অৰ্থাৎ বৰ্ণ আৰু বৰ্ণৰ সংযোগত শব্দ ৰচনা) এই সূত্ৰটো আবৃত্তি কৰিলে। ৯-১০

সূত্ৰটো শুনাৰ পিছত ময়ো মানৱ-সুলভ চপলতাৰ বশবৰ্তী হৈ তাৰ পিছৰ সূত্ৰটো স্বকীয় কল্পনাৰে ৰচনা কৰি আবৃত্তি কৰি শুনালোঁ। তাকে শুনি ভগবান্ স্কন্দই আক্ষেপৰ সুৰত এই বুলি ক'লে। "তুমি যদি এই সূত্ৰটো যোগ নিদিলাহেঁতেন, তেনেহ'লে এই ব্যাকৰণে পাণিনিৰ ব্যাকৰণক চেৰ পেলালেহেঁতেন। সংক্ষিপ্ত-তাৰ বাবে এই ব্যাকৰণৰ নাম হ'ব কাতন্ত্ৰ (ক্ষুদ্ৰ নিবন্ধ) আৰু মোৰ বাহন ময়ূৰৰ পুচ্ছৰ নাম অনুসাৰে এই ব্যাকৰণ কলাপক (কলাপ) ব্যাকৰণ নামেৰেও প্ৰসিদ্ধ হ'ব।" ১১-১৩

ইয়াকে কৈ ভগৱান্ কাৰ্ত্তিকে এই অভিনৱ শব্দ শাস্ত্ৰ স্বয়ং মোৰ আগত সম্পূৰ্ণৰূপে ব্যক্ত কৰি মোক দুনাই ক'লে। "তোমাৰ ৰজা সাতবাহন পূৰ্ব-জন্মত কৃষ্ণ নামে এজন পৰম তপস্বী ঋষি আছিল; তেওঁ আছিল ভৰদ্বাজ মুনিৰ শিষ্য। এসময়ত সেই তপস্বীজনে এজনী ঋষি-কন্যা দেখিলে। সেই কন্যাই তেতিয়া তেওঁৰ প্ৰতি প্ৰেমানুৰাগ প্ৰকাশ কৰাত তেওঁ কাম-শৰত অতিশয় বিহ্বল হৈ পৰিল। সেই অশালীনতাৰ বাবে ঋষিবৃন্দৰ অভি-শাপত তেওঁ মৰলোকত মানুহ (সাতবাহন) হৈ জন্ম গ্ৰহণ কৰিছে আৰু সেই ঋষি কন্যায়ো তেওঁৰ ৰাণীৰূপে জন্ম লৈছে। ৰজা সাতবাসহন ঋষিৰ অৱতাৰ, গতিকে তোমাৰ দৰ্শনমাত্ৰেই তোমাৰ ইচ্ছা অনুসাৰে সকলো বিদ্যা তেওঁৰ আয়ত্ত হ'ব। কিয়নো পূৰ্ব জন্মাৰ্জিত পৱিত্ৰ কৰ্ম-সংস্কাৰৰ ফলত মহাত্মাসকল অক্লেশে অতিশয় উত্তম সিদ্ধি লাভ কৰিবলৈ সমৰ্থ হয়।" ১৪-১৯

ইয়াকে কৈ ভগৱান্ কাৰ্ত্তিক অন্তৰ্দ্ধান হোৱাত মই মন্দিৰৰ বাহিৰলৈ আহিলোঁ; মোক তেতিয়া মন্দিৰৰ পূজাৰীসকলে অল্প চাউল দিলে। তাৰ পিছত মই ৰাজপথৰ ইয়ালৈ গুছি আহিলোঁ। আচৰিত কথা যে আহোঁতে বাটত নিতৌ সেই চাউলখিনি অল্প

অলপকৈ খাই অহা সত্ত্বেও অকণো হীন ডেঢ়ি নোহোৱাকৈ প্ৰথমে যিমান আছিল সিমান হৈয়ে থাকিল। ২০-২১

২. (অ.) গুণাঢ্যৰ কথা :

এই দৰে শৰ্ব বৰ্মাই নিজৰ বৃত্তান্ত কৈ শেষ কৰিলত ৰজা সাতবাহন সন্তুষ্ট চিত্তে স্নান কৰিবলৈ উঠিল। মৌনাবলম্বন কৰা বাবে সাংসাৰিক সকলো কামৰপৰা মই বিতৰত হৈ থাকিব লগা হ'ল। এনে অবস্থাত মোক বিদায় দিবলৈ ৰজাৰ অকণো মন নাছিল; তথাপি মই প্ৰণামেৰেই ৰজাৰপৰা বিদায় লৈ তপস্যা কৰিবলৈ বুলি শিষ্য দুজনৰ সৈতে আহি দেৱী বিন্ধ্যবাসিনীৰ মন্দিৰত উপস্থিত হ'লোঁ। দেৱী বিন্ধ্যবাসিনীয়ে স্বপ্নাদেশ কৰাত দেৱীৰ আদেশ অনুসাৰেই আপোনাৰ দৰ্শন মানসেৰে মই এই ভীষণ বিন্ধ্যাৰণ্যত প্ৰৱেশ কৰিছোঁহি। ভাগ্যক্ৰমে এটা পুলিন্দৰ (ভীল) কথা মতে সাৰ্থবাহ (বেপাৰী) দল এটাৰ লগত আহি ইয়াত উপস্থিত হৈছোঁ আৰু ইয়াত বহু পিশাচ দেখিবলৈ পাইছোঁ। ২২-২৬

পিশাচবিলাকৰ কথা-বাৰ্তা মই দূৰৈৰপৰা শুনিয়েই পৈশাচী ভাষা শিকিলোঁ। পৈশাচী ভাষাই মোৰ মৌন ব্ৰত পৰিত্যাগৰ কাৰণ (পৈশাচী ভাষাৰে কথা কৈ মৌন ভঙ্গ কৰিছোঁ।) পৈশাচী ভাষা জনা বাবে (পিশাচবোৰৰ কথাৰপৰা) 'আপুনি উজ্জয়িনীলৈ গৈছে' বুলি বুজিব পাৰি আপোনাৰ প্ৰত্যাগমনলৈ প্ৰতীক্ষা কৰি আছোঁ। আপোনাৰ দৰ্শন লাভ কৰি আপোনাক মই চতুৰ্থ ভাষাৰে (সংস্কৃত, প্ৰাকৃত আৰু দেশীয় ভাষা—এই তিনিটাতকৈ সুকীয়া পৈশাচী ভাষা) স্বাগত সম্ভাষণ জনাইছোঁ। এতিয়া মোৰ পূৰ্ব জন্মৰ সকলো কথা স্মৃতিপটলৈ আহিছে; এয়ে মোৰ বৰ্তমান জন্মৰ কাহিনী। ২৭-২৯

(মূঃ) গুণাঢ্যই নিজৰ কথা এই দৰে কোৱাৰ পিছত কাণভূতিয়ে তেওঁক ক'লে,—"কালি ৰাতি কেনেকৈ তোমাৰ আগমনবাৰ্তা জানিলোঁ, তোমাক কওঁ, শুনা। ভূতি বৰ্মা নামেৰে দিব্যদৃষ্টিসম্পন্ন মোৰ মিত্ৰ এটা ৰাক্ষস আছে। উজ্জয়িনীৰ ষিখন উদ্যানত সি বাস কৰে, তালৈ এদিন গৈ 'কেতিয়া মই অভিশাপমুক্ত হ'ম' বুলি তাক সুধিছিলোঁ। মোৰ প্ৰশ্নৰ উত্তৰত সি ক'লে,—"দিনত আমাৰ অকণো

শক্তি নাথাকে, অৰূপ হ'বা, ৰাতি হ'লে তোমাক ক'ম।"। 'বাৰু সেয়ে হওক' বুলি ৰাতি হোৱালৈ মই তাতে অপেক্ষা কৰি থাকিলোঁ আৰু ৰাতি হোৱাত প্ৰসঙ্গক্ৰমে 'ৰাতি ৰাক্ষসবিলাক আনন্দিত হোৱাৰ কাৰণ কি' বুলি তেওঁক সুধিলোঁ।' ৩০-৩৩

মোৰ প্ৰশ্ন শুনি তেতিয়া ভূতি বৰ্মাই ক'বলৈ ধৰিলে,—"ব্ৰহ্মাৰে সৈতে কথোপকথনৰ সময়ত ভগৱান শংকৰে যি কথা কৈছিল, তাকে তোমাক কওঁ, শুনা। 'দিনত সূৰ্য্যৰ পোহৰত অভিভূত হোৱা বাবে ৰাক্ষস, যক্ষ আৰু পিশাচৰ কোনো শক্তি নাথাকে, সেই দেখি ৰাতি হ'লেহে এওঁলোক হৰ্ষযুক্ত হয়। য'ত দেৱতা আৰু ব্ৰাহ্মণৰ যথা-যোগ্য পূজা নহয় আৰু য'ত মানুহে নিয়ম-নীতি লঙ্ঘন কৰি ভোজন কৰে, তাত এওঁলোকৰ (যক্ষ-ৰাক্ষস-পিশাচ) প্ৰভাৱ বৃদ্ধি হয়। য'ত মানুহে মাংস ভক্ষণ নকৰে আৰু য'ত সতী-সাধ্বী নাৰীয়ে বাস কৰে, সেই ঠাইলৈ এওঁলোক নাযায়। সাধুপুৰুষ, বীৰপুৰুষ আৰু জাগ্ৰত পুৰুষকো এওঁলোকে কেতিয়াও আক্ৰমণ নকৰে।' ৩৪-৩৭

এইখিনি কথা কোৱাৰ পিছত ভূতি বৰ্মাই মোক তৎক্ষণাত আকৌ ক'লে,—"তোমাৰ শাপমুক্তিৰ কাৰণ স্বৰূপ গুণাঢ্য ইয়ালৈ আহিছে, তেওঁৰ ওচৰলৈ যোৱাঁ।" ৩৮

হে প্ৰভু! এই কথা শুনি মই আপোনাৰ ওচৰলৈ চপাইআহি আহিছোঁ আৰু আপোনাৰ সাক্ষাৎ লাভ কৰিছোঁ। পুষ্পদন্তই মোৰ আগত যি আখ্যান বৰ্ণনা কৰিছিল, মই এতিয়া তাকে ক'ব খুজিছোঁ। কিন্তু এটা কথাত মোৰ বৰ কৌতূহল জন্মিছে। কওকচোন তেওঁৰ নাম মাল্যবান্ হোৱাৰেই বা কাৰণ কি?

কাণভূতিৰ এই প্ৰশ্ন শুনি গুণাঢ্যই তেওঁক ক'বলৈ ধৰিলে। ৩৯-৪০

• পুষ্পদন্তৰ কথা :

গঙ্গাৰ পাৰত বহুসুৱৰ্ণক (অৰ্থাৎ বহু-সোণ থকা) নামেৰে এখন অগ্ৰহাৰ (ৰজাই ব্ৰাহ্মণক দান কৰা ভূমি) গাঁও আছে। তাত গোবিন্দদত্ত নামৰ এজন অতিশয় বিদ্বান্ ব্ৰাহ্মণে বাস কৰিছিল।

তেওঁৰ অগ্নিদত্তা নামে এগৰাকী পতিব্ৰতা পত্নী আছিল। কালক্ৰমত তেওঁৰ গৰ্ভত গঙ্গাদত্তৰ পাঁচোটা পুত্ৰ জন্মিল। ল'ৰা কেইটা দেখাত ধুনীয়া কিন্তু গোকাট মূৰ্খ। কালক্ৰমত সিহঁত বৰ অভিমানী হৈ উঠিল। এদিন সেই গোবিন্দদত্তৰ ঘৰত সাক্ষাৎ বৈশ্বানৰ সদৃশ (অগ্নিতুল্য) বৈশ্বানৰ নামৰ এজন ব্ৰাহ্মণ অতিথি হ'লহি। গোবিন্দদত্ত তেতিয়া ঘৰত নাছিল দেখি অতিথিয়ে তেওঁৰ পুত্ৰসকলক অভিবাদন জনালে, তেওঁলোকে হ'লে উপহাসেৰে হে প্ৰত্যভিবাদন কৰিলে। তেতিয়া সেই অতিথি ব্ৰাহ্মণে খঙত তেওঁৰ ঘৰৰপৰা ওলাই যাবলৈ উপক্ৰম কৰিলে। ৪১-৪৬

ঠিক সেই সময়তে গোবিন্দদত্ত আহি তাত উপস্থিত হ'ল আৰু সুধি পুছি অতিথিৰ ক্ৰোধৰ কাৰণ জানিব পাৰি তেওঁক অনুনয় বিনয় কৰিবলৈ ধৰিলে। তেতিয়া সেই ব্ৰাহ্মণ জনে ক'লে,

—"তোমাৰ ল'ৰা কেইটা মূৰ্খ আৰু পতিত, সিহঁতৰ সংসৰ্গত তুমিও পতিত। সেই কাৰণে তোমাৰ ঘৰত মই ভোজন নকৰোঁ, কিয়নো ইয়াৰ কোনো প্ৰায়শ্চিত্ত মই দেখা নাই।" তেতিয়া গোবিন্দদত্তই শপত খাই ক'লে,

——"আন নালাগে এই কুলাঙ্গাৰহঁতক মই কেতিয়াও স্পৰ্শকে নকৰোঁ।" অতিথিপ্ৰিয় তেওঁৰ ভাৰ্য্যায়ো সেই একে কথাকে দোহাৰিলে। তেতিয়া বৈশ্বানৰ কোনো মতে আতিথ্য গ্ৰহণ কৰিবলৈ মান্তি হ'ল। ৪৭-৫০

পিতাকৰ নিষ্কৰুণ আচৰণ দেখি দেৱদত্ত নামৰ তেওঁৰ ল'ৰাটো অতিশয় অনুতপ্ত হৈ পৰিল। 'পিতৃ-মাতৃৰ নিন্দনীয় জীৱন বৃথা' বুলি অতি বিষন্ন হৈ তেওঁ বদৰিকাশ্ৰমলৈ তপস্যা কৰিবলৈ গ'ল। তেওঁ তাত প্ৰথমে কেৱল তৰুসৰা পাত খাই আৰু পিছত ধূমপান কৰি মহাদেৱক তুষ্ট কৰিবলৈ বহুত দিন তপস্যা কৰিলে। দেৱদত্তৰ কঠোৰ তপস্যাত তুষ্ট হৈ মহাদেৱে দৰ্শন দি বৰ মাগিবলৈ দেৱদত্তক ক'লে। তাকে শুনি দেৱদত্তই 'মই যাতে চিৰদিন আপোনাৰ অনুচৰ হৈ থাকিব পাৰোঁ' বুলি বৰ মাগিলে।

'অকামা বিদ্যা লাভ কৰি পাৰ্থিব [illegible] কৰা, [illegible] তোমাৰ মনোবাঞ্ছা পূৰ্ণ হ'ব' বুলি মহাদেৱে বৰ দিলে। [illegible]

মহাদেৱবুগী বৰ ফাং কৰি দেৱদত্তই পাটলিপুত্ৰ নগৰদা যাত্ৰা কৰিয়ে আমা তাত বেদকুম্ভ মাংগী উপাধ্যায়গী, ওচৰদা যথানিয়মদা অধ্যয়ন কৰিবলে এঁকিয়ে। ভৰপুৰক্ত থবা অৱস্থাদা দেৱদত্তক এদিন কামাতুৰা চৈ গুৰুপত্নীনা ৱৰণ কৰিয়ে। খেদব বিষয় যে স্ত্ৰীৰ চিত্তবৃত্তি অতি চঞ্চল। এই ঘটনাই দেৱদত্তব চিনত কামনাৰ জোৰাৰ তুলিয়ে, তেও ততাজিকে সেই ঠাই পৰিত্যাগ কৰি অতি সাৱধানে প্ৰতিষ্ঠান পুৰদা যাত্ৰা কৰিয়ে। ৩৬-৩৮

প্ৰতিষ্ঠান পুৰত বৃদ্ধা পত্নীৰে সৈতে বাস কৰা মন্ত্ৰস্বামী নামে এজন উপাধ্যায়ক গুৰু বৰণ কৰি দেৱদত্তই যথোচিত বিদ্যা লাভ কৰিলে। প্ৰতিষ্ঠান পুৰত কৃতবিদ্য হোৱা সুপুৰুষ দেৱদত্তক এদিন ৰজা সুশৰ্মাৰ শ্ৰী নামে কন্যাই দেখিবলৈ পালে, শ্ৰী আছিল সাক্ষাৎ স্বৰ্গচ্যুতা লক্ষ্মী সদৃশ। ঠিক যেন চন্দ্ৰৰ অধিষ্ঠাত্ৰী দেৱতাইহে বিমানত বিৰাজ কৰিছে, এনে ভাবে বিমানৰ (প্ৰাসাদ) গৱাক্ষ-জালত বহি থকা কন্যা শ্ৰীক দেৱদত্তই একে নজৰতে দেখিবলৈ পালে। ভেতিয়া কন্দৰ্পৰ শৃঙ্খল স্বৰূপ দৃষ্টি পাতেৰে আবদ্ধ হৈ দুয়ো তাৰপৰা লৰ-চৰ কৰিব নোৱাৰা হ'ল। ৰাজ-কন্যাই তেনে অৱস্থাতে কন্দৰ্পৰ মূৰ্তিমতী আজ্ঞা স্বৰূপ এটা আঙুলি টোৰাই ইংগিতে, ওচৰলৈ আহা' বুলি দেৱদত্তক ইংগিত দিলে। ইংগিত মতে দেৱদত্ত ওচৰলৈ অহাত ৰাজকন্যাই অন্তঃপুৰৰ গৱাক্ষ খোলি দাঁতেৰে কামুৰি এপাহ ফুল তেওঁৰ গাত পেলাই দিলে। ৩৯-৪৪

ৰাজকন্যাৰ গূঢ় ইংগিতৰ অৰ্থ বুজিবলৈ অসমৰ্থ হৈ কিংকৰ্তব্য-বিমূঢ় দেৱদত্ত উভটি উপাধ্যায়ৰ ঘৰ পালেহি। ৰাজকন্যাৰ পৰা আঁতৰি অহাৰ পিছত কন্দৰ্পৰ শৰত তেওঁৰ অন্তৰ সেই পুৰি যাবলৈ ধৰিলে, দুখ কুটাই একো কথাও তেওঁ কব নোৱাৰিলে। তেনে কোনোবাই মুখৰ মাত কাঢ়ি নিলে, তেওঁ বোবা হৈ বহিল। ইফালে বুদ্ধিমান উপাধ্যায়ে দেৱদত্তৰ শৰীৰত কামৰ বিকৃতি লক্ষ্য কৰি বুজিলে সেই অৱস্থা কামৰ প্ৰভাৱত হোৱা বুলি প্ৰতিপাদন কৰিলে। তাৰ পিছত উপাধ্যায়ে লাহেকৈ কি কি ঘটিছিল সকলো-বিলাক দেৱদত্তই কোনো কথা লুকাই [illegible] প্ৰকাশ কৰিলে। ৪৫-৪৭

দেৱদত্তৰ কথা শুনি বিজ্ঞ উপাধ্যায়ে তেওঁক কলে—

"দাঁতেৰে কামুৰি ফুলপাহ পেলাই ৰাজকন্যাই সংকেত দিছে, 'এই নগৰৰ পুষ্পশোভিত পুষ্পদন্ত মন্দিৰত মোৰ কাৰণে অপেক্ষা কৰিবা' গতিকে এতিয়া তুমি তালৈ যোৱাঁ।" ৬৮-৬৯

শুকৰ মুখৰপৰা ৰাজকন্যাৰ সংকেতৰ মৰ্মাৰ্থ শুনাৰ পিছত দেৱদত্তৰ মনস্তাপ দূৰ হ'ল। তেওঁ ততালিকে সেই মন্দিৰলৈ আহি মন্দিৰৰ গৰ্ভ-গৃহত ৰাজকন্যালৈ প্ৰতীক্ষা কৰি থাকিল। ইফালে ৰাজ কন্যায়ো 'অষ্টমী তিথিত দেৱদৰ্শন কৰিবলৈ যাওঁ' বুলি অকলসৰে আহি মন্দিৰৰ গৰ্ভগৃহত প্ৰৱেশ কৰিলে। মন্দিৰৰ গৰ্ভ-গৃহত দুৱাৰৰ আঁৰত লুকাই থকা দেৱদত্তই ৰাজকন্যাক দেখিবলৈ পালে। দেখা মাত্ৰেই ঠিয় হৈ তৎক্ষণাত দেৱদত্তই ৰাজকন্যাৰ ডিঙিত সাৱটি ধৰিলে। তেতিয়া ৰাজকন্যাই 'কি আচৰিত! সংকেতৰ মৰ্মাৰ্থ তুমি কেনেকৈ বুজি পালা' বুলি সোধাত, 'মই নহয়, উপাধ্যায়েহে সংকেতৰ অৰ্থ বুজিব পাৰিছে' বুলি দেৱদত্তই উত্তৰ দিলে। উত্তৰ শুনি খণ্ডত জ্বলি-পকি ৰাজকন্যাই 'মূৰ্খ! তুমি মোক এৰি দিয়া' বুলি গোপন কথা প্ৰকাশ হোৱাৰ ভয়ত উচাট মাৰি তৎক্ষণাত তাৰপৰা গুচি গ'ল। ৭০-৭৪

দেৱদত্ত তেতিয়া তাৰপৰা এখন নিৰ্জন ঠাইলৈ গ'ল আৰু হাতত পায়ো হেৰুওৱা প্ৰিয়তমাৰ কথা সুঁৱৰি সুঁৱৰি প্ৰিয়াবিৰহত মৃতপ্ৰায় হৈ পৰিল। দেৱদত্তক তেনে অৱস্থাত দেখি পূৰ্বসন্তুষ্ট মহাদেৱে পঞ্চশিখ নামে তেওঁৰ এজন বিশেষ গণ (অনুচৰ)ক দেৱদত্তৰ যাতে অভীষ্ট সিদ্ধি হয়, তেনে কাৰ্য্য সম্পাদনৰ নিৰ্দেশ দিলে। ৭৫-৭৬

নিৰ্দেশ মতে পঞ্চশিখ তালৈ আহি দেৱদত্তক সান্ত্বনা দি তেওঁক স্ত্ৰীবেশ ধাৰণ কৰালে আৰু নিজেও বৃদ্ধ ব্ৰাহ্মণৰ বেশ ধৰিলে। তাৰ পিছত গণোত্তম পঞ্চশিখে স্ত্ৰীবেশধাৰী দেৱদত্তক লগত লৈ সুন্দৰী ৰাজকন্যা শ্ৰীৰ পিতৃ সুশৰ্মা ৰজাৰ ওচৰলৈ গৈ এই মৰ্মে নিবেদন কৰিলে।

—"মোৰ পুত্ৰ কোনো অজ্ঞাত ঠাইলৈ গৈছে, মই তেওঁক বিচাৰি যাওঁ। সেই কাৰণে মোৰ এই বোৱাৰীজনীক আপোনাক গতাই থৈ যাব খুজিছোঁ। মহাৰাজ! অনুগ্ৰহ কৰি এওঁক আশ্ৰয়

দিয়ক।" ৭৭-৭৯

তাকে শুনি ৰজা সুশৰ্মাই ব্ৰহ্মশাপৰ ভয়ত স্ত্ৰীবেশধাৰী সেই যুৱকক মহিলা বুলি ভাবি নিজৰ কন্যান্তঃপুৰত ঠাই দিলে। পঞ্চশিখে স্বস্থানলৈ প্ৰত্যাবৰ্তন কৰিলে। ইফালে স্ত্ৰীৰূপী দেৱদত্ত নিজৰ প্ৰাণপ্ৰিয়াৰ অন্তঃপুৰত বাস কৰি তেওঁৰ একান্ত ঘনিষ্ঠ হৈ পৰিল। এদিন ৰাতি স্ত্ৰীবেশী দেৱদত্তই ৰাজকন্যা শ্ৰীক কামোৎসুকা দেখি স্বৰূপ প্ৰকাশ কৰি গান্ধৰ্ব প্ৰথামতে তেওঁক বিয়া কৰালে। ৮০-৮২

কালক্ৰমত ৰাজকন্যা অন্তঃসত্বা হোৱা দেখি দেৱদত্তই পঞ্চশিখক স্মৰণ কৰিলে। স্মৰণ কৰা মাত্ৰকে পঞ্চশিখ তাত উপস্থিত হৈ কোনেও নেদেখাকৈ ৰাতি দেৱদত্তক তুলি লৈ গ'ল আৰু লৰালৰিকৈ যুৱকৰ স্ত্ৰীবেশ সলনি কৰিলে। পিছ দিনা পুৱা পঞ্চশিখে যুৱকক লগত লৈ বৃদ্ধ ব্ৰাহ্মণৰ বেশত সুশৰ্মা ৰজাৰ ৰাজসভাত উপস্থিত হৈ ৰজাক জনালে;

—"মহাৰাজ! অত দিনৰ মূৰত আজি মই মোৰ হেৰুৱা পুত্ৰ লাভ কৰিছোঁ; এতিয়া আপুনি মোক মোৰ বোৱাৰী ঘূৰাই দিয়ক।" ৮৩-৮৫

ৰজাই অনুসন্ধান কৰি আগ দিনা ৰাতি বামুণৰ বোৱাৰীয়েক ক'ৰবালৈ পলাই যোৱা বুলি জানিব পাৰি ব্ৰাহ্মণৰ শাপৰ ভয়ত সন্ত্ৰস্ত হৈ পৰিল। তেতিয়া মন্ত্ৰীসকলেৰে সৈতে আলোচনা কৰি ৰজাই অভিমত প্ৰকাশ কৰিলে। 'এওঁ ব্ৰাহ্মণ নহয়, এওঁ কোনোবা ছদ্মবেশী দেৱতাহে মোক প্ৰবঞ্চনা কৰিবলৈ আহিছে। এনেকুৱা ঘটনা প্ৰায়ে ঘটি থাকে।' ৮৬-৮৭

৩ ক ৰজা শিবিৰ কথা:

প্ৰাচীন কালত শিবি নামে এজন ৰজা আছিল; শিবি আছিল দয়ালু, দাতা, তপস্বী, সকলো প্ৰাণীৰ অভয়দাতা আৰু ধীৰ স্বভাৱৰ। ৰজা শিবিক পৰীক্ষা কৰিবলৈ বুলি এদিন ইন্দ্ৰ এটা সেন হৈ কপৌ চৰাইৰ ৰূপ ধৰা অগ্নিদেৱৰ পিছে পিছে খেদি আহিল।

শেনৰ ভয়ত কপৌটো গৈ ৰজা শিবিৰ কোলাত সোমাল। তেতিয়া খেদি যোৱা শেনটোৱে মানুহৰ মাতেৰে ৰজাক ক'লে। ৮৮-৯০

—"মহাৰাজ! মই ক্ষুধাতুৰ। মোৰ ভক্ষ্য এই কপৌটোক আপুনি এৰি দিয়ক; নহ'লে মই এতিয়াই মৰিম। মই মৰিলে আপোনাৰ কি ধৰ্ম হ'ব?"

তাকে শুনি শিবিয়ে শেনক ক'লে;

—"এই কপৌটো মোৰ শৰণাগত; ইয়াক মই কোনো মতে এৰি দিব নোৱাৰোঁ। কপৌৰ সলনি মই তোমাক কপৌৰ সমান মাংস দিওঁ।" ৯১-৯২

শেনটোৱে উত্তৰ দিলে;

—"মহাৰাজ! যদি সেয়ে আপোনাৰ অভিপ্ৰায়, তেনেহ'লে আপুনি আপোনাৰ শৰীৰৰ সিমানখিনি মাংস দিয়ক।"

'বাৰু সেয়ে হ'ব' বুলি ৰজা শেনৰ কথাত মান্তি হ'ল। ৯৩

তাৰ পিছত ৰজাই যিমানেই নিজৰ গাৰ মাংস কাটি তুলাচনীত দিয়ে, সিমানেই কপৌটো তাতকৈ গধুৰ হয়। তাকে দেখি ৰজা সশৰীৰে তুলাচনীত উঠিল আৰু লগে লগে 'সাধু' 'সাধু' বুলি দৈৱ বাণী উচ্চাৰিত হ'ল। ৰজাৰ প্ৰতি সন্তুষ্ট হৈ ইন্দ্ৰ আৰু যমে ক্ৰমে শেন আৰু কপৌৰ ৰূপ এৰি স্বৰূপ ধাৰণ কৰিলে আৰু শিবিক অক্ষতদেহ কৰিলে। তাৰ পিছত শিবিক অন্যান্য বৰ দি দুয়োজন দেৱতা অন্তৰ্দ্ধান হ'ল। ঠিক সেই দৰেই এতিয়া মোক পৰীক্ষা কৰিবলৈ কোনোবা দেৱতা আহিছে। ৯৪-৯৭

৩. (অ:) পুষ্পদন্তৰ কথা:

মন্ত্ৰীসকলৰ আগত নিজ মনোভাৱ নিঃসঙ্কোচে প্ৰকাশ কৰি ৰজা সুশৰ্মাই ভীতি-বিহ্বল হৈ বিপ্ৰবেশধাৰী গণোত্তম পঞ্চশিখক ক'লে;

—"প্ৰভু! মোক অভয় দান কৰক। অহৰ্নিশে পহৰীয়াই ৰাখি থাকোঁতেও আজি নিশা (কালি ৰাতি) আপোনাৰ ঘোৱাৰীয়েকক কোনোবাই অপহৰণ কৰি নিলে নে তেওঁ নিজেই মায়া কৰি

কৰ্ণবালৈ পলাই গ'ল।" ৯৮-৯৯

ৰজাৰ কথা শুনি ব্ৰাহ্মণবেশী পঞ্চশিখে উত্তৰ দিলে,

—"মহাৰাজ! তেনেহ'লে আপোনাৰ কন্যাকে মোৰ ল'ৰালৈ দিয়ক।"

অভিশাপৰ ভয়ত সুশৰ্মাই ৰাজ-কন্যাক তেতিয়া দেৱদত্তলৈ বিয়া দিলে। ইকালে কাৰ্য্য সম্পাদন কৰি গণোত্তম পঞ্চশিখে স্বস্থানলৈ প্ৰত্যাবৰ্তন কৰিলে। ১০০-১০১

দেৱদত্তয়ো প্ৰিয়তমাক প্ৰকাশ্য ভাৱে দুনাই লাভ কৰি শহুৰেকৰ ঐশ্বৰ্য্য-সম্পদৰ মাজত সুখ উপভোগ কৰি আনন্দত দিন কটাবলৈ ধৰিলে, কিয়নো সেই কন্যাৰ বাহিৰে সুশৰ্মাৰ আন সতি-সন্ততি নাছিল। কালক্ৰমত সুশৰ্মা নিজৰ নাতিয়েক দেৱদত্তৰ পুত্ৰ মহীধৰক ৰাজ্যত অভিষিক্ত কৰি বানপ্ৰস্থী হ'ল। দেৱদত্তয়ো পুত্ৰক ৰাজ-ঐশ্বৰ্য্যৰে বিমণ্ডিত দেখি নিজ ভাৰ্য্যা সেই ৰাজকন্যাৰে সৈতে তপোবনলৈ যাত্ৰা কৰিলে। তপোবনত শিৱক আকৌ আৰাধনা কৰি তেওঁ প্ৰাণ ত্যাগ কৰিলে আৰু শিৱৰ অনুগ্ৰহত শিৱৰ গণত্ব লাভ কৰিলে। 'নিজ প্ৰিয়তমাই দাঁতেৰে কামুৰি ফুল পাহ তললৈ পেলাই দিয়াৰ সঙ্কেতাৰ্থ বুজিব নোৱাৰা বাবে শিৱৰ গণসংসদত তেওঁ পুষ্পদন্ত নামেৰে প্ৰখ্যাত হৈ পৰিল।' তেওঁৰ পত্নীও জয়া নামেৰে দেৱী পাৰ্ব্বতীৰ প্ৰতীহাৰী (দুৱৰী) হৈ ৰ'ল। এয়ে পুষ্পদন্ত নামৰ আঁতি-গুৰি। এতিয়া মোৰ নামৰ আখ্যান শুনক। ১০২-১০৭

৪. মাল্যৱানৰ কথা :

গোবিন্দদত্ত নামৰ দেৱদত্তৰ খিজন পিতৃৰ কথা কৈছোঁ, পূৰ্ব-কালত মই তেওঁৰে পুত্ৰ আছিলোঁ, মোৰ নাম সোমদত্ত। মঞো পিতৃৰ নিন্দাপূৰ্ণ আক্ষেপত অনুতপ্ত হৈ হিমালয়ত তপস্যা কৰিবলৈ গৈছিলোঁ। মই নিতৌ বহুত মালা অৰ্পণ কৰি শঙ্কৰক আৰাধনা কৰিছিলোঁ। মোৰ তপস্যাত তুষ্ট হৈ দেখা দি ভগৱান্ চন্দ্ৰশেখৰে মোক বৰ দিব খোজাত, মই অন্যান্য ভোগ বিলাসৰ বাসনা পৰি-

হাৰ কৰি 'সদায় তেওঁৰ অনুচৰ গণ হৈ থাকিবলৈ' বৰ প্ৰাৰ্থনা কৰিলোঁ। ১০৮-১১০

তেতিয়া গিৰিজাপতি শঙ্কৰে মোক এই বুলি বৰ দিলে;

—'যিহেতুকে তুমি গহন বনত উৎপন্ন কুসুমৰাজি নিজে আহৰণ কৰি মালা গাঁথি তাৰে মোৰ পূজা কৰিছা, সেই কাৰণে তুমি মাল্যৱান্ নামে মোৰ গণ হ'বা।' ১১১

সেই আদেশ হোৱাৰ লগে লগে মই মনুষ্য দেহ পৰিত্যাগ কৰি শিৱৰ গণত্ব লাভ কৰিলোঁ। ধূৰ্জ্জটিৰ কৃপাপ্ৰদত্ত নাম অনুসাৰেই মোৰ নাম মাল্যৱান্। শৈলাধিৰাজতনয়াৰ অভিশাপত মই দুনাই মানুহ হৈ জন্ম লৈছোঁ। হে কাণভূতি! আপুনি এতিয়া হৰমুখ-নিঃসৃত মহৎ কথা মোক শুনাওক, যাতে, তাকে শুনি আমাৰ দুয়োৰে শাপমুক্তি হয়। ১১২-১১৩

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত কথাসৰিৎ-
সাগৰৰ প্ৰথম লম্বকৰ সপ্তম তৰঙ্গ।
সপ্তম তৰঙ্গ, শ্লোক ১১৩

কথাপীঠ লম্বক
অষ্টম তৰঙ্গ

[মূঃ] গুণাঢ্যৰ অনুৰোধত সপ্তকথাময়ী (সাতোটা আখ্যান সম্বলিত) এই অপূর্ব কথা (আখ্যান) কাণভূতিয়ে তেতিয়া পৈশাচী ভাষাত ক'লে। শুনা মতেই গুণাঢ্যই পৈশাচী ভাষাত সাত বছৰে সেই কথাসমূহ সাত লক্ষ শ্লোকত গ্ৰন্থাকাৰে নিবদ্ধ কৰিলে। বিদ্যাধৰ-সকলে যাতে অপহৰণ কৰিব নোৱাৰে সেই উদ্দেশ্যে আৰু লগতে গভীৰ অৰণ্যত চিয়াঁহিৰ অভাৱত মহাকবি গুণাঢ্যই সাত লক্ষ শ্লোক নিজৰ গাৰ তেজেৰে লিপিবদ্ধ কৰিলে। ১-৪

আখ্যান শুনিবলৈ অহা সিদ্ধ-বিদ্যাধৰসকলেৰে আকাশ উপচি পৰাত আকাশত এখন চন্দ্ৰতাপ তৰি থোৱা যেন দেখা গৈছিল। গুণাঢ্যই নিবদ্ধ কৰা বৃহৎকথা দেখা মাত্ৰকে শাপমুক্ত হৈ কাণভূতিয়ে নিজৰ উত্তম গতি লাভ কৰিলে। সেই অপূর্ব কথা শুনি তাত থকা পিশাচ আৰু কাণভূতিৰ অন্যান্য সহচৰসকলেও স্বৰ্গ লাভ কৰিলে। ৫-৬

তাৰ পিছত মহাকবি গুণাঢ্যই মনে মনে চিন্তা কৰিবলৈ ধৰিলে,—'এই বৃহৎকথাই পৃথিৱীত প্ৰতিষ্ঠা লাভ কৰিলে মোৰ শাপমুক্তি হ'ব বুলি দেৱী পাৰ্বতীয়ে মোক পূৰ্বে কৈছিল। এতিয়ানো মই এই বৃহৎকথা কেনেকৈ প্ৰচাৰ কৰোঁ? কাৰ হাততনো এই কথা-গ্ৰন্থ সমৰ্পণ কৰোঁ?' ৭-৮

তেতিয়া নন্দিদেৱ আৰু গুণদেৱ নামে তেওঁৰ অনুগত শিষ্য দুজনে ক'লে,—"এই কথা-কাব্যৰ সমৰ্পণযোগ্য ব্যক্তি একমাত্ৰ সাতবাহন; তেওঁ কাব্যৰসিক। বতাহে ফুলৰ সৌৰভ বিয়পোৱা দি তেওঁ এই কাব্যৰ সৌৰভ বিলাব পাৰিব।" ৯-১০

গুণাঢ্যই 'তথাস্ত' বুলি গুণ-সম্পন্ন শিষ্য দুজনৰ হাতত বৃহৎ-কথা দি সাতবাহন ৰজাৰ ওচৰলৈ পঠালে। গুণাঢ্য নিজেও প্ৰতিষ্ঠানপুৰলৈ গৈ নগৰৰ বাহিৰত দেৱী উদ্যানত (ৰাজ দৰ্শনৰ) সংকেতলৈ অপেক্ষা কৰি থাকিল। ১১-১২

ইফালে শিষ্য দুজন সাতবাহন নৃপতিৰ ওচৰলৈ গৈ 'এইখন গুণাঢ্য-প্ৰণীত বৃহৎকথা' বুলি গ্ৰন্থখন ৰজাক দেখুৱালে। কথা গ্ৰন্থৰ পৈশাচী ভাষা শুনি আৰু শিষ্য দুজনৰো পিশাচ আকৃতি দেখি বিদ্যাৰ গৰ্বত ৰজা সাতবাহনে অসূয়া প্ৰকাশ কৰি ক'লে,—"সাত লক্ষ শ্লোক, নীৰস পৈশাচী ভাষা আৰু তেজেৰে লিখা আখৰ! পৈশাচী ভাষাৰ এই কথা (আখ্যান) ধিক্।" ১৩-১৫

তাকে শুনি শিষ্য দুজনে পুস্তকখন লৈ যেনেকৈ আহিছিল, তেনেকৈয়ে উভতি গৈ সকলো বৃত্তান্ত গুণাঢ্যৰ আগত নিবেদন কৰিলে। বৃত্তান্ত শুনি গুণাঢ্য অত্যন্ত বিষণ্ণ হৈ পৰিল; কিয়নো তত্ত্বজ্ঞ গুণগ্ৰাহী ব্যক্তিয়ে অৱজ্ঞা প্ৰকাশ কৰিলে কাৰ নো অন্তৰ্বেদনা নজন্মে। ১৬-১৭

তাৰ পিছত গুণাঢ্যই সশিষ্যে ওচৰৰ এটা পাহাৰলৈ গৈ পাহাৰৰ ওপৰৰ এডোখৰ নিৰ্জন ৰমণীয় ঠাইত এটা অগ্নিকুণ্ড নিৰ্মাণ কৰিলে। গুণাঢ্যই বৃহৎকথাৰ একোখিলা পাত হাতত লৈ পাঠ কৰি পশু-পক্ষীক শুনায় আৰু অগ্নিকুণ্ডত নিক্ষেপ কৰে; শিষ্য দুজনে অশ্ৰুপূৰ্ণ নয়নেৰে সেই দৃশ্য চাই থাকে। গুণাঢ্যই এই দৰে শিষ্য-দ্বয়ৰ অতিপ্ৰিয় একলক্ষ শ্লোক সম্বলিত নৰবাহন-দত্ত চৰিত কথাংশৰ বাহিৰে সমগ্ৰ বৃহৎকথা অগ্নিসাৎ কৰিলে। ১৮-২০

যেতিয়া গুণাঢ্যই বৃহৎকথা পাঠ কৰি পুথিৰ পাতবোৰ একোখিলাকৈ জুইত পুৰি আছিল, সেই সময়ত অৰণ্যৰ পহু, ম'হ, বৰাহ আদি এটাইবোৰ বনৰীয়া জন্তু তাত গোট খাই গুণাঢ্যক বেঢ়ি ধৰি অকণো লৰ-চৰ নকৰাকৈ সেই আখ্যান শুনিছিল; শুনোতে সিহঁতৰ চকুৰপনী টপ টপকৈ চকুলো বৈছিল। ২১-২২

ইতিমধ্যে ৰজা সাতবাহন অসুস্থ হৈ পৰিল। 'শুকান মাংস খোৱাৰ দোষত ৰোগ হৈছে' বুলি ৰাজ-বৈদ্যই ৰোগৰ কাৰণ ঠাৱৰ কৰিলে। এনে কাৰ্য্যৰ (শুকান মাংস যোগোৱা) বাবে তিৰস্কৃত হোৱাত চাংমাইহঁতে 'চিকাৰীহঁতে আমাক এনে মাংসকে দিছে' বুলি উত্তৰ দিলে। ২৩-২৪

তেতিয়া চিকাৰীহঁতক (শুকান মাংস যোগান ধৰাৰ বাবে) অভিযুক্ত কৰাত সিহঁতে এই বুলি জনালে।

—"সৌ ওচৰতে থকা পাহাৰটোৰ ওপৰত ব্ৰাহ্মণ এজনে পাঠ কৰাৰ পিছতে হাতৰ পুথিখনৰ একোখিলাকৈ পাত জুইত পেলাই পুৰি আছে। হাবিৰ সকলো পশু-পক্ষী তালৈ আহি ঘাঁহ-পানী এৰি একান্ত মনে সেই আখ্যান শুনি থাকে; সিহঁতে আজ কৰিলেকো নাযায়। সেই কাৰণে আহাৰৰ অভাৱত ভোকত সিহঁতৰ মাংস শুকাই গৈছে।" ২৫-২৬

চিকাৰীহঁতৰ কথা শুনি 'কিনো হৈছে' বুলি ৰজা সাতবাহনে চিকাৰীহঁতক আগত লৈ কৌতূহলবশতঃ নিজেই গুণাঢ্যৰ কাষ পালেগৈ। বনবাস খটা বাবে জটা-জুটেৰে পৰিপূৰ্ণ গুণাঢ্যক ৰজাই নুমাব ধৰা শাপাগ্নিৰ ধোঁৱাই আবৰি থোৱা একুৰা অগ্নি যেন দেখিলে। চকুলো বোৱাই বেঢ়ি থকা বনৰীয়া জন্তুবোৰৰ মাজত উপবিষ্ট গুণাঢ্যক দেখি ৰজাই চিনি পালে আৰু তেওঁৰপৰা সকলো বৃত্তান্ত জানিব খুজিলে। ২৭-২৯

জ্ঞানী গুণাঢ্যয়ো তেওঁ পুষ্পদন্ত নামেৰে জনাজাত হৈ থকা অৱস্থাত তেওঁৰ ওপৰত দেৱীৰ অভিশাপ, মৰ্ত্যলোকলৈ বৃহৎকথাৰ অৱতৰণ আদি সকলো বৃত্তান্ত আদ্যোপান্ত পৈশাচী ভাষাৰে ব্যক্ত কৰিলে। ৰজাই তেতিয়া গুণাঢ্যক গণৰ অৱতাৰ বুলি জানিব পাৰি হৰমুখনিঃসৃত সেই অলৌকিক কথা (আখ্যান) শুনাৰ আগ্ৰহ প্ৰকাশ কৰিলে। তেতিয়া গুণাঢ্যই ৰজা সাতবাহনক ক'লে,

"ছয় লক্ষ শ্লোকত বৰ্ণিত ছটা কথা (আখ্যান) পুৰি মই ভস্ম কৰিলোঁ। এক লাখ শ্লোকৰ মাত্ৰ এটা কথা (আখ্যান) অৱশিষ্ট আছে, তাকে গ্ৰহণ কৰক। মোৰ এই শিষ্য দুজনে কথা ব্যাখ্যা কৰি শুনাব।" ৩০-৩৩

ইয়াকে কৈ গুণাঢ্যই ৰজাৰ ওচৰত বিদায় লৈ যোগবলত প্ৰাণ ত্যাগ কৰিলে আৰু শাপমুক্ত হৈ নিজৰ দিব্য স্থানলৈ গতি কৰিলে। তেতিয়া ৰজা সাতবাহনে গুণাঢ্যপ্ৰদত্ত নৰবাহনদত্ত-চৰিত-সমন্বিত বৃহৎকথা নামৰ কথা-গ্ৰন্থ লৈ নিজ নগৰলৈ উভতি আহিল। নগৰলৈ প্ৰত্যাৱৰ্তন কৰি সাত-বাহনে কথা-কৰি গুণাঢ্যৰ গুণদেৱ আৰু নন্দিদেৱ নামৰ শিষ্য দুজনক ভূমি-ভৱন, বাহন, ধন-সোণ, বস্ত্ৰ-অলঙ্কাৰ আদি দানেৰে সম্বৰ্দ্ধনা জনালে। তাৰ পিছত সাতবাহনে

শিষ্য দুজনৰ সহায়ত বৃহৎকথাৰ মৰ্মৰ্থ উপলব্ধি কৰি বৃহৎকথা প্ৰথমে কেনেকৈ পৈশাচী ভাষাত প্ৰচাৰ হৈছিল, সেই বিষয়ে জনাবলৈ বৃহৎকথাৰ 'কথাপীঠ' ৰচনা কৰিলে। বিচিত্ৰ ৰস সম্পন্ন এই কথা ইমান লোকপ্ৰিয় হৈ পৰিল যে মানুহে দেৱতাৰ আখ্যানলৈ পিঠি দি কৌতূহলত এই কথা শুনিবলৈ ধৰিলে। নগৰত প্ৰসিদ্ধি লাভ কৰাৰ পিছত অচিৰে বৃহৎকথা তিনিও ভুৱনত বিয়পি পৰিল। ৩৪-৩৮

ইতি মহাকৱি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ
প্ৰথম লম্বকৰ অষ্টম তৰঙ্গ।
অষ্টম তৰঙ্গ, শ্লোক—৩৮

কথামুখ মাজৰ দ্বিতীয় লহৰ

এই মহৎ কথামৃত প্ৰাচীন কালত পাৰ্বতীৰ প্ৰণয়-ৰূপ মন্দাৰ পৰ্বতৰ আলোড়নৰ ফলত হৰৰ মুখ-সমুদ্ৰৰপৰা অমৃত-ৰূপে ওলাইছিল। যিসকলে আগ্ৰহেৰে এই কথামৃত পান কৰে, মহাদেৱৰ প্ৰসাদত তেওঁলোকে নিৰ্বিঘ্নে সমৃদ্ধি লাভ কৰি এই পৃথিৱীত দেৱতুল্য হৈ বিৰাজ কৰে।

কথামুখ লম্বক

প্ৰথম তৰঙ্গ

দেৱী পাৰ্বতীৰ প্ৰথম প্ৰণয়-আলিঙ্গনত শিৱৰ গাত জিলিকি উঠা ঘামৰ টোপালবিলাক শিৱৰ তৃতীয় নেত্ৰই ভস্ম কৰাৰ ভয়ত কামদেৱে নিক্ষেপ কৰা বাণশাস্ত্ৰ যেন হৈ পৰিছে—সেইবিলাকে তোমালোকক ৰক্ষা কৰক। ·১

বৎসৰাজ উদয়নৰ কথা ঃ

(মূঃ) যি মহৎ কথা প্ৰথমে কৈলাসত শিৱৰ মুখৰপৰা গণোত্তম পুষ্পদন্তই আৰু তাৰ পিছত ক্ৰমে পৃথিৱীত বৰৰুচি ৰূপে জন্ম লোৱা পুষ্পদন্তৰপৰা কাণভূতিয়ে আৰু কাণভূতিৰপৰা গুণাঢ্যই আৰু শেষত গুণাঢ্যৰ মুখৰপৰা সাতবাহনে শুনিছিল, বিদ্যাধৰসকলৰ সেই আচৰিত আখ্যান শুনাহঁক। ২-৩

স্বৰ্গৰ গৰ্ব খৰ্ব কৰিবলৈ বিধাতাই পৃথিৱীত স্বৰ্গৰ প্ৰতিদ্বন্দ্বী ৰূপে সৃষ্টি কৰা বৎস নামৰ এখন দেশ আছে। বৎস ৰাজ্যৰ মাজ ভাগত লক্ষ্মীৰ নিবাসভূমি মহানগৰী কৌশাম্বী পৃথিৱীৰ কাণৰ কুণ্ডলৰূপে বিৰাজমান। সেই মহানগৰী কৌশাম্বীত শতানীক নামে পাণ্ডৱ-বংশোদ্ভৱ এজন ৰজা আছিল, তেওঁ অভিমন্যুৰ প্ৰপৌত্ৰ, পৰীক্ষিতৰ নাতি আৰু জনমেজয়ৰ পুত্ৰ। এই বংশৰ আদি পুৰুষ অৰ্জুন, যি ত্ৰিপুৰাৰি মহাদেৱৰ ভুজদণ্ডৰ সন্মুখীন হৈ শৌৰ্য পৰাক্ৰম অনুভৱ কৰিছিল। ৪-৭

ৰজা শতানীকৰ দুগৰাকী ৰাণী—স-সাগৰা পৃথিৱী আৰু বিষ্ণুমতী; তাৰে এগৰাকীয়ে (পৃথিৱী) ৰত্নৰাজি প্ৰসৱ কৰিলে, কিন্তু ইগৰাকীয়ে (বিষ্ণুমতী) সন্তি-সন্তান প্ৰসৱ নকৰিলে। এসময়ত অৰণ্যত মৃগয়া কৰি ঘূৰি ফুৰোঁতে ৰজা শতানীকৰ শাণ্ডিল্য মুনিৰে

পৰিচয় হ'ল। তেতিয়া (ৰজাৰ অনুৰোধত) মুনিশ্ৰেষ্ঠ শাণ্ডিল্যই পুত্ৰাৰ্থী শতানীকৰ কৌশাম্বী নগৰলৈ আহি মন্ত্ৰপূত চৰু (পায়সান্ন) প্ৰস্তুত কৰি ৰাণীক খাবলৈ দিলে। ৮-১০

তাৰ পিছত বিষ্ণুমতীৰ সহস্ৰানীক নামে এটি পুত্ৰ জন্মিল। বিনয়েৰে বিভূষিত হ'লে গুণাৱলী উজ্জ্বল হোৱাৰ দৰে পুত্ৰৱান্ হৈ শতানীক অধিক সুশোভিত হৈ পৰিল। কালক্ৰমত সহস্ৰানীকক যুৱৰাজ পাতি ৰাজ্য শাসনৰ দায়িত্বৰপৰা মুক্ত হৈ শতানীকে একান্ত ভাৱে ৰাজসুখ উপভোগ কৰিবলৈ ধৰিলে। ১১-১২

এসময়ত দেৱতা আৰু অসুৰৰ যুদ্ধ আকৌ আৰম্ভ হোৱাত দেৱৰাজ ইন্দ্ৰই সহায় বিচাৰি শতানীকৰ ওচৰলৈ মাতলিক১ দূতৰূপে পঠালে। তেতিয়া শতানীকে যুগন্ধৰ নামে নিজৰ কাৰ্য্যকুশল মন্ত্ৰী আৰু সুপ্ৰতীক নামে সেনাপতিৰ হাতত পুত্ৰসহ ৰাজ্যভাৰ অৰ্পণ কৰি সমৰত অসুৰ সংহাৰৰ উদ্দেশ্যে মাতলিৰে সৈতে ইন্দ্ৰৰ অমৰাৱতীলৈ যাত্ৰা কৰিলে। ৰজা শতানীকে ঘোৰ যুদ্ধত যমদংষ্ট্ৰ আদি বহুত অসুৰ সংহাৰ কৰি নিজেই শেষত ইন্দ্ৰৰ চকুৰ আগতে মৃত্যুৰ মুখত পৰিল। মাতলিয়ে তেতিয়া ৰজা শতানীকৰ শৱ-দেহ কৌশাম্বীলৈ অনাত ৰাণী সহমৃতা হ'ল আৰু ৰাজলক্ষ্মীয়ে সহস্ৰানীকক বৰণ কৰিলে। আচৰিত কথা যে সহস্ৰানীক পৈত্ৰিক সিংহাসনত আৰোহণ কৰাত তেওঁৰ ভৰতে যেন সকলো ৰজাৰ শিৰ দোঁ খাই পৰিল। ১৩-১৮

ইয়াৰ পিছত ইন্দ্ৰই মাতলিক পঠাই স্বৰ্গত আয়োজন কৰা অসুৰ-বিজয় উৎসৱলৈ মিত্ৰ-পুত্ৰ সহস্ৰানীকক অনালে। নন্দন কাননত নিজ-নিজ প্ৰিয়াৰে সৈতে দেৱতাবৃন্দই যুগল ৰূপত বিহাৰ কৰা দেখি সহস্ৰানীক উপযুক্ত ভাৰ্য্যা লাভৰ চিন্তাত বিমৰ্ষ হৈ পৰিল। সহস্ৰানীকৰ মনোভাৱ লক্ষ্য কৰি বাসৱে ক'লে।

—"ৰাজন্! বিমৰ্ষ হোৱাৰ কোনো কাৰণ নাই, অচিৰে তোমাৰ মনোবাঞ্ছা পূৰ্ণ হ'ব। তোমাৰ পূৰ্ব-নিৰ্দিষ্ট যোগ্যভাৰ্য্যাই পৃথিৱীত জন্ম গ্ৰহণ কৰিছে। এতিয়া সেই কথা মোৰ মুখৰপৰা শুনা। ১৯-২২

—বহুকাল পূৰ্বে পিতামহ ব্ৰহ্মাৰ দৰ্শন মানসেৰে মই একাৰ

১, মাতলি-ইন্দ্ৰৰ ৰথৰ সাৰথি।

ব্ৰহ্মাৰ সভালৈ গৈছিলোঁ। মোৰ লগত বিধূম নামৰ এজন বসুও২ তালৈ আহিছিল। আমি ব্ৰহ্মাৰ সভাত থকাৰ সময়তে অলম্বুষা নামে এজনী অপ্সৰাও ব্ৰহ্মাক দৰ্শন কৰিবলৈ বুলি তালৈ আহিল। বতাহে অলম্বুষাৰ গাৰ কাপোৰ-কানি উৰাই নিয়াত অপ্সৰাৰ প্ৰকাশিত ৰূপ-যৌৱন দেখি বিধূম কামাতুৰ হৈ পৰিল আৰু ইফালে অপ্সৰা অলম্বুষাৰ দৃষ্টিও বিধূমৰ ৰূপত আকৃষ্ট হোৱাত তেৱোঁ নিশ্চল হৈ পৰিল। ২৩-২৫

তেওঁলোক দুয়োৰে (অলম্বুষা আৰু বিধূম) সেই অৱস্থা লক্ষ্য কৰি ব্ৰহ্মাই মোৰ মুখলৈ চালে। মই ব্ৰহ্মাৰ ইঙ্গিত বুজি খণ্ডত তেতিয়া দুয়োকে এই বুলি অভিশাপ দিলোঁ,—'অবিনীত বসু আৰু অপ্সৰা! তোমালোক দুয়ো মৰ্ত্ত্য ভূমিত মনুষ্যৰূপে জন্ম লৈ পতি-পত্নীৰূপে তাতে বাস কৰাঁগৈ।' ৰাজন্! তুমিয়েই সেই বিধূম বসু, চন্দ্ৰ বংশোত্তৰ ৰজা শতানীকৰ পুত্ৰ সহস্ৰানীক হৈ জন্ম লৈছা। সেই অপ্সৰা অলম্বুষায়ো অযোধ্যাৰ ৰজা কৃতবৰ্মাৰ কন্যা মৃগাৱতী ৰূপে জন্ম গ্ৰহণ কৰিছে; তেৱেঁই তোমাৰ ভাৰ্য্যা হ'ব। ২৬-২৯

ৰজাৰ প্ৰণয়-প্ৰৱণ অন্তৰত ইন্দ্ৰৰ বাক্যৰূপ বতাহে কামানল দপ্ দপ্ কৈ জ্বলাই তুলিলে। তাৰ পিছত ইন্দ্ৰই যথোচিত আদৰ সন্মান দেখুৱাই ৰজা সহস্ৰানীকক নিজৰ ৰথত তুলি মাতলিৰে সৈতে ৰাজধানী কৌশাম্বী নগৰলৈ পঠালে। সহস্ৰানীকে স্বৰ্গৰপৰা যাত্ৰা কৰা মুহূৰ্তত অপ্সৰা তিলোত্তমা অনুৰক্তা হৈ তেওঁৰ ওচৰলৈ আহি ক'লে,—"ৰাজন্! মই আপোনাক কথা এটা ক'ব খুজিছোঁ, খন্তেক অপেক্ষা কৰক।" তিলোত্তমাৰ কথা মৃগাৱতীক ধ্যান কৰি থকা সহস্ৰা-নীকৰ কাণত নোসোমাল। তিলোত্তমাৰ কথালৈ কাণ নিদি তেওঁ তাৰপৰা গুচি গ'ল। সহস্ৰানীকৰ আচৰণত তিলোত্তমাই লাজে-অপ-মানে মৰ্মাহত হৈ তেওঁক এই বুলি অভিশাপ দিলে,

—"ৰাজন্! তুমি যাৰ প্ৰতি আসক্ত হৈ মোৰ কথালৈ কাণ দিয়া নাই, সেই ৰমণীৰে সৈতে তোমাৰ চৈধ্য বছৰ বিচ্ছেদ ঘটিব।" ৩০-৩৪

২ বসু—এক শ্ৰেণীৰ দেৱতা; আঠজন বসু বিখ্যাত সেই দেখি অষ্ট-বসু বোলা হয়। পিছলৈ বসুৰ সংখ্যা তেত্ৰিশ আৰু তাতোঁকৈ বেছি হয়।

তিলোত্তমাৰ অভিশাপ মাতলিয়ে শুনিলে; কিন্তু প্ৰিয়ামিলনৰ বাবে উৎসুক হৈ থকা ৰজাই হ'লে নুশুনিলে। সহস্ৰানীক ৰথেৰে কৌশাম্বীলৈ আহিছিল যদিও তেওঁ কিন্তু মনেৰে অযোধ্যাহে পাই-ছিল গৈ। ৰাজ্যত উপস্থিত হৈয়ে ৰজাই ইন্দ্ৰৰপৰা শুনা মৃগাৱতী সম্পৰ্কীয় আখ্যান যুগন্ধৰ আদি অমাত্যবৰ্গৰ আগত আগ্ৰহেৰে প্ৰকাশ কৰিলে। ৰজাৰ তিলমান সময়ো অপেক্ষা কৰিবলৈ ধৈৰ্য্য নোহোৱা হ'ল আৰু সেই মুহূৰ্ত্ততে ছোৱালী খুজিবলৈ বুলি মৃগাৱতীৰ পিতাকৰ ওচৰলৈ তেওঁ দূত পঠালে। দূতৰ মুখৰপৰা সহস্ৰানীকে পঠোৱা বাতৰি শুনি কৃতবৰ্মাই আনন্দত অধীৰ হৈ সকলো কথা ৰাণী কলাৱতীক ক'লে। ৩৫-৩৮

তাকে শুনি ৰাণীয়ে ক'লে,—"মহাৰাজ! মৃগাৱতীক নিশ্চয় সহস্ৰানীকলৈ বিয়া দিব লাগিব। এতিয়া মোৰ মনত পৰিছে; এই কথাকে মোক এজন ব্ৰাহ্মণে সপ্নত কৈছিল।" ৩৯

তেতিয়া ৰজাই সন্তুষ্ট চিত্তে মৃগাৱতীৰ অতুল ৰূপৰাশিৰ লগতে তেওঁৰ নৃত্য-গীতত পাৰদৰ্শিতাও ৰাজদূতৰ আগত প্ৰদৰ্শন কৰিলে। যথাসময়ত কৃতবৰ্মাই সকলো সুকুমাৰ কলাৰ একমাত্ৰ আশ্ৰয় স্থল, চন্দ্ৰৰ মূৰ্তিমতী প্ৰতিমাতুল্য মৃগাৱতী কন্যাক ৰজা সহ-স্ৰানীকলৈ বিয়া দিলে। শাস্ত্ৰজ্ঞান আৰু সহজ প্ৰতিভাৰ সমন্বয় পৰস্পৰৰ পৰিপূৰক হোৱাৰ দৰে সহস্ৰানীক আৰু মৃগাৱতীৰ মিলনো পৰস্পৰৰ গুণাৱলীৰ প্ৰকাশক হৈছিল। ৪০-৪২

কালক্ৰমত সহস্ৰানীকৰ অমাত্যবৰ্গৰ পুত্ৰ জন্মিল; মন্ত্ৰী যুগন্ধৰৰ পুত্ৰ যৌগন্ধৰায়ণ, সেনাপতি সুপ্ৰতীকৰ পুত্ৰ ৰুমণ্বান্ আৰু ৰাজ-বিদূষকৰ পুত্ৰৰ নাম হ'ল বসন্তক। ইয়াৰ কিছু দিন পিছত সহস্ৰানীকৰ মহিষী মৃগাৱতীয়ে গৰ্ভ ধাৰণ কৰিলে; তেওঁৰ মুখখন লাহে লাহে শেতা পৰি যাবলৈ ধৰিলে। ৪৩-৪৫

মৃগাৱতীৰ এই ৰূপ অতৃপ্ত নয়নে চাই ৰজাৰ হেঁপাহ নপ-লোৱা হ'ল। এদিন মৃগাৱতীয়ে তেজৰ পুখুৰী এটাত গা ধোৱাৰ সাধ (দোহদ৩) স্বামীৰ আগত প্ৰকাশ কৰিলে। ধাৰ্ম্মিক ৰজাই

৩ দোহদ—গৰ্ভৱতী তিৰোতাৰ মনৰ বিশেষ হেঁপাহ বা ইচ্ছা।

তেতিয়া গৰ্ভৱতী ৰাণীৰ মনৰ হেঁপাহ পূৰ কৰিবলৈ এটা পুখুৰী খন্দালে আৰু লাৰ ৰস আদি বিধি ৰঙা বস্তুৰে পুখুৰীটোৰ পানী ৰঙা কৰি সাইলাখ তেজৰ পুখুৰী যেন কৰিলে। সেই পুখুৰীত নামি গা ধোৱাত আলতাৰ ৰং লাগি মৃগাৱতী (গা আৰু গাৰ কাপোৰ) ৰঙা হৈ পৰিল। তাকে দেখি গৰুড়ৰ বংশধৰ এটা ডাঙৰ চৰায়ে ৰাণীক এডোখৰ ডাঙৰ মঙহ বুলি ভাবি চোঁ মাৰি পুখুৰীত পৰিল আৰু ৰাণীক ক'ৰবালৈ উৰাই লৈ গ'ল। ৪৬-৪৮

সেই ডাঙৰ চৰাইটোৱে ৰাণীক কোনোবা অজান ঠাইলৈ উৰাই নিয়াত বিহ্বল ৰজাৰ ধৈৰ্য্যও যেন ৰাণীক বিচাৰি কেনিবাদি উৰি গ'ল। নিশ্চয় সেই পক্ষীয়ে ৰাণীক উৰাই নিয়াৰ লগতে ৰজাৰ চিত্তও অপহৰণ কৰিছিল, সেই দেখি ৰজা অচেতন হৈ মাটিত বাগৰি পৰিল। অলপ সময়ৰ পিছত ৰজাই চেতনা লাভ কৰিলে। ইফালে নিজৰ অলৌকিক প্ৰভাৱৰ বলত পৰিস্থিতিৰ বিষয়ে অৱগত হৈ মাতলি আকাশ মাৰ্গইদি আহি তাত উপস্থিত হ'ল। মাতলিয়ে তিলোত্তমাৰ অভিশাপ আৰু শাপান্তৰ কথা পূৰ্বে যেনেকৈ শুনিছিল সকলোখিনি কৈ সহস্ৰানীকক শান্ত্বনা দিলে আৰু নিজে স্বস্থানলৈ প্ৰস্থান কৰিলে। ৪৯-৫২

'হে প্ৰিয়ে! এতিয়া নিশ্চয় সেই পাপিয়সী তিলোত্তমাৰ অভিলাষ পূৰ্ণ হৈছে' ইত্যাদি প্ৰকাৰে শোকাতুৰ ৰজাই বিলাপ কৰিবলৈ ধৰিলে। মন্ত্ৰীসকলে নানা ভাৱে প্ৰবোধ দিয়াত আৰু অভিশাপ বৃত্তান্ত অৱগত হোৱাৰ পিছত পুনৰ্মিলনৰ আশাত সহস্ৰানীক কোনো মতে অলপ সুস্থ হ'ল। ৫৩-৫৪

সেই পক্ষীন্দ্ৰই ৰাজমহিষী মৃগাৱতীক লৈ উৰা মাৰি যাওঁতে নিমিষেতে তেওঁক জীৱন্ত প্ৰাণী বুলি জানিব পাৰি দৈৱক্ৰমে উদয়াচলত পেলাই থৈ উৰি গুচি গ'ল। পক্ষীয়ে মৃগাৱতীক দুৰ্গম পৰ্বতৰ পাদদেশত পেলাই থৈ যোৱাৰ পিছত তেওঁ শোকে ভয়ে বিহ্বল হৈ পৰিল। তেওঁৰ গাত মাত্ৰ এখনি বস্ত্ৰ, তেনেকৈ তেওঁ অকলে অকলে অৰণ্যত কান্দি আছিল। এনেতে এটা ডাঙৰ অজগৰে মুখ মেলি মৃগাৱতীক গিলিবলৈ খেদি আহিল। ঠিক সেই মুহূৰ্ত্ততে এজন দিব্য পুৰুষ ক'ৰবাৰপৰা অকস্মাৎ তাত ওলালহি। তেওঁ

অজগৰটো মাৰি মঙ্গলময় ভৱিষ্যতৰ সম্ভাৱনাপূৰ্ণ মৃগাৱতীক অজগৰৰ মুখৰপৰা ৰক্ষা কৰিলে আৰু ঠিতাতে নাইকিয়া হ'ল। ৫৫-৫৮

মনৰ দুখত মৰোঁ বুলি ৰাণী বনৰীয়া হাতীৰ আগত পৰিল গৈ, কিন্তু বনৰীয়া হাতীৰো যেন দয়া উপজিল, সিহঁতে ৰাণীক নামাৰিলে। আচৰিত কথা হিংস্র শ্বাপদ (বাঘ আদি) জন্তুৱেও ওচৰতে দেখিও ৰাণীক বধ নকৰিলে। ঈশ্বৰৰ ইচ্ছাত কিনো নহয়। তাৰ পিছত ৰাণীয়ে পৰ্বতৰ ওপৰৰপৰা তললৈ জাঁপ মাৰি প্ৰাণ ত্যাগ কৰিবলৈ মন কৰিলে আৰু স্বামীক সুঁৱৰি চিঞৰি চিঞৰি টেটু ফালি কান্দিবলৈ ধৰিলে। ৬৯-৬১

তেওঁৰ সেই কান্দোন শুনি ফল-মূল আহৰণ কৰিবলৈ অহা এজন ঋষিকুমাৰ তালৈ আহিল। ৰাণীক তেওঁ শোকৰ জীৱন্ত প্ৰতীক যেন দেখিলে। ৰাণীক সুধি-পুছি সকলো বৃত্তান্ত জানিব পাৰি সেই দয়ালু ঋষিকুমাৰে তেওঁক কোনো মতে আশ্বাস দি জমদগ্নি মুনিৰ আশ্ৰমলৈ আনিলে। ৰাণীয়ে জমদগ্নি মুনিক দেখি শান্তনাৰ মূৰ্তিমান ৰূপ যেন জ্ঞান কৰিলে; মুনিয়ে নিজৰ তপৰ প্ৰভাৱত উদয়াচলত স্থিৰ-প্ৰভাত-সূৰ্য্যৰ৪ দৰে বিৰাজ কৰিছিল। দিব্যদৃষ্টি সম্পন্ন আশ্ৰিত বৎসল মুনিয়ে তেওঁৰ ভৱিত পৰি বিৰহ-দুখত কান্দি থকা ৰাণীক শান্তনা দি ক'বলৈ ধৰিলে। ৬২-৬৫

—"আই! তোমাৰ এটি বংশধৰ পুত্ৰ সন্তান জন্ম হ'ব আৰু স্বামীৰে সৈতে তোমাৰ আকৌ মিলন হ'ব। তুমি মিছাতে শোক নকৰিবা।" মুনিৰ এই শান্তনা বচন শুনি ৰাণী মৃগাৱতীয়ে স্বামীৰে সৈতে পুনৰ মিলনৰ আশাত সেই আশ্ৰমত বাস কৰিবলৈ ধৰিলে। ৬৬-৬৭

আশ্ৰমত কিছু দিন থকাৰ পিছত মৃগাৱতীয়ে এটি শ্ৰেষ্ঠ পুত্ৰ-ৰত্ন প্ৰসৱ কৰিলে, যেন সাধুসকলৰপৰা প্ৰশংসনীয় সদাচাৰহে উত্তৰ হ'ল। পুত্ৰ জন্ম হোৱাৰ লগে লগে এই বুলি আকাশী বাণী উদ্ভাবিত হ'ল,—"এই বালক উদয়ন নামে এজন সবাৰ প্ৰশংসী ৰজা হ'ব আৰু তেওঁ সকলো বিদ্যাধৰৰ অধিপতি হ'ব।"

৪ স্থিৰ-প্ৰভাত-সূৰ্য্য—পুৱাৰ সূৰ্য্য ৰঙা কিন্তু লাহে লাহে সূৰ্য্যৰ ৰঙা বৰণ সলনি হয়, জমদগ্নি তপস্যাৰ প্ৰভাৱত চিৰ উজ্জ্বল।

এই আকাশী বাণীয়ে মৃগাৱতীক সমানে আচৰিত আৰু আনন্দিত কৰিলে। ক্ৰমে উদয়ন সেই আশ্ৰমত সখি-স্বৰূপ নিজৰ সঙ্গ গুণাৱলীৰ সৈতে সমানে ডাঙৰ হ'বলৈ ধৰিলেও। জমদগ্নি মুনিয়ে ক্ষত্ৰিয়োচিত সংস্কাৰসমূহ সম্পন্ন কৰি উদয়নক বিদ্যা শিক্ষা আৰু অস্ত্ৰ শিক্ষাত পাৰ্গত কৰিলে। মাক মৃগাৱতীয়ে তেতিয়া পুত্ৰস্নেহত সহস্ৰানীকৰ নামাঙ্কিত বলয় নিজৰ হাতৰপৰা সোলোকাই উদয়নৰ হাতত পিন্ধাই দিলে। ৬৮-৭৩

অৰণ্যত হৰিণা পহ চিকাৰ কৰি ফুৰোঁতে এদিন উদয়নে এটা বুঢ়া শবৰে৬ সাপ এটা ধৰি নিয়া দেখিবলৈ পালে। ধুনীয়া সাপটো দেখি সদয় হৈ উদয়নে বুঢ়া শবৰক ক'লে,—"মোৰ অনুৰোধ ৰক্ষা কৰি সাপটো এৰি দিয়া।"
উদয়নৰ কথা শুনি সাপুৰিয়া শবৰে উত্তৰ দিলে,

—"প্ৰভু! এয়া মোৰ জীৱিকা। মই বৰ নিঃকিন, মই সাপ নচুৱাই জীৱিকা নিৰ্বাহ কৰোঁ। আগেয়ে নচুৱাই ফুৰা সাপটো মৰাত এই মহা অৰণ্যত অতি কষ্টেৰে বিচাৰি বিচাৰি মন্ত্ৰ আৰু ঔষধৰ বলত এই সাপটো এতিয়া মই ধৰিছোঁ।" ৭৪-৭৭

শবৰৰ কথা শুনি দানী উদয়নে মাকে দিয়া খাৰুপাত হাতৰ-পৰা সোলোকাই শবৰক দিলে আৰু তাৰ বিনিময়ত সাপটো শবৰৰ হাতৰপৰা মুক্ত কৰিলে। খাৰুপাত লৈ সাপুৰিয়া শবৰ গুচি যোৱাৰ পিছত সাপটো উদয়নৰ সন্মুখলৈ আহি প্ৰণাম জনাই আনন্দ মনেৰে উদয়নক (মানুহৰ মাতেৰে) ক'লে।

—"মোৰ নাম বসুনেমি, মই বাসুকিৰ ককায়েক। আপুনি মোক ৰক্ষা কৰিছে। এতিয়া মই কৃতজ্ঞতাৰে দিয়া এই বীণাখন আপুনি গ্ৰহণ কৰক। এই বীণাৰ তন্ত্ৰীৰ ঝঙ্কাৰ মধুৰ আৰু গভীৰ, সকলো স্বৰ (সপ্তস্বৰ) এই বীণাৰ তন্ত্ৰীত সম্পূৰ্ণ বিভক্ত ভাৱে বণিত হয়। লগতে এই পাণ কেইখিলাও লওক। কেতিয়াও জেৰেঙি নোযোৱা মালা গোথাঁৰ কৌশল আৰু মচ খাই নোযোৱা তিলক কপালত লোৱাৰ কৌশলো মোৰপৰা শিকি লওক।" ৭৮-৮১

---

৫. উদয়ন ডাঙৰ হোৱাৰ লগে লগে তেওঁৰ সদ্‌গুণবোৰো বাঢ়িবলৈ ধৰিলে। ৬. শবৰ-অৰণ্যত বাস কৰা এটা জাতি।

তেতিয়া উদয়ন বসুনেমি নাগে দিয়া বস্তু কেইপদ লৈ জমদগ্নি মুনিৰ আশ্ৰমলৈ ঘূৰি আহিল আৰু মাকৰ মৰমৰ দৃষ্টিত অমৃত বৰষা যেন অনুভৱ কৰিলে। ইতিমধ্যে সেই শবৰেও উদয়নৰপৰা পোৱা খাৰুপাত লৈ অৰণ্যৰপৰা নগৰলৈ যাত্ৰা কৰিলে আৰু নগৰৰ এখন দোকানত খাৰুপাত বেচিবলৈ ধৰোঁতে ৰাজ-নামাঙ্কিত খাৰু দেখি নগৰ ৰখীয়া চিপাহীয়ে শবৰক ধৰি ৰাজভৱনলৈ লৈ আহিল। তেতিয়া স্বয়ং ৰজা সহস্ৰানীকে শোকাকুল চিত্তে শবৰক সুধিলে,

——"তুমি খাৰুপাত ক'ত পালা ?" তেতিয়া সেই শবৰেও উদয়াচলত সাপ এটা ধৰাৰেপৰা আৰম্ভ কৰি কেনেকৈ সেই খাৰুপাত পালে, নিজৰ সকলো বৃত্তান্ত ৰজাৰ আগত ভাঙি পাতি ক'লে। ৮২-৮৬

শবৰৰ কথা শুনি আৰু পত্নীৰ হাতৰ খাৰুপাত চিনি পাই ৰজা সহস্ৰানীক চিন্তাত দোদুল্যমান হৈ পৰিল ।

"মহাৰাজ! আপোনাৰ ওপৰত থকা অভিশাপৰ অন্ত পৰিছে। আপোনাৰ ভাৰ্য্যা মৃগাৱতী সপুত্ৰে উদয়াচলৰ জমদগ্নি মুনিৰ আশ্ৰমত কুশলে আছে।" —এইদৰে সেই সময়ত আকাশী বাণী উচ্চাৰিত হ'ল। বাৰিধাৰ বৰষুণে গ্ৰীষ্মৰ তাপত সন্তপ্ত ময়ূৰক আনন্দিত কৰাৰ দৰে সেই আকাশী বাণীয়েও প্ৰিয়া-বিৰহ-কাতৰ ৰজা সহস্ৰানীকক আনন্দিত কৰি তুলিলে। মিলনৰ আশাত উৎকণ্ঠিত সহস্ৰানীকৰ পক্ষে বৰ দীঘলীয়া যেন হোৱা সেই দিনটো কোনো মতে পাৰ হ'ল। পিছ দিনা পুৱাই তেওঁ প্ৰিয়তমাক লাভ কৰাৰ মানসেৰে সেই শবৰ-বৃদ্ধক আগত লৈ উদয়াচলৰ জমদগ্নি মুনিৰ আশ্ৰমলৈ লৰালৰিকৈ সসৈন্যে যাত্ৰা কৰিলে। ৮৭-৯০

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথামুখ নামৰ
দ্বিতীয় লম্বকৰ প্ৰথম তৰঙ্গ।

প্ৰথম তৰঙ্গ, শ্লোক ৯০

কথামুখ লম্বক
দ্বিতীয় তৰঙ্গ

(মুঃ) ৰজাই সেই দিনা কিছু দূৰ গৈ এখন অৰণ্যৰ মাজত এটা হ্ৰদৰ পাৰত শিবিৰ পাতিলে। শিবিৰত সন্ধ্যা লগাৰ পিছত শুবলৈ বুলি শয্যাত কাটি হৈ ৰজাই সেৱা-শুশ্ৰূষাত নিৰত সঙ্গতক নামে কথকক মাতি এই বুলি ক'লে। ১-২

—"মৃগাৱতীৰ মুখ-পঙ্কজ দৰ্শন কৰিবলৈ মই অতিশয় উৎকণ্ঠিত হৈ আছোঁ। এতিয়া মোৰ মনটোৰে শান্তি পোৱা এটা মনোমোহা সাধু কোৱা।" ৩

ৰজাৰ কথা শুনি সঙ্গতকে উত্তৰ দিলে,—"মহাৰাজ! কিয় মিছাতে শোক কৰি মন বেয়া কৰিছে? শাপান্তৰ সময় উপস্থিত হও হও হৈছে। ৰাণীৰে সৈতে আপোনাৰ মিলন আসন্ন। মহাৰাজ! মানুহৰ জীৱনত বিৰহ-মিলন সততে ঘটি থাকে। এই বিষয়ে মই বাৰু আপোনাক এটা সাধু কওঁ, শুনক।" ৪-৫

৫. শ্ৰীদত্ত-মৃগাঙ্কৱতীৰ কথা:

বহু কাল পূৰ্বে মালৱ দেশত যজ্ঞসেন নামে এজন ব্ৰাহ্মণে বাস কৰিছিল। সেই সাধু ব্ৰাহ্মণৰ লোকপ্ৰিয় দুজন পুত্ৰ আছিল। ল'ৰা দুটিৰ এটিৰ নাম কালনেমি আৰু ইটিৰ নাম বিগতভয়। পিতাকৰ মৃত্যুৰ সময়ত ল'ৰা দুটিয়ে শৈশৱ অতিক্ৰম কৰি কৈশোৰত ভৰি দিছিল মাত্ৰ; সেই বয়সতে দুয়ো বিদ্যা অৰ্জনৰ বাবে পাটলিপুত্ৰ নগৰলৈ যাত্ৰা কৰিলে। পাটলিপুত্ৰ নগৰত দুয়ো দেৱশৰ্মা নামে উপাধ্যায়ৰ পৰা সমস্ত বিদ্যা লাভ কৰিলে। বিদ্যা দানৰ পিছত উপাধ্যায়ে মূৰ্তিমতী বিদ্যাস্বৰূপ নিজৰ কন্যা দুটিকো কৃতবিদ্য তেওঁলোক দুয়োলৈ দান কৰিলে। ৬-৯

গৃহস্থী হৈ তাত বাস কৰা কালত ওচৰ চুবুৰীয়া গৃহস্থসকলক আড্যৱন্ত দেখি কালনেমিৰ ঈৰ্ষা জন্মিল। তেওঁ ব্ৰত-উপবাস পালন

কৰি অগ্নিত হোম দি লক্ষ্মীদেৱীক আৰাধনা কৰিলে। সাধনাত তুষ্ট হৈ লক্ষ্মী দেৱীয়ে তেওঁক সাক্ষাৎ দৰ্শন দি এই বুলি বৰ দিলে,—"তুমি মোৰ বৰত অশেষ ধন-সম্পদ লাভ কৰাৰ লগতে পৃথিৱীৰ অধীশ্বৰ হোৱা এটি পুত্ৰ লাভ কৰিবা; কিন্তু ঈৰ্ষা-কলুষিত অন্তৰেৰে অগ্নিত হোম দি মোৰ সাধনা কৰা বাবে অন্তত তুমি চোৰৰ দৰে অপঘাত মৃত্যু বৰণ কৰিবা।" ১০-১২

এই দৰে বৰ দি লক্ষ্মী দেৱী অন্তৰ্জান হ'ল। ক্ৰমে কালনেমি অজস্ৰ ধন-সম্পদৰ গৰাকী হ'ল আৰু কিছু দিনৰ পিছত তেওঁ এটি পুত্ৰও লাভ কৰিলে। 'শ্ৰী দেৱীৰ প্ৰসাদত এই পুত্ৰ লাভ হৈছে' এই বুলি স্থিৰ কৰি পূৰ্ণমনোৰথ পিতৃ কালনেমিয়ে পুত্ৰৰ নাম থলে শ্ৰীদত্ত। ১৩-১৪

ব্ৰাহ্মণকুমাৰ যদিও ডাঙৰ দীঘল হৈ ক্ৰমে ক্ৰমে শ্ৰীদত্ত অস্ত্ৰবিদ্যা আৰু বাহু যুদ্ধত পৃথিৱীত অদ্বিতীয় (বীৰ) হৈ পৰিল। ১৫

কালনেমিৰ ভায়েক বিগতভয়ৰ ভাৰ্য্যাৰ সৰ্পদংশনত মৃত্যু হোৱাত বিগতভয়ে তেওঁৰ সদ্‌গতিৰ বাবে তীৰ্থযাত্ৰা কৰি অন্য দেশলৈ যাত্ৰা কৰিলে। ইফালে গুণগ্ৰাহী ৰজা বল্লভশক্তিয়ে শ্ৰীদত্তক নিজৰ পুত্ৰ বিক্ৰমশক্তিৰে সখি পতাই দিলে। ১৬-১৭

অতিশয় অভিমানী বিক্ৰমশক্তিৰ সৈতে শ্ৰীদত্তৰ মিত্ৰতা, বাল্য কালত দুৰ্য্যোধনৰ সৈতে বলশালী ভীমৰ সাহচৰ্য্য যেন হৈছিল। ১৬-১৮। তাৰ পিছত অৱন্তি দেশৰ বাহুশালী আৰু বজ্ৰমুষ্টি নামৰ দুজন ক্ষত্ৰিয় যুৱক শ্ৰীদত্তৰ বন্ধু হৈ পৰিল। মল্ল যুদ্ধত বিজিত কেৰাজনো দাক্ষিণাত্যবাসী যুৱক আৰু মন্ত্ৰী-পুত্ৰও তেওঁৰ মিত্ৰ হ'ল। ইতিমধ্যে মহাবল, ব্যাঘ্ৰভট, উপেন্দ্ৰবল আৰু নিষ্ঠুৰক— এওঁলোকেও শ্ৰীদত্তৰ সৈতে মিত্ৰতা স্থাপন কৰিলে। ১৯-২১

এদিন বাৰিষা কালত শ্ৰীদত্তই সখিয়েক ৰাজকুমাৰ বিক্ৰম-শক্তিৰে সৈতে উক্ত মিত্ৰ কেইজনক লগত লৈ গঙ্গাৰ পাৰত ফুৰিবলৈ গৈছিল। কুমাৰ বিক্ৰমশক্তিৰ ভৃত্যবৰ্গই খেমালিৰ ছলতে গঙ্গাৰ পাৰত বিক্ৰমশক্তিক ৰাজপদত অভিষিক্ত কৰিলে, তাকে দেখি শ্ৰীদত্তৰ বন্ধু কেইজনেও শ্ৰীদত্তক ৰজা পাতিলে। এই কাৰ্য্যত ক্ৰুদ্ধ হৈ মদ্‌গৰ্বী ৰাজপুত্ৰ বিক্ৰমশক্তিয়ে ব্ৰাহ্মণকুমাৰ শ্ৰীদত্তক বধলৈ

প্ৰত্যাহ্বান জনালে। ২২-২৪

বাহু যুদ্ধত শ্ৰীদত্তই বিক্ৰমশক্তিক পৰাস্ত কৰিলে। পৰাজয়ৰ গ্লানিত ৰাজপুত্ৰৰ অন্তৰত শ্ৰীদত্তক বধ কৰাৰ তীব্ৰ প্ৰতিহিংসা জ্বলি উঠিল। ৰাজপুত্ৰৰ অভিপ্ৰায় জানিব পাৰি বিপদৰ আশঙ্কাত শ্ৰীদত্ত নিজৰ বন্ধু কেইজনৰে সৈতে তাৰপৰা আঁতৰি গ'ল। ২৫-২৬। গৈ থাকোঁতে তেওঁ গঙ্গাৰ বুকুত সমুদ্ৰত বিৰাজমানা মূৰ্তিমতী লক্ষ্মী দেৱীৰ সদৃশ এগৰাকী ৰমণীক সোঁতে উটাই নিয়া দেখিবলৈ পালে। তাকে দেখি বাহুবলী প্ৰমুখ্যে দুজন মিত্ৰক পাৰত থৈ শ্ৰীদত্তই সেই ৰমণী গৰাকীক পানীৰপৰা উদ্ধাৰ কৰিবলৈ গঙ্গাত জাঁপ দিলে। শ্ৰীদত্তই ৰমণীৰ চুলিত ধৰি টনা সত্ত্বেও সেই ৰমণী ক্ৰমে বেচিকৈহে পানীৰ তললৈ যাবলৈ ধৰিলে আৰু লগে লগে তেওঁ পানীৰ তল পালেগৈ। ২৭-২৯

এই দৰে নিমিষতে গঙ্গাৰ তল পাই শ্ৰীদত্তই তাত এটা শিৱ মন্দিৰ দেখিবলৈ পালে। আচৰিত কথা যে তাত পানীও নাই আৰু সেই ৰমণীও নাই। তাকে দেখি শ্ৰীদত্ত অতিশয় আচৰিত হ'ল। শ্ৰান্ত-ক্লান্ত অৱস্থাৰেই তেওঁ বৃষভধ্বজক প্ৰণাম জনাই ৰাতিটো মন্দিৰৰ মনোৰম উদ্যানতে কটালে। ৩০-৩১

পিছ দিনা পুৱা শিৱক পূজা কৰিবলৈ মন্দিৰলৈ আহোঁতে সাক্ষাৎ লক্ষ্মীস্বৰূপা সেই ৰমণীক শ্ৰীদত্তই আকৌ দেখা পালে। ইন্দুনিভাননী সেই ৰমণীয়ে শিৱ পূজা কৰি ঘৰলৈ প্ৰস্থান কৰিলে আৰু ইফালে শ্ৰীদত্তয়ো তেওঁৰ পিছ ল'লে। ৰমণীয়ে আত্ম-সখিয়াৰে সচকিত ভাৱে দেৱ-প্ৰাসাদোপম নিজ ভৱনত প্ৰৱেশ কৰা শ্ৰীদত্তই দেখিবলৈ পালে। তন্বীয়ে শ্ৰীদত্তক এবাৰো কথা নোকোৱাকৈ নিজৰ শয়ন কক্ষত সোমাই শয্যাত বহিল আৰু লগে লগে সহস্ৰ ৰমণীয়ে তেওঁক বেঢ়ি ধৰিলে। ৩২-৩৫

শ্ৰীদত্তও ভিতৰ সোমাই ৰমণীৰ কাষতে বহিল। তেতিয়া সেই ৰমণীয়ে অকস্মাৎ কান্দিবলৈ ধৰিলে, চকুলো বাগৰি তেওঁৰ স্তনযুগলত পৰিবলৈ ধৰিলে। তাকে দেখি শ্ৰীদত্তৰ হৃদয় কৰুণাৰে উপচি পৰিল। তেতিয়া শ্ৰীদত্তই সুধিলে,—"সুন্দৰি! তুমি কোন? তোমাৰ অন্তৰত কিহৰ ইমান দুখ? কোৱা, মই তোমাৰ দুখ দূৰ

কৰিব পাৰিম।" ৩৬-৩৮

তেতিয়া সেই ৰমণীয়ে কোনোমতে এই বুলি উত্তৰ দিলে। —"দৈত্যৰাজ বলিৰ এহেজাৰজনী নাতিনীয়েকৰ ভিতৰত মরেই এটাইতকৈ ডাঙৰ। মোৰ নাম বিদ্যুৎপ্ৰভা। আমাৰ পিতামহ বলিক বিষ্ণুৱে বহু কাল বন্দী কৰি থৈছিল আৰু সেই বিষ্ণুৱেই পিছত আমাৰ পিতৃক দ্বন্দ্ব যুদ্ধত বধ কৰিছিল। আমাৰ পিতৃক বধ কৰাৰ পিছত বিষ্ণুৱে আমাক নগৰৰপৰা নিৰ্বাসন দিলে আৰু যাতে আমি দুনাই নগৰত প্ৰৱেশ কৰিব নোৱাৰোঁ সেই উদ্দেশ্যে এটা সিংহ আনি নগৰৰ মাজত থ'লে। এফালে সিংহই নগৰখন আৱৰি আছে, আনফালে শোকে আমাৰ হৃদয় চাকি ধৰিছে। সেই সিংহটো কুবেৰৰ শাপত অভিশপ্ত এটা যক্ষ। 'আমি দুনাই কেতিয়া নগৰত প্ৰৱেশ কৰিব পাৰিম' বুলি বিষ্ণুক অনুনয়-বিনয় কৰি সোধাত 'মানুহৰ হাতত পৰাস্ত হ'লেই সিংহটো শাপমুক্ত হ'ব' বুলি বিষ্ণুৱে পূৰ্বে আমাক কৈছিল। ৩৯-৪৩

হে বীৰ! গতিকে আমাৰ শত্ৰু সেই সিংহটোক আপুনি পৰাস্ত কৰক। সিংহটোক বশীভূত কৰিব পাৰিলে আপুনি তাৰপৰা মৃগাঙ্ক নামৰ এখন তৰোৱাল লাভ কৰিব আৰু সেই তৰোৱালৰ বলেৰে আপুনি সমস্ত পৃথিৱী জয় কৰি ৰজা হ'ব পাৰিব।" ৪৪-৪৫

তাকে শুনি শ্ৰীদত্তই 'বাৰু, সেয়ে হ'ব' বুলি সেই দিনটো তাতে কটালে। পিছ দিনা পুৱা দৈত্যকন্যা সকলক আগত লৈ শ্ৰীদত্তই সেই নগৰলৈ যাত্ৰা কৰিলে আৰু বাহু যুদ্ধত সিংহটোক পৰাস্ত কৰিলে। তৎক্ষণাত শাপমুক্ত হৈ সিংহই পুৰুষ ৰূপ ধাৰণ কৰিলে আৰু শাপান্তকাৰী শ্ৰীদত্তৰ প্ৰতি সন্তুষ্ট হৈ নিজৰ তৰোৱালখন তেওঁক দান কৰিলে। তেতিয়া দৈত্য-কন্যাবিলাকৰ দুখৰ লগতে সেই পুৰুষজনো অদৃশ্য হ'ল। ৪৪-৪৮

তাৰ পিছত শ্ৰীদত্তই সকলো দৈত্যকন্যাৰে সৈতে বাহিৰ ওলোৱা অনন্ত নাগ সদৃশ সেই উত্তম পুৰীত প্ৰৱেশ কৰিলে। দৈত্য-কন্যা বিদ্যুৎপ্ৰভাই শ্ৰীদত্তক বিষনাশক এটা আঙঠি উপহাৰ দিলে। যুৱক শ্ৰীদত্ত দৈত্যকন্যা বিদ্যুৎপ্ৰভাৰ প্ৰেমত পৰিল। তেওঁ সেই ৰাতি কোনোমতে তাতে কটালে। বিদ্যুৎপ্ৰভাই কপটতা পূৰ্বক শ্ৰীদত্তক ক'লে,

"আপুনি এই পুখুৰীত নামি স্নান কৰক। পানীত নামোতে গ্ৰাহৰ ভয়নিবাৰক এই তৰোৱালখন হাতত লৈ থাকিব।" 'বাৰু, সেয়ে হ'ব' বুলি কৈ শ্ৰীদত্ত পুখুৰীত নামিল আৰু পূৰ্বে যি ঠাইত গঙ্গাত জঁাপ মাৰি পৰিছিল নিমিষতে সেই ঠাইত ওলালহি। পাতালৰপৰা ওলাই নিজৰ হাতত তৰোৱাল আৰু আঙুলিত আঙঠি দেখি শ্ৰীদত্ত অতিশয় বিস্মিত হ'ল আৰু দৈত্যকন্যাৰ দ্বাৰা প্ৰবঞ্চিত হোৱাত অতিশয় বিষণ্ণ হৈ পৰিল। ৪৯-৫৩

তাৰ পিছত শ্ৰীদত্তই গঙ্গাৰ পাৰত এৰি থৈ যোৱা সখিয়েক-হঁতক বিচাৰি ফুৰোঁতে বাটত নিষ্ঠুৰক নামৰ সখিয়েকক লগ পালে। নিষ্ঠুৰকে শ্ৰীদত্তক দেখি নমস্কাৰ জনাই তেওঁক একাষৰী-য়াকৈ মাতি নিলে। তেতিয়া শ্ৰীদত্তই আন কেইজন সখিয়েকৰ খবৰ-বাতৰি সোধাত নিষ্ঠুৰকে এই বুলি ক'বলৈ ধৰিলে। —"তুমি গঙ্গাত জঁাপ মাৰি পানীৰ তললৈ যোৱাৰ পিছত আমি কেবা-দিনো তোমাক বিচাৰি চলাঠ কৰিলোঁ। শেষত ক'তো নেপাই হতাশ হৈ আমি নিজৰ শিৰশ্ছেদ কৰিব খোজোঁতে এইদৰে আকাশী বাণী হ'ল ;—'বোপাহঁত! তোমালোকে মিছাতে আত্মহত্যা নকৰিবা, তোমালোকৰ বন্ধু জীৱন্ত অৱস্থাত সশৰীৰে ওলাবহি।' সেই আকাশী বাণীয়েহে আমাক আত্মহত্যাৰপৰা বিৰত কৰিলে। ৫৪-৫৭

তাৰ পিছত আমি সকলোটি তোমাৰ পিতাৰাৰ ওচৰলৈ গৈ থাকোঁতে মানুহ এটাই লৰি-ঢাপৰি আহি বাট ভেটা দি আমাক ক'লে,—"তোমালোক এতিয়া নগৰলৈ যোৱা অনুচিত, কিয়নো ৰজা বল্লভশক্তিৰ মৃত্যু হৈছে। ৰজাৰ মৃত্যুৰ পিছত মন্ত্ৰীবৰ্গই লগ লাগি বিক্ৰমশক্তিক ৰজা পাতিছে। ৰাজ-পাটত বহিয়েই বিক্ৰমশক্তিয়ে সৌ সিদিনা কালনেমিৰ ঘৰ পালেগৈ আৰু খঙত অগ্নিৰ হৈ কাল-নেমিক সুধিলে,—'কোৱা, তোমাৰ পুত্ৰ শ্ৰীদত্ত ক'ত?' উত্তৰত কালনেমিয়ে 'মই ক'ব নোৱাৰোঁ' বুলি কোৱাত 'ই নিজৰ পুত্ৰক লুকাই থৈছে, ই চোৰ' এই দৰে ৰজাই খঙত কালনেমিক চোৰ বুলি অভিযুক্ত কৰি শূলত দিলে। স্বামীৰ তেনে অৱস্থা দেখি স্ত্ৰীৰ হৃদয় বজ্ৰং বিদীৰ্ণ হৈ পৰিল (মৃত্যু হ'ল)। সঁচাকৈয়ে ক্ৰূৰকৰ্মা লোকৰ এটা পাপ কামে আন এটা পাপ কাম মাতি আনে। ৫৮-৬৩

এতিয়া বিক্ৰমশক্তিয়ে শ্ৰীদত্ত আৰু তেওঁৰ সখিয়েকহঁতক বধ কৰিবলৈ বিচাৰি ফুৰিছে; গতিকে আপোনালোক ইয়াৰেপৰা আঁতৰি যাওক।"

সেই পৰুষজনে এইদৰে কোৱাত বাহুশালী আদি পাচোঁজন বন্ধুৱে পৰস্পৰ আলোচনা কৰি নিজ মাতৃভূমি উজ্জয়িনীলৈ যাত্ৰা কৰিলে আৰু তোমাক বাতৰি দিবৰ বাবে মোক ইয়াত গোপনে ৰাখি থৈ গ'ল । সেই দেখি আহা, এতিয়া আমি তোমাৰ সেই মিত্ৰসকলৰ ওচৰলৈকে যাওঁ।" ৬৪-৬৬

নিষ্ঠুৰকৰ কথা শুনি শ্ৰীদত্তই মৃত পিতৃ-মাতৃৰ বাবে শোক কৰি প্ৰতিশোধ বাসনাৰেই যেন বাৰে বাৰে নিজৰ হাতত থকা তৰোৱালখনলৈ চালে । প্ৰতিশোধৰ বাবে সময়লৈ অপেক্ষা কৰি নিষ্ঠুৰকৰ সৈতে তেওঁ উজ্জয়িনী নগৰলৈ যাত্ৰা কৰিলে। ৬৭-৬৮

গঙ্গাৰ বুকুত জাঁপ মাৰি পৰাৰ পিছৰেপৰা যি যি ঘটিছিল সকলো বৃত্তান্ত নিষ্ঠুৰকক কৈ যাওঁতে শ্ৰীদত্তই কান্দি থকা এজনী তিৰুতা বাটত দেখিবলৈ পালে। 'মই অবলা ৰমণী, মাজৰলৈ বুলি আহোঁতে মোৰ বাট হেৰাল'—তিৰুতাজনীয়ে এইদৰে কোৱা শুনি দয়া-পৰৱশ হৈ শ্ৰীদত্তই তেওঁকো সহযাত্ৰী কৰি ল'লে । ৬৯-৭০

তাৰ পিছত সেই ৰমণীৰ অনুৰোধত দয়াৰ্দ্ৰ হৈ শ্ৰীদত্তই নিষ্ঠুৰক আৰু ৰমণীৰে সৈতে এখন জনশূন্য নগৰত ৰাত্ৰি যাপন কৰিলে । ৰাতি টোপনিৰপৰা অকস্মাৎ সাৰ পাই শ্ৰীদত্তই সেই তিৰুতাজনীয়ে নিষ্ঠুৰকক বধ কৰি আনন্দৰে তেওঁৰ মাংস খাই থকা দেখিলে । তাকে দেখি শ্ৰীদত্তই তৎক্ষণাৎ লৰালৰিকৈ উঠি মৃগাঙ্ক নামৰ তৰোৱালখন খাপৰপৰা টানি উলিয়ালে; ইফালে লগে লগে তিৰুতাজনীয়েও ভয়ঙ্কৰ ৰাক্ষসীৰূপ ধাৰণ কৰিলে । ৭১-৭৩ তেওঁ তেতিয়া ৰাক্ষসীজনীক বধ কৰিবলৈ তাইৰ চুলিত ধৰিলে; সেই মুহূৰ্ততে তাই ৰাক্ষসীৰূপ পৰিত্যাগ কৰি দিব্যৰূপ ধাৰণ কৰি শ্ৰীদত্তক ক'লে । ৭৪

—"হে মহানুভৱ ! মোক বধ নকৰিব, মোক এৰি দিয়ক । প্ৰকৃততে মই ৰাক্ষসী নহওঁ; কৌশিক মুনিৰ অভিশাপত হে মোৰ এই দশা হৈছে । এসময়ত কুবেৰ-পদ লাভ কৰিবৰ বাবে কৌশিক

মুনিয়ে তপস্যা কৰিছিল। তাকে দেখি তেওঁৰ তপস্যা ভঙ্গ কৰিবলৈ বুলি কুবেৰে মোক তেওঁৰ ওচৰলৈ পঠাইছিল। তেতিয়া মনোমোহা ৰূপেৰে কৌশিক মুনিক মুগ্ধ কৰিবলৈ অসমৰ্থ হৈ মই তেওঁক ভয় খুৱাবলৈ ভয়ংকৰ ৰাক্ষসৰূপ ধাৰণ কৰিলোঁ। তাকে দেখি মুনিয়ে মোক এই বুলি অভিশাপ দিলে,—'পাপিষ্ঠা, তই নৰমাংস-ভোজী ৰাক্ষসী হ গৈ যা।' আপুনি চুলিত ধৰি টানিলেহে মোৰ ওপৰত থকা অভিশাপ শেষ হ'ব বুলিও মুনিয়ে ক'লে। এই দৰেই মই এই কষ্টদায়ক ৰাক্ষসত্ব বৰণ কৰি কাল কটাইছোঁ। ময়েই বহুত দিনৰেপৰা এই নগৰৰ মানুহবোৰ খাই খাই নগৰখন জনশূন্য কৰিছোঁ। আপুনি কৃপা কৰি এতিয়া মোক শাপৰপৰা মুক্ত কৰিছে; গতিকে মোৰপৰা বৰ লওক।" ৭৫-৮০

তাকে শুনি শ্ৰীদত্তই সশ্ৰদ্ধভাৱে নিৱেদন কৰিলে,—"মই এতিয়া আন বৰেৰে কি কৰিম? মোৰ এই মৃত বন্ধুজন যেন জী উঠে, এই বৰ দিয়ক।" ৭৫-৮১

'বাৰু, সেয়ে হওক' বুলি শ্ৰীদত্তক বৰ দি সেই ৰমণী থিতাতে অন্তৰ্দ্ধান হ'ল; ইফালে নিষ্ঠুৰকো অক্ষত শৰীৰেৰে জী উঠিল। খাতিপুৱা শুই উঠি শ্ৰীদত্ত বিস্ময়ত অতিশয় আনন্দিত হৈ পৰিল আৰু নিষ্ঠুৰকৰে সৈতে গৈ ক্ৰমে উজ্জয়িনীত উপস্থিত হ'ল আৰু বাটলৈ চাই থকা সখিয়েকহঁতক দেখা দি তেওঁ সম্ভাষণ জনালে; মেঘৰ দৰ্শনত ম'ৰা চৰাইৰ দৰে শ্ৰীদত্তৰ দৰ্শনত তেওঁ-লোক আনন্দিত হ'ল। ৮২-৮৪

নিজৰ সকলো আচৰিত বৃত্তান্ত কৌতূহলী সখিয়েকহঁতক কোৱাৰ পিছত যথোচিত আতিথ্যৰে বাহুশালীয়ে শ্ৰীদত্তক নিজৰ ঘৰলৈ নিলে। বাহুশালীৰ পিতৃ-মাতৃৰ আদৰ-যত্নত সখিয়েকহঁতৰ সৈতে তেওঁ তাত নিজ ঘৰৰ দৰে থাকিবলৈ ধৰিলে।৮৫-৮৬

বসন্তোৎসৱৰ সময়ত শ্ৰীদত্তই সখিয়েকহঁতৰে সৈতে এদিনা-খন উদ্যানত যাত্ৰা চাবলৈ গৈছিল। যাত্ৰাস্থলত তেওঁ ৰজা বিম্বকিৰ কন্যাক দেখিবলৈ পালে, যেন সাক্ষাৎ বসন্তশ্ৰীয়ে মূৰ্তিমতী হৈ তেওঁৰ আগত দেখা দিলে। তেতিয়া মৃগাঙ্কৱতী নামৰ সেই ৰাজকন্যাই শ্ৰীদত্তৰ বিকশিত নয়নৰ পথেদি যেন তেওঁৰ অন্তৰত প্ৰৱেশ

কৰিলে। মৃগাঙ্কৱতীৰো প্ৰথম প্ৰেমৰ সূচনাকাৰী প্ৰেমময়ী দৃষ্টিয়ে বাৰে বাৰে দূতীৰ দৰে শ্ৰীদত্তৰ মুখলৈ অহা-যোৱা কৰিবলৈ ধৰিলে। ক্ষন্তেক পিছতে ঘন বৃক্ষৰাজিৰ মাজত সোমাই পৰা মৃগাঙ্কৱতীক নেদেখি শূন্য-হৃদয় শ্ৰীদত্ত দিশ-বিদিশ মণিব নোৱাৰা হ'ল। ৮৭-৯১

'সখি! মই তোমাৰ অন্তৰৰ ভাৱ বুজি পাইছোঁ, মোৰ আগত মিছা নামাতিবা। আহাঁ, ৰাজকুমাৰী যি ঠাইলৈ গৈছে, তালৈকে যাওঁ।' ইঙ্গিতজ্ঞ মিত্ৰ বাহুশালীয়ে এইদৰে কোৱাত 'বৰ্‌বা বাৰু' বুলি কৈ সখিয়েকৰ সৈতে শ্ৰীদত্ত ৰাজকুঁৱৰীৰ ওচৰলৈ গ'ল। 'হায়! হায়!! ৰাজকুমাৰীক সাপে খুটিলে' বুলি সেই সময়ত এটা ডাঙৰ হাহাকাৰ ৰৱ উঠিল; সেই হাহাকাৰ শব্দ শুনি শ্ৰীদত্তৰ হৃদয় ফাটি গ'ল। ৯২-৯৪

"মোৰ সখিয়ে বিষ নমোৱা মন্ত্ৰ জানে আৰু তেওঁৰ আঙুলিত বিষনাশক আঙঠি এটাও আছে"——এই বুলি বাহুশালীয়ে কঞ্চুকীৰ[১] আগত ক'লেগৈ। এই কথা শুনা মাত্ৰকে কঞ্চুকীয়ে আহি শ্ৰীদত্তৰ চৰণ চুই প্ৰণাম জনাই তেওঁক ৰাজকন্যাৰ কাষলৈ লগালগিকৈ আনিলে। ৯৫-৯৬

শ্ৰীদত্তয়ো নিজৰ আঙুলিৰপৰা সোলোকাই সেই বিষঘ্ন আঙঠিটো ৰাজকন্যাৰ আঙুলিত পিন্ধাই দি বিষ নমোৱা মন্ত্ৰ জপ কৰিবলৈ ধৰিলে, লগে লগে ৰাজকন্যা জী উঠিল। ৰাজকন্যাই পুনৰ্জীৱন লাভ কৰাত তাত থকা সকলো লোক আনন্দিত হ'ল আৰু শ্ৰীদত্তয়ো পৰম সন্তোষ লভিলে। ৰজা বিম্বকিও এই বাতৰি শুনি তাত আহি উপস্থিত হ'ল। ইফালে শ্ৰীদত্তই ৰাজ কন্যাৰ আঙুলিৰপৰা আঙঠিটো নোসোলোকোৱাকৈয়ে সখিয়েকহঁতৰে সৈতে বাহুশালীৰ ঘৰলৈ উলটি গ'ল। ৰজা বিম্বকিয়ে সন্তুষ্ট হৈ যি ধন-সোণ শ্ৰীদত্তলৈ পঠাইছিল, সেই সকলোখিনি তেওঁ বাহুশালীৰ পিতাকক দান কৰিলে। ৯৭-১০০

তেতিয়া সেই ৰাজকুমাৰীৰ কথা চিন্তা কৰি শ্ৰীদত্ত ইমান বিৰহ-কাতৰ হৈ পৰিছিল যে তেওঁৰ অৱস্থা দেখি সখিয়েকহঁত কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। তেনেতে ভাৱনিকা নামে

১. কঞ্চুকী—ৰজাৰ অন্তঃপুৰৰ বয়োবৃদ্ধ সেৱক।

ৰাজকুমাৰীৰ অতি মৰমৰ সখীয়েকজনী আওঠিটো ওলোটাই দিয়াৰ ছলেৰে তালৈ আহিল। তাত উপস্থিত হৈ ভাৱনিকাই ক'লে, "হে সৌভাগ্যশালী যুৱক! আপুনি এতিয়া মোৰ সখীৰ স্বামী হৈ তেওঁৰ প্ৰাণদাতা হ'ব পাৰে, নহ'লে আপুনিয়েই তেওঁৰ মৃত্যুৰ কাৰণ হ'ব, ই সুনিশ্চিত।" ১০১-১০৩

ভাৱনিকাই শ্ৰীদত্তক এইদৰে ক'লত তেওঁ বাহুশালী আৰু অন্যান্য সখিয়েকহঁত আৰু ভাৱনিকাৰে সৈতে একে লগে এইদৰে আলোচনা কৰিলে। 'আমি কোনো কৌশলেৰে ৰাজকুমাৰীক গোপনে হৰণ কৰিম আৰু ইয়াৰপৰা পলাই গৈ মথুৰাত থাকিম।' এইদৰে পৰস্পৰ আলোচনা কৰি কাৰ্য্যসিদ্ধিৰ বাবে তেওঁলোকে সেই সিদ্ধান্ত নিজৰ ভিতৰত গোপনে ৰাখিবলৈ স্থিৰ কৰিলে আৰু ইফালে ভাৱনিকা তাৰপৰা ঘূৰি গ'ল। ১০৪-১০৬

পিছদিনা বাহুশালীয়ে তিনিজন মিত্ৰৰ সৈতে বেপাৰ-বাণিজ্য কৰিবলৈ বুলি মথুৰালৈ যাত্ৰা কৰিলে। যাওঁতে বাহুশালীয়ে ৰাজ-কন্যাৰ অভিসাৰৰ বাবে বাটৰ ঠায়ে ঠায়ে গোপনে বেগী বাহন (ঘোঁৰা আদি) থৈ গ'ল।

ইফালে শ্ৰীদত্তয়ো সন্ধ্যা সময়ত এজনী মাইকী মানুহক মধু-পানেৰে মত্ত কৰি জীয়েকৰে সৈতে তাইক সেই ৰাজ-কন্যাৰ অন্তেষ পুৰ পোৱালেগৈ। তেতিয়া চাকি দিয়াৰ ছলেৰে ভাৱনিকাই কন্যান্তঃ-পৰত জুই লগাই দি ছদ্মবেশেৰে ৰাজকন্যাক লৈ বাহিৰলৈ ওলাই গ'ল। ইফালে বাহিৰত অপেক্ষা কৰি থকা শ্ৰীদত্তই ৰাজকুমাৰীক পোৱা মাত্ৰকে দুজন বন্ধু আৰু ভাৱনিকাৰে সৈতে ইতিপূৰ্বে গৈ মথুৰাত থকা বাহুশালীৰ ওচৰলৈ তেওঁক পঠাই দিলে। ৰাজ-কুমাৰীৰ থকা ঘৰত ইফালে সেই মধুপান-মত্তা তিৰোতাজনী আৰু জীয়েক জুইত পুৰি মৰিল। ১০৭-১১২

অগ্নিদগ্ধ শ দুটা দেখি মানুহে ৰাজকুমাৰী আৰু সখী-য়েক জুইত পুৰি মৰিল বুলি ভাবিলে। আনহাতে ৰাতিপুৱা সকলো লোকে শ্ৰীদত্তক আগৰ দৰেই তাত থকা দেখিবলৈ পালে। পিছ দিনা ৰাতি শ্ৰীদত্তই মৃগাঙ্ক নামৰ তমোৱালখন হাতত লৈ আগ দিনা ৰাতিয়েই প্ৰস্থান কৰা প্ৰিয়াৰ মিলনৰ অৰ্থে যাত্ৰা কৰিলে।

প্ৰিয়ামিলনৰ ঔৎসুক্যত ৰাতিৰ ভিতৰতে বহু দূৰ পথ অতিক্ৰম কৰি শ্ৰীদত্তই পুৰা প্ৰথম প্ৰহৰ পাৰ হৈ যোৱাৰ সময়ত বিন্ধ্যাৰণ্যত উপস্থিত হ'ল। ১১৩-১১৫,

যাওঁতে প্ৰথমৰপৰাই শ্ৰীদত্তই বহুত অশুভ লক্ষণ দেখি গৈছিল, এতিয়া ভাবনিকা আৰু বন্ধু দুজনক আঘাতত জৰ্জৰিত হৈ বাটত পৰি থকা দেখিবলৈ পালে। শ্ৰীদত্তক অহা দেখি তেওঁলোকে কোনোমতে উঠি কেকাই গোথাই ক'লে, "বহুত অশ্বাৰোহী সেনাই আক্ৰমণ কৰি আমাৰ সৰ্বস্ব লুটি নিলে। আমাৰ এই অৱস্থা কৰি এটা অশ্বাৰোহী সেনাই ভয়-বিহ্বলা ৰাজকুমাৰীক নিজৰ ঘোঁৰাত তুলি লৈ চাপলি মেলিলে। গতিকে সিহঁত বহুত দূৰ নৌ-পাওঁতেই, এই বাটেদি সিহঁতক বিচাৰি যোৱাঁ; আমাৰ ওচৰত খন্তেকো বৈ নাথাকিবা। এই সময়ত ৰাজকুমাৰীক ৰক্ষা কৰাটোৱেই হৈছে সৰ্বপ্ৰধান কৰ্তব্য।" ১১৫-১১৯

বন্ধু কেইজনে বাৰে বাৰে এইদৰে কোৱাত শ্ৰীদত্তই বেগাই ৰাজকুমাৰীৰ অন্বেষণত যাত্ৰা কৰিলে, যাওঁতে বাৰে বাৰে পিছলৈ উলটি চাবলৈ ধৰিলে। বহুত দূৰ যোৱাৰ পিছত শ্ৰীদত্তই সেই অশ্বাৰোহী সেনাবাহিনী দেখিবলৈ পালে; সেনাবাহিনীৰ মাজত এজন ক্ষত্ৰিয় যুৱকে ঘোঁৰাৰ ওপৰত ৰাজকুমাৰীক তুলি নিয়া তেওঁ লক্ষ্য কৰিলে। ৰাজকুমাৰীক দেখা মাত্ৰেই তেওঁ সেই ক্ষত্ৰিয় যুৱকৰ কাষ পালেগৈ। মিঠা কথাৰে যুৱকৰ হাতৰপৰা ৰাজকুমাৰীক মুক্ত কৰিবলৈ অসমৰ্থ হৈ শ্ৰীদত্তই গোৰ মাৰি তাক ঘোঁৰাৰপৰা বগৰাই পেলালে আৰু এটা শিলত আচৰি তাক চূৰ্ণ-বিচূৰ্ণ কৰিলে। তাক বধ কৰাৰ পিছত শ্ৰীদত্তই তাৰ ঘোঁৰাটোতে উঠি তৰত লৰি যোৱা আন বহুত অশ্বাৰোহী সেনাক খড়্গত বধ কৰিলে। অৱশিষ্ট সেনা-বোৰে শ্ৰীদত্তৰ অদ্ভুত পৰাক্ৰম আৰু বীৰত্ব দেখি ভয়ত পলায়ন কৰিলে। তাৰ পিছত তেওঁ ৰাজকুমাৰী মৃগাঙ্কৱতীক ঘোঁৰাত তুলি লৈ আহত সখিকেইজনৰ ওচৰলৈ ঘূৰি আহিল। ১২০-১২৬

অলপ দূৰ যোৱাৰ পিছতে শ্ৰীদত্ত সভাৰ্য্যে ঘোঁৰাৰ পৰা নামিল, লগে লগে মুহূৰ্তত বৰ্ষিক আহত ঘোৰা ঘোঁৰাটো মাটিত বাগৰি পৰিল আৰু খিন্তাতে মৰি থাকিল। ইফালে তৃষ্ণা আৰু কষ্টত

অতিশয় পৰিশ্ৰান্ত মৃগাঙ্কৱতী পিয়াহত কাতৰ হৈ পৰা দেখি শ্ৰীদত্তই প্ৰিয়তমাক তাতে থৈ অলপ দূৰলৈ গৈ ইফালে সিফালে পানী বিচাৰি ঘূৰি ফুৰোঁতেই সূৰ্য্য অস্ত গ'ল। পানী পালে যদিও বাট হেৰোৱা কাৰণে শ্ৰীদত্তই (ঘূৰি আহিব নোৱাৰি) চক্ৰবাকৰ দৰে কান্দি কান্দি ৰাতিটো সেই অৰণ্যতে কটালে। পিছদিনা পুৱা মৰা ঘোঁৰাটো পৰি থকা ঠাই ডোখৰ তেওঁ কোনোমতে বিচাৰি উলিয়ালে, কিন্তু তেওঁৰ প্ৰিয়তমা ৰাজকন্যাৰ ছাঁটোও হ'লে ক'তো নেদেখিলে। ১২৭-১৩১

তেতিয়া শ্ৰীদত্তই প্ৰিয়তমাক দেখা পোৱাৰ আশাৰে ব্যাকুল-চিত্তে এজোপা গছত উঠি ইফালে সিফালে চাবলৈ ধৰিলে, কিন্তু মতিভ্ৰম হোৱা বাবে মৃগাঙ্ক নামৰ তৰোৱালখন গছৰ গুৰিত মাটিতে এৰি থৈ গ'ল। সেই মুহূৰ্ত্ততে সেই বাটেদি অহা শবৰৰ ৰজাই গছজোপাৰ গুৰিত তৰোৱালখন দেখি নিজৰ হাতত ল'লে। শবৰাধিপতিক দেখি শ্ৰীদত্তই গছৰপৰা নামি অশিয় ব্যাকুলভাৱে তেওঁক প্ৰিয়তমাৰ বাতৰি সুধিলে। শবৰৰাজে ক'লে,—"তুমি এই ঠাইৰপৰা মোৰ গাঁৱলৈ আহা, তোমাৰ প্ৰিয়তমা নিশ্চয় তালৈকে গৈছে। ময়ো গাঁৱলৈকে আহিছোঁ, তাতে তোমাৰ তৰোৱালখন তোমাক ঘূৰাই দিম।" ১৩২-১৩৫

ইয়াকে কৈ শবৰাধিপতিয়ে তেওঁক নিজৰ গাঁৱলৈ পঠালে আৰু শ্ৰীদত্তৰো (প্ৰিয়তমাৰ দৰ্শনৰ আশাত) উৎসুক হৈ কেইটামান শবৰৰ সৈতে শবৰ-গাঁৱলৈ বুলি আহিল। গাঁৱৰ পৰাকী শবৰৰ ঘৰত উপস্থিত হোৱাৰ পিছত শবৰ কেইটাই তেওঁক ক'লে,

—'আপুনি এতিয়া ইয়াতে অলপ ভাগৰ পলাওক' শ্ৰান্ত-ক্লান্ত শ্ৰীদত্ত খন্তেক পিছতে তৰ টোপনিত লালকাল হৈ পৰিল। সাৰ পাই দেখে যে তেওঁৰ ভৰি দুটা শিকলিৰে বান্ধি থোৱা আছে; প্ৰিয়তমাৰ সন্ধান উলিয়াবলৈ অসমৰ্থ হোৱা বাবে যেন তেওঁৰ ভৰি দুটাক সেইদৰে শৃঙ্খলিত কৰা হৈছে। খন্তেক সুখ দি খন্তেক পিছতে দুখ দিয়া দৈৱগতিৰ দৰে ভাগ্যৰ বলত খন্তেক ভগ পোৱাৰ পিছতে হঠাৎ অন্তৰ্দ্ধান হোৱা প্ৰিয়তমা মৃগাঙ্কৱতীৰ কথা ভাবি-চিন্তি তেওঁ কাল অতিবাহিত কৰিবলৈ ধৰিলে। ১৩৬-১৩৯

শ্ৰীদত্তই এইদৰে ভাবি ভাবি থাকোঁতে এদিন মোচনিকা নামে

এজনী তিৰিপী তেওঁৰ ওচৰলৈ আহি ক'লে,—"হে মহানুভৱ! আপুনি মৰিবলৈ ইয়ালৈ কিয় আহিল? শবৰাধিপতি নিজা কামত এতিয়া কেনোবা ফালে গৈছে, ঘৰলৈ উভতি আহিলেই তেওঁ আপোনাক দেৱী চণ্ডিকাৰ আগত বলি দিব। সেই উদ্দেশ্যেই তেওঁ আপোনাক বিন্ধ্যাৰণ্যৰ প্ৰান্তৰপৰা ছলে-বলে ইয়ালৈ আনি শৃংখলিত কৰি থৈছে। আপোনাক ভগৱতীক উপহাৰ দিবলৈ মানস কৰা বাবেই তেওঁ নিতৌ উত্তম ভোজন আৰু বস্ত্ৰ আদি দি আপোনাৰ পৰিচৰ্য্যা কৰিছে। এই বিপদৰপৰা উদ্ধাৰৰ মাত্ৰ এটা উপায় আছে, আপুনি যদি সন্মত হয়, মই কওঁ। শবৰৰাজৰ সুন্দৰী নামে এগৰাকী কন্যা আছে। আপোনাক দেখা মাত্ৰেই তেওঁ অতিশয় কামাতুৰা হৈ পৰিছে; আপুনি এতিয়া মোৰ সেই সখীক পত্নী-বৰণ কৰিলেই আপোনাৰ মঙ্গল হ'ব।" ১৪০-১৪৫

শ্ৰীদত্তই এই কথা শুনি মুক্তি লাভৰ আশাত 'বাৰু সেয়ে হ'ব' বুলি তেওঁৰ প্ৰস্তাৱত সন্মতি দিলে আৰু গান্ধৰ্ব প্ৰথামতে সুন্দৰীক গোপনে ভাৰ্য্যাৰূপে গ্ৰহণ কৰিলে। ইয়াৰ পিছত নিতৌ ৰাতি সুন্দৰীয়ে শ্ৰীদত্তৰ ভৰিৰ বান্ধ সোলোকাই দিয়ে আৰু দুয়ো সম্ভোগত লিপ্ত হয়। এইদৰে কিছুদিনৰ পিছতে সুন্দৰী গৰ্ভৱতী হ'ল। অচিৰে সুন্দৰীৰ মাকে মোচনিকাৰ মুখৰপৰা সকলো বৃত্তান্ত শুনি সকলো কথা বুজিলে। তেতিয়া তেওঁ জোঁৱায়েকৰ মৰমত তেওঁৰ ওচৰলৈ আহি ক'লে,—"বোপা! সুন্দৰীৰ পিতাক শ্ৰীচণ্ড বৰ খঙাল, তেওঁ তোমাক কেতিয়াও এৰি নিদিয়ে; গতিকে এতিয়া তুমি ইয়াৰপৰা পলাই যোৱা; কিন্তু সুন্দৰীলৈ হ'লে নেপাহৰিবা।" ইয়াকে কৈ শাহুৱেকে বান্ধ সোলোকাই শ্ৰীদত্তক মুক্ত কৰি দিলে। শ্ৰীদত্তয়ো 'শবৰাধিপতিৰ হাতত থকা তাঁৰৱাৰাধন আচঁলতে মোৰ' বুলি সুন্দৰীক বুজাই তাৰপৰা প্ৰস্থান কৰিলে। ১৪৬-১৫০

তাৰ পিছত মৃগাঙ্কৱতীক বিচাৰি শ্ৰীদত্তই পুনাই সেই বিন্ধ্যাৰণ্যত প্ৰৱেশ কৰিলে। শ্ৰীদত্তই আহোঁতে বাটত শুভলক্ষণ দেখি যত মোৰ ঘোঁৰাটো পৰি মৰিছিল, যি ঠাইৰপৰা তেওঁৰ প্ৰিয়তমা অন্তৰ্দ্ধান হৈছিল—আকৌ সেই ঠাই পালেহি।

তেনেতে সেই ফালে এটা চিকাৰী অহা দেখি তাৰ ওচৰলৈ

গৈ শ্ৰীদত্তই তাক মৃগনয়না মৃগাঙ্কৱতীৰ বাতৰি সুধিলে ।

"তুমিয়েই শ্ৰীদত্ত নে" বুলি চিকাৰীটোৱে সোধাত "হয়, ময়েই সেই হতভগা" বুলি শ্ৰীদত্তই এটা দীঘল হুমুনিয়া কাঢ়ি উত্তৰ দিলে । তাকে শুনি চিকাৰীটোৱে ক'লে,—"বন্ধু ! তেনেহ'লে মই কওঁ, শুনা । তোমাৰ ভাৰ্য্যাই তোমাক বিচাৰি কান্দি-কাটি ইফালে সিফালে ঘূৰি ফুৰা দেখি মই সুধি-পুছি তেওঁৰপৰা সকলো কথা গম পালোঁ । ঘটনাৰ কথা শুনি মোৰ দয়া উপজিল আৰু মই বেচেৰীক আশ্বাস দি অৰণ্যৰপৰা মোৰ নিজৰ গাঁৱলৈ আনিলোঁ । পিছে গাঁৱৰ ভীল ডেকাইঁতৰ চকু পৰা দেখি বিপদ আশঙ্কা কৰি মই সেই বেচেৰীক মথুৰাৰ ওচৰৰ নাগস্থল নামে গাঁওখনলৈ পঠাই দিছোঁ । নাগস্থলত বিশ্বদত্ত নামে এজন বৃদ্ধ ব্ৰাহ্মণৰ ঘৰত সসম্মানে ৰক্ষণাবেক্ষণ দি তেওঁক থৈ আহিছোঁ । তেওঁৰ মুখৰপৰা তোমাৰ নাম শুনি মই ইয়ালৈ আহিছোঁ । তেওঁক বিচাৰি তুমি এতিয়া ততালিকৈ নাগস্থললৈ যোৱা ।" ১৫১-১৫৯

চিকাৰীৰ মুখৰপৰা এইখিনি কথা শুনি শ্ৰীদত্তই তৎক্ষণাত নাগস্থল অভিমুখে যাত্ৰা কৰিলে আৰু পিছদিনা গধূলি সময়ত সেই গাঁওখনত উপস্থিত হ'ল । গাঁৱত ভৰি দিয়েই শ্ৰীদত্তই পোনে পোনে বিশ্বদত্তৰ ঘৰলৈ গৈ ক'লে,—"চিকাৰী এটাই মোৰ ভাৰ্য্যাক আপোনাৰ ঘৰত থৈ গৈছে, এতিয়া মোৰ ভাৰ্য্যা মোক গতাই দিয়ক ।"

তাকে শুনি বিশ্বদত্তই শ্ৰীদত্তক ক'লে,—"মথুৰাত মোৰ মিত্ৰ ব্ৰাহ্মণ এজন আছে; তেওঁ গুণীসকলৰ শ্ৰদ্ধাৰ পাত্ৰ, ৰজা শূৰসেনৰ গুৰু আৰু মন্ত্ৰী । তেওঁৰ ঘৰতে তোমাৰ পত্নীক মই থৈছোঁ; কিয়নো, এইখন জনশূন্য গাঁও । ইয়াত তোমাৰ পত্নীক নিৰাপদে ৰখা সম্ভৱপৰ নহয় । সেই দেখি আজি ৰাতিটো তুমি ইয়াত বিশ্ৰাম লৈ কাইলৈ পুৱাতে মথুৰালৈ যাবা ।" ১৬০-১৬৪

বিশ্বদত্তই এইদৰে কোৱাত শ্ৰীদত্তই নিশাটো তাতে কটাই পিছদিনা পুৱাতে মথুৰালৈ যাত্ৰা কৰিলে আৰু দুদিনৰ মূৰত মথুৰা পালেগৈ । ইমান দূৰ বাট খোজ কাঢ়ি অহাত শ্ৰীদত্ত পথশ্ৰমত ক্লান্ত আৰু ধূলিয়ে-বালিয়ে মলিয়ন হৈ পৰিল; গতিকে তেওঁ নগৰৰ বাহিৰৰ এটা পুখুৰীৰ নিৰ্মল পানীত স্নান কৰিলে । স্না

ধোওঁতে তেওঁ পুখুৰীৰ পানীত চোৰে লুকাই থোৱা কাপোৰ এসোপা পালে। তাৰে এখন কাপোৰৰ আঁচলত এডোখৰ হীৰা বান্ধি থোৱা আছিল। প্ৰিয়তমাৰ দৰ্শনৰ বাবে অতিশয় উৎকণ্ঠিত হৈ থকা শ্ৰীদত্তৰ সেই হীৰাখণ্ড চকুত নপৰিল ; গতিকে তেওঁ নিঃশঙ্কচিত্তে সেই কাপোৰখিনি লৈ মথুৰা নগৰত সোমাল। ১৬৫-১৬৮

শ্ৰীদত্ত মথুৰা নগৰ সোমোৱা মাত্ৰে নগৰৰক্ষক চিপাহীয়ে সেই কাপোৰবোৰ চিনি পাই কাপোৰৰ মাজত বান্ধি থোৱা হীৰাডোখৰ পালে। তেতিয়া চিপাহীবোৰে শ্ৰীদত্তক ধৰি বান্ধি বস্তুসহ নগৰ-পালকৰ ওচৰলৈ নি সকলোবোৰ তেওঁক দেখুৱালে। নগৰপালকে সকলো কথা ৰজাক জনোৱাত ৰজাই তেওঁৰ প্ৰাণ দণ্ডৰ আদেশ দিলে। ১৬৯-১৭০। ৰাজ আদেশত মৃত্যু-দণ্ড ঘোষণা কৰি বধ কৰিবলৈ ঘাতকে শ্ৰীদত্তক বধ্যভূমিলৈ লৈ যোৱা মৃগাঙ্কৱতীয়ে দূৰৈৰপৰা দেখিলে। দেখা মাত্ৰকে তেওঁ উধাতু খাই লৰি গৈ নিজৰ মুখ্যমন্ত্ৰীৰ ঘৰত আছিল, তেওঁৰ আগত কৰুণ মিনতি জনালে,—"প্ৰভু! সৌৱা মোৰ স্বামীক বধ কৰিবলৈ ঘাতকে বধ্যভূমিলৈ লৈ গৈছে।" তেতিয়া মুখ্যমন্ত্ৰীয়ে ঘাতকইঁতক শ্ৰীদত্তক হত্যা কৰাৰপৰা বিৰত কৰিলে আৰু নিজে গৈ ৰজাৰ আগত প্ৰকৃত সত্য জনালে। তাৰ পিছত ৰাজ-আদেশত মৃত্যু দণ্ডৰপৰা মুক্তি পোৱা শ্ৰীদত্তক মুখ্যমন্ত্ৰীয়ে নিজৰ ঘৰলৈ অনালে। ১৭১-১৭৩

মুখ্যমন্ত্ৰীৰ ঘৰ পাই শ্ৰীদত্তই 'এয়া মোৰ খুড়াদেউ বিগতভয় নহয় নে? বহু কাল পূৰ্বে এওঁ ঘৰবাৰী এৰি দেশান্তৰী হৈছিল। ইয়ালৈ আহি ভাগ্যৰ বলত মন্ত্ৰিত্ব লাভ কৰিছে' এই বুলি মনতে ভাবি মন্ত্ৰীক সুধি পুছি সকলোখিনি পৰিচয় পালে। তেতিয়া তেওঁ খুড়াকৰ ভৰিত ধৰি সেৱা জনালে। তেওঁ শ্ৰীদত্তক ককায়েকৰ পুত্ৰেক ভতিজাক বুলি চিনি পাই অতিশয় আচৰিত হ'ল আৰু ভতিজাকৰ ভিঙিত সাৱটি ধৰি সকলো খবৰ বাতৰি সুধিলে। ১৭৪-১৭৬

তেতিয়া শ্ৰীদত্তই নিজ পিতৃৰ মৰণৰপৰা আৰম্ভ কৰি সকলো ঘটনা ভাঙি-পাতি খুড়াকৰ আগত ক'লে। ককায়েকৰ (জগদ্দাত) মৃত্যুৰ কথা শুনি মন্ত্ৰীয়ে চকুলো টুকিলে। তাৰ পিছত অকলাণবীয়াকে

মাতি নি তেওঁ শ্ৰীদত্তক ক'লে,—"বোপা, অধৈৰ্য্য নহ'বা, মই ধনদাত্ৰী যক্ষিণীসিদ্ধ। যক্ষিনীয়ে মোক পাঁচ হেজাৰ ঘোঁৰা আৰু সাত কোটী স্বৰ্ণমুদ্ৰা দিছে। মই অপুত্ৰক, সেই সকলোখিনি এতিয়া তোমাৰেই।" ১৭৭-১৭৯

ইয়াকে কৈ খুড়াক মন্ত্ৰীয়ে ধন-সোণেৰে সৈতে মৃগাঙ্কৱতীক শ্ৰীদত্তৰ হাতত সমৰ্পণ কৰিলে। শ্ৰীদত্তয়ো ঐশ্বৰ্য্য সম্পদ লাভ কৰি মৃগাঙ্কৱতীক লৈয়া কথাই ৰাতি কুমুদাকৰ (চন্দ্ৰ)ৰ দৰে প্ৰিয়তমাৰ সঙ্গসুখত আনন্দ মনেৰে তাত বাস কৰিবলৈ ধৰিলে। পৰিপূৰ্ণ সুখ-সম্পদৰ মাজতো বাহুশালী আদি মিত্ৰৰ চিন্তাই কলঙ্কৰেখাই চন্দ্ৰক মলিন কৰাৰ দৰে শ্ৰীদত্তৰ হৃদয় বিষাদপূৰ্ণ কৰি ৰাখিছিল। ১৮০-১৮২

এদিন খুড়াকে শ্ৰীদত্তক অকলে মাতি নি ক'লে,—"বোপা, ৰজা শূৰসেনৰ এজনী গাভৰু জীয়েক আছে। ৰজাৰ আদেশমতে মই এতিয়া সেই ৰাজকুঁৱৰীক অৱন্তিৰাজৰ হাতত সমৰ্পণ কৰিবলৈ যাব লাগে। গতিকে তালৈ নিয়াৰ ছলেৰে ৰাজকন্যাক অপহৰণ কৰি মই তোমাক গতাই দিম। তেতিয়া তুমি ৰাজকন্যাৰ অনুগামী সৈন্যদল আৰু মোৰ সৈন্য এই দুয়ো দল সৈন্যৰ সাহায্যত অচিৰে এই ৰাজ্য লাভ কৰিবা—এয়া দেৱী লক্ষ্মীৰ বিধান।" ১৮৩-১৮৫ ইয়াকে স্থিৰ কৰি খুড়াক মন্ত্ৰী আৰু ভতিজাক শ্ৰীদত্ত দুয়ো সসৈন্যে লগত্ৰা লৈকচৌ আদিৰে সৈতে ৰাজ-কন্যাক লৈ অৱন্তিলৈ বুলি যাত্ৰা কৰিলে। তেওঁলোক গৈ বিন্ধ্যাৰণ্যৰ ওচৰত উপস্থিত হোৱা মাত্ৰকে এদল সশস্ত্ৰ দস্যুৱে প্ৰবল পৰাক্ৰমেৰে তেওঁলোকৰ বাট আগচি ধৰিলে। দস্যুৰ আক্ৰমণত শ্ৰীদত্ত আহত হৈ মূৰ্চ্ছা গ'ল আৰু লগৰীয়া সৈন্যবোৰ কেহুঁ চিটিকাদি ভয়ত পলাল। দস্যুৱে গোটেইখিনি ধন-সোণ লুটি-পুতি লৈ শ্ৰীদত্তক হাতে ভৰিয়ে বান্ধি নিজৰ গাঁৱলৈ নিলে। ১৮৬-১৮৮

তাৰ পিছত সিহঁতে শ্ৰীদত্তক দেৱী চণ্ডিকাৰ আগত বলি দিবলৈ দেৱী চণ্ডিকাৰ ভীষণ মন্দিৰলৈ লৈ গ'ল, সেই মন্দিৰৰূপৰা অহা ঘণ্টাধ্বনিয়ে সাক্ষাৎ মৃত্যুকহে যেন আহ্বান জনাব লাগিছে। তেনেতে গাঁৱৰ অধিপতিৰ কন্যাই কোলাত কেচুৱা লৈ দেৱী

চণ্ডিকাক দৰ্শন কৰিবলৈ বুলি আহি তাত উপস্থিত হ'ল--এয়েঁই সেই সুন্দৰী, শ্ৰীদত্তৰ ভাৰ্য্যা। সুন্দৰীয়ে শ্ৰীদত্তক সেই অৱস্থাত দেখি মধ্যস্থ দস্যুবোৰক কৈ শ্ৰীদত্তক বলি দিয়াটো নিষেধ কৰিলে আৰু শ্ৰীদত্তক লগত লৈ নিজৰ ঘৰলৈ আহিল। ১৮৯-১৯১

সুন্দৰীৰ পিতাকে নিজৰ আন ল'ৰা-ছোৱালী নথকা বাবে মৃত্যুৰ সময়ত একমাত্ৰ কন্যা সুন্দৰীকে ধন সম্পত্তিৰে সৈতে গাওঁখনৰ সমগ্ৰ অধিপত্য দি গৈছিল, এতিয়া শ্ৰীদত্তই সেই সকলোখিনি লাভ কৰিলে। শ্ৰীদত্তই ভাৰ্য্যা লাভ কৰাৰ লগতে দস্যুৰ দ্বাৰা আক্ৰান্ত খুড়াক, পাৰিষদবৰ্গ আৰু হেৰোৱা নিজৰ মৃগাঙ্ক নামৰ তৰোৱালখনো তাতে ঘূৰাই পালে। শ্ৰীদত্তই সেই ঠাইতে ৰজা শূৰ সেনৰ কন্যাক বিয়া কৰাই ৰাজত্ব কৰিবলৈ ধৰিলে আৰু তাৰপৰাই নিজৰ দুই শহুৰ বিম্বকি আৰু সুৰসেনৰ ওচৰলৈ দূত পঠালে। কন্যাবৎসল দুয়োজন ৰজাই শ্ৰীদত্তক নিজৰ জোঁৱায়েক বুলি জানি আনন্দিত হ'ল আৰু দুয়ো সৈন্য সেনাপতিসহ বহু উপঢৌকন লৈ তাত উপস্থিত হ'লহি। ১৯২-১৯৬

ইফালে যুদ্ধত আহত হোৱাত বিচ্ছেদ হৈ থকা বাহুশালী আদি তেওঁৰ সখিয়েকহঁতেও সকলো বৃত্তান্ত জানিব পাৰিলে; শৰীৰৰ ঘা শুকোৱাত সুস্থ হৈ তেওঁলোকো শ্ৰীদত্তৰ লগ লাগিলহি। ১৯৭

তাৰ পিছত শহুৰেক দুজনৰে সৈতে যুদ্ধ যাত্ৰা কৰি শ্ৰীদত্তই পিতৃহন্তা বিক্ৰমশক্তিক নিজৰ ক্ৰোধানলত আহুতি দিলে (বধ কৰিলে)। তেতিয়া মৃগাঙ্কৱতীৰ সঙ্গসুখত বিৰহ সমুদ্ৰ উত্তীৰ্ণ হোৱাত শ্ৰীদত্তই সসাগৰা পৃথিৱীৰ অধীশ্বৰ হৈ আনন্দত দিন যাপন কৰিবলৈ ধৰিলে। হে মহাৰাজ! ধীৰ-স্থিৰ লোকসকল এইদৰে বিৰহ-সমুদ্ৰ উত্তীৰ্ণ হৈ কল্যাণ লাভ কৰিবলৈ সমৰ্থ হয়। ১৯৮-২০০

সঙ্গতকৰ মুখৰপৰা এই আখ্যান শুনাৰ পিছত ৰজা সহস্ৰানীকে নিজ প্ৰিয়তমাৰ কথা চিন্তা কৰি কৰি সেই ৰাতি বাটতে পাৰ কৰিলে। পিছ দিনা পুৱা সহস্ৰানীকে মনোৰথত নিজৰ মনক আগতে পঠাই প্ৰিয়াৰ উদ্দেশ্যে যাত্ৰা কৰিলে (মনেৰে তেওঁ আগতেই প্ৰিয়তমাৰ ওচৰ পালেগৈ)। ২০১-২০২

কেইদিনমানৰ পিছত তেওঁ জমদগ্নি মুনিৰ প্ৰশান্ত আশ্ৰমত

উপস্থিত হ'লগৈ, সেই আশ্ৰমত আনকি হৰিণাৰো চঞ্চলতা পৰিত্যাগ কৰি শান্ত ভাৱে বিচৰণ কৰে। আশ্ৰমৰ মাজত মূৰ্তিমান তপস্যা স্বৰূপ পৱিত্ৰ-দৰ্শন জমদগ্নি মুনিক দেখা পাই তেওঁ প্ৰণিপাত জনালে আৰু মুনিয়েও তেওঁৰ যথোচিত আতিথ্য সৎকাৰ কৰিলে। মুনিয়ে তেতিয়া মূৰ্তিমতী শান্তি-স্বৰূপা ৰাণী মৃগাৱতীক স-পুত্ৰে সহস্ৰানীকৰ হাতত অৰ্পণ কৰিলে। বহু দিনৰ মূৰত ৰজাই আনন্দৰ পৰিতৃপ্তি স্বৰূপ ৰাণীক লাভ কৰিলে। ২০৩-২০৫

শাপান্তত ৰাজদম্পতিৰ পৰস্পৰ দৰ্শনত নয়নৰ পৰা বৈ অহা চকুলো যেন অমৃতৰ ধাৰা হে নিগৰি আহিছিল। পুত্ৰ উদয়নক প্ৰথমে দেখা পাই আলিঙ্গন কৰাত সহস্ৰানীকৰ শৰীৰ ৰোমাঞ্চিত হৈ পৰিল, যেন গাৰ নোমবোৰ ঠিয় হৈ শলাৰ দৰে গাত ঠাহ খাই পৰিছে। অতি কষ্টেৰেহে তেওঁ সেই অৱস্থাৰ পৰা মুক্তি লাভ কৰিবলৈ সমৰ্থ হ'ল। ২০৬-২০৭

তাৰ পিছত ৰজা সহস্ৰানীকে পুত্ৰ উদয়ন আৰু ভাৰ্য্যা মৃগা-ৱতীৰে সৈতে জমদগ্নি মুনিৰ ওচৰত বিদায় লৈ আশ্ৰমৰ পৰা নিজ নগৰলৈ যাত্ৰা কৰিলে—হৰিণাবোৰে চকুলো বোৱাই তেওঁলোকৰ পিছে পিছে আশ্ৰমৰ মূৰলৈকে আহি তেওঁলোকক বিদায় দিলে। বাটত সহস্ৰানীকে প্ৰিয়া মৃগাৱতীৰ বিৰহ-বেদনাৰ কথা শুনি শুনি আৰু নিজৰো বিৰহ-দুখৰ কথা তেওঁৰ আগত কৈ কৈ ক্ৰমে পতাকা মণ্ডিত তোৰণেৰে সুশোভিত কৌশাম্বী নগৰ পালেহি। পুত্ৰ-ভাৰ্য্যা সহ-সহস্ৰানীক নগৰ সোমোৱাৰ সময়ত এনেহে লাগিছিল যেন পুৰবাসী লোকসকলে উন্মীলিত নয়ন-পদ্মৰে (চকুৰ চেলাউৰী) তেওঁলোকক যেন গিলিহে পেলাইছিল। ২০৮-২১১

নগৰত প্ৰবেশ কৰিয়েই অকণো পলম নকৰাকৈ পুত্ৰ উদয়নৰ গুণমুগ্ধ সহস্ৰানীকে উদয়নক যুৱৰাজ পদত অভিষিক্ত কৰিলে আৰু নিজৰ মন্ত্ৰী, সেনাপতি তথা বিদূষকৰ পুত্ৰ ক্ৰমে যৌগন্ধৰায়ণ, ৰুমণ্বান্, আৰু বসন্তকক উদয়নৰ মন্ত্ৰণামিত্ৰ নিযুক্ত কৰিলে। 'এই মন্ত্ৰণা-মিত্ৰসকলৰ সহায়ত উদয়নে সমস্ত পৃথিৱী লাভ কৰিব' এই বুলি সেই সময়ত আকাশী বাণী আৰু পুষ্পবৃষ্টি হৈছিল। ২১২-২১৪।

পুত্ৰ উদয়নৰ ওপৰত ৰাজ্যভাৰ ন্যস্ত কৰি ৰজা সহস্ৰানীক ৰাণী মৃগাৱতীৰে সৈতে মানৱৰ চিৰাকাংক্ষিত সুখ উপভোগত নিমগ্ন হৈ পৰিল। এই দৰে সুখ উপভোগ কৰি থাকোঁতে কাণৰ কাষত প্ৰশান্তিৰ দূতীস্বৰূপা জৰা আহি উপস্থিত হোৱা দেখি সহস্ৰানীকৰ বিষয়ভোগৰ স্পৃহা খণ্ডতে১ যেন হঠাৎ আঁতৰি গ'ল (কাণৰ কাষৰ চুলি বগা হোৱাত বাৰ্দ্ধক্যৰ সূচনা হ'ল)। তেতিয়া সহস্ৰানীকে কল্যাণময় প্ৰজানুৰক্ত উদয়নক জগতৰ সমৃদ্ধিৰ বাবে ৰাজ্যত অভিষিক্ত কৰি মন্ত্ৰিবৰ্গৰ সৈতে মহাপ্ৰস্থানৰ পথত হিমালয়লৈ যাত্ৰা কৰিলে। ২১৫-২১৭

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথামুখ নামৰ
লম্বকৰ দ্বিতীয় তৰংগ।
দ্বিতীয় তৰংগ, শ্লোক ২১৭

---

১ সহস্ৰানীকৰ কাণৰ কাষৰ চুলি বগা হৈ বাৰ্দ্ধক্যৰ সূচনা কৰাত তাকে জৰা ৰূপিণী দূতীয়ে কাণে কাণে অন্য ৰমণীৰ প্ৰণয় নিবেদন কৰা বোলা হৈছে ; অৰ্থাৎ বাৰ্দ্ধক্য উপস্থিত হোৱাত সম্ভোগৰ স্পৃহা নোহোৱা হ'ল। জৰা শব্দ স্ত্ৰীলিঙ্গ হোৱাত দূতীৰ কল্পনা সহজ হৈ পৰিছে।

দ্বিতীয় লম্বক

তৃতীয় তৰঙ্গ

(মূঃ) উদয়নৰ কথা ঃ

পিতৃ-প্ৰদত্ত বৎস ৰাজ্য লাভ কৰি উদয়নে কৌশাম্বী নগৰত অৱস্থানপূৰ্বক যথানিয়মে ৰাজ্য শাসন কৰিবলৈ ধৰিলে। ক্ৰমে ৰজা উদয়নে যৌগন্ধৰায়ণ আদি মন্ত্ৰিবৰ্গৰ ওপৰত ৰাজ্য-ভাৰ ন্যস্ত কৰি সুখ-ভোগত একান্ত ভাৱে নিমগ্ন হৈ পৰিল। তেওঁ নিতৌ মৃগয়া কৰিবলৈ ধৰিলে আৰু পূৰ্বে বাসুকিয়ে দিয়া ঘোষৱতী নামৰ বীণাখন দিনে ৰাতিয়ে বজাই থাকিবলৈ লাগিল। উদয়নে সেই বীণাৰ মৃদু মন্দ ঝঙ্কাৰত মোহন মন্ত্ৰেৰে বনৰীয়া হাতী বশ কৰি নিতৌ আনিবলৈ ধৰিলে। ১-৪

বৎসৰাজ উদয়নে ৰমণীৰ মুখচন্দ্ৰ প্ৰতিবিম্বিত[১] সুৰা আৰু মন্ত্ৰিবৰ্গৰ মুখৰ উজ্জ্বল লাৱণ্য একেলগে সমানে পান কৰিছিল। 'বংশ গৌৰৱৰ সৈতে খাপ খোৱা মোৰ বাবে ভাৰ্য্যা পৃথিৱীৰ ক'তো নাই। বাসৱদত্তা নামে এক ৰাজকন্যা আছে বুলি শুনিছোঁ; সেই ৰাজকন্যাক নো বাৰু কেনেকৈ লাভ কৰোঁ?' —এক মাত্ৰ এই চিন্তাই তেওঁক খুলি খুলি খাইছিল। ইফালে উজ্জয়িনীত চণ্ড মহাসেনো এই বুলি ভাবি চিন্তি আকুল হৈ পৰিছিল। —'এই পৃথিৱীত মোৰ কন্যাৰ যোগ্য স্বামী ক'তো দেখা নাই; উদয়ন নামে তেনে এজন ৰজা আছে বুলি শুনিছোঁ; পিছে তেওঁ সদায় মোৰ প্ৰতিস্পৰ্দ্ধী। ৫-৮
এনে অৱস্থাত উদয়ন কেনেকৈ মোৰ বশীভূত আৰু জোঁৱাই হ'ব? ইয়াৰ কেৱল এটা মাত্ৰ উপায় আছে—ৰজা উদয়ন মৃগয়া

---

১. উদয়নে সুৰাপান কৰাৰ সময়ত আলিঙ্গনাবদ্ধ ৰমণীৰ মুখৰ ছবি পাত্ৰৰ নিৰ্মল সুৰাত জিলিকি উঠিছিল আৰু তেওঁৰ প্ৰভাৱ বৃদ্ধি হোৱাৰ লগে লগে মন্ত্ৰিবৰ্গৰ প্ৰভাৱ ম্লান হৈ পৰিছিল।

ব্যসনী,২ তেওঁ বনৰীয়া হাতী ধৰিবলৈ অকলে অৰণ্যত ঘূৰি ফুৰে। সেই দৰে অৰণ্যত ঘূৰি ফুৰোঁতেই ছল চাই মই তেওঁক ইয়ালৈ কৌশলেৰে অনাম। উদয়ন গান্ধৰ্ব বিদ্যাত পাৰ্গত, গতিকে মোৰ কন্যা বাসৱদত্তাক তেওঁৰ শিষ্যা কৰি সঙ্গীত শিকাবলৈ তেওঁক নিযুক্ত কৰিম। তেতিয়া বাসৱদত্তাৰ প্ৰতি নিঃসন্দেহে তেওঁৰ স্নেহময়ী দৃষ্টি পৰিব আৰু পৰস্পৰৰ অনুৰাগ জন্মিব। এই উপায়েৰে উদয়ন মোৰ জোঁৱাই হ'লে তেওঁ সদায় মোৰ বশ্যতা স্বীকাৰ কৰি থাকিব। তেওঁ মোৰ বশীভূত হোৱাৰ ইয়াৰ বাহিৰে অন্য কোনো উপায় মই দেখা নাই।' ৯-১২

ভাবি-চিন্তি ইয়াকে স্থিৰ কৰি চণ্ড-মহাসেনে দেৱী চণ্ডীৰ মন্দিৰলৈ গৈ দেৱীক আৰাধনা কৰি মনৰ কামনা জনোৱাত "তোমাৰ মনোবাঞ্ছা অচিৰে সিদ্ধ হ'ব" —এই আকাশী বাণী তেতিয়া তেওঁ শুনিবলৈ পালে। আকাশী বাণী শুনি ৰজা প্ৰসন্ন চিত্তেৰে মন্দিৰৰ পৰা উলটি আহি আৰু বুদ্ধদত্ত নামৰ মন্ত্ৰীৰে সৈতে আগন্তুক কাৰ্য্যৰ বিষয়ে আলোচনা কৰিলে। ১৩-১৫

চণ্ড মহাসেনে ক'লে,—"ৰজা উদয়ন অতিশয় আত্মাভিমানী আৰু লোভহীন, তেওঁৰ প্ৰজা আৰু অমাত্যবৰ্গ তেওঁৰ প্ৰতি অনুৰক্ত, তাৰ উপৰি উদয়নৰ আছে বিশাল সৈন্য বাহিনী; গতিকে সাম৩ আদিৰে তেওঁক বশীভূত কৰিব নোৱাৰি—তথাপি সামনীতিৰেই প্ৰয়োগ কৰা হওক।"১৬

২, মৃগয়া-ব্যসনী—মৃগয়াসক্ত, চিকাৰ কৰি ভাল পোৱা লোক। ব্যসন—অসৎ কামৰ প্ৰতি ধাউতি, আসক্তি।
মৃগয়া, জুৱাখেল, দিনত শোৱা, বৃথাতৰ্ক, স্ত্ৰীৰ প্ৰতি আসক্তি অহঙ্কাৰ, গান বাজনাত মত্ততা আৰু বৃথা হত্যা—এই আঠোটা প্ৰথম পৰ্য্যায়ৰ ব্যসন।

৩, কাৰ্য্য সিদ্ধিৰ উদ্দেশ্যে ৰাজন্যবৰ্গই (১) সাম (পৰস্পৰ আলোচনা), (২) দান (ঐশ্বৰ্য্য-বিভূতি-মৰ্য্যাদাদান), (৩) ভেদ (ৰজা প্ৰজা তথা ৰজা অমাত্যৰ মাজত বিভেদ, আৰু (৪) দণ্ড (প্ৰকাশ্য যুদ্ধ) —এই চাৰিটা ৰাজনৈতিক কৌশল প্ৰয়োগ কৰে। উদয়ন আত্মাভিমানী, নিৰ্লোভ, প্ৰজা তথা অমাত্য বৰ্গৰ শ্ৰদ্ধা ভাজন আৰু বিশাল সৈন্যবাহিনীৰ অধিপতি হোৱা বাবে ক্ৰমে সাম, দান, ভেদ আৰু দণ্ড এটাও প্ৰযোজ্য নহয়।

ইয়াকে স্থিৰ কৰি চণ্ডসেনে এজন দূত মাতি আনি এই বুলি আদেশ দিলে ;—“যোৱা, মোৰ আদেশ মতে বৎসৰাজক এই কথাখিনি কোৱাঁ গৈ । মোৰ কন্যাই গান্ধর্ব বিদ্যা লাভৰ বাবে আপোনাৰ শিষ্যা হ'বলৈ ইচ্ছা কৰিছে; আপোনাৰ যদি আমাৰ প্রতি স্নেহ আছে, তেনেহ'লে ইয়ালৈ আহি ৰাজকুমাৰীক সঙ্গীত শিক্ষা দিয়ক” এইখিনি কৈ তেওঁ দূতক বৎসৰাজ উদয়নৰ ওচৰলৈ পঠালে আৰু দূতেও গৈ সকলো কথা ৰজাক জনালে। ১৭-১৯

বৎস-ৰাজ উদয়নে দূতৰ মুখৰপৰা অনুচিত সন্দেশ শুনি মন্ত্রী যৌগন্ধৰায়ণক নিভৃতে মাতি নি ক'লে ;—“উজ্জয়িনীৰ ৰজা চণ্ডসেনে মোলৈ দাম্ভিকতাপূর্ণ এয়া কি সন্দেশ পঠাইছে ? কি অভিপ্রায়েৰে সেই দুৰাত্মাই মোলৈ এনেকুৱা অশিষ্ট বাতৰি পঠাইছে ? বৎসৰাজে এই দৰে কোৱাত স্বামীৰ মঙ্গলৰ বাবে সদায় দৃঢ়-সংকল্প মহামন্ত্রী যৌগন্ধৰায়ণে উত্তৰ দিলে ;—“মহাৰাজ ! আপুনি অতিশয় ব্যসনাসক্ত বুলি যি কুখ্যাতি সংসাৰত প্রচাৰ হৈছে, সেই কুখ্যাতি এতিয়া এজোপা লতাৰ দৰে ঠন ধৰি উঠিছে এয়া হৈছে সেই লতাৰে কেহা-তিতা ফল । চণ্ড মহাসেনে আপোনাক অতিশয় ব্যসনাসক্ত বুলি জানিব পাৰিছে; পতিকে নিজৰ কন্যাৰস্নেহে প্রলুব্ধ কৰি আপোনাক বন্দী কৰি বশীভূত কৰি ৰাখিবলৈ চেষ্টা কৰিছে । সেই দেখি মহাৰাজ ! আপুনি এতিয়া (হাতী চিকাৰৰ) ব্যসন (আসক্তি) পৰিত্যাগ কৰক । বনৰীয়া হাতী গাঁতত পেলাই ফান্দীয়ে অনায়াসে ধৰাৰ দৰে, ব্যসনৰূপ গাঁতত পৰা ৰজাক বৈৰী নৃপতিয়ে সহজে কৰায়ত্ত কৰে ।” ২০-২৫

মন্ত্রী যৌগন্ধৰায়ণে উক্ত পৰামর্শ দিয়াত ধীৰমতিৰ বৎসৰাজ উদয়নে চণ্ড মহাসেনৰ ওচৰলৈ ওলোটাই দূতৰ মুখে এই বুলি সন্দেশ পঠালে ।

“মহাৰাজ মহাসেন ! আপোনাৰ কন্যাই যদি মোৰ শিষ্যত্ব গ্রহণ কৰিবলৈ ইচ্ছা কৰিছে, তেনেহ'লে আপুনি তেওঁক ইয়ালৈকে পঠাই দিয়ক ।” দূত পঠিওৱাৰ পিছত উদয়নে অমাত্যবর্গৰ আগত ক'লে,—“মই এতিয়াই উজ্জয়িনীলৈ যাওঁ আৰু দুষ্ট মহা সেনক বন্দী কৰি বান্ধি আনোগৈ ।” তাকে শুনি মুখ্যমন্ত্রী যৌগন্ধৰায়ণে

নিবেদন কৰিলে ; —"মহাৰাজে এই কাম কৰিব নোৱাৰে আৰু কৰা উচিতো নহয়। চণ্ড মহাসেন যে প্ৰতাপশালী ৰজা এই কথা মহাৰাজে স্বীকাৰ কৰিব লাগিব। মহাসেনৰ বিষয়ে সমগ্ৰ আখ্যান মই কওঁ, শুনক।" ২৬-৩০

৬. চণ্ড মহাসেনৰ কথা :

পৃথিৱীৰ ভূষণ স্বৰূপ উজ্জয়িনী নামে এখন নগৰী আছে। সুধাধৱল প্ৰাসাদৰাজিৰে উজ্জয়িনীয়ে যেন অমৰাৱতীক উপহাস কৰিহে বিৰাজ কৰিছে। সেই নগৰীত জগতৰ ঈশ্বৰ মহাদেৱেও কৈলাস পৰিত্যাগ কৰি মহাকালৰূপে অধিষ্ঠান কৰিছে। সেই উজ্জয়িনী নগৰীত ৰাজচক্ৰৱৰ্তী মহেন্দ্ৰ বৰ্মা নামে এজন ৰজা আছিল। তেওঁৰ পুত্ৰ জয়সেনো গুণত তেওঁৰ সমকক্ষ আছিল। জনমেজয় নামে প্ৰসিদ্ধ জয়সেনৰ অপ্ৰতিম বাহুবলী পুত্ৰ মহাসেন নৃপতিবৃন্দৰ ভিতৰত শ্ৰেষ্ঠ। মহাসেনে নিজ ৰাজ্য শাসন কৰি থাকোঁতে এইদৰে চিন্তা কৰিছিল,—'মোৰ হাতত মোৰ উপযুক্ত তৰোৱাল নাই আৰু উচ্চ বংশৰ পত্নীও মোৰ নাই।' ৩১-৩৫

মনতে এইদৰে ভাবি-গুণি এদিন মহাসেন দেৱী চণ্ডিকাৰ মন্দিৰলৈ গ'ল আৰু নিৰাহাৰে বহুত দিন দেৱীৰ আৰাধনা কৰি কটালে। মহাসেনে নিজৰ গাৰ মাংস কাটি অগ্নিত দি দেৱীৰ উদ্দেশ্যে হোম কৰিছিল। তেতিয়া তেওঁৰ আৰাধনাত তুষ্ট হৈ দেৱীয়ে সাক্ষাৎ দেখা দি মহাসেনক ক'লে ; —"পুত্ৰ! তোমাৰ আৰাধনাত মই তুষ্ট হৈছোঁ। মোৰ এই উত্তম খড়্গখন তুমি লোৱা। এই খড়্গৰ প্ৰভাৱত তুমি পৃথিৱীত সকলোৰে অপৰাজেয় হ'বা। ইয়াৰ উপৰি অঙ্গাৰকাসুৰৰ ত্ৰৈলোক্যসুন্দৰী কন্যা অঙ্গাৰৱতীক অচিৰে তুমি পত্নীৰূপে লাভ কৰিবা। যিহেতুকে তুমি (গাৰ মঙহ কাটি তাৰে হোম কৰি) অতি চণ্ড (উগ্ৰ) কাম কৰিলা, সেই দেখি তুমি চণ্ড মহাসেন আখ্যা লাভ কৰিবা।" ইয়াকে কৈ তৰোৱালখন মহাসেনক দি দেৱী অন্তৰ্ধান হ'ল। মহাসেনেও নিজৰ সঙ্কল্প সিদ্ধি হোৱাত পৰম আনন্দ অনুভৱ কৰিলে। ৩৬-৪১

মহাৰাজ ! দেৱীদত্ত সেই তৰোৱাল আৰু নড়াগিৰি নামৰ মদমত্ত হস্তী —ৰজা মহাসেনৰ এই দুটা বস্তু ইন্দ্ৰৰ বজ্ৰ আৰু ঐৰাৱত হস্তীৰ তুল্য। এই দুটা সম্পদৰ প্ৰভাৱত ৰজা মহাসেন অতিশয় সুখী। এদিন চণ্ড মহাসেন মৃগয়া কৰিবলৈ অগাধ অৰণ্যলৈ গ'ল। অৰণ্যত ৰজাই এনে এটা অতিকায় ভীষণ আকৃতিৰ বৰাহ দেখিবলৈ পালে, যেন ৰাতিৰ আন্ধাৰহে গোট মাৰি দিনত এটা প্ৰকাণ্ড ক'লা মাংসপিণ্ড হৈ আছে। ৰজাই সেই বৰাহটোলৈ তীক্ষ্ণ শৰ মাৰিলে, কিন্তু সি আহত নহ'ল, বৰং সি খুন্দা মাৰি ৰজাৰ ৰথখন ভাঙি থৈ এটা ডাঙৰ গাতত সোমাল। ৰজায়ো ভগা ৰথখন তাতে এৰি থৈ হাতত ধনু শৰ লৈ খঙত, বৰাহটোৰ পিছে পিছে খেদি গৈ সেই গাতত সোমাল। ৪২-৪৬

গাতৰ ভিতৰত বহুত দূৰ গৈ ৰজাই এখন ধুনীয়া ডাঙৰ নগৰ দেখিলে। নগৰ দেখি অতিশয় আচৰিত হৈ ৰজাই নগৰৰ ভিতৰৰ এটা পুখুৰীৰ পাৰত বহিল। পুখুৰীৰ পাৰত বহি থাকোঁতে শত-স্ত্ৰী পৰিবৃতা এক সুন্দৰী কন্যা ইফালে সিফালে তাত ঘূৰি ফুৰা মহাসেনে দেখিলে——তেওঁৰ এনেহে লাগিল যেন পুৰুষৰ ধৈৰ্য্যচ্যুত-কাৰী কামদেৱৰ শৰ এপাতেহে তেনেকৈ তাত বিচৰণ কৰিছে। সেই কন্যায়ো অনুৰাগ দৃষ্টিৰে ৰজালৈ ঘনে ঘনে চাই নয়নৰ প্ৰেম -ৰসেৰে যেন ৰজাক স্নানহে কৰাইছে——এনে ভাৱে লাহে লাহে ওচৰলৈ আহি সুধিলে,—"সৌভাগ্যশালী পুৰুষ ! আপুনি কোন ? আপুনি নো ক'ৰপৰা এতিয়া এইখিনি পালেহি ?" কন্যাই এইদৰে সোধাত ৰজাই আদ্যোপান্ত সকলো কথা যথাযথ ভাৱে বৰ্ণনা কৰিলে। ৪৭-৫০

ৰজাৰ কথা শুনাৰ লগে লগে কন্যাৰ অনুৰাগ পূৰ্ণ নয়ন-যুগলৰ অশ্ৰু আৰু অন্তৰৰ ধৈৰ্য্য দুয়োটা একেলগে ওলাই আহিল (কন্যা চকুলো টুকি অধৈৰ্য্য হৈ পৰিল)।

—"তুমি কোন, আৰু কিয় কান্দিছা।" বুলি ৰজাই সোধাত সেই কন্যাই কামদেৱৰ আজ্ঞা অনুসাৰে (কামাতুৰা হৈ) ক'বলৈ ধৰিলে ; —"মহাৰাজ আপুনি যি বৰাহক ইয়াত সোমোৱা দেখিছে, প্ৰকৃততে সি অঙ্গাৰক নামৰ দৈত্য আৰু মই তেওঁৰেই

কন্যা; মোৰ নাম অঙ্গাৰৱতী । এই বৰাহৰ শৰীৰ বজ্ৰতুল্য কঠিন। এই যে এশ কন্যা দেখিছে, এওঁলোক সকলোৱেই ৰাজকুমাৰী, এই দৈত্যাই ৰাজ অন্তেষপুৰৰপৰা তেওঁলোকক ধৰি আনি মোৰ লগৰীয়া কৰি দিছে। এই অসুৰ শাপগ্ৰস্ত হৈ ৰাক্ষসত পৰিণত হৈছে। হৈছে । পৰিশ্ৰান্ত আৰু তৃষ্ণাৰ্ত্ত হোৱা বাবে হে এই দৈত্যাই আপোনাক পায়ো এৰি দিছে । এতিয়া বৰাহৰূপী দৈত্যাই বৰাহ ৰূপ পৰিত্যাগ কৰি শুই আছে; টোপনিৰপৰা সাৰ পাই উঠিলেই সেই দৈত্যাই নিশ্চয় আপোনাক বধ কৰিব । আপোনাৰ অমঙ্গল দেখি মোৰ নয়ন যুগলৰপৰা চকুলো ওলোৱাৰ দৰে শৰীৰপৰা প্ৰাণো ওলাই যাব খুজিছে ।" ৫১-৫৭

অঙ্গাৰৱতীৰ কথা শুনি ৰজা মহাসেনে তেওঁক ক'লে,—"যদি মোৰ প্ৰতি তোমাৰ অকণমানো স্নেহ উপজিছে, তেনেহ'লে মোৰ কথা মতে কাম কৰা । তোমাৰ পিতাৰা সাৰ পাই উঠিলে তেওঁৰ সন্মুখলৈ গৈ তুমি কান্দি থাকিবা । তেতিয়া নিশ্চয় তুমি কিয় কান্দিছা, তেওঁ তোমাক সুধিব । উত্তৰত তুমি এই বুলি ক'বা,— 'তোমাক যদি কোনোবাই বধ কৰে তেনেহ'লে মোৰ গতি কি হ'ব? (তোমাৰ বাহিৰে সংসাৰত মোৰ কোনো নাই) এই দুঃখতে মই কান্দিছোঁ।' তুমি ইয়াকে কৰিলে তোমাৰ আৰু মোৰ দুয়োৰে কল্যাণ হ'ব ।" মহাসেনে কোৱা মতে কৰিবলৈ অঙ্গাৰৱতী সন্মত হ'ল । ৫৮-৬১

পিতাকৰপৰা বিপদ আশঙ্কা কৰি অঙ্গাৰৱতীয়ে তেতিয়া মহাসেনক লুকাই থৈ নিদ্ৰামগ্ন পিতাকৰ ওচৰলৈ গ'ল। দৈত্যাই টোপনিৰপৰা সাৰ পালে আৰু লগে লগে দৈত্যকন্যাই কান্দিবলৈ ধৰিলে । জীয়েকক তেনেকৈ কান্দি থকা দেখি "আইজনী! তুমি কিয় কান্দিছা" বুলি দৈত্যাই মৰমেৰে সুধিলে । অঙ্গাৰৱতীয়ে কৃত্ৰিম বেজাৰত ফেকুৰি ফেকুৰি ক'লে,—"পিতাদেউ! যদি তোমাক কেতিয়াবা কোনোবাই মাৰি পেলায়, তেতিয়া তোমাৰ অবিহনে মোৰ কিঁ গতি হ'ব? এই দুখতে মই কান্দিছোঁ।" জীয়েকৰ কথা শুনি দৈত্যৰাজে হাঁহি হাঁহি ক'লে,—"পাগলী! মোক কোনে মাৰিব পাৰে? মোৰ গোটেই শৰীৰ বজ্ৰময়। কেৱল বাওঁ হাতত

এটা ছিদ্র (ফুটা) আছে, তাকো ধনুৰে ৰক্ষা কৰোঁ” দৈত্যৰাজে এনেকৈ জীয়েকক আশ্বস্ত কৰি কোৱা সকলো কথা লুকাই থকা মহাসেনে শুনিলে। খন্তেক পিছতে দৈত্যৰাজে শয্যাৰপৰা উঠি স্নান কৰি শিৱ-পূজা কৰিবলৈ মৌন হৈ ৰহিল। ৬২-৬৭

সেই সময়তে লুকাই থকা ঠাইৰপৰা ওলাই আহি ৰজা মহাসেনে ধনুত শৰ যোজনা কৰি হঠাৎ দৈত্যৰাজৰ সন্মুখ হৈ দৈত্যক যুদ্ধলৈ আহ্বান কৰিলে। পূজাত মৌন হৈ থকা বাবে দৈত্যৰাজে বাওঁ হাতখন ৰজাৰ কান্ধে দাঙি ‘অজপ ৰবা’ বুলি ইঙ্গিত দিলে। খৰকৈ শৰ মাৰিব পৰা ৰজায়ো সেই মুহূৰ্ত্ততে দৈত্যৰাজৰ বাওঁ হাতৰ সেই ছিদ্ৰ স্থলতে শৰ নিক্ষেপ কৰি আঘাত কৰিলে। মৰ্মস্থানত আহত হৈ দৈত্যৰাজ অঙ্গাৰক বিকট চিঞৰ মাৰি মাটিত বাগৰি পৰিল। জীৱ ওলাই যোৱাৰ আগতে অঙ্গাৰকে ক’লে,— “তৃষাৰ্ত্ত মোক যি হত্যা কৰিছে, সি যদি প্ৰতি বছৰে পানীৰে মোক তৰ্পণ নকৰে, তেনেহ’লে তাৰ পাঁচ জন মন্ত্ৰীৰ মৃত্যু হ’ব।” এই উক্তি কৰাৰ পিছত অঙ্গাৰক দৈত্যৰ মৃত্যু হ’ল। মহাসেনেও তেতিয়া অঙ্গাৰৱতীক লৈ উজ্জয়িনীলৈ যাত্ৰা কৰিলে। ৬৮-৭৩

উজ্জয়িনীত দৈত্যকন্যা অঙ্গাৰৱতীক মহাসেনে যথানিয়মে বিয়া কৰালে। কালক্ৰমত মহাসেনৰ দুটা ল’ৰা জন্ম হ’ল—এটাৰ নাম গোপালক আৰু ইটোৰ নাম পালক। ল’ৰা দুটা জন্ম হোৱাত মহাসেনে তেওঁলোক দুয়োৰে ইন্দ্ৰোৎসৱ পালন কৰিলে। তেতিয়া তুষ্ট হৈ বাসৱে (ইন্দ্ৰ) ৰজাক এই বুলি স্বপ্নাদেশ কৰিলে,— “মোৰ কৃপাত তুমি এক অনন্য-সাধাৰণ কন্যাৰত্ন লাভ কৰিবা।” কালক্ৰমত চণ্ড মহাসেনে এটি কন্যাৰত্ন লাভ কৰিলে। সেই তন্বী কন্যা যেন বিধাতাই চন্দ্ৰৰ অন্যতম শৰীৰ ৰূপেহে সৃজন কৰিছে। কন্যাৰ জন্মৰ সময়ত আকাশী বাণী হৈছিল, —“এই কন্যাৰ গৰ্ভত কামদেৱৰ অৱতাৰ এটি পুত্ৰ জন্মিব; সেই পুত্ৰ বিদ্যাধৰসকলৰ চক্ৰবৰ্ত্তী ৰজা হ’ব।” ‘তুষ্ট হৈ বাসৱে মোক এই কন্যা দান কৰিছে’ বুলি চিন্তা কৰি ৰজাই কন্যাৰ নাম থ’লে বাসৱদত্তা। ৭৮-৭৯

(মূঃ) সেই কন্যা বাসৱদত্তা এতিয়া বিবাহযোগ্যা হৈছে—সমুদ্ৰ মন্থনত প্ৰকাশ হোৱাৰ আগত সমুদ্ৰ গৰ্ভত শ্ৰীবাস কৰি থকাৰ দৰে

বাসৱদত্তাই এতিয়া পিতৃৰ ঘৰত বিৰাজ কৰিছে। মহাৰাজ! চণ্ড মহাসেন নৃপতি এনে অসীম পৰাক্ৰমী, তেওঁ দুৰ্জ্জয় দুৰ্গত বাস কৰে, তেওঁ অপৰাজেয় ইয়াৰ উপৰি তেওঁ নিজেই বাসৱদত্তাক আপোনালৈ দিবলৈ সদায় ইচ্ছা কৰি আছে; কিন্তু অতিশয় আত্মাভিমানী চণ্ডসেনে নিজৰ বংশৰ সন্মান-গৌৰৱ অটুত ৰাখিব খোজে (বাবে নিজে উপযাচি ছোৱালী দিবলৈ অহা নাই)। মোৰ দৃঢ় বিশ্বাস ৰাজকন্যা বাসৱদত্তাক আপুনিয়েই নিশ্চয় বিয়া কৰাব লাগিব।"

মন্ত্ৰীৰ কথা শুনাৰ পিছত মহাৰাজ উদয়নৰ অনুভৱ হ'ল যেন তেওঁৰ হৃদয় বাসৱদত্তাই অকস্মাৎ আকৰ্ষণ কৰি নিছে।

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ সাগৰৰ দ্বিতীয়
লম্বকৰ তৃতীয় তৰঙ্গ।
তৃতীয় তৰঙ্গ, শ্লোক ৮৩

চতুৰ্থ তৰঙ্গ

ইতিমধ্যে বৎসৰাজ উদয়নে পঠোৱা দূতে উদয়নৰ বক্তব্য মহাসেনক জনালেগৈ। সেই বক্তব্য শুনি মহাসেনে ভাবিবলৈ ধৰিলে,—"অভিমানী বৎসৰাজ ইয়ালৈ কেতিয়াও নাহে আৰু ইফালে কন্যা তালৈ পঠালে মোৰ মৰ্য্যাদা হানি হ'ব। গতিকে কৌশলেৰে বন্দী কৰি তেওঁক ইয়ালৈকে আনিম।" ১-৩

ৰজা মহাসেনে এইদৰে ভাবি-গুণি মন্ত্ৰীসকলেৰে সৈতে আলোচনা কৰি নিজৰ নড়াগিৰি হাতীটোৰ নিচিনা এটা প্ৰকাণ্ড যন্ত্ৰৰ হাতী সজালে। যন্ত্ৰৰ সেই হাতীটোৰ পেটত কেইজনমান সশস্ত্ৰ বীৰক লুকাই থৈ মহাসেনে হাতীটো নি বিন্ধ্যাৰণ্যৰ মাজত এৰি আহিল। ইফালে হাতী ধৰাত আসক্ত উদয়নৰ আশ্ৰিত চোৰাংচোৱা কেইটামানে দূৰৈৰপৰাই হাতীটো দেখিবলৈ পালে। সিহঁতে হাতীটো দেখা মাত্ৰকে লৰালৰিকৈ উলটি গৈ উদয়নৰ আগত হাতীৰ কথা জনালে;—"মহাৰাজ! এটা প্ৰকাণ্ড হাতী বিন্ধ্যাৰণ্যত ঘূৰি ফুৰা আমি দেখিছোঁ; এই পৃথিৱীত এনেকুৱা হাতী আৰু আগেয়ে ক'তো দেখা নাই। হাতী নহয় জানিবা গগনস্পৰ্শী শৰীৰেৰে জঙ্গম বিন্ধ্য পৰ্বতহে।" ৪-৮

চোৰাংচোৱা কেইটাৰ কথা শুনি উদয়নে অতিশয় আনন্দিত হৈ সিহঁতক এক লাখ সোণৰ মোহৰ উপহাৰ দিলে। তেওঁ মনতে এইদৰে ভাবিবলৈ ধৰিলে,— 'যদি এই প্ৰকাণ্ড হাতীটো ধৰিব পাৰোঁ। সি নিশ্চয় মহাসেনৰ নড়াগিৰি হাতীটোৰে সৈতে যুঁজিব পাৰিব; সেয়ে হ'লে মহাসেন নিশ্চয় বশীভূত হ'ব আৰু তেতিয়া তেওঁ নিজেই তেওঁৰ কন্যা বাসৱদত্তাক মোলৈ বিয়া দিব।' ভাবি-চিন্তি ইয়াকে ঠিৰাং কৰি উদয়নে ৰাতিটো পাৰ কৰিলে। পিছু দিনা পুৱা হাতী ধৰাৰ নিচাত মত্ত হৈ মন্ত্ৰীসকলৰ পৰামৰ্শ আওকাণ কৰি চোৰাংচোৱা কেইটাক আগত লৈ উদয়নে বিন্ধ্যাৰণ্যলৈ যাত্ৰা কৰিলে। যাত্ৰা কৰাৰ সময়ৰ লগ্ন ফল—'কন্যা লাভ আৰু বন্ধন' বুলি দৈৱজ্ঞই কোৱা কথালৈকো তেওঁ কাণ নিদিলে। ৯-১৩

বৎসৰাজ উদয়ন বিন্ধ্যাৰণ্যত উপস্থিত হ'ল। হাতীটোৱে ভয় খাই বুলি সৈন্য-সামন্তবোৰ দূৰতে থৈ কেৱলমাত্ৰ চোৰাংচোৱা কেইটাৰে সৈতে ঘোষৱতী নামৰ বীণাখন হাতত লৈ উদয়ন বিন্ধ্যাৰণ্যৰ ভিতৰ সোমাল। অৰণ্যৰ দক্ষিণ ফালে থকা হাতীটো দূৰৈৰপৰা চোৰাংচোৱা কেইটাই উদয়নক আঙুলিয়াই দেখুৱালে আৰু তেৰোঁ যন্ত্ৰৰ হাতীটোকে সঁচা হাতী বুলি ধৰিলে। তেতিয়া 'কেনেকৈ হাতীটো ধৰিম' বুলি চিন্তা কৰি বীণা বজাই আৰু সুমধুৰ সঙ্গীত গাই অকলশৰে উদয়ন হাতীটোৰ ওচৰ পালেগৈ। একাণ-পতীয়াকৈ বীণা বজাই থকা বাবে আৰু ইফালে সন্ধিয়াৰ অন্ধকাৰে হাবিখন ঢাকি ধৰা বাবে উদয়নে সেই হাতীটো মায়া হাতী বুলি ধৰিব নোৱাৰিলে। ১৪-১৮

ইফালে সেই মায়া হাতীটোৱেও যেন বীণাৰ ঝঙ্কাৰ আৰু মধুৰ সঙ্গীত শুনি আকৃষ্ট হৈছে, এনে ভাবে কাণ দুখন জোকাৰি জোকাৰি বজা উদয়নৰ ফালে আগ আগ বাঢ়ি আহি আকৌ দূৰলৈ আঁতৰি গৈ উদয়নক নি বহুত দূৰ পোৱালেগৈ। তেনেতে সেই যন্ত্ৰ হাতীৰ পেটত লুকাই থকা সশস্ত্ৰ বীৰ কেইজন হাতীটোৰ পেটৰ পৰা হঠাতে ওলাই তেওঁক বেঢ়ি ধৰিলে। শত্ৰু-পৰিবেষ্টিত হৈ উদয়নে খণ্ডত কঁকালত বান্ধি থোৱা সৰু তৰোৱালখন উলিয়াই সিহঁতৰে সৈতে সম্মুখ যুদ্ধ কৰি থাকোঁতেই সঙ্কেত ধ্বনি শুনি হাবিৰ মাজৰপৰা বহুত সৈন্য ওলাই আহিল আৰু পিছ ফালৰপৰা আক্ৰমণ কৰি উদয়নক নিমিষতে বন্দী কৰিলে। বন্দী উদয়নক সৈন্যবোৰে চণ্ড মহাসেনৰ ওচৰলৈ লৈ গ'ল। ১৯-২২

তেতিয়া মহাসেনে নিজে আগ বাঢ়ি আহি তেওঁক আদৰ অভ্যৰ্থনা জনালে আৰু দুয়ো একে লগে উজ্জয়িনী নগৰীত প্ৰৱেশ কৰিলে। বন্দী অৱস্থাত থকা উদয়নৰ প্ৰথম দৰ্শন নগৰবাসী-সকলৰ পক্ষে কলঙ্কযুক্ত চন্দ্ৰৰ[১] দৰে নয়নানন্দদায়ক হৈছিল। 'চণ্ড মহাসেনে উদয়নক হত্যা কৰিব পাৰে বুলি' আশঙ্কা কৰি পুৰবাসী

১· উদয়নৰ বন্দিত্ব চন্দ্ৰৰ কলঙ্কৰ সৈতে আৰু তেওঁৰ প্ৰথম দৰ্শন অমাবস্যাৰ পিছৰ চন্দ্ৰৰ দৰ্শনৰ সৈতে তুলনা কৰা হৈছে।

সকলেো উদয়নৰ মৃত্যু হ'লে তেওঁলোকেও মৃত্যুবৰণ কৰিবলৈ সঙ্কল্প কৰিলে। প্ৰজাবৃন্দ উত্তেজিত হৈ পৰা দেখি মহাসেনে তেওঁলোকক আশ্বাস দি এই বুলি ক'লে,—"মই উদয়নক কেতিয়াও হত্যা নকৰোঁ, তেওঁৰে সৈতে সন্ধিহে কৰিম।" ২৩-২৬

মহাসেনে সেই মুহূৰ্ত্ততে সঙ্গীত শিক্ষাৰ বাবে নিজ কন্যা বাসৱদত্তাক উদয়নৰ হাতত সমৰ্পণ কৰি ক'লে,—"ৰাজন্! আপুনি বাসৱদত্তাক গান্ধৰ্ব বিদ্যা শিকাওক। তাকে কৰিলে আপোনাৰ কল্যাণ হ'ব। আপুনি মনলৈ অকণো বিষাদ ভাব নানিব।"১২৭-১২৮

মহাসেন-তনয়া বাসৱদত্তাক দেখি উদয়ন পৰম প্ৰসন্ন হৈ পৰিল। নিমিষতে তেওঁৰ মনৰ সকলো দুঃখ-ক্ষোভ কেনিবা উৰি গ'ল। ইফালে লগে লগে বাসৱদত্তাৰো দৃষ্টি আৰু মন দুয়োটাই উদয়নৰ ফালে চাপলি মেলিলে; লাজত দৃষ্টি ঘূৰি আহিল, মন হ'লে কোনোপধ্যে তেওঁৰপৰা আঁতৰি নাহিল।১২৯-১৩০

তেতিয়া উদয়নে গান্ধৰ্বশালাত বাস কৰি সততে বাসৱদত্তাক অনুৰাগ নয়নৰ আগত ৰাখি তেওঁক সঙ্গীত শিকাবলৈ ধৰিলে। উদয়নৰ কোলাত ঘোষৱতী বীণা, কণ্ঠত মধুৰ সঙ্গীত আৰু চকুৰ আগত চিত্ত-মনোহাৰিণী বাসৱদত্তা। গান্ধৰ্ব বিদ্যা আয়ত্ত কৰাৰ মানসেৰে বাসৱদত্তা বন্দী উদয়নৰ সেৱা-শুশ্ৰূষাত এনেকৈ তৎপৰ হৈ পৰিল, যেন অচঞ্চলা ৰাজ-লক্ষ্মীয়েহে উদয়নৰ কাষত বিৰাজ কৰিছে। ৩১-৩৩

ইতিমধ্যে উদয়নৰ অনুগামী সৈন্য সামন্তবোৰ উদয়ন নোহোৱাকৈ কৌশাম্বীলৈ উভতি অহাত সকলো বৃত্তান্ত অৱগত হৈ অনুৰক্ত প্ৰজাবৃন্দ খঙত উজ্জয়িনী আক্ৰমণ কৰিবলৈ ওলাল। তেতিয়া সেনাপতি ৰুমণ্বানে উত্তেজিত প্ৰজাবৃন্দক এইদৰে বুজাই বঢ়াই ৰণযাত্ৰাৰ পৰা বিৰত কৰিলে,—"চণ্ড মহাসেন বৰ পৰাক্ৰমী ৰজা, তেওঁক ৰণেৰে বশ কৰিব নোৱাৰি। আন হাতে উজ্জয়িনী আক্ৰমণ কৰিলে মহাৰাজ উদয়নৰ শাৰীৰিক অমঙ্গল ঘটাৰ আশঙ্কাও আছে। গতিকে এতিয়া উজ্জয়িনী আক্ৰমণ কৰা আমাৰ পক্ষে কোনোমতে উচিত নহয়। বুদ্ধি-কৌশলেৰেহে উপস্থিত কাৰ্য্য সিদ্ধি কৰিব লাগিব। ৩৪-৩৭

বিষয়া আৰু প্ৰজাবৰ্গক উদয়নৰ প্ৰতি একান্ত অনুৰক্ত দেখি তেতিয়া ধীৰচিত্তৰ যৌগন্ধৰায়ণে ৰুমণ্বান আদি সকলোকে এই দৰে বুজনি দিলে।

—"তোমালোক সকলোৱে এতিয়া অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত হৈ ইয়াতে থাকি ৰজা নথকা ৰাজ্যখন ভালকৈ ৰক্ষা কৰা; সময় উপস্থিত হ'লে পৰাক্ৰম দেখুৱাবা। সম্প্ৰতি মই বসন্তকক লগত লৈ উজ্জয়িনী নগৰলৈ যাওঁ আৰু নিজৰ বুদ্ধিৰ বলত ৰজা উদয়নক বন্দিত্বৰপৰা মুক্ত কৰি ইয়ালৈ অচিৰে লৈ আহিম—ইয়াত অকণো সন্দেহ নাই। ৩৮-৪০

—ধাৰাষাৰ বৰষুণত বিজুলীৰ চিক্‌মিকনি বেছি উজ্জ্বল হোৱাৰ দৰে সংকটৰ সময়ত যাৰ বুদ্ধিৰ বিকাশ হয়, তেৱেঁই প্ৰকৃততে ধীৰ।' দুৰ্গৰ প্ৰাচীৰ ভঙা আৰু হাতভৰিৰ শিকলি ছিঙাৰ কৌশল মই ভাল দৰে জানো, কেনেকৈ অদৃশ্য হ'ব পাৰি সেই কৌশলৰ প্ৰয়োগো মই জানো।" ইয়াকে কৈ যৌগন্ধৰায়ণে প্ৰজাবৰ্গক ৰুমণ্বানৰ হাতত গটাই দি বসন্তকৰে সৈতে কৌশাম্বীলৈ যাত্ৰা কৰিলে। ৪১-৪৩

যৌগন্ধৰায়ণৰ নিজৰ প্ৰজ্ঞা যেনেকুৱা প্ৰাণৱন্ত (সত্ত্বাঢ্য) আৰু আনে বুজিব নোৱাৰা (দুৰ্গম) বিন্ধ্যাৰণ্যও ঠিক তেনে প্ৰাণীসঙ্কুল (সত্ত্বাঢ্য) আৰু দুৰ্গম; এনেকুৱা বিন্ধ্যাৰণ্যত যৌগন্ধৰায়ণে বসন্তকৰে সৈতে প্ৰৱেশ কৰিলে।

যৌগন্ধৰায়ণ গৈ বিন্ধ্যাৰণ্যৰ প্ৰান্তভাগত বাস কৰা পুলিন্দাধিপতি পুলিন্দকৰ ঘৰ সোমাল। তেওঁ বহুত সৈন্য-সামন্তৰে সৈতে পুলিন্দকক (যুদ্ধৰ বাবে) সাজু কৰি থ'লে, যাতে সেই বাটেদি উলটি আহোঁতে উদয়নক (মহাসেনৰ সম্ভাব্য আক্ৰমণৰপৰা) ৰক্ষা কৰিব পাৰে। ৪৫-৪৬

তাৰ পিছত বসন্তকক লগত লৈ যৌগন্ধৰায়ণ উজ্জয়িনীৰ মহা শ্মশানত উপস্থিত হ'ল। পোৱা মঙহৰ গোন্ধেৰে পূতিগন্ধি, মৰিশালীখন চিতাৰ ধোঁৱাৰে আৰু ইফালে সিফালে পিন পিনাই ফুৰা বেতালেৰে ভৰি আছিল। যৌগন্ধৰায়ণে শ্মশানত প্ৰৱেশ কৰা মাত্ৰকে তেওঁক দেখি সন্তুষ্ট হৈ যোগেশ্বৰ নামে এটা ব্ৰহ্ম

ৰাক্ষসে আহি তেওঁক মিত্ৰভাৱে গ্ৰহণ কৰিলে। যোগেশ্বৰে দিয়া যোগমন্ত্ৰৰ বলত আৰু তাৰ পৰামৰ্শ মতেই যৌগন্ধৰায়ণে নিজৰ ৰূপ সলনি কৰি নিমিষতে এটা কুৎসিত কুজা বুঢ়া হৈ পৰিল। তেতিয়া পগলাৰ দৰে ঘূৰি ফুৰা কুজা বুঢ়াৰ অঙ্গি-ভঙ্গীয়ে সকলোকে হঁহুৱালে। ৪৭-৫১

তাৰ পিছত যোগেশ্বৰৰ পৰামৰ্শ অনুসাৰেই যৌগন্ধৰায়ণে (যোগমন্ত্ৰৰ প্ৰভাৱত) বসন্তকৰো চেহেৰা সলনি কৰিলে; গাত শিৰ জক্ জক্কৈ জিলিকি থকা, ওলোমা পেট আৰু কদাকাৰ মুখেৰে বসন্তক এটা দঁতুৱা বুঢ়া হৈ পৰিল। তেতিয়া যৌগন্ধৰায়ণে ছদ্মবেশী বসন্তকক প্ৰথমে ৰাজপ্ৰাসাদলৈ পঠাই নিজেও উক্ত ছদ্ম বেশেৰেই উজ্জয়িনী নগৰৰ ভিতৰ সোমাল। উন্মত্তৰ দৰে নাচি বাগি গান গাই গৈ থকা যৌগন্ধৰায়ণক ল'ৰাবোৰে বাটত বেঢ়ি ধৰিলে; তেওঁ সকলোৰে কৌতুকৰ পাত্ৰ হৈ পৰিল। এইদৰে তেওঁ ৰাজপ্ৰাসাদৰ ফালে আগ বাঢ়িল। ৫২-৫৪

ছদ্মবেশী যৌগন্ধৰায়ণ ৰাজঅন্তঃপুৰত কৌতুকৰ বিষয় হৈ পৰা কথা ক্ৰমে বাসৱদত্তাৰ কাণত পৰিলগৈ। শুনা মাত্ৰকে বাসৱদত্তাই এজনী লিগিৰী পঠিয়াই তেওঁক ততালিকে গান্ধৰ্ব শালালৈ অনালে; কিয়নো নৱযৌৱন আৰু আমোদ-কৌতুক দুয়ো যেন সহোদৰ ককাই-ভাইহে। উদয়নক শৃংখলিত দেখি ছদ্মবেশত থাকিলেও যৌগন্ধৰায়ণে চকুলো টুকিবলৈ ধৰিলে। সঙ্কেতেৰে আত্ম পৰিচয় দিয়াত উদয়নে ছদ্মবেশী বৃদ্ধক যৌগন্ধৰায়ণ বুলি চিনি পালে। ৫৫-৫৮

তেতিয়া যোগ বিদ্যাৰ প্ৰভাৱত নিমিষতে যৌগন্ধৰায়ণ বাসৱদত্তা আৰু তেওঁৰ লিগিৰীহঁতৰ নয়নৰ অগোচৰ হৈ পৰিল, কেৱল ৰজা উদয়নৰ হে দৃষ্টিগোচৰ হৈ ৰ'ল।

বুঢ়া হঠাতে অদৃশ্য হৈ পৰা দেখি বাসৱদত্তা আৰু লিগিৰীহঁতে পৰস্পৰ কোৱা বতৰা কৰিবলৈ ধৰিলে,—"এই খিনিতে থকা পগলা বুঢ়াটো হঠাতে ক'ত হেৰমায়া হ'ল?" তেওঁলোকৰ কথা-বতৰা শুনি আৰু ইফালে যৌগন্ধৰায়ণক চকুৰ আগতে দেখি উদয়নে যোগবলত এনে কাৰ্য্য হৈছে বুলি স্থিৰ কৰিলে। উদয়নে

তেতিয়া বাসৱদত্তাক ক'লে,—"ৰাজকুমাৰী ! আপুনি সৰস্বতী পূজাৰ বাবে পূজাৰ উপচাৰ আনক।" বাসৱদত্তাই 'বাৰু' বুলি শলাগি সখীয়েকহঁতেৰে সৈতে (পূজাৰ সামগ্ৰী আনিবলৈ) তাৰপৰা ওলাই গ'ল। ৫৯-৬২

সেই সুযোগতে যৌগন্ধৰায়ণে উদয়নৰ কাষ চাপি বন্ধন-শৃঙ্খল ছিঙিব পৰা যোগমন্ত্ৰ উদয়নক প্ৰদান কৰিলে। লগতে বাসৱদত্তাৰ বশীকৰণৰ বাবে বীণাৰ তাঁৰত প্ৰয়োগ কৰা বশীকৰণ যন্ত্ৰ-মন্ত্ৰও তেওঁক দিলে। তাৰ পিছত তেওঁ উদয়নক জনালে যে ছদ্মবেশী বিদূষক বসন্তক দুৱাৰ মুখত ৰৈ আছে; তেওঁক সোণকালে আপোনাৰ ওচৰলৈ অনাওক। বাসৱদত্তা আপোনাৰ সম্পূৰ্ণ বিশ্বাসযোগ্যা নোহোৱালৈকে আপুনি এতিয়া মনে মনে থাকক; তাৰ পিছত মই যি কৰিবলৈ কওঁ, তাকে কৰিব। ৬২-৬৬

ইয়াকে কৈ যৌগন্ধৰায়ণ তাৰপৰা লৰালৰিকৈ ওলাই গ'ল। ইতিমধ্যে পূজাৰ উপকৰণ লৈ বাসৱদত্তাও তাত উপস্থিত হ'ল। উদয়নে বাসৱদত্তাক দেখি ক'লে,—"বাহিৰৰ দুৱাৰ মুখত এজন ব্ৰাহ্মণ ৰৈ আছে। সৰস্বতী পূজাৰ দক্ষিণা দিবৰ বাবে তেওঁক ভিতৰলৈ মাতি আনা।" 'বাৰু' বুলি শলাগি বাসৱদত্তাই বিকৃতবেশৰ কুৎসিত বসন্তকক ভিতৰলৈ অনালে। ভিতৰ সোমাই বসন্তকে বৎসৰাজ উদয়নক (বন্দী হৈ থকা) দেখি বেজাৰত কান্দিবলৈ ধৰিলে। ছদ্মবেশ প্ৰকাশ হোৱাৰ ভয়ত উদয়নে তৎক্ষণাত (তেওঁক সান্ত্বনা দিয়াৰ ছলেৰে) ক'লে, —"ব্ৰাহ্মণ! আপুনি নাকান্দিব; ৰোগে কুৰূপ কৰা আপোনাৰ ৰূপ মই ভাল কৰিম, আপুনি মোৰ ওচৰত থাকক।" ৬৭-৭১

"মহাৰাজৰ অশেষ অনুগ্ৰহ" বুলি বসন্তকে উত্তৰ দিলে। বসন্তকক তেনেকুৱা বিকৃত ৰূপত দেখি উদয়নে অলপ হাঁহিলে। ৰজাৰ মনোগত অভিপ্ৰায় বুজি পাই বসন্তকেও হাঁহিবলৈ ধৰিলে। যিমানেই হাঁহে সিমানেই বসন্তক এটা হঁহা পুতলা যেন হৈ পৰে। তাকে দেখি আনন্দত বাসৱদত্তায়ো হাঁহিবলৈ ধৰিলে। ৰাজকুমাৰীয়ে তেতিয়া ধেমালিৰ ছলতে বসন্তকক সুধিলে,—"ব্ৰাহ্মণ! কি বিদ্যাত আপুনি পাৰ্গত, অনুগ্ৰহ কৰি কওক।" ৭২-৭৫

—"ৰাজকুমাৰী ! মই ভাল সাধুকথা ক'ব জানো ।'—বসন্তকে ক'লে ।

—"তেনেহ'লে এটা সাধু কথা কওক" বুলি বাসৱদত্তাই বসন্তকক অনুৰোধ জনালে । ৰাজকুমাৰীৰ অনুৰোধত বসন্তকে হাস্য—কৌতুকোদ্দীপক এটা ৰসাল সাধুকথা ক'বলৈ আৰম্ভ কৰিলে। ৭৬-৭৭

৭. ৰূপিণিকা গণিকাৰ কথা :

কংসৰিপু শ্ৰীকৃষ্ণৰ জন্মভূমি মথুৰাত এসময়ত ৰূপিণিকা নামৰ এজনী গণিকাই বাস কৰিছিল । গণিকাৰ মাক কুট্টনী বুঢ়ীৰ নাম মকৰদ্ৰংষ্টা (মঁৰিয়াল-দাঁতী)। ৰূপিণিকাৰ ৰূপমুগ্ধ প্ৰেমিকসকলৰ দৃষ্টিত বুঢ়ী আছিল বৰবিহ স্বৰূপ । নিজৰ বৃত্তিৰ বাবে এদিন মন্দিৰলৈ যাওঁতে ৰূপিণিকাই মন্দিৰৰ ভিতৰত দূৰৈৰপৰা এজন যুৱক দেখিলে । দেখা মাত্ৰকে নয়ন পথেদি সেই সুৰূপ যুৱকে ৰূপিণিকাৰ অন্তৰত এনেকৈ প্ৰৱেশ কৰিলে যে (তেওঁ সোমোৱাৰ) লগে লগে কুট্টনী মাতৃৰ সকলো উপদেশ তেওঁৰ অন্তৰৰ পৰা ওলাই লৰ মাৰিলে । ৭৮-৮১

ৰূপিণিকাই লিগিৰী এজনীক মাতি ক'লে,—"যোৱা সৌ পুৰুষজনক মই কোৱা বুলি কোৱাঁ গৈ যে তেওঁ আজি ৰাতি মোৰ ঘৰলৈ আহিব লাগে।" 'বাৰু' বুলি শঙ্কাগি লিগিৰীজনী যুৱকৰ ওচৰলৈ গৈ ৰূপিণিকাৰ কথা ক'লে । তাকে শুনি যুৱকে খন্তেক চিন্তা কৰি ক'লে,—"মই ব্ৰাহ্মণ, মোৰ নাম লোহজংঘ । মোৰ হাতত ধন-বিত্ত একো নাই । আত্যৱন্তজনৰ বাবে সুলভ তোমালোকৰ ৰূপিণিকাৰ ঘৰত মই কোন (কুটা) ?" "আমাৰ ৰূপিণিকা আইদেৱে আপোনাৰপৰা ধন-সোণ নিবিচাৰে" বুলি লিগিৰীজনীয়ে কোৱাত লোহজংঘই লিগিৰীৰ কথা মতে যাবলৈ সন্মতি জনালে। ৮২-৮৩

লিগিৰীৰ মুখৰপৰা পুৰুষজনৰ সন্মতিৰ কথা শুনি ৰূপিণিকাই একান্ত উৎসুক হৈ ঘৰ পালেহি আৰু তেওঁ অহালৈ একেথাহে বাট চাই থাকিল । কিছু পৰৰ পিছত লোহজংঘ ৰূপিণিকাৰ ঘৰ

ওলালহি; তেওঁক দেখি ৰূপিণিকাৰ মাক মকৰপ্ৰংষ্ট্ৰা আচৰিত হ'ল আৰু মনে মনে ভাৱিলে —'এইটো আকৌ ক'ৰপৰা আহিল ?' লোহজংঘক দেখি ৰূপিণিকা আনন্দিত হ'ল আৰু উঠি গৈ আদৰত তেওঁক ভিঙিত সাৱটি ধৰি শোৱাঘৰৰ ভিতৰলৈ আনিলে। ৰূপিণিকা লোহজংঘৰ প্ৰেম-সম্পদত ইমান বশীভূত হৈ পৰিল যে তেওঁ নিজকে পৰম সৌভাগ্যৱতী আৰু নিজৰ জন্ম সাৰ্থক জ্ঞান কৰিলে ৮৬-৮৯

ৰূপিণিকাই তেতিয়া অন্য পুৰুষৰ সৈতে সঙ্গম পৰিত্যাগ কৰাত যুৱক লোহজংঘই একান্তভাৱে ৰূপিণিকাৰ সৈতে মনৰ সুখত তেওঁৰ ঘৰত বাস কৰিবলৈ ধৰিলে। জীয়েকৰ এনে মতি-গতি দেখি আন গণিকাক অৰ্থোপাৰ্জনৰ উপদেশ দিওঁতা কুট্টনী মকৰ-প্ৰংষ্টা অতিশয় বিষণ্ণ হৈ পৰিল। বুঢ়ীয়ে জীয়েকক অকলশৰীয়াকৈ ক'লে ।

—"আইজনী ! তুমি কিয় এই ভিকহটোৰ প্ৰেমত আসক্ত হৈছা ? শ্ৰেষ্ঠ গণিকাই দৰিদ্ৰ পুৰুষক আলিঙ্গন কৰাতকৈ বৰং মৰা-শকে আলিঙ্গন কৰিবলৈ ভাল পায়। প্ৰেমানুৰাগ ক'ত আৰু গণিকা-বৃত্তি ক'ত ? এই কথা তুমি কিয় পাহৰি গ'লা ? ৰক্তিম সন্ধ্যা বেছি পৰ জিলিকি নথকাৰ দৰে অনুৰাগিণী বেশ্যাও বেছি দিন দীপ্তিমতী হৈ নাথাকে। গণিকাই অৰ্থ আহৰণৰ বাবে নটীয়ে অভিনয় কৰাৰ দৰে কৃত্ৰিম প্ৰেমানুৰাগ প্ৰদৰ্শন কৰে; গতিকে তুমি এই দৰিদ্ৰ যুৱকক পৰিত্যাগ কৰা। নিজৰ বিনাশ নিজে মাতি নানিবা।" ৯০-৯৪

এই কথা শুনি ৰূপিণিকাই খঙত মাকক ক'লে;—"তুমি এনে কথা আৰু মোক দুনাই নক'বা। এই যুৱক মোৰ প্ৰাণতকৈও প্ৰিয়। মোৰ বহুত ধন আছে, আৰু ধনেৰে মই কি কৰিম ? তুমি আৰু দুনাই এনে কথা মোক কেতিয়াও নক'বা।" ৯৫-৯৬

জীয়েকৰ কথা শুনি মকৰপ্ৰংষ্টাই খঙত গুজৰি-গুমৰি লোহজংঘক খেদাৰ উপায় চিন্তা কৰিবলৈ লাগিল। এনেতে ৰাজপথেদি অহা এজন ধনহীন ৰাজকুমাৰ কুট্টনী মকৰপ্ৰংষ্টাই দেখিবলৈ পালে—ৰাজকুমাৰক বহু সশস্ত্ৰ সৈনিকে বেঢ়ি আহিছে।

কুট্টনী মবালৰিকৈ ৰাজকুমাৰৰ ওচৰলৈ গৈ তেওঁক অবক্ষেশৰীয়াকৈ মাতি নি ক'লে।

—"এক ধনহীন কামুক যুৱকে মোৰ ঘৰ লেৰা হৈছে, তুমি এতিয়া মোৰ ঘৰলৈ আহি এনে এটা ব্যৱস্থা গ্ৰহণ কৰা যাতে সেই ভিকুহটো মোৰ ঘৰৰপৰা দূৰ হয় আৰু (সি যোৱাৰ পিছত) তুমি মোৰ কন্যাৰ সঙ্গম সুখ উপভোগ কৰা।" ৯৭-১০০

'বাৰু, তাকে কৰিম' বুলি মান্তি হৈ ৰাজকুমাৰে গণিকাৰ ঘৰত প্ৰৱেশ কৰিলে। সেই সময়ত ৰূপিণিকা ঘৰত নাছিল, মন্দিৰলৈ গৈছিল। ইফালে লোহজঙ্ঘও কিবা কামত কোনোবা ফালে ওলাই গৈছিল। ঘূৰি আহি লোহজঙ্ঘ নিঃশঙ্কচিত্তে ঘৰৰ ভিতৰ সোমাল। ঘৰ সোমোৱা মাত্ৰকে ৰাজকুমাৰৰ অনুচৰবৰ্গই লোহজঙ্ঘক বেৰি ধৰি গুৰিয়াই ভুকুৱাই সৰ্ব শৰীৰত আঘাত কৰি এটা আবৰ্জনাপূৰ্ণ খালত পেলাই দিলেগৈ। লোহজঙ্ঘ প্ৰাণ লৈ কোনো মতে তাৰপৰা পলাল। ইতিমধ্যে ৰূপিণিকা ঘৰলৈ উলটি আহিল আৰু সকলো কথা গম পাই শোকত বিহ্বল হৈ পৰিল। তাকে দেখি ৰাজকুমাৰ যি মুখে আহিছিল, সেই মুখেই ঘূৰি গ'ল। ইফালে অকস্মাতে কুট্টনীৰ হাতত লাঞ্ছিত আৰু অপমানিত হৈ লোহজঙ্ঘই শোকে-বেজাৰে জৰ্জৰিত হৈ 'কোনো তীৰ্থত প্ৰাণ ত্যাগ কৰোঁগৈ' বুলি তীৰ্থ যাত্ৰা কৰিলে। লোহজঙ্ঘৰ অন্তৰ কুট্টনীৰ প্ৰতি ক্ৰোধত সন্তপ্ত আৰু শৰীৰ গ্ৰীষ্মকালৰ সূৰ্য্যৰ তাপত উত্তপ্ত, এইদৰে ভিতৰে বাহিৰে উত্তপ্ত তেওঁ শূন্য স্থানে দি গৈ থাকোঁতে কৰবাত গছৰ ছাঁত জিৰণি ল'ব খুজিলে। ১০১-১০৭

সেই শূন্য স্থানত তেওঁ ক'তো গছ গছনি নেদেখিলে, এটা মৰা হাতীহে পৰি থকা দেখিবলৈ পালে। মৰা হাতীটোৰ পিছ ঠেং দুটাৰ মাজেদি সোমাই শিয়ালে হাতীটোৰ মঙহ খাই শেষ কৰাত ওপৰৰ ছালখন কেৱল জকাটোৰ ওপৰত লাগি আছিল। ভাগৰত লাল কাল হৈ লোহজঙ্ঘ হাতীৰ সেই জকাটোৰ ভিতৰ সোমাল। (জকাটোৰ মুখফাল আৰু পিছ ফাল মুকলি হৈ থকা বাবে) বতাহে চেঁচা কৰি থোৱা জকাটোৰ ভিতৰত ফৰেৰতে ভাগৰুৱা

লোহজংঘৰ টোপনি আহিল। এনে সময়তে হঠাৎ আকাশখন মেঘে ঢাকি ধৰিলে আৰু ধাৰাসাৰে বৰষুণ দিবলৈ ধৰিলে। ১০৮-১১০ বৰষুণত তিতি কেঁচ খাই থকা হাতীৰ ছাল কুমলি বহল হৈ পৰাত ছালখনৰ মুখৰ ফালৰ আৰু পিছৰ ফালৰ দুয়োটা মুখ বন্ধ হৈ পৰিল। কন্তেক পিছতে হাতীৰ জকাটো পৰি থকা ফালেদিয়েই পানীৰ প্ৰবল সোঁত বৈ আহিল আৰু সোঁতে উটাই নি ছালেৰে ঢাক খাই থকা হাতীৰ জকাটো গঙ্গাত পেলালে। গঙ্গাৰ সোঁতত গৈ সি সাগৰৰ মাজ পালেগৈ। সাগৰত ওপঙি থকা হাতীৰ ছালখন দেখি কিবা জন্তু (মঙহ) বুলি ভাবি গৰুড় জাতীয় এটা ডাঙৰ চৰায়ে ঠোঁটেৰে খোট মাৰি নি সেইটো সাগৰৰ সিপাৰ পোৱালে গৈ। ১১১-১১৩

সাগৰৰ পাৰত হাতীৰ জকাটো থৈ চৰাইটোৱে ঠোঁটেৰে খুচি তাৰ ছালখন ফুটালে। ছালৰ ভিতৰত এটা মানুহ সোমাই থকা দেখি চৰাইটোৱে ছালখন তাতে এৰি ভয়ত উৰা মাৰি কেনিবা গুচি গ'ল। চৰাইটোৰ পাখিৰ ছপ্‌ছপনিত লোহজংঘই টোপনিৰপৰা সাৰ পালে আৰু চৰাইটোৱে ছালখনত কৰা ফুটাটোৰেদি ছালৰ ভিতৰৰপৰা ওলাই আহিল। সমুদ্ৰৰ পাৰত নিজক দেখি তেওঁ বৰ আচৰিত হ'ল—সমগ্ৰ ঘটনা তেওঁৰ মনত নিদ্ৰাহীন স্বপ্ন (টোপনি নহাকৈয়ে দেখা সপোন) যেনহে লাগিল। এনেতে সাগৰৰ পাৰত ঘূৰি ফুৰা দুটা ভীষণ ৰাক্ষস দেখি লোহজংঘই বৰ ভয় খালে, সেই ৰাক্ষস দুটায়ো দূৰৈৰপৰাই সচকিতভাৱে তেওঁক লক্ষ্য কৰিলে। মনুষ্যৰূপী ৰামৰ হাতত লঙ্কাৰ পৰাজয়ৰ কথা ৰাক্ষস দুটাই শুনিছিল, এতিয়া তেনে এটা মানুহেই সাগৰ পাৰ হৈ লঙ্কাত উপস্থিত হোৱা দেখি ৰাক্ষস দুটাৰ পেটে পেটে বৰ ভয় লাগিল। ১১৪-১১

পৰস্পৰৰ আলোচনাৰ পিছত তাৰে এটাই লৰালৰিকৈ গৈ যি দেখিলে, সকলো কথা ৰজা বিভীষণৰ আগত নিবেদন কৰিলে। ৰামৰ পৰাক্ৰম ভালকৈ প্ৰত্যক্ষ কৰা বিভীষণো মনুষ্যৰ লঙ্কা আগমন বাতৰিত সন্ত্ৰস্ত হৈ উঠিল। বিভীষণে ৰাক্ষসটোক ক'লে,—“ভদ্ৰ। তুমি যোৱা আৰু সেই মনুষ্যক মই কোৱা বুলি মিঠা মাতেৰে নম্ৰভাৱে এই বুলি ক'বা—'প্ৰভু। অনুগ্ৰহ কৰি আমাৰ

ভৱনলৈ আহক, আমাৰ প্ৰতি কৃপা কৰক।" ১১৯-১২১

'বিবা আজ্ঞা মহাৰাজ!' বুলি ৰাক্ষসটো ঘূৰি আহি ৱম্ভভাৱে নিজ প্ৰভুৰ প্ৰাৰ্থনা লোহজংঘৰ ওচৰত নিবেদন কৰিলে। প্ৰশান্ত বুদ্ধিৰ ব্ৰাহ্মণ লোহজংঘয়ো সম্মতি জনাই সেই ৰাক্ষসটোৰে সৈতে লঙ্কালৈ যাত্ৰা কৰিলে। লঙ্কানগৰীৰ স্বৰ্ণময় প্ৰাসাদৰাজি দেখি তেওঁ অতিশয় বিস্মিত হৈ পৰিল। তাৰ পিছত ৰাজকাৰেঙত প্ৰৱেশ কৰি ৰজা বিভীষণৰ সাক্ষাৎ লাভ কৰিলে। ১২২-১২৪

বিভীষণৰ যথোচিত আতিথ্য সৎকাৰত লোহজংঘই তেওঁক আশীৰ্বাদ দিলে। তেতিয়া ৰজাই তেওঁক সুধিলে,—"হে বিপ্ৰ! আপুনি কেনেকৈ এই ৰাজ্য পালেহি?" বিভীষণৰ এই প্ৰশ্ন শুনি ধূৰ্ত ব্ৰাহ্মণ লোহজংঘই তেওঁক ক'লে,—"মই লোহজংঘ নামৰ ব্ৰাহ্মণ, মোৰ ঘৰ মথুৰাত। দাৰিদ্ৰ্য-পীড়িত মই মন্দিৰত নিৰাহাৰে একান্তভাৱে নাৰায়ণৰ আৰাধনা কৰিছিলোঁ। (মোৰ আৰাধনাত তুষ্ট হৈ) নাৰায়ণে মোক তেতিয়া এই বুলি স্বপ্নাদেশ কৰিলে,— 'বিভীষণৰ ওচৰলৈ যোৱা, তেওঁ মোৰ ভক্ত, তেওঁ তোমাক ধন-বস্ত্ৰ দান কৰিব।' ১২৫-১২৮

'ক'ত বিভীষণ আৰু নগণ্য মই ক'ত'—বুলি মই নিবেদন কৰাত প্ৰভুৱে মোক দুনাই এই বুলি আদেশ দিলে,—"যোৱা, যোৱা পলম নকৰিবা আজিয়েই তুমি বিভীষণৰ দৰ্শন পাবা।" প্ৰভু নাৰায়ণে এই দৰে আদেশ দিয়াৰ পিছত সাৰ পাই মই নিজকে সাগৰৰ পাৰত দেখিলোঁ। ইয়াতকৈ বেছি মই একো নেজানো।

লোহজংঘৰ কথা শুনি আৰু লঙ্কাৰ দুৰ্গমতাৰ কথা চিন্তা কৰি বিভীষণে মনতে স্থিৰ কৰিলে, 'নিশ্চয় এওঁ দৈৱশক্তিসম্পন্ন, নহলেনো ইয়ালৈ কেনেকৈ আহিব?' তাৰ পিছত বিভীষণে কুটাই ক'লে,—"প্ৰভু! আপুনি ক্ষন্তেক অপেক্ষা কৰক, মই আপোনাক, ধন-বিত্ত যি লাগে, সকলো দিম।"

এইদৰে কৈ বিভীষণে লোহজংঘৰ ব্ৰাহ্মণত্বৰ কথা চিন্তা কৰি তেওঁক কেইটামান নৰঘাতক ৰাক্ষসৰ হাতত (ব্ৰাহ্মণ অৱধ্য বাবে) গতাই দিলে আৰু ইফালে কেইটামান ৰাক্ষস পঠাই নিজৰ ৰাজ্যৰ ভিতৰতে থকা স্বৰ্ণমূল নামৰ পৰ্বতৰপৰা গৰুড়-বংশজাত এটা ডাঙৰ

ডেকেৰকৰা চৰাই ধৰাই অনালে। বিভীষণে চৰাইটো পায়েই লগে লগে লোহজঙ্ঘক দি দিলে, যাতে তেওঁ চৰাইটো শিকাই বুজাই লৈ তাতে উঠি মথুৰালৈ ঘূৰি যাব পাৰে। বিভীষণৰ দ্বাৰা সম্বৰ্দ্ধিত হৈ লোহজঙ্ঘয়ো সেই চৰাইটোত উঠি লঙ্কা নগৰীৰ চাৰিউ ফালে ফুৰি-চাকি কিছুদিন তাতে কটালে। ১৩৫

এদিন কৌতূহলী হৈ লোহজঙ্ঘই ৰাক্ষসাধিপতি বিভীষণক 'সমগ্ৰ লঙ্কানগৰৰ ভূমি কাঠময় হোৱাৰ কাৰণ কি' বুলি সুধিলে। সেই প্ৰশ্ন শুনি বিভীষণে ক'লে;—"অতিথি! যদি এই বৃত্তান্ত জানিবলৈ আপোনাৰ কৌতূহল জন্মিছে, তেনেহ'লে কওঁ শুনক।" ১৩৬-১৩৭

"পুৰণি কালত প্ৰতিজ্ঞা ৰক্ষাৰ বাবে গৰুড়ৰ মাতৃ বিনতা নাগবিলাকৰ দাসী হৈ আছিল২। নিজ মাতৃক নাগৰ দাসত্বৰপৰা মুক্ত কৰাৰ মূল্য ৰূপে কাশ্যপ-তনয় গৰুড় স্বৰ্গ লোকৰৰপৰা অমৃত আহৰণৰ বাবে আগ বাঢ়িছিল। তাৰ বাবে শক্তি আহৰণ কৰিবলৈ ভক্ষ্য বস্তু বিচাৰি গৰুড় স্বৰ্গযাত্ৰাৰ পূৰ্বে পিতাক কাশ্যপৰ ওচৰ পালেগৈ। ভক্ষ্য প্ৰাৰ্থনা কৰাত পিতৃ-কাশ্যপে গৰুড়ক ক'লে;— "সাগৰত শাপ-ভ্ৰষ্ট হৈ বিৰাট গজ-কচ্ছপ আছে; সিহঁতক তুমি ভক্ষণ কৰা।" ১৩৮-১৪০

সেই উপদেশ শুনি গৰুড়ে সাগৰৰপৰা সেই ভক্ষ্য দুটা (গজ—কচ্ছপ৩) লৈ বৃহৎ কল্প-বৃক্ষৰ ডালত পৰিলগৈ। গজ-কচ্ছপৰ

২. মহৰ্ষি কাশ্যপৰ বহুত ভাৰ্য্যা; তাৰে এগৰাকীৰ নাম কদ্ৰু আৰু আন এগৰাকীৰ নাম বিনতা। কদ্ৰুৰ পুত্ৰ নাগবিলাক আৰু বিনতাৰ পুত্ৰ গৰুড়। এদিন দুই সতিনীৰ ইন্দ্ৰৰ ঘোঁৰাটো বগা নে ক'লা এই কথাত জেদ লগাত কদ্ৰুৱে ক'লা আৰু বিনতাই বগা বুলি ক'লে। দুয়োৰে পণ আছিল—যাৰ কথা মিছা হয় তেওঁ ইগৰাকীৰ দাসী হ'ব লাগিব। যথাৰ্থতে ইন্দ্ৰৰ ঘোঁৰা বগা হোৱা বাবে কদ্ৰু বিনতাৰ দাসী হ'ব লগা হৈছিল, পিছে ক'লা নাগবিলাকে ইন্দ্ৰৰ ঘোঁৰাটো মেৰিয়াই ক'লা কৰি পেলোৱাত বিনতা কদ্ৰুৰ দাসী হ'ল। স্বৰ্গৰপৰা অমৃত আনি দিব পাৰিলে বিনতা দাসত্বৰপৰা মুক্ত হ'ব বুলি কদ্ৰুৱে প্ৰতিশ্ৰুতি দিয়াত মাক বিনতাক মুক্ত কৰিবলৈ গৰুড়ে স্বৰ্গৰ পৰা অমৃত আনিছিল। ৩. গজ-হাতী, কচ্ছপ-কাছ।

ভৰত কল্পবৃক্ষৰ ডাল ভাগি পৰিল; পিছে সেই কল্প বৃক্ষৰ তলতে বালখিল্য মুনিসকলে তপস্যা কৰি আছিল দেখি ডগা ডালটো তেওঁ-লোকৰ গাত পৰাৰ ভয়ত গৰুড়ে ঠোঁটেৰে কামোৰ মাৰি ধৰি ডালটো নপৰাকৈ ৰাখিলে। সেই ডালটো পৃথিৱীত পৰিলে লোকক্ষয় হোৱাৰ ভয়ত পিতৃৰ আদেশমতে গৰুড়ে আনি এই জনশূন্য ঠাইত পেলালেহি। ১৪১-১৪৩।

কল্প-বৃক্ষৰ সেই ডালটোৰ ওপৰতে লঙ্কা নগৰী প্ৰতিষ্ঠিত বাবে লঙ্কাৰ সমগ্ৰ ভূমি কাঠময়।" বিভীষণৰপৰা এই আখ্যান শুনি লোহজঙ্ঘই পৰম সন্তোষ লাভ কৰিলে। ১৪৪

তাৰ পিছত মথুৰালৈ প্ৰত্যাৱৰ্তন কৰিব খোজা লোহজঙ্ঘক বিভীষণে বহুত ধন-সোণ আৰু মহামূল্য বস্ত্ৰ উপহাৰ দিলে। লগতে ভক্তি ভাৱেৰে মথুৰাত বিৰাজমান হৰিৰ উদ্দেশ্যে বিভীষণে লোহজঙ্ঘৰ হাতত সোণৰ শঙ্খ, চক্ৰ, গদা আৰু পদ্মও অৰ্পণ কৰিলে। লোহজঙ্ঘই বিভীষণে দিয়া সকলো ধন-বস্ত্ৰ লগত লৈ লক্ষ যোজন উৰিব পৰা সেই পক্ষিৰাজত আৰোহণ কৰিলে আৰু আৰু নিমিষতে লঙ্কা এৰি আকাশী পথেদি সমুদ্ৰ অতিক্ৰম কৰি অক্লেশে মথুৰাৰ আকাশ পালেহি। ১৪৫-১৪৮

লোহজঙ্ঘই মথুৰা নগৰীৰ বাহিৰত থকা এটা শূন্য বৌদ্ধ বিহাৰত আকাশৰপৰা অৱতৰণ কৰিলে আৰু ধন-বস্ত্ৰখিনি মাটিত পুতি থৈ পক্ষিৰাজকো তাতে বান্ধি থলে। তাৰ পিছত দোকানলৈ গৈ এটা বস্ত্ৰ বেচি সেই ধনেৰে কাপোৰ-কানি, গাত ঘঁহা সুগন্ধি দ্ৰব্য আৰু খোৱা বস্তুও তেওঁ কিনি আনিলে। বিহাৰলৈ উভতি আহি তাতে খোৱা বোৱা কৰিলে আৰু পক্ষিৰাজকো খুৱালে। তাৰ পিছত নতুনকৈ কিনি অনা সাজ-পাৰ পিন্ধি লোহজঙ্ঘ ধুনীয়াটো হৈ পৰিল। সন্ধিয়া সময়ত সোণৰ শঙ্খ-চক্ৰ-গদা-পদ্ম ধাৰণ কৰি সেই পক্ষিৰাজত আৰোহণ কৰি লোহজঙ্ঘই ৰূপিণিকা গণিকাৰ ঘৰলৈ বুলি যাত্ৰা কৰিলে। ক'ত নামিব লাগে সেই বিষয়ে অভিজ্ঞ লোহজঙ্ঘই ৰূপিণিকাৰ ঘৰৰ ছাদৰ ওপৰত আকাশৰ পৰা ভিতৰত থকা প্ৰিয়াক গোপনে শুনাই এটা তাণ্ডৱ শব্দ কৰিলে। ১৪৯-১৫০

সেই শব্দ শুনা মাত্ৰকে ৰূপিণিকা বাহিৰলৈ ওলাই আহিল। ৰাতিৰ ক্ষীণ পোহৰত বস্ত্ৰৰাজি-বিভূষিত শঙ্খ-চক্ৰধাৰী লোহজঙ্ঘক তেওঁ সাক্ষাৎ নাৰায়ণ যেন দেখিলে। ——“মই ভগৱান নাৰায়ণ, তোমাৰ প্ৰেমত মুগ্ধ হৈ ইয়ালৈ আহিছোঁ”——নাৰায়ণৰূপী লোহ-জঙ্ঘই এইদৰে কোৱা শুনি ৰূপিণিকাই প্ৰণাম জনাই উত্তৰ দিলে, —“প্ৰভুৱে কৃপা কৰক।” ১৫৪-১৫৫

তেতিয়া লোহজঙ্ঘই বাহন পক্ষিৰাজৰপৰা নামি তাক তাতে বান্ধি থৈ প্ৰিয়তমা ৰূপিণিকাৰে সৈতে শোৱনি ঘৰ সোমাল। প্ৰিয়-তমা ৰূপিণিকাৰ সম্ভোগত সন্তুষ্ট হৈ কিছু সময়ৰ পিছত লোহজঙ্ঘ শয়ন কক্ষৰপৰা ওলাই আহিল আৰু সেই পক্ষী বাহনত উঠি আকাশ মাৰ্গেদি নিজৰ থকা ঠাইলৈ উলটি গ'ল। ‘মই বিষ্ণুৰ ভাৰ্য্যা, মই এতিয়া দেৱতা; এনে স্থলত মানুহেৰে সৈতে কথা-বতৰা হোৱাটো মোৰ পক্ষে উচিত নহয়’ —এই বুলি মনতে ভাবি ৰূপিণিকাই পিছ দিনা পুৱা কাকো মাত-বোল নকৰাকৈ মৌন হৈ থাকিল। ১৫৬-১৫৮

——“আইজনী! তুমি কিয় এনেকৈ মৌন হৈ আছা? মৌন হোৱাৰ কাৰণ মোক কোৱা” বুলি মাক মকৰদংষ্ট্ৰাই ৰূপিণিকাক সুধিলে। মাকে নেৰা নেপেৰাকৈ পেৰি পেৰি সোধাত ৰূপিণিকাই দুয়োৰে মাজত এখন আঁৰ কাপোৰ তৰিলে আৰু আগ ৰাতিৰ সকলো ঘটনাৰ লগতে মৌন হোৱাৰ কাৰণো মাকক ক'লে। জীয়ে-কৰ কথা শুনি কুট্টনীৰ মনত ঘোৰ সন্দেহ উপজিল। কথাৰ শুৰিনো কি বুলি ভাবি-গুণি থাকোঁতেই শেষ ৰাতি পক্ষিৰাজত উঠি অহা লোহজঙ্ঘক বুঢ়ীয়ে নিজ চকুৰে দেখিলে। পিছ দিনা পুৱা আঁৰ কাপোৰৰ আঁৰত থকা ৰূপিণিকাৰ ওচৰলৈ আহি মকৰদংষ্ট্ৰাই ক'লে। ১৫৯-১৬২

“আই! ভগৱানৰ কৃপাত তুমি এতিয়া দেৱতা হ'লা। তোমাৰ দৰে কন্যাৰত্নৰ মাক হ'বলৈ পোৱাটো পৰম ভাগ্য, মোক এতিয়া সেই সৌভাগ্যৰ ফল ভোগ কৰিবলৈ দিয়া। মই বুঢ়ী হৈছোঁ; এই বৃদ্ধদেহেৰেই যাতে সোঁ শৰীৰে মই স্বৰ্গলৈ যাব পাৰোঁ—এই কথা তুমি মোৰ হৈ ভগৱান্ নাৰায়ণৰ ওচৰত নিবেদন কৰিবা।

আই। তুমি মোক এইৰূপ অনুগ্ৰহ কৰা।" ১৬৩-১৬৪

তাকে শুনি কপিশিকাই 'বাক' বুলি পলাগিলে। সেই দিনা ৰাতি যেতিয়া বিষ্ণুবেশী লোহজংঘ তেওঁৰ ওচৰলৈ আহিল, কপিশিকাই মাকৰ বাৰ্তা তেওঁৰ আগত নিবেদন কৰিলে। নিবেদন শুনি বিষ্ণুবেশী লোহজংঘই উত্তৰ দিলে।

—"তোমাৰ মাৰা পাপিষ্ঠা, তেওঁক প্ৰকাশ্যভাৱে স্বৰ্গলৈ নিয়া অনুচিত। পিছে একাদশী তিথিৰ দিনা স্বৰ্গৰ দুৱাৰ সকলোৰে বাবে উন্মুক্ত। সেই দিনা শিৱৰ গণ৪ স্বৰ্গযাত্ৰী দলৰ আগ ভাগত যায়। শিৱৰ গণৰ বেশত গণৰ মাজত সুমাইহে যদি তোমাৰ মাৰাক স্বৰ্গলৈ নিব পাৰি। গতিকে তুমি এতিয়া (শিৱগণৰ বেশত) মূৰত পাঁচ ভাল টিকনি ৰাখি মাৰাৰ মূৰ টকলা কৰি খুৰাই পেলোৱা, তিওঁত এধাৰ মানুহৰ মূৰৰ খোলাৰ মালা পিন্ধোৱা, গাৰ এফাল কাজল সানি ঘোৰ ক'লা কৰা আৰু ইফাল ভাৰ্ঠ কৈ সেন্দুৰ ঘঁহি ৰঙা কৰা। এই ৰূপত সম্পূৰ্ণ নগ্ন হৈ তেওঁ শিৱগণৰ বেশ ধাৰণ কৰিলে মই তেওঁক (শিৱগণৰ মাজত সুমাই) স্বৰ্গলৈ নিব পাৰিম।" এইখিনি কথা কৈ ক্ষন্তেক পিছতে লোহজংঘ তাৰপৰা গুচি গ'ল। ১৬৫-১৭০

পিছ দিনা পুৱা কপিশিকাই লোহজংঘই কোৱা মতে মাকক সেই বেশত সজালে আৰু মাকো সেই বেশেৰে স্বৰ্গলৈ যাবলৈ উন্মুখ হৈ থাকিল। সন্ধিয়াৰ পিছত আকৌ যেতিয়া লোহজংঘ তালৈ আহিল, কপিশিকাই তেতিয়া মাকক তেওঁৰ হাতত অৰ্পণ কৰিলে। তেতিয়া লোহজংঘ নিজে পক্ষী বাহনত উঠিল আৰু বিকৃতবেশা নগ্ন কুট্টনীক আগত বহুৱাই লৈ আকাশলৈ বেগেৰে উৰা মাৰিলে। আকাশে দি উৰি যাওঁতে লোহজংঘই এটা মন্দিৰৰ প্ৰাঙ্গণত চক্ৰলাঞ্ছিত শিলৰ ওখ স্তম্ভ এটা দেখিবলৈ পালে। তেতিয়া তেওঁ স্তম্ভৰ ওপৰত থকা সেই চক্ৰটোৰ ওপৰত কুট্টনীক নমাই থ'লে। একমাত্ৰ চক্ৰটোত ধৰি কুট্টনী (লোহজংঘৰ প্ৰতি কৰা) অপমানৰ

৪. শিৱ-গণ– শিৱৰ অনুচৰ বৃন্দ, এওঁলোকৰ অধিপতি গণেশ (গণৰ ঈশ্বৰ) গৰাকী)

প্ৰতিশোধৰ বিজয় পতাকা ৰূপে তাতে ঠিয় হৈ থাকিল।[৫] ২৭১-১৭৫

"মই পৃথিৱীলৈ নামি মোৰ সান্নিধ্যৰে পৃথিৱীক পবিত্ৰ কৰি আহোঁ মানে তুমি ক্ষন্তেক ইয়াতে থাকা।"——ইয়াকে কৈ তেওঁ কুট্টনীৰ দৃষ্টিৰপৰা আঁতৰি গ'ল। ১৭৬

তাৰ পিছত সেই মন্দিৰলৈকে ৰাতি যাত্ৰা উৎসৱ চাই ৰাত্ৰি জাগৰণ কৰিবলৈ অহা ৰাইজক লোহজংঘই আকাশৰপৰা এইদৰে চিঞৰি সতৰ্ক কৰি দিলে, ——"হে মনুষ্যসকল! আজি ইয়াত তোমালোকৰ ওপৰত সৰ্বসংহাৰিণী মহামাৰী পৰিব; গতিকে সকলোৱে হৰিত শৰণ (আশ্ৰয়) লোৱা।" এই ভীষণ আকাশী বাণী শুনি মথুৰাবাসী সকলো প্ৰজাই ভয়ত বিহ্বল হৈ মন্দিৰৰ দেৱতাৰ আশ্ৰয় লৈ (বিপদ-বিঘিনি দূৰ হ'বৰ বাবে) মাঙ্গলিক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। লোহজংঘ আকাশৰপৰা পৃথিৱীলৈ নামি নিজৰ গাৰপৰা দেৱতাৰ বেশ-ভূষা সোলোকাই কোনোৱে চিনিব নোৱাৰাকৈ আহি জনতাৰ মাজত সোমাল। ১৭৬-১৮০

ইফালে স্তম্ভৰ ওপৰত ঠিয় হৈ থকা কুট্টনীয়ে 'এতিয়াও নাৰায়ণ উলটি নাহিল আৰু ময়ো স্বৰ্গ নেপালোঁ গৈ' বুলি মনে মনে চিন্তা কৰিবলৈ ধৰিলে। স্তম্ভৰ ওপৰত ঠিয় হৈ থাকিবলৈ অসমৰ্থ হৈ ভয়ত সেই কুট্টনীয়ে তলত থকা মানুহবিলাকক শুনাই ভয়ত কান্দি কান্দি চিঞৰি ক'বলৈ ধৰিলে,——"হায়! হায়! মই এতিয়াই পৰিম, মই এতিয়াই পৰিম।" ১৮১-১৮২

তাকে শুনি মন্দিৰত থকা মানুহবিলাকে——'এয়া, এতিয়াই মহামাৰী পৰিব' বুলি ভয়ত বিহ্বল হৈ সমস্বৰে ক'বলৈ ধৰিলে,——"দেৱি! আপুনি নপৰিব, নপৰিব।" তেতিয়া মথুৰাবাসী ল'ৰা-বুঢ়া সকলোৱে মহামাৰী পৰাৰ ভয়ত উদ্ভ্ৰান্ত হৈ কোনোমতে সেই ৰাতিটো পাৰ কৰিলে। ৰাতিপুৱা স্তম্ভৰ ওপৰত নগ্নবেশে থকা কুট্টনীক দেখি নগৰ বাসী সকলোৱে তেওঁক চিনি পালে আৰু ৰজায়ো চিনিব পাৰিলে। ১৮৩-১৮৪

মহামাৰীৰ ভয় দূৰ হ'লত সকলো লোকে (কুট্টনীক দেখি) হাঁহিবলৈ ধৰিলে। ইতিমধ্যে বৃত্তান্ত শুনি ৰূপিণিকাও আহি তাত

৫. মন্দিৰৰ সন্মুখত পতাকা-স্তম্ভ থাকে। চক্ৰযুক্ত এনে এটা স্তম্ভৰ ওপৰত ঠিয় হৈ থকা কুট্টনী লোহজংঘই লোৱা প্ৰতিশোধৰ পতাকা যেন হৈছিল।

উপস্থিত হ'ল । কাপিণিকাই মকৰক তেনে অৱস্থাত দেখি বৰ লাজ পালে আৰু তাত গোটে খোৱা মানুহৰ সহায়ত তৎক্ষণাত মকৰক তাৰ ওপৰৰপৰা নমাই আনিলে ।১৮৩-১৮৭

তেতিয়া সমবেত সকলো লোকে কৌতূহলী হৈ 'কেনেকৈ কি হ'ল' বুলি সুধিলে আৰু কুট্টনীয়েও আদ্যোপান্ত সকলো কথা তেওঁ-লোকক ক'লে । বৃত্তান্ত শুনি সমবেত বিপ্ৰ, বণিক্ আৰু ৰজাই এই অলৌকিক ঘটনা কোনো সিদ্ধ বা ঐন্দ্ৰজালিকৰ কাম বুলি ধৰি এই বুলি ঘোষণা কৰিলে,—"বহুত প্ৰেমিক যুৱকক প্ৰবঞ্চনা কৰা এই কুট্টনীক যিজনে এনেকৈ মধু-লাঞ্ছনা কৰিছে, তেওঁ (যদি ইয়াত আছে, তেনেহ'লে) আত্ম-প্ৰকাশ কৰক, তেওঁক এতিয়াই পাটৰ পাগুৰিৰে সম্মানিত কৰা হ'ব ।" ১৮৮-১৯০

এই ঘোষণা শুনি মানুহৰ মাজত সোমাই থকা লোহজঙ্ঘই আত্মপ্ৰকাশ কৰিলে । তাৰ পিছত ৰাইজে সোধাত লোহজঙ্ঘই আদ্যোপান্ত সকলো কথা বহলাই ক'লে । তেওঁ বিভীষণে পঠোৱা শঙ্খ, চক্ৰ, গদা, পদ্ম আভূষণ বিষ্ণু (দেৱতা)ক অৰ্পণ কৰিলে । সেইবিলাক দেখি সমবেত জনতা অতিশয় বিস্মিত হ'ল । তেতিয়া মথুৰাবাসী প্ৰজাই আনন্দত সেই মুহূৰ্ত্ততে লোহজঙ্ঘৰ মূৰত সম্মানৰ পাটৰ পাগুৰি মাৰি দিলে৬ আৰু ৰাজ-আদেশত ৰূপিণিকাক স্বাধীন ৰমণী কৰিলে (গণিকা বৃত্তিৰপৰা মুক্ত কৰিলে)। ১৯১-১৯৩

কুট্টনীয়ে কৰা অপমানৰ প্ৰতিশোধ লোৱাৰ পিছত লোহজঙ্ঘই লঙ্কাৰপৰা অনা নানা ধন-ৰত্নৰে অতিশয় সমৃদ্ধিশালী হৈ প্ৰিয়া ৰূপিণিকাৰে সৈতে মনৰ সুখত (মথুৰাত) বাস কৰিবলৈ ধৰিলে।

(মূঃ) বিকৃতবেশধাৰী বসন্তকৰ মুখৰপৰা এই আখ্যান শুনি পুলকিত ৰজা উদয়নৰ কাষত বহি থকা বাসৱদত্তাই পৰম আনন্দ অনুভৱ কৰিলে । ১৯৪-১৯৫

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত কথাসৰিৎ-সাগৰৰ
কথামুখ নামৰ দ্বিতীয় লম্বকৰ চতুৰ্থ তৰঙ্গ ।

চতুৰ্থ তৰঙ্গ, শ্লোক ১৯৫

---

৬. মূৰত পাগুৰি মাৰি দিয়াটো সম্মান দেখুওৱাৰ চিন । পাট [illegible]পাৰো সম্মানীয় জনক দিয়া প্ৰথা আছিল ।

পঞ্চম তৰঙ্গ

(মূঃ)

কিছু দিন যোৱাৰ পিছত বাসৱদত্তাৰ লাহে লাহে বৎসৰাজ উদয়নৰ প্ৰতি প্ৰগাঢ় প্ৰণয়াসক্তি জন্মিল; আৰু তেওঁ পিতাকৰ পক্ষ অৱলম্বন নকৰা হৈ পৰিল। সেই সময়তে যৌগন্ধৰায়ণ আকৌ এবাৰ সকলোৰে অদৃশ্য হৈ উদয়নক দেখা কৰিবলৈ আহিল।১-২

যৌগন্ধৰায়ণে বসন্তকৰ সাক্ষাতত বৎসৰাজ উদয়নক এই যুক্তি নিবেদন কৰিলে।

—"মহাৰাজ! চণ্ড মহাসেনে ছলে-কৌশলে আপোনাক বন্দী কৰিছে। নিজ কন্যা বাসৱদত্তাক আপোনালৈ বিয়া দি তেওঁ সসন্মানে আপোনাক মুক্তি দিব খোজে। গতিকে আমি নিজেই মহাসেনৰ কন্যাক অপহৰণ কৰি লৈ যাওঁ। ইয়াকে কৰিলে এই উদ্ধত ৰজাৰ গৰ্বৰ উচিত প্ৰতিবিধান হ'ব আৰু কাপুৰুষতাৰ গ্লানিয়েও আমাক স্পৰ্শ নকৰিব। ৰজা চণ্ডসেনে জীয়েক বাসৱদত্তাক দিয়া ভদ্ৰৱতী নামৰ এজনী কুন্‌কী (গাইকী হাতী) আছে। সেই হাতী জনীৰ বেগ ইমান বেছি যে নড়াগিৰি নামৰ দঁতাল হাতীটোৰ বাহিৰে আন কোনো হাতীয়ে তাইৰ পাছ ল'ব নোৱাৰে। নড়াগিৰিয়েও তাইক দেখিলে আৰু যুঁজ নকৰে। সেই হাতীজনীৰ মাউতৰ নাম আষাঢ়ক, তাক বহুত টকা পইচা দি মই ইতিমধ্যে আমাৰ কৰীয়া কৰি থৈছোঁ। গতিকে আপুনি অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত হৈ বাসৱদত্তাৰে সৈতে সেই হাতী জনীত উঠি ৰাতি গোপনে পলায়ন কৰক। ৩-৯

ইফালে সেই সময়ত ইয়াত থকা হাতীৰ সঙ্কেতজ্ঞ আৰু মাউতক (মহামাত্ৰ) মদ খুৱাই এনেকৈ বেহচ্ কৰি থ'ব লাগিব, যাতে কি হৈছে তেওঁ একো গমকে নাপায়। ৰাস্তা-পথ সুৰক্ষিত কৰিবৰ বাবে মই আপোনাৰ সাথিয়েক পুলিন্দকৰ১ ওচৰলৈ যাওঁ।"

১, পুলিন্দক-অৰণ্যবাসী এটা জাতিৰ লোক, ইয়াত সেই জাতিৰ এজন ব্যক্তি।

ইয়াকে কৈ যৌগন্ধৰায়ণ তাৰপৰা গ'ল। ১০-১১

বৎসৰাজ উদয়নেও যৌগন্ধৰায়ণে কোৱা সকলো কাম কৰিবলৈ মনতে স্থিৰ কৰিলে। কিছু সময়ৰ পিছত বাসৱদত্তা তেওঁৰ ওচৰ পালেহি। উদয়নে বাসৱদত্তাৰ লগত বিশ্বস্তভাৱে বহুত প্ৰেমালাপ কৰাৰ পিছত যৌগন্ধৰায়ণে কোৱা সকলো কথা তেওঁৰ আগত প্ৰকাশ কৰিলে। বাসৱদত্তাই উদয়নৰ প্ৰস্তাৱত সম্মতি জনালে আৰু আষাঢ়ক নামৰ হাতী মাউতক তালৈ অনাই সাজু কৰি থ'লে। তাৰ পিছত বাসৱদত্তাই পানি মাউতবোৰৰ সৈতে যাই মাউতক দেৱতাৰ প্ৰসাদ বুলি মদ খুৱাই বেহুচ কৰি পেলালে। গধূলি পৰত যেতিয়া গাজি ওমৰি মেঘে ওন্দোলাই আনিছিল, ঠিক সেই সময়তে আষাঢ়কে ভদ্ৰৱতী নামৰ হাতীজনী গাপী কঁচি তালৈ আনিলে। গাপী কচোঁতেই ভদ্ৰৱতীয়ে পেট-গাজনি মৰা যাই মাউতে শুনিলে। ভদ্ৰৱতীৰ পেট-গাজনি শুনিয়েই হাতীৰ সংকেত বুজি পোৱা যাই মাউতে মদৰ জালত লেবাই জেবাই ক'লে 'আজি তেষষ্টি যোজন (আঠশ কিলমিটাৰ) পথ যাম বুলি হাতীজনীয়ে কৈছে,' কিন্তু সেই কথাৰ অৰ্থ কি ভাবি-চিন্তি চাবলৈ যাই মাউতৰ মানসিক অৱস্থা নাছিল। ইফালে মদৰ নিচাত বেহুচ হৈ থকা মাউতবোৰেও সেই কথাষাৰ নুশুনিলে।

তেতিয়া উদয়নে যৌগন্ধৰায়ণৰপৰা পোৱা যোগ মন্ত্ৰৰে ভৰিৰ শিকলি ছিঙি পেলালে। তেওঁ হাতত নিজৰ বীণাখন ল'লে আৰু বাসৱদত্তাই অনা অস্ত্ৰেৰে সজ্জিত হৈ বসন্তকেৰে সৈতে হাতীত উঠিল। তাৰ পিছত বাসৱদত্তাও তেওঁৰ অন্তৰঙ্গ সখীয়েক কাঞ্চনমালাৰে সৈতে সেই একে জনী হাতীতে উঠিল। মাউতেৰে সৈতে মুঠ পাঁচজন (উদয়ন, বসন্তক, বাসৱদত্তা, কাঞ্চনমালা আৰু মাউত) হাতীত উঠিলত উদয়নে ৰাতিৰ এন্ধাৰত হাতীয়ে ভঙা প্ৰাচীৰৰ বাটেদি উজ্জয়িনী নগৰৰ বাহিৰ ওলাল। বাট ৰখি থকা বীৰবাহু আৰু তালভট্ট নামৰ ক্ষত্ৰিয় বীৰ দুজনক উদয়নে বধ কৰিলে। মাউত আষাঢ়কে ডাং চিং (অঙ্কুশ) হাতত লৈ হাতী চলাবলৈ ধৰাত উদয়নে বেগাই প্ৰস্থান কৰিলে। -২৪

ইতিমধ্যে নগৰ ৰখীয়াইতে প্ৰাচীৰ-পথ-ৰক্ষক বীৰ দুজন

নিহত হোৱাত অতিশয় ক্ষুব্ধ হৈ সেই বাতৰি ৰজাক দিলেগৈ। ৰজা মহাসেনে ক্ৰমে ক্ৰমে অনুসন্ধান কৰি বৎসৰাজ উদয়নে বাসৱদত্তাক অপহৰণ কৰি পলাই গৈছে বুলি জানিব পাৰিলে। নগৰত হুলস্থূল লাগি থাকোঁতেই মহাসেনৰ পুত্ৰ পালকে নড়াগিৰি হাতীত উঠি উদয়নক পিছে পিছে খেদি গ'ল। ২৬-২৮

পিছে পিছে খেদি অহা দেখি উদয়নে পালকৰ সৈতে ধনু-কাড়েৰে যুদ্ধ আৰম্ভ কৰিলে; আন হাতে নড়াগিৰিয়ে ভদ্ৰৱতী নামৰ হাতী জনী দেখি আক্ৰমণ কৰিবলৈ খেদি নগ'ল। তাৰ পিছত পিতাকৰ আদেশ মতে ভায়েক গোপালকে তালৈ আহি পালকক যুদ্ধৰপৰা বিৰত কৰিলে। তেতিয়া বৎসৰাজ উদয়ন বিশ্ৰস্ত হৈ যাবলৈ ধৰিলে; গৈ থাকোঁতেই লাহে লাহে ৰাতি পুৱাল। ২৯-৩১

দুপৰীয়া সময়ত উদয়ন গৈ বিন্ধ্যাৰণ্যত উপস্থিত হ'ল। তেষষ্ঠি যোজন পথ অতিক্ৰম কৰি অহাৰ পিছত হাতীজনীৰ বৰ পিয়াহ লাগিল। ভাৰ্য্যাৰে সৈতে উদয়ন হাতীৰপৰা নামিল। হাতীজনীয়ে পিয়াহত পেট ভৰাই পানী খালে আৰু সেই দোষতে খিত্তাতে হাতীজনী মৰি থাকিল। তাকে দেখি উদয়ন আৰু বাসৱদত্তা দুয়ো বৰ বিষণ্ণ হৈ পৰিল। তেওঁলোকে সেই ক্ষণতে এফাঁকি আকাশী বাণী শুনিবলৈ পালে। ৩২-৩৪

——“হে বৎসৰাজ! মই মায়াৱতী নামৰ বিদ্যাধৰী,২ ইমান দিন অভিশাপৰ বাবে মাইকী হাতী হৈ আছিলোঁ। আজি আপোনাৰ এটা উপকাৰ কৰিলোঁ আৰু ভৱিষ্যতে আপোনাৰ পুত্ৰৰো উপকাৰ সাধন কৰিম। আপোনাৰ এই পত্নী বাসৱদত্তা সাধাৰণ মানুহ নহয়; এওঁ এগৰাকী দেৱী। অভিশাপৰ বাবে এওঁ এই

---

২. বিদ্যাধৰ-হিমালয়ত বাস কৰা এক শ্ৰেণীৰ শিৱৰ অনুচৰ, বিদ্যাধৰবলকৰ মায়াবী। বিদ্যাধৰৰ উল্লেখ প্ৰায়ে সিদ্ধৰ সৈতে একে লগে কৰা দেখা যায়। সিদ্ধসকল অতিমানৱীয় আৰু পবিত্ৰ দেৱতুল্য; এওঁলোক অণিমা আদি অষ্ট সিদ্ধিৰ গৰাকী। স্ত্ৰী-বিদ্যাধৰী।

পৃথিৱীত মনুষ্যৰূপত জন্ম গ্ৰহণ কৰিছে।" ৩৫-৩৭।]

আনন্দিত হৈ তেতিয়া উদয়নে নিজ মিত্ৰ পুলিন্দকক তেওঁৰ আগমন বাৰ্ত্তা জনাবলৈ বুলি বসন্তকক বিন্ধ্য পৰ্বতৰ পাদদেশলৈ পঠালে আৰু নিজেও বাসৱদত্তাৰে সৈতে খোজ কাঢ়ি তালৈকে বুলি যাত্ৰা কৰিলে। এই দৰে যাওঁতে বাটতে ডকাইতে তেওঁলোকক বেৰি ধৰিলে। উদয়নে হাতত ধনু-শৰ লৈ অকলে বাসৱদত্তাৰ চকুৰ আগতে এশ পাঁচোটা ডকাইত বধ কৰিলে। ৩৮-৪০

ঠিক সেই মুহূৰ্ত্ততে ৰজাৰ মিত্ৰ পুলিন্দক যৌগন্ধৰায়ণ আৰু বসন্তকৰে সৈতে আহি তাত উপস্থিত হ'ল। ভীলৰ ৰজা পুলিন্দকে হতাৱশিষ্ট দস্যুবোৰক তাৰপৰা খেদি বৎসৰাজ উদয়নক প্ৰণাম জনালে আৰু বাসৱদত্তাৰে সৈতে তেওঁক নিজৰ গাঁৱলৈ আনিলে। যাওঁতে বাটত কুশৰ আগে খোচাত বাসৱদত্তাৰ ভৰিত ঘা লাগিল। উদয়নে সেই ৰাতিটো বাসৱদত্তাৰে সৈতে পুলিন্দকৰ ঘৰতে কটালে। ৪১-৪৩

যৌগন্ধৰায়ণে আগতে কটকী পঠিয়াই খবৰ দি থোৱাত পিছ দিনা পুৱা সেনাপতি ৰুমণ্বানো আহি তাত উপস্থিত হ'ল। তেওঁৰ লগত বৎস দেশৰ সৈন্য বাহিনীও আহিল। সেই বিৰাট সৈন্য বাহিনীয়ে চাৰিও দিশ ঢাকি ধৰাত বিন্ধ্যাৰণ্য সৈন্যই অৱৰুদ্ধ কৰা যেন লাগিল। উজ্জয়িনীৰ খবৰ বাতৰি ল'বলৈ বুলি বিন্ধ্যাৰণ্যত থকা সেই সৈন্যশিবিৰত সোমাই উদয়নে তাতে বাস কৰিবলৈ ধৰিলে। উদয়ন শিবিৰত থকা সময়তে যৌগন্ধৰায়ণৰ মিত্ৰ এজন বণিক্ তালৈ আহিল। বণিক্‌জনে উদয়নৰ আগত নিবেদন কৰিলে, —"মহাৰাজ! আপোনাক জোঁৱাই পাই চণ্ড মহাসেন পৰম সন্তুষ্ট হৈছে আৰু আপোনাৰ ওচৰলৈ দূত পঠাইছে। দূত পিছত আহি আছে, তেওঁ এইখিনি পোৱাৰ আগতে মহাৰাজক বাতৰি দিবলৈ মই খিমান পাৰোঁ বেগাই ইয়ালৈ আহিছোঁ।" ৪৪-৪৯

এই বাতৰি শুনি উদয়নে মনে মনে আনন্দ লাভ কৰিলে আৰু সকলো কথা বাসৱদত্তাৰ আগত ক'লে। বাতৰি শুনি বাসৱদত্তায়ো বৰ ৰং পালে। বহুদিনৰ পৰা যি বিয়াৰ কাৰণে বাসৱদত্তাই লাজকাজ এৰি থৈ আহিছিল, এতিয়া (এই বাতৰি শুনি) তেওঁ

সলজ্জ উৎসুকতা প্ৰকাশ কৰিলে। তাৰ পিছত বিক্ষিপ্ত চিত্ত শান্ত কৰাৰ উদ্দেশ্যে ওচৰতে থকা বসন্তকলৈ চাই ক'লে,—"আপুনি এতিয়া এটা সাধু কথা কওক।" চতুৰ বসন্তকেও হেগ পাই প্ৰণয়াসক্ত-লোচনা বাসৱদত্তাৰ স্বামীৰ প্ৰতি অনুৰাগ বৃদ্ধি হোৱা এই সাধুটো ক'লে। ৬০-৫৩

৮. দেৱস্মিতাৰ কথা :

তাম্ৰলিপ্তি নামে এখন বিখ্যাত নগৰ আছিল। সেই নগৰত ধনদত্ত নামৰ এজন বৰ ধনী সদাগৰে বাস কৰিছিল। ধনদত্ত অপুত্ৰক। এদিন তেওঁ বহুত ব্ৰাহ্মণক নিমন্ত্ৰণ কৰি আনি প্ৰণাম জনাই নিবেদন কৰিলে,——"মোৰ যাতে অচিৰে এটি পুত্ৰ লাভ হয়, তাৰ ব্যৱস্থা আপোনালোকে কৰক।" তাকে শুনি ব্ৰাহ্মণসকলে 'সেইটো একো দুঃসাধ্য কাম নহয়' বুলি ক'লে; কিয়নো বৈদিক কৰ্মানুষ্ঠানৰ দ্বাৰা ব্ৰাহ্মণসকলে সকলো ইপ্সিত সাধন কৰিব পাৰে। ৫৪-৫৬

তেওঁলোকে ক'লে, এই প্ৰসঙ্গত এটা আখ্যান শুনক——"পূৰণি কালত এজন ৰজা আছিল। তেওঁৰ এশ পাঁচ গৰাকী ৰাণী আছিল যদিও তেওঁ অপুত্ৰক। পুত্ৰেষ্টি সম্পাদন কৰাৰ পিছত তেওঁৰ এটি পুত্ৰ জন্ম হ'ল। ল'ৰাটিৰ নাম থ'লে জন্তু। জন্তু এশ পাঁচ গৰাকী ৰাণীৰ চকুত প্ৰতিপদৰ জোন যেন আছিল। জন্তু আঠু কাঢ়ি চুচৰি ফুৰিব পৰা হ'ল। এদিন মাটিত চুচৰি ফুৰোতে পকৰা এটাই কৰঙনত কামোৰাত জন্তুৱে চিঞৰত গগন ফালিবলৈ ধৰিলে। সেই চিঞৰ শুনি ৰাজ-অন্তঃপুৰত (ৰাণী মহল) হুলুস্থূল কোলাহল উঠিল। ৰজায়ো 'বোপাই! অ' মোৰ বোপাই!' বুলি সাধাৰণ মানুহৰ দৰে কান্দিবলৈ ধৰিলে। ৫৭-৬০

অলেক পিছতে পকৰাটো গুচাই দিয়াত ল'ৰাটোৰ কান্দোন থামিল। তেতিয়া ৰজাই কেৱল এটা ল'ৰা হোৱাটোকেই নিজৰ দুখৰ কাৰণ বুলি সেই অৱস্থাৰ নিন্দা কৰিবলৈ ধৰিলে। পৰিতপ্ত ৰজাই 'এই অৱস্থাৰ কিবা প্ৰতিকাৰ আছে নে কি' বুলি ব্ৰাহ্মণ সকলক দুনাই সুধিলে। তেওঁলোকে ৰজাক এই বুলি সমিধান দিলে।

—"মহাৰাজ ! এই বিষয়ত আপোনাক দিব পৰা এটা মাত্ৰ উপায় আছে । সেয়ে হৈছে—আপোনাৰ এই পুত্ৰক বধ কৰি তেওঁৰ মাংস অগ্নিত আহুতি দিব লাগিব আৰু মাংসৰে কৰা হোমৰ গোন্ধ আপোনাৰ সকলো ৰাণীয়ে শুঙিব । গোন্ধ শুঙাৰ পিছত সকলো ৰাণীয়েই গৰ্ভৱতী হৈ সন্তান প্ৰসৱ কৰিব ।" তাকে শুনি ৰজাই সেই কথামতে সকলোখিনি কাম সম্পন্ন কৰিলে। ৬১-৬৪

তেতিয়া সেই ৰজাই ৰাণীৰ সংখ্যাৰ সমান (এশ পাঁচজন) পুত্ৰ লাভ কৰিলে । সেই দেখি আমিও হোম যজ্ঞ কৰি আপোনাৰ পুত্ৰলাভৰ ব্যৱস্থা কৰিম। ইয়াকে কৈ ব্ৰাহ্মণসকলে হোম কৰিলে আৰু ধনদত্তয়ো তেওঁলোকক দান-দক্ষিণা দিলে । কালক্ৰমত সদাগৰ ধনদত্তৰ এটি পুত্ৰ জন্ম হ'ল । ল'ৰাটিৰ নাম গুহসেন। কালক্ৰমত গুহসেন ডাঙৰ-দীঘল হোৱাত পিতাকে তেওঁলৈ ছোৱালী বিচাৰিবলৈ ধৰিলে । শেষত বাণিজ্য কৰাৰ ছলেৰে পুতেকক লগত লৈ ধনদত্ত বোৱাৰী পোৱাৰ আশাত দ্বীপান্তৰ পালেগৈ । তালৈ গৈ সেই দ্বীপৰ শ্ৰেষ্ঠ বণিক্ ধৰ্মগুপ্তৰ দেৱস্মিতা নামৰ কন্যাক পুতেক গুহসেনলৈ ধনদত্তই খুজিলে । কন্যাবৎসল ধৰ্মগুপ্তই তাম্ৰলিপ্তি বহুত দূৰৰ দেশ বুলি ভাবি-গুণি সেই সম্বন্ধ কৰিবলৈ মান্তি নহ'ল । ৬৫-৭০

ইফালে গুহসেনক দেখা মাত্ৰকে দেৱস্মিতা তেওঁৰ প্ৰতি আকৃষ্ট হৈ পৰিল আৰু পৰিয়ালবৰ্গক পৰিত্যাগ কৰি তেওঁৰ লগত (পলাই) যাবলৈ স্থিৰ কৰিলে । দেৱস্মিতাই সখীয়েকৰ মুখেদি গুহসেনলৈ গোপন সঙ্কেত পঠালে আৰু ৰাতি গুহসেন আৰু তেওঁৰ পিতাকৰ সৈতে সেই দ্বীপৰপৰা পলাই গ'ল । তাম্ৰলিপ্তত উপস্থিত হোৱাৰ পিছত দুয়োৰে বিয়া হ'ল আৰু দম্পতিৰ মন প্ৰেমপাশত আবদ্ধ হৈ পৰিল ।৭১-৭৩

কালক্ৰমত গুহসেনৰ পিতাক স্বৰ্গী হ'ল । তেতিয়া বন্ধুবান্ধৱসকলে তেওঁক বাণিজ্যৰ বাবে কটাহ দ্বীপলৈ যোৱাৰ প্ৰেৰণা দিলে । 'গুহসেন কটাহ দ্বীপলৈ গৈ অন্য স্ত্ৰীৰ প্ৰেমত পৰিব' বুলি আশঙ্কা কৰি ভাৰ্য্যা দেৱস্মিতাই গুহসেনৰ বাণিজ্য যাত্ৰাত সন্মতি নিদিলে ।

এফালে বন্ধুবৰ্গই গুহসেনক বাণিজ্য কৰিবলৈ পঠিয়াই আছে আৰু ইফালে ভাৰ্য্যাই কোনোমতে যাবলৈ নিদিয়ে—এই অৱস্থাত গুহসেন কিংকৰ্তব্য-বিমূঢ় হৈ পৰিল। ৭৪-৭৬

'ভগৱান্ মহাদেৱে মোক এই সঙ্কটত উপায় দিয়ক' বুলি চিন্তা কৰি উপবাসে থাকি গুহসেনে শিৱমন্দিৰত তেতিয়া ব্ৰত পালন কৰিলে। দেৱস্মিতায়ো মন্দিৰলৈ গৈ স্বামীৰে সৈতে একেলগে সেই একেদৰেই ব্ৰত আচৰণ কৰিলে। ব্ৰত-উপবাস পালন কৰি থকা সেই দম্পতিক এদিন নিশা শিৱই স্বপ্নত দৰ্শন দিলে। শিৱই দুটা ৰঙা পদুম ফুল তেওঁলোকক দি ক'লে,— "তোমালোক দুয়ো একোটা পদুম ফুল হাতত লোৱা। দুয়ো পৰস্পৰ এৰা এৰি হৈ যেতিয়া দূৰত থাকিবা, সেই সময়ত দুয়োৰ কোনো এজন ব্যভিচাৰত লিপ্ত হ'লে, ইজনৰ হাতত থকা পদুম ফুলপাহ তৎক্ষণাত জেৰেলি পৰিব।" ৭৭-৮০

এই স্বপ্নাদেশ শুনাৰ পিছত দুয়ো সাৰ পাই নিজৰ হাতত একো পাহকৈ ৰঙা পদুম ফুল দেখিবলৈ পালে যেন এজনৰ ৰঙা হৃদয়হে ইজনৰ হাতত আছে। তাৰ পিছত হাতত পদুম ফুল এপাহ লৈ গুহসেনে বাণিজ্য যাত্ৰা কৰিলে আৰু দেৱস্মিতায়ো সততে হাতৰ পদুমপাহলৈ দৃষ্টি দি নিজৰ ঘৰতে থাকিল। ৮১-৮২

ইফালে গুহসেন কটাহ দ্বীপলৈ গৈ বস্তু বেচা-কিনা কৰিবলৈ লাগিল। গুহসেনৰ হাতত সদায় এপাহ অম্লান পদ্ম দেখি সেই দ্বীপৰ চাৰিজন বণিক্-পুত্ৰ বৰ আচৰিত হৈ পৰিল। তেতিয়া তেওঁলোকে আলোচনা কৰি গুহসেনক ঘৰলৈ মাতি নিলে আৰু বৰকৈ মদ খুৱাই তেওঁক পদুম ফুলপাহৰ কথা সুধিলে। গুহসেনেও মদৰ নিচাত সকলো কথা তেওঁলোকৰ আগত ক'লে। ৮৩-৮৫

গুহসেনক বেপাৰ-বাণিজ্যত দীঘলীয়াকৈ তাতে লাগি থকা দেখি সেই দুষ্ট বণিক্-পুত্ৰ চাৰিজনে কৌতূহলী হৈ গুহসেনৰ পত্নীৰ চৰিত্ৰ ভ্ৰষ্ট কৰিবলৈ বুলি কোনেও নজনাকৈ এদিন তাম্ৰলিপ্তিলৈ যাত্ৰা কৰিলে। তাম্ৰলিপ্তিত উপস্থিত হৈ উদ্দেশ্য সিদ্ধিৰ

বাবে উপায় চিন্তা কৰি তেওঁলোক এটা বৌদ্ধবিহাৰত বাস কৰা যোগকৰণ্ডিকা নামৰ প্ৰব্ৰাজিকাৰ৩ কাষ চাপিল। ৮৬-৮৮

তেওঁলোকে শ্ৰদ্ধাৰে প্ৰব্ৰাজিকাক ক'লে,—"ভগৱতি! যদি আপুনি আমাৰ মনোবাঞ্ছা পূৰ্ণ কৰি দিব পাৰে, তেনেহ'লে আপোনাক বহুত ধন-সোণ দিম।" প্ৰব্ৰাজিকাই উত্তৰ দিলে,—"তোমালোক ডেকাহঁতে যদি এই নগৰৰ কোনো গাভৰুক পাবলৈ কামনা কৰিছা, মোক কোৱা, তোমালোকৰ কামনা নিশ্চয় পূৰ্ণ কৰিম। ধনলৈ মোৰ অকণো লোভ নাই। সিদ্ধিকৰী নামৰ মোৰ এজনী বুদ্ধিমতী শিষ্যা আছে, তেওঁৰ অনুগ্ৰহত মই বহুত ধন-সোণ পাইছোঁ।" ৮৯-৯১

৮. ক. ধূৰ্তা সিদ্ধিকৰী ঃ

তেতিয়া সেই বণিক্ পুত্ৰ কেইজনে 'তেওঁনো কেনেকৈ শিষ্যাৰ অনুগ্ৰহত অসংখ্য ধন-সোণ লাভ কৰিছে' বুলি প্ৰব্ৰাজিকাক সোধাত তেওঁ ক'বলৈ ধৰিলে। —"বোপাহঁত! তোমালোকৰ যদি শুনিবলৈ কৌতূহল জন্মিছে, তেনেহ'লে মই এপ্ৰকাৰৰ কথা কৈ যাওঁ, শুনাহঁক। —এসময়ত উত্তৰাপথৰপৰা এজন বণিক্ বেপাৰ-বাণিজ্য কৰিবলৈ বুলি ইয়ালৈ আহিছিল। সেই সাউদজন ইয়াত থকা সময়ত মোৰ শিষ্যা সিদ্ধিকৰীয়ে কৌশলেৰে গৃহকৃত্যাৰ ছদ্মবেশ ধৰি তেওঁৰ ঘৰত আশ্ৰয় ল'লে। সিদ্ধিকৰীয়ে লাহে লাহে সাউদৰ মনত বিশ্বাস জন্মালে আৰু এদিন সাউদৰ গোটেইখিনি ধন সোণ চুৰ কৰি কোনেও গম নোপোৱাকৈ ৰাতিপুৱা সময়ত তাৰপৰা পলাই আহিল। ৯২-৯৫

ধৰা পৰাৰ ভয়ত শঙ্কিতচিত্তে সিদ্ধিকৰীয়ে নগৰৰপৰা ওলাই বেগাই খোজ দিলে। এনেতে কাষত মৃদঙ্গ লৈ সেই ফালে অহা এটা ডোমই৪ সিদ্ধিকৰীক সন্দেহজনক ভাবে যোৱা দেখি ধন

---

৩. প্ৰব্ৰাজিকা—সংযোগ-ৰক্ষাকাৰী 'বৰ্মাজোৰ্টা নাৰী'; এওঁলোকৰ চাৰিত্ৰিক অধঃপতন মধ্যযুগীয় সাহিত্যত চিত্ৰিত হৈছে।

৪. ডোম—কাশ্মীৰৰ ডোম বৰ্তমানঃ এক শ্ৰেণীৰ লোক, সেই শ্ৰেণীৰ এজন মানুহ

সোণখিনি কাঢ়ি ল'বলৈ বুলি তাইৰ পিছ ল'লে। ডোমটো পিছে পিছে অহা দেখি সিদ্ধিকৰীয়ে এজোপা বৰগছৰ তলত ঠিয় হৈ দুখত কাতৰ হোৱা যেন দেখুৱাই (তাক উদ্দেশ্য কৰি) ক'লে,—"স্বামীৰে সৈতে কাজিয়া কৰি মৰোঁ বুলি মই আজি ঘৰৰ পৰা ওলাই আহিছোঁ। প্ৰিয় দৰ্শন! সেই দেখি অনুগ্ৰহ কৰি তুমি এই গছ-জোপাৰ ডালত মোক এডাল ফাঁচীজৰী বান্ধি দিয়া।"

(তাকে শুনি) 'ফাঁচী লগাই এই মৰক, মইনো মিছাতে কিয় তিৰুতাজনীক হত্যা কৰি তিৰীবধী হওঁ'——ইয়ে কে মনত ভাবি ডোমটোৱে গছজোপাৰ ডালত এডাল ফাঁচীজৰী বান্ধিলে। তেতিয়া সিদ্ধিকৰীয়ে তেনেই অঁাকৰীজনী যেন হৈ 'ডিঙিত কেনেকৈ ফাঁচী লগাই তুমি মোক দেখুৱাই দিয়চোন' বুলি ডোমক ক'লে। ৯৬-১০০

তাকে শুনি সেই ডোমটোৱে মৃদঙটো মাটিত থৈ তাৰ ওপৰত উঠি 'ডিঙিত এনেকৈ ফাঁচী লগায়' বুলি কৈ ফাঁচডাল নিজৰ ডিঙিত লগালে। সিদ্ধিকৰীয়ে সেই মুহূৰ্ত্ততে গোৰ মাৰি মাটিৰ মৃদঙটো ভাঙি পেলালে। ফাঁচীজৰীত ওলমি ডোমৰ খিতাতে মৃত্যু হ'ল ১০১-১০২

সঞ্চিত ধন-সোণ সোপাকে চুৰ কৰি পলায় যোৱা সিদ্ধিকৰীক বিচাৰি সেই সময়তে বণিক জন সেইখিনি পালেহি আৰু দূৰৰ পৰা গছৰ তলত বৈ থকা সিদ্ধিকৰীক দেখিলে। বণিকক দূৰৈত দেখিয়েই সিদ্ধিকৰী কোনেও নেদেখাকৈ সাউৎ কৰে গছজোপাৰ ওপৰলৈ উঠি ডাল এটাত ডাঠ পাতৰ অঁাৰত লুকাই পৰিল। লগুৱা কেইটামানৰে সৈতে বণিক্ গছজোপাৰ ওচৰলৈ আহি ফাঁচীত ওলমি থকা ডোমটোক হে দেখিলে, সিদ্ধিকৰীৰ হাঁচটোও ক'তো নেদেখিলে। ১০৩-১০৫

'চুৰণী গছত উঠি লুকাই থকা নাইতো' বুলি বণিকৰ লগুৱা এটা গছত উঠিল। (লগুৱাটোক গছত উঠা দেখি) সিদ্ধিকৰীয়ে মধমৰ সুৰেৰে ক'লে, —"হে সুন্দৰ! তোমাজেকে মোৰ সদায় মৰম-পীৰিতি, সেইদেখিয়ে তুমি এতিয়া (মোক বিচাৰি) গছত উঠিছাহি এইখিনি ধন তোমাৰেই। আহা, তুমি মোক বুকুত সাৱটি লোৱা"—

এইদৰে কৈ সিদ্ধিকৰীয়ে সেই বণিক্‌পুত্ৰক গাঢ় আলিঙ্গন কৰি মুখত চুমা খালে আৰু সেই মূৰ্খৰ জিভাখন চোহাৰ ছলেৰে দাঁতেৰে কামুৰি ছিঙি পেলালে। লণ্ডৱাটোৱে মুখেৰে তেজ বটিয়াবলৈ ধৰিলে আৰু বিস্মত তৎ নেপাই 'ল, ল-ল' কৈ এটা অবোধ্য শব্দ কৰি গছৰপৰা মাটিত বাগৰি পৰিল। লণ্ডৱাক তেনে অৱস্থাত দেখি তাক ভূতে পাইছে বুলি ভয়ত বণিকে অন্যান্য লণ্ডৱা কেইজনৰ সৈতে তাৰপৰা পলায় পত্ৰং দিলে। ১০৬-১১০

তেতিয়া সিদ্ধিকৰী স্বচ্ছভাৱে গছৰ আগৰপৰা নামি ধনখিনি লৈ ঘৰ পালেহি। মোৰ শিষ্যা সিদ্ধিকৰী এনেকুৱা অসাধাৰণ বুদ্ধিমতী, তেওঁৰ অনুগ্ৰহতে মই এইদৰে অপৰ্য্যাপ্ত ধন পাইছোঁ। ১১১-১১২

প্ৰব্ৰাজিকাই এইদৰে কৈ থাকোঁতেই সিদ্ধিকৰী আহি তাত উপস্থিত হোৱাত তেওঁ সিদ্ধিকৰীক বণিক্‌পুত্ৰ কেইজনৰে সৈতে পৰিচয় কৰাই দিলে। তাৰ পিছত তেওঁলোকক ক'লে,— "বোপাইঁত! এতিয়া তোমালোকৰ মনোগত অভিলাস ব্যক্ত কৰা; কোন ৰমণীক পাবলৈ তোমালোকে কামনা কৰিছা, কোৱাঁ। মই শীঘ্ৰে সেই কাৰ্য্য সাধন কৰিম।" ১১৩-১১৪

তাকে শুনি তেওঁলোকে ক'লে,—"বণিক্‌ গুহসেনৰ যে দেৱস্মিতা নামে ভাৰ্য্যা আছে, তেওঁৰে সৈতে আমাৰ মিলন ঘটোৱা।" প্ৰব্ৰাজিকাই এই কথা শুনি কাৰ্য্য সম্পাদনৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে তেওঁলোকক নিজৰ ঘৰত থাকিবলৈকো দিলে। তেওঁলোকক পান-ভোজন আদিৰে সন্তুষ্ট কৰি প্ৰব্ৰাজিকা শিষ্যাৰে সৈতে গুহসেনৰ ঘৰলৈ গ'ল। ১১৫-১১৭

প্ৰব্ৰাজিকা আহি দেৱস্মিতাৰ ঘৰৰ দুৱাৰ মুখত ঠিয় হোৱা মাত্ৰকে দুৱাৰ মুখত বান্ধি থোৱা কুকুৰজনীয়ে ধৰকৈ ভুকি তেওঁক ভিতৰ সোমোৱাত বাধা দিলে। তাকে দেখি দেৱস্মিতাই 'এওঁলো বা কিয় আহিল' বুলি মনতে গুণি দিলিৰী এজনী পঠাই তেওঁক ভিতৰলৈ অনালে। ঘৰৰ ভিতৰ সোমাই প্ৰব্ৰাজিকাই তেওঁক আশীৰ্বাদ দিলে, আৰু তেওঁৰ কৃত্ৰিম শ্ৰদ্ধা প্ৰদৰ্শন কৰিলে। তাৰ

পিছত সেই পাপীয়সী প্ৰব্ৰাজিকাই দেৱস্মিতাক এই বুলি ক'বলৈ ধৰিলে । ১২০

——"তোমাক দেখা পাবলৈ মোৰ সদায় বৰ মন যায়, তাতে কালি ৰাতি মই তোমাক সপোনত দেখিলোঁ । সেই দেখি আজি মই তোমাক চাবলৈ বুলি আহিলোঁ । স্বামীৰ সঙ্গ নোহোৱাকৈ তোমাক অকলে থকা দেখি মনত মই বৰ দুখ পাইছোঁ । প্ৰিয়তমে উপভোগ নকৰিলে ৰূপ-যৌৱন দুয়োটাই নিস্ফল ।"

এনেকুৱা কথাৰে প্ৰব্ৰাজিকাই সতী সাধ্বী দেৱস্মিতাক আশ্বাস দি বেচি পৰ তাত নৰৈ নিজ ঘৰলৈ উলটি আহিল । ১২১-১২৩

পিছ দিনাখন জলকীয়াগুৰি সনা মঙহ এটুকুৰা লৈ প্ৰব্ৰাজিকা আকৌ দেৱস্মিতাৰ ঘৰ পালেগৈ আৰু হাতত নিয়া মঙহডোখৰ দুৱাৰত থকা থোৱা কুকুৰজনীক খাবলৈ দিলে । কুকুৰজনীয়েও জলকীয়াগুৰি সানি থোৱা মঙহডোখৰ লগে লগে খালে । জলকীয়াৰ গুৰিয়ে পোৰাত তেতিয়া কুকুৰজনীৰ চকুৰপৰা ধাৰাসাৰে পানী বৰবলৈ ধৰিলে আৰু তাই নাকেৰে হাঁচিয়াবলৈ লাগিল । ১২৪-১২৬

ঠিক সেই মুহূৰ্ত্ততে প্ৰব্ৰাজিকা দেৱস্মিতাৰ কাষ চাপিল, দেৱস্মিতায়ো তেওঁক আদৰ সাদৰ দেখুৱালে । পিছে ধূৰ্ত্ত প্ৰব্ৰাজিকাই কান্দিবলৈ ধৰিলে । তেতিয়া দেৱস্মিতাই 'আপুনি কিয় কান্দিছে' বুলি সোধাত প্ৰব্ৰাজিকাই অতি কষ্টেৰে যেন কোনোমতে ক'লে, ——"আই ! বাহিৰ কালে কান্দি থকা কুকুৰজনীলৈ মে চোৱা কিয় ? তাই আজি মোক জন্মান্তৰৰ লগৰী বুলি চিনি পাই বেজাৰতে কান্দিবলৈ ধৰিছে, তাকে দেখি শোকত মোৰো চকুলো ওলাইছে ।" ১২৭-১২৯

তাকে শুনি দেৱস্মিতা বাহিৰলৈ ওলাই আহিল আৰু কুকুৰজনীক কান্দি থকা যেন দেখি 'এইটো নো আকৌ কি আচৰিত কথা' বুলি তেওঁক কবেক পৰ মনতে গুণিবলৈ ধৰিলে । প্ৰব্ৰাজিকাই তেওঁক ক'লে, —"আই ! পূৰ্ব্বজন্মত কুকুৰজনী আৰু মই এজন ৰাজদূতৰ ভাৰ্য্যা আছিলোঁ । সৌত্য কৰ্মৰ বাবে আমাৰ স্বামী ৰজাৰ আদেশত সদায়ে দূৰৰ দেশ-দেশান্তৰলৈ যাব লগা হৈছিল । স্বামীৰ প্ৰৱাস যাত্ৰাত মই ইচ্ছামতে পৰ পুৰুষৰ সৈতে

সংযম কৰি মোৰ শৰীৰ আৰু ইন্দ্ৰিয়সমূহক উপভোগসমূহৰ বঞ্চিত নোহোৱাকৈ ৰাখিছিলোঁ, কিয়নো পঞ্চভূতৰ শৰীৰ আৰু ইন্দ্ৰিয়ৰ বিৰোধ নকৰাটোৱেই হৈছে পৰম ধৰ্ম। সেই কৃপাৰ ফলত মই এতিয়া জাতিস্মৰ হৈ জন্ম গ্ৰহণ কৰিছোঁ। এই হ'ল একমাত্ৰ নিজৰ চৰিত্ৰক ৰক্ষা কৰি থাকিল, সেই দোষতে তাই কুকুৰ হৈ উপজিছে যদিও জাতিস্মৰ হৈছে।" ১৩০-১৩৫

'এইটোনো আকৌ কেনেকুৱা ধৰ্ম? নিশ্চয় এই প্ৰব্ৰাজিকাই মোৰ আগত ধূৰ্ততা কৰিছে।' ইয়াকে ভাবি বুদ্ধিমতী দেৱস্মিতাই তেওঁক এই বুলি ক'লে।

—"আই ভগৱতী! সঁচাকৈয়ে এই ধৰ্মৰ কথা মই আজিলৈকে জনা নাছিলোঁ। এতিয়া সেই দেখি আপুনি এজন সুন্দৰ পুৰুষৰ সৈতে মোৰ সংগম কৰাওক।" ১৩৬-১৩৭

তেতিয়া প্ৰব্ৰাজিকাই ক'লে,—"দ্বীপান্তৰৰপৰা অহা বণিকৰ ল'ৰা কেইটামান মোৰ ঘৰতে আছেহি। তেনেহ'লে মই সিহঁতক তোমাৰ ওচৰলৈ লৈ আহিম।" ইয়াকে কৈ প্ৰব্ৰাজিকা মনৰ আনন্দত নিজৰ ঘৰলৈ উভতিল; ইফালে দেৱস্মিতায়ো লিপিনীহঁতৰ আগত অকণো সংকোচ নকৰাকৈ ক'বলৈ ধৰিলে। —"নিশ্চয় মোৰ স্বামীৰ হাতত অম্লান পদ্ম দেখি কৌতূহলত কোনোবাই তেওঁক (পদুমৰ কথা) সুধিছে আৰু সেই মদপীয়েও সকলো কথা মদৰ নিচাত কৈ দিছে। তাকে শুনি মোৰ সতীত্ব নাশ কৰিবলৈ বুলি সাউদৰ ল'ৰাহঁত দ্বীপান্তৰৰপৰা ইয়ালৈ আহিছে। গতিকে এতিয়া তোমালোকে ধুতুৰা গুটি মিহলোৱা মদ (এটকেলি) বেগেতে আনা। আৰু কমাৰ শাললৈ গৈ কুকুৰৰ ভৰিৰ খোজৰ চিন দিয়া লোহাৰ চাব যোগাৰো কৰাই আনা।" ১৩৭-১৪২

দেৱস্মিতাই কোৱামতে লিপিনীহঁতে সকলোখিনি কৰিলে আৰু এজনী লিপিনীয়ে তেওঁৰ কথা মতে তেওঁৰ (দেৱস্মিতাৰ) সাজ-পোছাক পিন্ধি ছদ্মবেশ ধাৰণ কৰিলে। ইফালে প্ৰব্ৰাজিকাৰো 'প্ৰথমে মই, প্ৰথমে মই' বুলি হেতাওপৰা লগোৱা বণিক পুত্ৰ চাৰিজনৰ ভিতৰৰ এজনক নিজৰ শিষ্যাৰ ছদ্মবেশত সন্ধ্যাই লগত লৈ দেৱস্মিতাৰ ঘৰলৈ আহিল। সন্ধিয়া সময়ত তেওঁক দেৱস্মি-

তাৰ ঘৰত সুমাই থৈ নিজে মনে মনে তাৰপৰা গুচি গ'ল। ১৪৩-১৪৫

তেতিয়া দেৱস্মিতাৰ বেশত থকা সিগিৰীজনীয়ে ধুতুৰা গুটি মিহলোৱা মদিৰা আদৰ সাদৰ কৰি সেই বণিক্-পুত্ৰক খুৱালে। দন্তাই বিবেচনাহীন কৰাৰ দৰে মদৰ নিচাই বণিক্-পুত্ৰৰ চেতনা হৰণ কৰিলে আৰু তেতিয়া সিগিৰীহঁতে গাৰ সকলো কানি-কাপোৰ সোলোকাই বণিক্-পুত্ৰক দিগম্বৰ কৰি পেলালে। তাৰ পিছত কুকুৰৰ ভৰিৰ সাজৰ লোহা তপতাই যুৱকৰ কপালত চিন দিলে আৰু টানি আজুৰি নি নিশাৰ অন্ধকাৰত তাক এটা আবৰ্জনাপূৰ্ণ খালত পেলাই দিলে। ১৪৬-১৪৮

সেই খালত পৰি থাকোঁতে ৰাতি পুৱাৰবৰ সময়ত বণিক্-পুত্ৰই চেতনা লাভ কৰি নিজৰ পাপৰ ফলত নিজকে অবীচি ৫ নৰকত পৰি থকা যেন দেখিলে। তাৰ পিছত বণিক্-পুত্ৰ খালৰপৰা উঠি গা পা ধুই কপালৰ চিনটো আঙুলিৰে মোহাৰি চালে আৰু সম্পূৰ্ণ নাওঠ হৈয়ে প্ৰব্ৰাজিকাৰ ঘৰ পালেগৈ। বণিক্-পুত্ৰই ঘৰ পাই 'মই কেতিয়াও অকলে উপহাসৰ পাত্ৰ নহওঁ', বুলি মনতে স্থিৰ কৰি ভকাইতে তেওঁৰ সৰ্বস্ব লুটি-পুটি নিয়াৰ কথা সখিয়েক-হঁতক ক'লে। 'গোটেই ৰাতি উজাগৰে থকা বাবে মোৰ বৰ মূৰ কামুৰিছে' বুলি ৰাতিপুৱা সেই বণিক্-পুত্ৰই মূৰত এখন কাপোৰ মেৰিয়াই থ'লে। ১৪৯-১৫২

সেই একে উপায়েৰেই পিছদিনা গধুলি দ্বিতীয়জন বণিক্-পুত্ৰ দেবস্মিতাৰ ঘৰলৈ আহিল আৰু তেৰোঁ সেই একে দুৰ্দশাকে ভোগ কৰিলে। তেৰোঁ নগ্ন অৱস্থাৰে প্ৰব্ৰাজিকাৰ ঘৰলৈ (পুৱা সময়ত) উলটি আহি সখিয়েকহঁতক ক'লে,—"মই দেবস্মিতাৰ ঘৰত বস্ত্ৰ আভৰণ থৈছিলোঁ, পিছে চোৰে সকলোবোৰ চুৰ কৰি নিলে।" পিছ দিনা পুৱা তেৰোঁ মূৰ-কামোৰাৰ চেলু দেখুৱাই কাপোৰ এখ-নেৰে কপালৰ (কুকুৰৰ ভৰিৰ) চিন ঢাকি থ'লে। ১৫৩-১৫৫

ক্ৰমে সেই একে দৰে এটাই কেউজন বণিক্-পুত্ৰই লজ্জাট চিহ্ন পোৱাৰ লগতে লাঞ্চনাও ভোগ কৰিলে আৰু ধনবিত হৈকৰাই বৰ লাজ-অপমান পালে। 'এৰোঁ (প্ৰব্ৰাজিকা) আমাৰ দৰে লাঞ্চনা

---

৫. অবীচি—চৌৰাশিখন নৰকৰ এখন।

অপমান ভোগ কৰক' ইয়াকে স্থিৰ কৰি সেই বণিক্-পুত্ৰ চাৰি-জনে প্ৰব্ৰাজিকাক একো নোকোৱাকৈ তাৰপৰা প্ৰস্থান কৰিলে। 'মোৰ কাৰ্য্য সিদ্ধি হৈছে' বুলি মনৰ আনন্দত এদিন প্ৰব্ৰাজিকা শিষ্যাৰে সৈতে দেৱস্মিতাৰ ঘৰলৈ আহিল। ১৫৬-১৫৮

দেৱস্মিতাই তেওঁৰ প্ৰতি শ্ৰদ্ধা ভক্তি দেখুৱাই সন্তোষ মনেৰে কথা-বতৰা পাতি শিষ্যা পৰিব্ৰাজিকা দুয়োকে ধুতুৰা গুটি মিহলোৱা মদ খুৱালে আৰু তাৰ পিছত মদৰ নিচাত চেতনা হেৰুওৱা দুয়োৰে নাক-কাণ কটাই দুয়োকে এটা আবৰ্জনাপূৰ্ণ গাতত পেলোৱালে। ১৫৯-১৬০

'এই বণিক্ ডেকাহঁতে কিজানি মোৰ স্বামীক হত্যা কৰেগৈ।' এই বুলি আশংকা কৰি ইফালে দেৱস্মিতাই সকলো কথা ভাঙি-পাতি শাহুৱেকৰ আগত ক'লে। তাকে শুনি শাহুৱেকে ক'লে,

—"বোৱাৰী! তুমি ভাল কামকে কৰিছা, পিছে আনোচা মোৰ ল'ৰাৰ কিবা অমঙ্গল ঘটে?" তেতিয়া দেৱস্মিতাই ক'লে,

—"যেনেকৈ পূৰ্বে শক্তিমতীয়ে নিজৰ স্বামীক ৰক্ষা কৰিছিল, মইয়ো তেনেকৈ মোৰ বুদ্ধিৰ বলত মোৰ স্বামীক ৰক্ষা কৰিম।" শাহুৱেকে সুধিলে, —"বোৱাৰী! কোৱাচোন কেনেকৈনো শক্তিমতীয়ে নিজপতিক ৰক্ষা কৰিছিল?" তেতিয়া দেৱস্মিতাই এই আখ্যানটো ক'লে। ১৬১-১৬৪

৮. খ শক্তিমতী আৰু তেওঁৰ স্বামী:

আমাৰ দেশৰ নগৰখনত অসীম প্ৰভাৱশালী মণিভদ্ৰ নামে যক্ষৰ এটা মন্দিৰ আছে। মন্দিৰটো আমাৰ পূৰ্বপুৰুষসকলে কোনোবা এসময়ত প্ৰতিষ্ঠা কৰিছিল। নগৰৰ লোকসকলে নিজ নিজ অভীষ্ট সিদ্ধিৰ বাবে মণিভদ্ৰ যক্ষৰ মন্দিৰলৈ গৈ মানস কৰে আৰু উপচাৰ আগ বঢ়ায়। যদি কোনো পুৰুষক পৰস্ত্ৰীৰে সৈতে মন্দিৰত ৰাতি পোৱা যায়, তেনেহ'লে সেই স্ত্ৰী-পুৰুষক ৰাতিটো মন্দিৰৰ গৰ্ভ-গৃহত বন্দী কৰি থোৱা হয়। পিছ দিনা পুৱা সেই পুৰুষক ৰাজসভালৈ অনা হয় আৰু সকলো বৃত্তান্ত প্ৰকাশ হোৱাৰ পিছত যথোচিত দণ্ডবিধান কৰা হয়—এই নিয়ম বহুত দিনৰপৰা চলি আহিছে। ১৬৫-১৬৮

এদিন ৰাতি সেই মন্দিৰত পৰস্ত্ৰীৰে সঙ্গমৰত অৱস্থাত সমুদ্ৰগুপ্ত নামে বণিগ্‌জনক নগৰ ৰখীয়া প্ৰহৰীয়ে হাতে লোটে ধৰা পেলালে। তেতিয়া ৰক্ষীয়ে পৰস্ত্ৰীৰে সৈতে বণিক্‌ সমুদ্ৰ গুপ্তক যক্ষমন্দিৰৰ গৰ্ভ-গৃহৰ ভিতৰলৈ নি দুৱাৰত তাং লগাই বন্ধ কৰি থলে। ১৬৯-১৭০

মুহূৰ্ত্ততে সমুদ্ৰগুপ্তৰ পতিব্ৰতা ভাৰ্য্যা বুদ্ধিমতী শক্তিমতীয়ে সকলো কথা গম পালে। শুনা মাত্ৰকে ধীৰ স্থিৰ শক্তি-মতী বেশভূষা সলনি কৰি পূজাৰ উপচাৰ লৈ সখীয়েকহঁতৰ সৈতে মনে মনে ৰাতিয়েই যক্ষ মন্দিৰলৈ গ'ল। মন্দিৰত উপস্থিত হোৱাত পূজাৰীয়ে দক্ষিণাৰ লোভত নগৰাধিপতিক কৈ শক্তিমতীৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিলে। ১৭১-১৭৩

শক্তিমতী মন্দিৰৰ ভিতৰ সোমোৱাত পৰস্ত্ৰীৰ লগত থকা স্বামীয়ে তেওঁক দেখি বৰ বিব্ৰত বোধ কৰিলে। শক্তিমতীয়ে সেই স্ত্ৰীক নিজৰ সাজ-পোছাক পিন্ধাই নিজৰ নিচিনা কৰি 'এতিয়াই ইয়াৰ পৰা গুলাই যা' বুলি ক'লে। শক্তিমতীৰ বেশত মন্দিৰৰ পৰা গুলাই সেই স্ত্ৰী ৰাতিয়েই তাৰ পৰা গুচি গ'ল আৰু ইফালে শক্তিমতীয়ে নিজৰ স্বামীৰে সৈতে তাতে ৰাত্ৰি যাপন কৰিলে। পিছ দিনা পুনৰ পৰীক্ষা কৰিবলৈ আহি ৰাজপুৰুষসকলে দেখে যে বণিক সমুদ্ৰগুপ্ত নিজ পত্নীৰ লগতে আছে। ১৭১-১৭৬

ৰজাই এই কথা জানিব পাৰি বণিকক মুক্তি দিলে, ঠিক যেন মৃত্যুৰ মুখৰপৰাহে তেওঁ ৰক্ষা পালে আৰু ইফালে নগৰাধিপতিক শাস্তি দিলে।

তাহানি শক্তিমতীয়ে প্ৰতিভাৰ বলত এইদৰেই নিজৰ স্বামীক ৰক্ষা কৰিছিল।ময়ো তালৈ গৈ এনেকৈয়ে কৌশলেৰে মোৰ স্বামীক ৰক্ষা কৰিম। ১৭৭-১৭৮

৮. দেৱস্মিতাৰ কথা :

প্ৰতিভাশালিনী দেৱস্মিতাই শাহুৱেকক এই কথা কৈ গোপনে লিগিৰীহঁতৰ সৈতে বেপাৰী সদাগৰৰ বেশ ধাৰণ কৰিলে। তাৰ পিছত বাণিজ্য কৰাৰ ছলেৰে সমুদ্ৰগামী নাৱত উঠি তেওঁৰ স্বামী

য'ত আছে, সেই কটাহ দ্বীপলৈ যাত্ৰা কৰিলে। কটাহ দ্বীপত উপস্থিত হৈ দেৱস্মিতাই সদাগৰবিলাকৰ মাজত বহি থকা গুহসেনক দেখিবলৈ পালে, তেওঁৰ ধাৰণা হ'ল যেন অন্তৰৰ ধৈৰ্য্য মূৰ্ত্তিমান্ হৈ বাহিৰত প্ৰকাশ হৈছে। গুহসেনেও পুৰুষ বেশধাৰিণী দেৱস্মিতাক দূৰৈৰপৰা দেখি এনেকৈ চাবলৈ ধৰিলে যেন সুচকুৰে পি হে পেলাব। দেৱস্মিতাক ভালকৈ চিনিব নোৱাৰি গুহসেনে নিজ প্ৰিয়তমাৰ সদৃশ কোনোবা বণিক্ বুলি মনতে স্থিৰ কৰিলে। ১৭৯-১৮২

ইফালে দেৱস্মিতাই ৰজাৰ ওচৰলৈ গৈ এই বুলি প্ৰাৰ্থনা জনালে,—"মহাৰাজ! মোৰ প্ৰাৰ্থনা আছে। মহাৰাজে অনুগ্ৰহ কৰি প্ৰথমে নগৰৰ সকলো প্ৰজাক ইয়াত সমবেত কৰাওক।" ৰজায়ো কৌতুহল বশতঃ নগৰৰ সকলো প্ৰজাক তাত গোট খুৱাই তেওঁক ক'লে, "এতিয়া কোৱা, তোমাৰ কি প্ৰাৰ্থনা?" তেতিয়া দেৱস্মিতাই প্ৰাৰ্থনা জনালে,——"মহাৰাজ! এই প্ৰজাবৃন্দৰ মাজত মোৰ চাৰিটা (ক্ৰীত) দাস পলাই আহি লুকাই আছে, মহাৰাজে অনুগ্ৰহপূৰ্বক সিহঁতক মোক প্ৰত্যৰ্পণ কৰক।" ১৮৩-১৮৫

প্ৰাৰ্থনা শুনি ৰজাই ক'লে,—"মোৰ সকলো প্ৰজা ইয়াতে আছে, গতিকে তুমি তেওঁলোকৰ মাজৰপৰা তোমাৰ দাস চাৰিটা চিনি উলিওৱা।" তেতিয়া দেৱস্মিতাই পূৰ্বে নিজৰ ঘৰত কপালত চিন দি লাঞ্ছিত কৰা চাৰিওটা বণিক্পুত্ৰক ধৰিলে, সিহঁতে কপালত কাপোৰ বান্ধি আছিল। তাকে দেখি সমবেত সদাগৰসকলে খঙত গৰ্জ্জি উঠি ক'লে,——"এওঁলোক সাৰ্থবাহপুত্ৰ, কেনেকৈ তোমাৰ দাস হ'ব?" তেতিয়া দেৱস্মিতাই সমবেত সাৰ্থবাহবৰ্গক এই বুলি উত্তৰ দিলে,——"যদি আপোনালোকৰ বিশ্বাস হোৱা নাই, তেনেহ'লে কপাললৈ চাওক, এওঁলোকৰ কপালত মই কুকুৰৰ পদ চিহ্ন আঁকি থৈছোঁ।" বাৰু তাকে কৰোঁ, বুলি সদাগৰবিলাকে চাৰিওজন বণিক্পুত্ৰৰ মূৰৰ কাপোৰ গুচাই চালে আৰু তেওঁলোকৰ কপালত কুকুৰৰ পদচিহ্ন দেখিবলৈ পাই বৰ লাজ পালে। তাকে দেখি ৰজাও অতি আচৰিত হ'ল। ৰজাই তেতিয়া 'এইটো কেনে কথা' বুলি নিজেই দেৱস্মিতাক সুধিলে। ১৮৬-১৯১

দেৱস্মিতায়ো তেতিয়া যি যি হৈছিল আদ্যোপান্ত সকলো কথা

বিৰৰি ক'লে। কথা শুনি সকলো লোকে বৰকৈ হাঁহিলে। "বিধি-মতে নিশ্চয় এওঁলোক তোমাৰ দাস" বুলি ৰজাই দেৱস্মিতাক ক'লে। তেতিয়া বণিকবৃন্দই সেই চাৰিজন যুৱকক দাসত্বৰপৰা মুক্ত কৰিবলৈ বহুত ধন সাধ্বী দেৱস্মিতাক দিলে আৰু ৰজালৈ অৰ্থ দণ্ড আগ বঢ়ালে। এই দৰে দেৱস্মিতাই সকলোৰেপৰা মান সন্মান লাভ কৰি বণিক্-প্ৰদত্ত বিপুল অৰ্থৰাশি লগত লৈ স্বামীৰে সৈতে নিজ নগৰ তাম্ৰলিপ্তিলৈ উলটি আহিল; তেওঁৰ আৰু কেতিয়াও পতিবিৰহ ঘটা নাছিল। ১৯২-১৯৪

(মুঃ) দেৱী! এনেকৈয়ে সদ্ বংশজাত ৰমণীসকল বিশুদ্ধ স্বভাৱৰ আৰু ধীৰ-স্থিৰ চৰিত্ৰৰ হয়, তেওঁলোকে সদায় একান্ত মনেৰে নিজৰ স্বামীৰ সেৱা কৰে; কিয়নো পতিয়েই সতীৰ পৰম দেৱতা। ১৯৫

যাত্ৰাপথত বসন্তকৰ মুখৰপৰা এই মহৎ আখ্যান শুনাৰ পিচত বাসৱদত্তাৰ মনৰপৰা অলপতে নিজৰ পিতৃৰ ঘৰ এৰি পলায় অহাৰ গ্লানি দূৰ হ'ল আৰু বৎসেশ্বৰ উদয়নৰ প্ৰতি থকা তেওঁৰ প্ৰগাঢ় অনুৰাগ ক্ৰমে একান্ত ভক্তিত পৰিণত হ'ল। ১৯৬

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্টা-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথামুখ নামক
দ্বিতীয় লম্বকৰ পঞ্চম তৰঙ্গ।
পঞ্চম তৰঙ্গ, শ্লোক-১৯৬

ষষ্ঠ তৰঙ্গ

(মূঃ) ইতিমধ্যে বৎসৰাজ উদয়ন বিন্ধ্যাৰণ্যত থকা সময়ত চণ্ড-মহাসেনৰ কঞ্চুকী তেওঁৰ ওচৰ পালেহি। কঞ্চুকীয়ে আহি উদয়নক প্ৰণাম জনাই এই বুলি নিবেদন কৰিলে, "মহাৰাজ! চণ্ড-মহাসেনে আপোনালৈ এই সন্দেশ পঠাইছে। 'তুমি নিজেই বাসৱ-দত্তাক অপহৰণ কৰি যুক্তি-যুক্ত কামকে কৰিছা, সেই উদ্দেশ্যেই মই তোমাক কৌশলেৰে উজ্জয়িনীলৈ আনি বন্দী কৰি থৈছিলোঁ। বন্দী হৈ থকা অৱস্থাত মই নিজে কন্যাদান কৰিলে আমাৰ প্ৰতি তোমাৰ অকণো প্ৰীতি ভাব নাথাকিব বুলি আশঙ্কা কৰিহে তোমালৈ বাসৱদত্তাক দিয়া নাছিলোঁ। মোৰ কন্যাৰ যাতে অবৈধ বিবাহ নহয়, তাৰ বাবে অলপ সময় অপেক্ষা কৰা। মোৰ পুত্ৰ গোপালক অতি শীঘ্ৰে সেইখিনি পাবগৈ আৰু তেওঁ স্বয়ং বিধিমতে ভনীয়েকৰ উদ্বাহ কাৰ্য্য সম্পন্ন কৰিব।" ১-৬

কঞ্চুকীয়ে বৎসৰাজ উদয়নক এই বাতৰি দি সেই একে কথাকে বাসৱদত্তাৰ আগতো নিবেদন কৰিলে। বাতৰি শুনি বাসৱ-দত্তাই বৰ আনন্দ পালে। তেতিয়া সন্তুষ্ট মনেৰে উদয়নে আনন্দিতা বাসৱদত্তাৰে সৈতে কৌশাম্বীলৈ যাবলৈ মন কৰিলে। ৭-৮

"গোপালক অহালৈকে তোমালোকে ইয়াতে অপেক্ষা কৰা, গোপালক অহাৰ পিছত তেওঁৰে সৈতে একে লগে কৌশাম্বীলৈ যাবা"—ইয়াকে কৈ উদয়নে শহুৰেকে পঠোৱা কঞ্চুকী আৰু মিত্ৰ পুলিন্দকক তাতে থ'লে। ৯-১০

পিছ দিনা পুৱাই মহাৰাজ উদয়নে ৰাণী বাসৱদত্তাক লগত লৈ নিজ নগৰী কৌশাম্বীলৈ যাত্ৰা কৰিলে। ৰাজদম্পতিৰ পিছে পিছে যোৱা মদস্ৰাৱী মত্ত গজযূথ গুণানুৰক্ত হৈ অনুগমন কৰা বিন্ধ্য পৰ্বতৰ শৃঙ্গসমূহ যেন দেখা গৈছিল, ৰাজানুগামী অশ্বাৰোহী সৈন্যৰ ঘোঁৰাৰ খুৰাৰ শব্দেৰে ৰাজ চাৰণৰ স্তুতি-পাঠ ঢেৰ পেলাই পৃথিৱীয়ে যেন বন্দনা গীতহে গাইছিল, পদাতিক সৈন্য বাহিনীৰ ভৰিৰ খোজত উঠা আকাশলম্বী ধূলিজালে আকাশ ঢাকি পেলালে—

ৰাত (নতুনকৈ) পাখিলগা পৰ্বতবোৰ১ উৰি অহা বুলি ইন্দ্ৰৰ মনত আশঙ্কা জন্মিছিল। ১১-১৪

যাত্ৰা কৰাৰ দুই-তিনি দিন পিছতে উদয়নে নিজ ৰাজ্য পালেহি আৰু ৰাতিটো সেনাপতি ৰুমণ্বানৰ ঘৰতে বিশ্ৰাম লৈ অতিবাহিত কৰিলে। বহুত দিনৰ মূৰত কৌশাম্বীলৈ আহিবলৈ পাই উদয়নে পৰম সন্তোষ লাভ কৰিলে; নগৰীয়া প্ৰজাবৃন্দই আলি বাটলৈ মুখ কৰি ৰাজদম্পতিক চাবলৈ ধৰিলে। চিৰপ্ৰবাসী স্বামী ঘৰলৈ উলটি আহিলে সখীয়েকহঁতে স্নানানুলেপনেৰে সুমঙ্গলী কৰি তোলা পত্নীৰ দৰে নগৰৰ ৰমণীসকলে সুমণ্ডিত আৰু মঙ্গলময় কৰি তোলা কৌশাম্বী নগৰী, সুশোভিত হৈ পৰিল। বিজুলীয়ে চিকমিকাই থকা মেঘ দেখিলে ময়ূৰীৰ শোক দূৰ হোৱাৰ দৰে সস্ত্ৰীক উদয়নক দেখি পৌৰবাসীসকলৰ ৰাজ-বিচ্ছেদৰ দুখ দূৰ হ'ল। প্ৰাসাদৰ ওপৰৰপৰা ৰাজপথলৈ চোৱা নাগৰী সুন্দৰীসকলৰ মুখপদ্মই আকাশখন ঢাকি পেলোৱা যেন লাগিল; এনেহে দেখা গৈছিল ঠিক জেনিবা আকাশী গঙ্গাতহে (হেজাৰ বিজাৰ) স্বৰ্ণ কমল লাহ-বিলাহেৰে ফুলি আছে। ১৫-১৯

বৎসৰাজ উদয়নে দ্বিতীয় ৰাজলক্ষ্মী স্বৰূপা বাসৱদত্তাৰে সৈতে ৰাজপ্ৰাসাদত যেতিয়া প্ৰৱেশ কৰিলে, সেৱক নৃপতিবৃন্দেৰে পৰিপূৰ্ণ আৰু চাৰণবৃন্দৰ স্তুতি-মঙ্গল-গীতেৰে-মুখৰিত ৰাজভৱন তেতিয়া টোপনিৰপৰা সাৰ পাই উঠা যেন লাগিল। ২০-২১

ইয়াৰ অলপ পিছতে বাসৱদত্তাৰ ককায়েক গোপালক কটকী আৰু পুলিন্দকক লগত লৈ সেইখিনি পালেহি। উদয়নে প্ৰথমে আগ বাঢ়ি গৈ তেওঁক অভ্যৰ্থনা জনাজে আৰু বাসৱদত্তাই ককায়েকক সাক্ষাৎ আনন্দ স্বৰূপ যেন দেখি আনন্দত উৎফুল্ল হৈ পৰিল। 'এওঁ নিজৰ ককায়েক গোপালকক দেখি (ঘৰৰপৰা পলায় অহাৰ) লাজ নাপাওক' —এই বুলি ভাবিয়েই যেন চকুলোৱে সেই মুহূৰ্তত তেওঁৰ চকুযুৰি ঢাকি পেলালে। পিতৃৰ সন্দেশ-বাতৰি দি গোপা-

১ পূৰ্বতে পৰ্বতবোৰৰ পাখি আছিল আৰু সিহঁত উৰি ফুৰিছিল, ইন্দ্ৰই বজ্ৰেৰে পৰ্বতৰ পাখি কাটি পেলাইছিল; গতিকে এতিয়া নতুনকৈ পাখি গজাৰ কল্পনা কৰা হৈছে।

লকে উৎসাহ দিয়াত বাসৱদত্তাই নিজৰ পৰিয়ালৰ লোকক লগ পাই নিজকে কৃতাৰ্থ মানিলে । ২২-২৫

পিছ দিনা গোপালক উদয়ন-বাসৱদত্তাৰ বিয়াৰ উৎসৱত ব্যস্ত হৈ পৰিল আৰু দুয়োৰে যথাবিধি বিবাহ সম্পন্ন হ'ল । বৎসেশ্বৰ উদয়নে প্ৰেমৰূপ লতাৰূপৰ নতুনকৈ ওলোৱা উজ্জ্বল কুঁহিপাত যেন বাসৱদত্তাৰ পাণি-গ্ৰহণ কৰিলে । প্ৰিয়তমৰ হাতৰ পৰশ লগাত গভীৰ আনন্দত বাসৱদত্তাৰ চকু মুদ খাই গ'ল, শৰীৰ ৰোমাঞ্চিত হ'ল, গাত কঁপনি উঠিল আৰু গা ঘামেৰে তিতি পৰিল। কামদেৱে মোহ জন্মাবলৈ নিজৰ বায়ু আৰু বৰুণ শৰেৰে বাসৱদত্তাক বিন্ধি পেলোৱা যেন দেখা গ'ল (বায়ু শৰত কম্পন আৰু বাৰুণ শৰত ঘাম) । হোমাগ্নি প্ৰদক্ষিণ কৰাৰ সময়ত ধোঁৱা লাগি বাসৱদত্তাৰ চকু ৰঙা হৈ পৰাত, প্ৰেম মদিৰাই মত্ততাৰ সূত্ৰপাত কৰা যেন দেখা হৈছিল । ২৬-৩০

গোপালকে দিয়া ধন-ৰত্ন আৰু কৰদ নৃপতিবৃন্দই অৰ্পণ কৰা ধন-সোণেৰে ৰাজকোষ ভৰি পৰাত বৎসৰাজ তেতিয়া প্ৰকৃত ৰাজ-ৰাজেশ্বৰ হৈ পৰিল । নৱবিবাহিত ৰাজদম্পতি প্ৰথমে নাগৰিকৰ নয়নত প্ৰৱেশ কৰিলে, তাৰ পিছত নিজৰ শয়ন কক্ষত সোমাল । ৩১-৩২

নিজৰ বিবাহোৎসৱত উদয়নে পাটৰ পাগুৰি আদি উপহাৰ দি গোপালক আৰু পুলিন্দক দুয়োকো সন্মান জনালে । সমবেত নৃপতিবৃন্দ আৰু নাগৰিকসকলক যথোচিত মান-সন্মান কৰিবলৈ উদয়নে যৌগন্ধৰায়ণ আৰু ৰুমণ্বানক নিযুক্ত কৰিলে । ৩৩-৩৪

তেতিয়া যৌগন্ধৰায়ণে এবাৰ ৰুমণ্বানক ক'লে,—' ৰুমণ্বান ! ৰজাই আমাক বৰ কঠিন কামত নিযুক্ত কৰিছে, কিয়নো সকলোৰে মনোৰঞ্জন কৰা বৰ টান । অসন্তুষ্ট হ'লে বালকেও ক্ৰোধ আৰু ক্ষোভ জন্মাব পাৰে । বন্ধু ! এই প্ৰসঙ্গত মই বাল-বিনষ্টৰ আখ্যান কওঁ শুনা । ৩৫-৩৬

৯. বাল-বিনষ্টৰ কথা :

পুৰণি কালত ৰুদ্ৰ শৰ্মা নামে এজন গৃহস্থী ব্ৰাহ্মণ আছিল, তেওঁৰ দুগৰাকী ভাৰ্য্যা । তেওঁৰ এগৰাকী ভাৰ্য্যা ল'ৰা এটা জন্ম

দিয়েই মৃত্যুৰ মুখত পৰিল। তেতিয়া ৰুদ্ৰ শৰ্মাই মাউৰা ল'ৰাটি ইগৰাকী ভাৰ্য্যাৰ হাতত অৰ্পণ কৰিলে। ল'ৰাটি অলপ ডাঙৰ হোৱাত মাহী মাকে তাক বৰ বেয়া আহাৰ খাবলৈ দিবলৈ ধৰিলে। বেয়া আহাৰ খাই ল'ৰাটোৰ হাত ভৰি শুকাই গ'ল আৰু পেটটো ডাঙৰ হৈ ওলাই পৰিল। ৩৭-৩৯

তাকে দেখি "মোৰ এই মাউৰা ল'ৰাটোক তুমি কিয় আওহেলা কৰিছা?" —এই বুলি ৰুদ্ৰ শৰ্মাই তেওঁৰ ইগৰাকী ভাৰ্য্যাক এদিন সুধিলে।

—"মই মৰমেৰে প্ৰতিপাল কৰাতো ল'ৰা এনেকুৱা হৈছে, মইনো এতিয়া কি কৰিম?" বুলি ভাৰ্য্যাই স্বামীক উত্তৰ দিলে। সেই কথা শুনি ৰুদ্ৰ শৰ্মাই ল'ৰাৰ প্ৰকৃতিয়েই তেনেকুৱা বুলি ঠিৰাং কৰিলে। নাৰীৰ মধুৰ মিছা কথা কোনেনো মিছা বুলি ধৰিব পাৰে? ৪০-৪২

'বালক অৱস্থাতে নষ্ট হোৱা বাবে' সেই ল'ৰাটোৰ নাম হ'ল· বাল-বিনষ্ট; বাল-বিনষ্ট পিতাকৰ ঘৰত লাহে লাহে অলপ ডাঙৰ দীঘল হ'ল। 'মোৰ মাহী আয়ে মোক সদায় কষ্ট দিছে, ইয়াৰ কিবা এটা প্ৰতিকাৰ নিশ্চয় মই কৰিম'— বুলি বাল-বিনষ্টই মনে মনে ভুণা-গথা কৰিবলৈ ধৰিলে। বয়স পাঁচ বছৰহে হৈছিল যদিও বাল-বিনষ্ট বুদ্ধিত পকা হৈ উঠিছিল। ৪৩-৪৫

ৰুদ্ৰ শৰ্মা ৰাজ সভাৰপৰা ঘৰলৈ অহাৰ পিছত এদিন বাল-বিনষ্টই ভালকৈ ফুটাই নোকোৱাকৈ পিতাকক এই বুলি ক'লে, "পিতাদেউ! মোৰ হ'লে পিতাদেউ দুজন।" ল'ৰাটোৱে নিতৌ এই দৰে ক'বলৈ ধৰাত ৰুদ্ৰ শৰ্মাই নিজৰ ভাৰ্য্যাৰ উপপতি থকা বুলি সন্দেহ কৰি তেওঁক স্পৰ্শ কৰিবলৈকে এৰি দিলে। স্বামীৰ আচৰণ দেখি তেওঁ চিন্তা কৰিবলৈ ধৰিলে 'অকাৰণে স্বামীয়ে বাৰু মোৰ ওপৰত কিয় খং কৰিছে? বাল-বিনষ্টই কিজানি এই বিষয়ত কিবা লগাই পায়।' ইয়াকে ভাবি ৰুদ্ৰ শৰ্মাৰ পত্নীয়ে এদিন বাল-বিনষ্টক ভালকৈ গা-পা ধুৱাই মৰম-চেনেহ কৰি ভাল খোৱা বস্তু খাবলৈ দিলে; তাৰ পিছত তাক কোলাত লৈ মোনিয়াই সুধিলে, —"বোপাই! মোৰ ওপৰত তোমাৰ পিতাৰা ৰুদ্ৰ শৰ্মাৰ কিয় খং

তোলাইছানে কি ?" সেই কথা শুনি ল'ৰাটোৱে মাহী মাকক ক'লে "এয়া কি, মই ইয়াতকৈ আৰু বেছি কৰিম, যদিহে তুমি খেও, নামানা। তুমি তোমাৰ ল'ৰাক আতোজ্ তোল কৰি মোক কিয় সদায় দুখ দিয়া ?" ৪৬-৫১

ল'ৰাটোৰ কথা শুনি মাহী মাকে নম্র ভাব দেখুৱাই শপত খাই ক'লে, —"মই আজিৰপৰা পুনাই এনে কাম আৰু কেতিয়াও নকৰোঁ, তুমি পিতাৰ্শক মোক প্ৰতি সদয় কৰা।" তেনেহ'লে প্ৰায়ি পিতাদেউ ঘৰলৈ অহাৰ পিছত তোমাৰ জিগিৰী এজনীক দাপোণ এখন পিতাদেউৰ মুখৰ আগত ধৰিবলৈ দিবা, তাৰ পিছত কি কৰিব লাগে মই জানো।"—এই বুলি বা -বিনষ্টাই ক'লে। ৫২-৫৩

মাহী মাকে 'বাক' বুলি শজাপি জিগিৰী এজনীৰ ওপৰত সেই কামৰ ভাৰ দিলে আৰু জিগিৰী জনীয়েও কদ্ৰশৰ্মা আহি ঘৰ সোমোৱা মাত্ৰকে তেওঁৰ মুখৰ আগত দাপোণ এখন দাঙি ধৰিলে। তেতিয়া দৰ্পণত প্ৰতিবিম্বিত কদ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিলৈ আঙুলিয়াই দেখুৱাই ল'ৰাটোৱে ক'লে, —"পিতাদেউ ! এয়া মোৰ দ্বিতীয় পিতা।" ৫৪-৫৫

ল'ৰাটোৰ কথা শুনাৰ পিছত কদ্ৰ শৰ্মাৰ নিজ ভাৰ্য্যাৰ প্ৰতি থকা অমূলক সন্দেহ নিমিষতে দূৰ হ'ল আৰু তেওঁ ভাৰ্য্যাৰ প্ৰতি সুপ্ৰসন্ন হ'ল। ৫৬

(মূঃ) অসন্তুষ্ট হ'লে সৰু ল'ৰা এটায়ো এইদৰে বিপৰ্য্যয় সৃষ্টি কৰিব পাৰে। সেই দেখি আমি সকলো অভ্যাগত—পৰিষদবৰ্গৰ মনোৰঞ্জন কৰা উচিত। ইয়াকে কৈ যৌগন্ধৰায়ণে ৰুমণ্বানৰে সৈতে বৎসৰাজৰ বিবাহোৎসৱত সমবেত সকলোকে আদৰ অপ্যায়ন কৰিলে। ৫৬-৫৮

তেওঁলোক দুয়োজনেই সমাগত ৰাজন্যবৰ্গ আৰু অন্যান্য লোকক এনেদৰে সমাদৰ কৰিছিল যে প্ৰত্যেকৰে ধাৰণা হৈছিল যে দুয়োজন একান্ত ভাৱে কেৱল তেওঁৰ সেৱাতে নিমগ্ন। শেষত যৌগন্ধৰায়ণ, ৰুমণ্বান আৰু বসন্তক এই তিনিও জনকে ৰজাই নিজ হাতে বস্ত্ৰ, আভৰণ, অঙ্গৰাগ আদি দিয়াৰ লগতে একোখনকৈ গাঁও দান দি সন্মান দেখুৱালে। ৫৯-৬০

বিবাহ উৎসৱ সম্পন্ন হোৱাৰ পিছত ৰজাই বাসৱদত্তাৰ সঙ্গত নিজৰ মনোৰথ সফল হোৱা বুলি অনুভৱ কৰিলে। বহুত দিন অন্তৰত সুপ্ত হৈ থকা প্ৰেম উন্মুক্ত হৈ পথাত এক অপূৰ্ব সুখানুভূতিয়ে দুয়োকে আবিষ্ট কৰি তুলিছিল; গোটেই ৰাতি বিচ্ছেদৰ কষ্টৰ পিছত প্ৰভাত কালত চক্ৰবাক দম্পতিয়ে অনুভৱ কৰা সুখানুভূতিৰ দৰেই হৈছিল তেওঁলোকৰ প্ৰেমৰসৰ ক্ৰম-পৰিণতি; দুয়োৰে প্ৰেম প্ৰগাঢ় হৈ প্ৰৌঢ় হোৱাৰ লগে লগেই সমানে যেন আকৌ নতুন হৈ হে পৰিছিল। ৬২-৬৩

ইফালে গোপালকৰ বিয়াৰ আয়োজন কৰি পিতাক মহাসেনে বাতৰি পঠোৱাত গোপালক নৰবাহনকৈ উজ্জয়িনীলৈ প্ৰস্থান কৰিলে, (যোৱাৰ সময়ত) উদয়নে আকৌ সোণকালে আহিবলৈ তেওঁক অনুৰোধ জনালে। ইফালে চঞ্চল স্বভাৱৰ উদয়ন পূৰ্বৰ প্ৰণয়িনী অন্তঃপুৰৰ পৰিচাৰিকা বিৰচিতা (বিৰচিকা) নামে লিপিধীজনীৰে সৈতে দুনাই গোপন সঙ্গমত লিপ্ত হৈ পৰিল। সেই দেখি কেতিয়াবা উদয়নে ভুলতে বাসৱদত্তাক বিৰচিতা বুলি মতাত খঙত জ্বলি পৰি উঠা বাসৱদত্তাৰ ভৰিত পৰি উদয়নে তেওঁক প্ৰসন্ন কৰিব লগা হৈছিল। তাকে কৰোঁতে বাসৱদত্তাৰ চকুলোৰে মূৰ তিয়াই পেলোৱাত উদয়নে সৌভাগ্য সাম্ৰাজ্যত অভিসিক্ত২ হোৱা যেন অনুভৱ কৰিছিল। ৬৪-৬৬

ইয়াৰ উপৰি গোপালকে নিজৰ বাহুবলেৰে (ৰাজ্য জয় কৰি) লাভ কৰা বন্ধুমতী নামৰ এটী ৰাজ-কন্যা মঞ্জুলিকা ছদ্ম নামেৰে ৰাণী বাসৱদত্তালৈ উপহাৰ পঠাইছিল। লাৱণ্য সৰোবৰৰপৰা উত্তৰ হোৱা সাক্ষাৎ লক্ষ্মীস্বৰূপা অপূৰ্ব সুন্দৰী বন্ধুমতীক এদিন উদয়নে লতাকুঞ্জত দেখি বসন্তকৰ সহায়ত তেওঁক তাতে গান্ধৰ্ব প্ৰথামতে গোপনে গ্ৰহণ কৰিলে। লুকাই থকা ঠাইৰপৰা উদয়নৰ সকলো কাৰ্য্য দেখি ৰাণী বাসৱদত্তা অভিমানত ক্ৰুদ্ধ হৈ পৰিল আৰু বসন্তকক বান্ধি বন্দী কৰি থৈ গ'ল। ৬৭-৭০

---

২ ৰজা ৰাজপাটত উঠাৰ সময়ত মূৰত পানী ঢালি ৰাজ্যাভিষেক কৰা হয়। বাসৱদত্তাৰ চকুলোত উদয়ন অভিষিক্ত হৈছিল।

তেতিয়া ৰজা উদয়নে বাসৱদত্তাৰ মাকৰ ঘৰৰপৰা অহা সাংকৃত্যায়নী নামে প্ৰব্ৰাজিকাৰ আশ্ৰয় ল'লে, তেওঁ আছিল বাসৱদত্তাৰ সখীয়েক। প্ৰব্ৰাজিকাই ৰাণী বাসৱদত্তাক প্ৰসন্ন কৰি তেওঁৰ সন্মতি ক্ৰমেই বন্ধুমতীক উদয়নৰ হাতত সমৰ্পণ কৰিলে; কিয়নো সতী নাৰীৰ হৃদয় নৰ কোমল। ৭১-৭২

তাৰ পিছত বাসৱদত্তাই বসন্তকক বন্ধনৰপৰা মুক্ত কৰি দিলে। তেতিয়া বসন্তকে ৰাণী বাসৱদত্তাৰ আগলৈ আহি হাঁহি হাঁহি এই বুলি ক'লে, —"মহাৰাণী! বন্ধুমতীয়ে আপোনাৰ অপৰাধ লগাইছে, মই কি অপৰাধ কৰিলোঁ যে মোক বন্দী কৰি থ'লে? বিষাল সাপৰ খণ্ডত আপোনালোকে ঢোৰাসাপক (এনেয়ে) মাৰিছে।"

তাকে শুনি কৌতূহলী হৈ ৰাণীয়ে বসন্তকক "এই উপমাটো মোক ব্যাখ্যা কৰি শুনোৱা" বুলি কোৱাত বসন্তকে ক'বলৈ ধৰিলে ৭৩-৭৪

১০. ৰুৰুৰ কথা:

পুৰণি কালত এসময়ত ৰুৰু নামে এজন মুনি পুত্ৰই আপোন মনেৰে ভ্ৰমণ কৰি ফুৰোঁতে এগৰাকী অপূৰ্ব সুন্দৰী কন্যা দেখিবলৈ পালে। সেই কন্যাৰ জন্ম হৈছিল স্বৰ্বেশ্যা মেনকাৰ গৰ্ভত এজন বিদ্যাধৰৰপৰা আৰু স্থূলকেশ নামৰ এজন মুনিয়ে তেওঁক নিজৰ আশ্ৰমত তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। ৭৬-৭৭

দেখা মাত্ৰকে প্ৰমদ্বৰা নামৰ সেই কন্যাই ৰুৰুৰ মন হৰণ কৰিলে আৰু ৰুৰু গৈ স্থূলকেশৰ ওচৰত প্ৰমদ্বৰাৰ কন্যাৰ পাণি-প্ৰাৰ্থী হ'ল। স্থূলকেশে তেওঁলৈ কন্যাদানৰ প্ৰতিশ্ৰুতি দিলে। আসন্ন বিবাহোৎসৱৰ সময়ত এদিন অকস্মাৎ প্ৰমদ্বৰাক সাপে খুঁটিলে। খবৰ শুনা মাত্ৰকে বেজাৰত ৰুৰু ম্ৰিয়মাণ হ'ল। সেই সময়তে ৰুৰুৱে এক'কি আকাশী বাণী শুনিবলৈ পালে। "ব্ৰাহ্মণ তোমাৰ আয়ুসৰ আধা দি তুমি এই কন্যাক পুনৰ জীৱন দিয়া।" আকাশী বাণী শুনি ৰুৰুৱে তেতিয়াই নিজৰ আধা ভাগ আয়ুস সেই কন্যাক দান কৰিলে আৰু প্ৰমদ্বৰা ৰুৰু-প্ৰদত্ত আয়ুসৰ বলত পুনৰ্জীৱিত হ'ল। ৭৮-৮০

ইয়াৰ পিছৰপৰা ৰুৰুৱে ক'ৰবাত কেনেবাকৈ সাপ দেখিলেই 'এইবোৰেই কিজানি মোৰ প্ৰিয়াক দংশন কৰিছিল' বুলি খঙত এফালৰপৰা সাপ মাৰিবলৈ ধৰিলে। এইদৰে সাপ মাৰি ফুৰোঁতে এদিন এটা ঢোৰা সাপে (ডুণ্ডুভ) ৰুৰুক মানুহৰ মাতেৰে ক'লে "ব্ৰাহ্মণ! তোমাৰ খং অহি (বিষাল সাপ)ৰ ওপৰতহে, তেনেস্থলত তুমি কিয় মিছাতে ঢোৰাসাপ মাৰিছা? অহিয়েহে তোমাৰ প্ৰিয়াক দংশন কৰিছিল (ডুণ্ডুভে নহয়); অহি আৰু ডুণ্ডুভ একে নহয়, বেলেগ। অহি বিষধৰ, ডুণ্ডুভ বিষহীন। ৮২-৮৪

ঢোৰা সাপটোৰ কথা শুনি ৰুৰুৱে সুধিলে, "বন্ধু! তুমি নো কোন?" ঢোৰা সাপটোৱে উত্তৰ দিলে, —"ব্ৰাহ্মণ! মই শাপভ্ৰষ্ট মুনি আৰু সেই শাপৰ অৱধি হৈছে তোমাৰে সাক্ষাৎ হোৱালৈকে।" ইয়াকে কৈ ঢোৰাসাপটো তাৰ পৰা অদৃশ্য হ'ল। সেই দিনাৰপৰা ৰুৰুৱে ঢোৰাসাপ মাৰিবলৈ এৰিলে। ৮৫-৮৬½

(মুঃ) মহাৰাণী! এই উপমা দিবলৈকে মই আপোনাক 'সাপৰ খং ঢোৰাসাপত সাৰিছে' বুলি কৈছিলোঁ।

কৌতুকপূৰ্ণ হাঁহিৰে এইদৰে কৈ বসন্তক নীৰৱ হ'ল আৰু স্বামীৰ কাষতে থকা বাসৱদত্তাও বসন্তকৰ কথা শুনি তেওঁৰ প্ৰতি সন্তুষ্ট হ'ল। এইদৰে সততে বসন্তকে কৌশলেৰে নানা মধুৰ আৰু ধেমেলীয়া কথাৰে বাসৱদত্তাৰ মনোৰঞ্জন কৰে আৰু কামাতুৰ উদয়নে (তেওঁৰ অন্যাসক্তিৰ বাবে) প্ৰণয়কুপিতা বাসৱদত্তাৰ চৰণত পৰি অনুনয়-বিনয়েৰে প্ৰীতি সাধন কৰে। তেতিয়া একান্ত সুখী ৰজা উদয়নৰ ৰসনা সততে মদিৰাৰসাস্বাদত লিপ্ত আৰু শ্ৰুতিযুগল কল-নিক্বণা বীণাৰ শব্দত সিক্ত হ'বলৈ ধৰিলে আৰু তেওঁৰ দৃষ্টি একেৰাহে বাসৱদত্তাৰ মুখত নিবদ্ধ হৈ ৰ'ল।

ইতি মহাকবি শ্ৰীসোমদেৱ ভট্ট-বিৰচিত
কথাসৰিৎ-সাগৰৰ কথামুখ নামৰ
দ্বিতীয় লম্বকৰ ষষ্ঠ তৰঙ্গ।
দ্বিতীয় লম্বক সমাপ্ত।
ষষ্ঠ তৰঙ্গ, শ্লোক ৯০
দ্বিতীয় লম্বকৰ শ্লোক-১৬৯৫

বিশিষ্ট শব্দপঞ্জী আৰু টোকা

অগ্নিশিখ—৯
অগ্নিদত্তা—গোবিন্দদত্তৰ পত্নী ; ৬৪
অঙ্গাৰক, অঙ্গাৰকাসুৰ—বৰাহৰূপী এটা দৈত্য ; ১০৬, ১০৭, ১০৯
অঙ্গাৰৱতী—অঙ্গাৰকাসুৰৰ কন্যা, চণ্ড মহাসেনৰ ভাৰ্য্যা ; ১০৬, ১০৮
অন্ধক—এটা অসুৰ, শিৱই বধ কৰে ; ২
অন্ধতামিস্ৰ—৬৪ বিধ নৰকৰ এবিধ ; ২৭
অপ্সৰা—স্বৰ্গৰ বেশ্যা ; ২, ৪৭, ৭৯
অপভ্ৰংশ—প্ৰাকৃতৰপৰা উদ্ভৱ ভাষা; ৪৬
অভিচাৰ—শত্ৰু নাশৰ উদ্দেশ্যে কৰা যজ্ঞাদি ; ৪৪
অভিমন্যু—অৰ্জুনৰ পুত্ৰ ; ৭৭
অমৰাৱতী—ইন্দ্ৰৰ নগৰ ; ৭৮, ১০৬
অযোধ্যা—৯, ২৯, ৩৩, ৪২, ৭৯, ৮০
অৰ্জুন—তৃতীয় পাণ্ডৱ ; ৭৭
অৰ্দ্ধচন্দ্ৰ—পূৰ নোহোৱা জোন, এবিধ অস্ত্ৰ, তাৰিকা অৰ্থাৎ ডিঙিত ধৰি গতিয়াই দিয়া; ৫১
অলম্বুষা—স্বৰ্গৰ অপ্সৰা ; ৭৯
অৱন্তি—মালৱ দেশ ; ৮৬
অৱন্তিৰাজ—৯৯
অবীচি—৬৪ খন নৰকৰ অন্যতম ; ১৪০
অহি—বিষাক্ত সাপ ; ১৩২
আকস্মিকা—১৯
আকাশবাণী—১৩, ৫৮, ৮২, ৮৩ ;
(আকাশী বাণী)—৫৯, ১০৮
আকাশী গঙ্গা—১৪৬, ১৫১
আদিত্য বৰ্মা—৬৯
আষাঢ়ক—চণ্ড মহাসেনৰ হাতী মাউত ; ১২৯

ইন্দ্ৰ—স্বৰ্গৰ অধিপতি, ৫৩, ৬৭, ৬৮, ৭৮, ৭৯, ৮০, ১০২, ১২২, ১৪৬
ইন্দ্ৰোৎসৱ—ইন্দ্ৰ বা শক্ৰৰ উদ্দেশ্যে ধ্বজ ৰোপণ উৎসৱ ; ২২, ১০৯
ইন্দ্ৰপুৰী—অমৰাৱতী, ৫১
ই(ঐ)ন্দ্ৰ ব্যাকৰণ ; ২৪
উজ্জয়িনী—অৱন্তি দেশৰ ৰাজধানী, ৬২, ৯৯, ১০৩, ১০৫, ১০৬, ১০৯, ১১২, ১১৪, ১১৯, ১৪৫
উত্তৰাপথ—বিন্ধ্য পৰ্বতৰ উত্তৰৰ ভাৰত ; ১৩৫
উদয়ন—সহস্ৰানীকৰ পুত্ৰ, বৎস দেশৰ ৰজা। উদয়নৰ বাসৱদত্তা হৰণ আখ্যান সুপ্ৰসিদ্ধ। উদয়নৰ পুত্ৰ নৰবাহনদত্তৰ আখ্যান কথাসৰিৎ-সাগৰৰ প্ৰধান কথা-বস্তু ; ৭৭, ৮২, ৮৩, ৮৪, ১০১, ১০২, ১০৩,

১০৪ ১০৫, ১১০, ১১১, ১১২, ১১৩, ১১৪, ১১৫, ১১৬, ১২৭, ১২৮, ১২৯, ১৩০, ১৩১, ১৪৪, ১৪৫, ১৪৬, ১৪৭, ১৫০, ১৫১, ১৫২

উদয়াচল—৮১, ৮২, ৮৪

উপকোশা—উপবর্ষৰ কন্যা, বৰৰুচিৰ ভাৰ্য্যা; ২২, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৪২

উপবর্ষ—বর্ষৰ ভায়েক আৰু শঙ্কৰ স্বামীৰ পুত্র ; বর্ষ আৰু উপবর্ষ দুয়ো প্রাক্-পাণিনি বৈয়াকৰণ; ১১, ১২, ২৩, ২৯, ৪২

উপাধ্যায়—১৩, ২৯, ৪৮, ৬৫, ৬৬, ৮৪

উপেন্দ্রবল—৮৪

কঞ্চুকী—ৰাজ-অন্তঃপুৰৰ বৃদ্ধ সেৱক ; ৯২

কটাহ দ্বীপ—১৩৩, ১৩৪, ১৪৩

কণখল—হৰিদ্বাৰ; ১৫

কথাপীঠ (লম্বক)—২১, ২২

কথামুখ (লম্বক)—১

কদ্রু—কশ্যপৰ ভাৰ্য্যা, নাগকুলৰ মাতৃ; ১২২

কন্দর্প—কামদেৱ; ৬৫

কন্যান্তঃপুৰ—২০

কপালমালী—শিৱ; ৯

কমলাৱতী—৮০

কলাপ ব্যাকৰণ—শৰ্ব্ববৰ্ম্মা-বিৰচিত, কাতন্ত্র ব্যাকৰণ নামেও প্রসিদ্ধ; ৬০

কল্প—ব্ৰহ্মাৰ এদিন, মানুহৰ ৪৩২ কোটি বছৰ; ৭

কল্পতৰু (বৃক্ষ)—অভীষ্ট ফলপ্রদ স্বৰ্গৰ বৃক্ষ; ৬, ১২২, ১২৩

কাঞ্চনমালা—বাসৱদত্তাৰ সখিয়েক; ১২৯

কাণভূতি—কুবেৰৰ অভিশাপত পিশাচৰূপে জন্ম লোৱা সুপ্রতীক নামৰ যক্ষ; গুণাঢ্য-ৰচিত বৃহৎ কথা শুনি শাপমুক্ত হয় ; ৬, ৯, ১৫, ২২, ৩৩, ৪৪, ৪৫, ৪৬, ৫৩, ৫৪, ৬২, ৬৩, ৭০, ৭১, ৭৭

কাত্যায়ন—বৰৰুচিৰ নামান্তৰ, ৪১

কাত্যায়নী—দুর্গা ; ৭৯

কামদেৱ—১, ৪

কাম-শৰ—কামদেৱৰ পাঁচ পাত শৰৰ এপাত; ২৪,৪৭,৬১

কুবেৰ—যক্ষাধিপতি, ধনাধিপতি (কুৎসিৎ শৰীৰ) ; ৩, ৬, ৮, ৫৪, ৯০

কুমাৰস্বামী—৫৮, ৫৯

কুমাৰদত্ত—৪৮

কাৰ্ত্তিক / কাৰ্ত্তিকেয় ; ১০, ১২, ১৩, ১৪, ১৫, ২৯, ৫৯, ৬০, ৬১

কালনেমি—এজন ব্ৰাহ্মণ ; ৮৫, ৮৬, ৮৯

কাশ্যপ—এজন মুনি ; ১২২

কাশ্যপ-তনয়—গৰুড় ; ১২২

কীর্তিসেন—৪৭

কুট্টনী—গণিকাৰ মাক ; ১১৭, ১১৮, ১১৯, ১২৪, ১২৫, ১২৬, ১২৭

কৃত্যা—৪৪

কৃষ্ণ—৬১

কৃতবৰ্মা—৭৯, ৮০
কৈলাস—কুবেৰৰ নগৰ; ২, ৬, ৯, ২৩, ৭৭, ১০৬
কৌশাম্বী—বৎস দেশৰ ৰাজধানী; ৯, ৭৭, ৭৮, ৮০, ১০৩, ১১৩, ১১৪, ১৪৫, ১৪৬
কৌশিক—৯০

গজ-কচ্ছপ—১২২
গঙ্গা—৪, ৩৩, ৩৮, ৪৫, ৫৪, ৬৩, ৮৬, ৮৭, ৮৯, ৯০
গণ—শিৱৰ অনুচৰ; ৬৬, ৭৭
গণমুখ্য/গণোত্তম; ৪৪, ৪৬, ৬৮, ৭৭
গৰুড়—৮১, ১২০, ১২২
গৰুড় বংশজাত—১২১
গান্ধৰ্ব-বিবাহ—৬৭, ৯৬
-বিদ্যা ১০৪, ১০৫, ১১৩
-শালা ১১৩, ১১৫
গিৰিজা—পাৰ্বতী ; ২
গুণদেৱ—৮১
গুণাঢ্য—বৃহৎ-কথা-প্ৰণেতা ; পাৰ্বতীৰ অভিশাপত মাল্যবান্ নামে গণোত্তমে সোম শৰ্মাৰ কন্যা শ্ৰুতাৰ্থা আৰু নাগকুমাৰ কীৰ্তিসেনৰ পুত্ৰ ৰূপে মৰ্ত্যত জন্ম গ্ৰহণ কৰে; ৬, ৪৪, ৪৫, ৪৬, ৪৭, ৫১, ৫৩, ৫৪, ৫৫, ৬০, ৬১, ৬৩, ৭১, ৭২, ৭৩, ৭৭
গুল্ম—৪৬, ৪৭
গুহসেন—১১৩, ১৩৪, ১৩৭, ১৪৩
গোদাবৰী—৫২
গোবিন্দদত্ত—৬৩, ৬৪, ৬৯

ঘোষৱতী (বীণা)—১০৩, ১১২

চণ্ড মহাসেন ১০৩, ১০৪, ১০৫,
চণ্ডসেন ১০৬, ১০৭, ১০৯,
মহাসেন ১১০, ১১১, ১১২, ১১৩, ১১৪, ১২৮, ১৩০, ১৪৫, ১৫০
চণ্ডী/চণ্ডিকা—৫৮, ৯৬, ৯৯, ১০০, ১০৬
চণ্ডীৰ মন্দিৰ—১০৪
চতুৰিকা—৫০
চতুৰ্দাৰিকা-১
চন্দ্ৰগুপ্ত—৩৯, ৪৪
চন্দ্ৰমৌলি—শিৱ ; ৬
চন্দ্ৰশেখৰ—শিৱ ২, ৪, ৫৩, ৬৯
চাণক্য—৪৩, ৪৪
চিঙ্কিনা—১৫
জনমেজয়—৭৭
জম্বু—সোমক ৰজাৰ কেচুৱা ; ১৩২
জমদগ্নি—৮২, ৮৩, ৮৪, ১০০
জয়সেন—১০৬
জয়া—৫, ৬, ৬৯
জাহ্নৱী—১৫
জ্ঞানমাৰ্গ—৫
জ্যোতিৰ্ময় লিঙ্গ—৩
ডুণ্ডুভ—বিষহীন সাপ; ১৫২
ডোম্ব—ডুমীয়া ; ১৩৫, ১৩৬
তাৰকাসুৰ—৪
তাম্ৰলিপ্ত—১৩২, ১৩৩, ১৩৪, ১৪৪
তালজঙ্ঘ—১২৯
তিলোত্তমা—অপ্সৰা ; ৭৯, ৮১
ত্ৰিপথগা—গঙ্গা ২৪
দক্ষ—৩, ৪
দক্ষিণাপথ—দাক্ষিণাত্য ; ৪৮

দানৱ—২
দাক্ষিণাত্য—১৫
দীৰ্ঘজংঘ—৮
দীনাৰ—মুদ্ৰা ; ৪৯
দীপকৰ্ণি—৫৩
দুৰ্য্যোধন—৮৬
দেৱদত্ত—৬৪, ৬৬, ৬৭, ৬৯
দেৱ শৰ্মা—৮৫
দেৱস্মিতা—১৩২, ১৩৩, ১৩৭, ১৩৮, ১৩৯, ১৪০, ১৪১, ১৪২, ১৪৩, ১৪৪
দেৱস্বামী—১০
দেৱীকৃতি—৫২
দোহদ—গৰ্ভৱতী ৰমণীৰ মনৰ হেপাহ ; ৮০

নড়াগিৰি—১০৭, ১১১, ১২৮, ১৩০
নন্দ/নন্দৰাজ—৭, ১০, ১৪, ২৮,
নন্দন কানন—স্বৰ্গৰ উদ্যান, ৫২, ৫৫
নন্দিদেৱ—৭১
নন্দী —৫
নৰ্মদা—৫২, ৫৯
নাগকুমাৰ—৪৭
নাগৰাজ—৪৭
নাগস্থল—৯৭
নাৰায়ণ—৩, ১২১, ১২৪
নিষ্ঠুৰক—৮৬, ৮৮, ৯০
নীলকণ্ঠ—১
ন্যাস—২৮
ধনদত্ত—১৩২, ১৩৩
ধৰ্মগুপ্ত—১৩৩
পঙ্ক—১
পঞ্চশিখ-৬৮,৬৯
পট্টমহিষী—৫৯
পণ্য—৪৮, ৪৯
পণ্যমূল্য—৪৯
পদাৰ্থ—১
পদ্মাৱতী—১
পৰীক্ষিত—৭৭
পাটলি (লী)—১০, ১১, ১৬, ১৮, ২০, ২১
পাটলি (লী) পুত্ৰ—১৪, ১৫, ১৮, ৩৩, ৬৫, ৮৫
পাণিনি—২৩, ২৪, ২৯
পাণ্ডৱ—৭৭
পাতাল—৮৯
পাৰ্বতী—১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১৬, ৪৪, ৭১, ৭৭
পাৱক—১০৯, ১৩০
পিনাকপাণি—৫
পিতামহ—ব্ৰহ্মা ; ৭
পিশাচ—৬, ৭, ৮, ৬২, ৬৩, ৭২
পুত্ৰক—১৬, ১৭, ১৯, ২০, ২১
পুত্ৰেষ্টি—১৩২
পুলিন্দক—১১৪, ১২৮, ১৩৬, ১৪৫, ১৪৭
পুলিন্দাধিপতি—১১৪
পুষ্পদন্ত—৫, ৬, ৯, ৪৬, ৬৩, ৬৬, ৬৮, ৬৯, ৭৩, ৭৭
পূৰ্ব-নন্দ—৪৪
পৈশাচী—৪৬, ৭১, ৭২, ৭৪
প্ৰকৃতি—৮
প্ৰকৃতি-পুৰুষ—৮
প্ৰজাপতি—৩, ৪, ৭
প্ৰতিষ্ঠানপুৰ—৪৬, ৫৩, ৬৫, ৭১
প্ৰতিহাৰী—দুৱৰী ; ৫
প্ৰমথ—৬
প্ৰমদ্বৰা—১৫১

বজ্র--১০৭
বৎস—প্রধান রাজ্য, ইয়ার রজা উদয়ন সুপ্রসিদ্ধ ; ৪৬, ৪৭, ৭৭, ১০৩
বদরিকাশ্রম—৪৫, ৬৪
বন্ধুমতী—১৫০, ১৫১,
বলি—১৭, ৮৮
বররুচি—অন্য নাম কাত্যায়ন, পুষ্পদন্তই বররুচি নামে পার্বতীর অভিশাপে মর্ত্যে জন্ম গ্রহণ করে; ৬, ৭, ১২, ১৩, ১৬, ২১, ২২, ৩০, ৩৪, ৩৭, ৩৯, ৪০, ৪১, ৪৫, ৭৭
বর্ষ---পাণিনির গুরু; ১০, ১১, ২৩, ২৯, ৩২
বর্ষ-ভার্য্যা—১৩
বল্লভশক্তি—৮৬, ৮৯
বশীকরণ--১১৬
বসন্তক—বিদূষক; ৮০, ১০১, ১১৪, ১১৫, ১১৬, ১১৭, ১২৭, ১৩১, ১৩২, ১৪৯, ১৫২
বসন্তোৎসব—২৫
বসু—৭৯
বসুদত্ত—৯
বসুনেমি—৮৩, ৮৪
বহসুবর্ণক—৬৩
বাগ্‌দেবী—১
বাত্তিক—২৯
বালখিল্য—১২৩
বালবিনষ্ট -১৪৭, ১৪৮
বাসব—১০৯
বাসবদত্তা—চণ্ড মহাসেনের কন্যা উদয়নের পত্নী; ১০৩, ১০৪, ১০৯, ১১০, ১১৩, ১১৬, ১১৭, ১২৭, ১২৮, ১২৯, ১৩০, ১৩১, ১৩২, ১৪৪, ১৪৫, ১৪৭, ১৫০, ১৫১, ১৫২
বাসুকি—৮৩, ১০৩
বাহশালী—৯১, ৯২, ৯৩, ৯৯, ১০০
বিক্রমশক্তি—৮৬, ৮৭, ৮৯, ৯০, ১০০
বিগতভয়--৮৫, ৮৬, ৯৮
বিট— -দুর্শরিত্রাশয়ের কামুক ব্যক্তি; ৫০
বিদূষক--৮০, ১০৮, ১১৬
বিদ্যাধর—২, ৭১, ৭৭, ৮১, ১০৯, ১৫১
বিদ্যাধরী--১৩০
বিদ্যুৎপ্রভা—৮৮
বিধূম—৭৯
বিনতা—গরুড়ের মাতা; ১২২
বিন্ধ্য পর্বত--১১১, ১৩১
বিন্ধ্যারণ্য—৬, ৭, ১৯, ২২, ৪৫, ৬২, ৯৪, ৯৬, ৯৯, ১১১, ১১২, ১১৪, ১৩০, ১৩১ ১৪৫
বিন্ধ্যবাসিনী—দুর্গা; ৭, ১৮, ৪৪, ৪৬, ৫২, ৬২
বিভীষণ—১২০, ১২১, ১২২, ১২৩, ১২৭
বিমকি—৯০, ৯২, ১০০
বিশ্বদত্ত—৯৭
বিশাখিল—৪৮,৪৯
বিবরচিত্তা(ক.)—১৫০
বিষমশীল:—১
বিষ্ণু—৮৮, ১২৪
বিষ্ণুবেণী--১২৫
বিষ্ণুমতী—৭৭
বিষ্ণুশক্তি—৫৬
বীরবাহু—১২৯
বৃহৎকথা— ১, ৪৪, ৪৫, ৭১, ৭২, ৭৩, ৭৪

বৃহস্পতি--৪৪
বেতসা—১
বেতাল—১১৪
বেদকুম্ভ—৬৫
বেলা—১
বৈশ্বানৰ—৩৪
ব্যাড়ি—১০, ১২, ১৩
ব্যাকৰণ শাস্ত্ৰ—৫৭
ব্যাঘ্ৰভট—৬৮, ৮৬
ব্ৰহ্মা—৩, ৭৮
ব্ৰহ্মৰাক্ষস—
ব্ৰহ্মদত্ত—১৭
ভদ্ৰৱতী—১২৮, ১২৯, ১৩০
ভৰদ্বাজ--৬১
ভৰুকচ্ছ—ব্ৰোচ; ৫২, ৫৯
ভৱানী—২
ভৱানীশ—৯৩
ভীম--৮৬
ভূতিবৰ্মা—৬২, ৬৩
ভোগবৰ্মা—৩৯, ৪০
ভোজিক——১৫
মকৰদংষ্টা—১১৭, ১১৮, ১২৪
মকৰন্দ—১১৭, ১১৮, ১২৪
মঞ্জুলিকা—১৫০
মণিভদ্ৰ—১৪১
মথুৰা—৯৩, ৯৭, ৯৮, ১২৩
মথুৰাবাসী--১২৬
মদন—২০
মদনমঞ্জুকা—১
মদিৰাৱতী—১
মন্ত্ৰস্বামী—৬৫
মন্দৰ (মন্দাৰ)—২
মহাকাল—১০৬
মহাদেৱ—২, ৩, ৬, ৭, ৮, ২৯, ৪৪, ৬৪, ৬৫, ৬৬, ১০৬, ১৩৪
মহাভিবেক—১
মহামাৰী—১২৬
মহাবল—৮৬
মহাব্ৰত--৭, ৮
মহিষী--৩৫, ৩৬
মহীধৰ—৬৯
মহেন্দ্ৰ --৫৫
মহেন্দ্ৰৱৰ্মণ—১৬
মাল্যৱান (মাল্যৱন্ত) ৬, ৮, ৪৪, ৪৬, ৬৩, ৬৯, ৭০
মাতলি--ইন্দ্ৰৰ সাৰথি; ৭৮, ৮০, ৮১
মায়াসুৰ—১৯
মায়াৱতী—১৩০
মালৱ—৯০
মৃগয়া—৫৩
মৃগাৱতী—৭৯, ৮০, ৮১, ৮২, ৮৩, ৮৪, ৮৫, ১০০, ১০২
মৃগাঙ্কৱতী—৮৫, ৯১, ৯২, ৯৪, ৯৫, ৯৭, ৯৭, ৯৮, ৯৯, ১০০
মৃগাঙ্ক—৮৮, ৯০, ৯৩, ৯৫
মেনকা--অপ্সৰা ১৫১
মোচনিকা--১৫১
যক্ষমন্দিৰ—১৪২
যক্ষ—৩, ৮, ৫৪, ৬৩
যজ্ঞদত্ত—১৬, ১৭
যজ্ঞসেন—৮৫
যোগনন্দ—৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৭, ৩৮, ৪০, ৪১, ৪২, ৪৩, ৪৪
যম (ৰাজ)—৪৪, ৬৭, ৬৮
যমদ্ৰংষ্ট্ৰ—৭৮
যুগন্ধৰ—৮০
যোগেশ্বৰ—১১৪, ১১৫
যৌগন্ধৰায়ণ—৮০, ১০১, ১০৩, ১০৫, ১১৪, ১১৫, ১২৮, ১২৯, ১৩১, ১৪৭, ১৪৯

রত্নপ্রভা—১
রাক্ষস—৮, ৩৭, ৩৮, ৬৩
রাক্ষসী—৩৫, ৩৬
রাজগৃহ—১৫
রাজমহিষী—৩৬
রাজহংস—৫৬
রাজলক্ষ্মী—১১৩, ১৪৬
রাম—১২০
রুদ্র—৯
রুদ্র শর্মা—১৪৭, ১৪৮, ১৪৯
রুমংবান্—৮০, ১০১, ১১৩, ১১৪, ১৩১, ১৪৬ ১৪৭, ১৪৯
রুরু—মুনিপুত্র; ১৫১, ১৫২
রূপিণিকা—১১৭, ১১৮, ১১৯, ১২৩, ১২৪, ১২৫, ১২৭
রোদসী—স্বর্গ আর পৃথিবী; ৯
লঙ্কা—১২০, ১২১, ১২২, ১২৩
লম্বক—১
লক্ষ্মী / লক্ষ্মীদেবী—১৫, ৮৫, ৮৭, ৯৯
লক্ষ্মী-সরস্বতী—২১
লাবাণক—১
লোহজঙ্ঘ—১১৭, ১১৮, ১১৯, ১২০, ১২১, ১২২, ১২৩, ১২৪, ১২৫, ১২৬, ১২৭
শকটাল (শাকটাল)—৩০, ৩১ ৩২, ৩৪, ৩৭, ৩৮, ৪০, ৪১, ৪২, ৪৩, ৪৪
শক্তিমতী—৫৩, ১৪১, ১৪২
শক্তিযশা-১
শঙ্কর—৩, ৬, ৬৩, ৬৯, ৭০
শঙ্করস্বামী—১১, ৩৮, ৪০, ৪১, ৪৩, ৪৪
শতানীক —৭৭, ৭৮, ৭৯
শবর—৮৩, ৮৪, ৯৫, ৯৬
শম্ভু—১, ৫
শর্ববর্মা—৫১, ৫৩, ৫৭, ৫৮, ৫৯, ৬০, ৬২
শর্বাণী—৬
শশাঙ্কবতী—১
শাকাহারী (মুনি)—৪৫
শাণ্ডিল্য—৭৮
শিব—২, ৫, ৮, ৯, ১৬, ৭৭
শিবগণ—১২৫
শিবপুত্র—১৪
শিব-মন্দির—৮৭
শিব-রম্ভা—৩
শিব বর্মা—৫১, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬২
শিব শর্মা—৩৯, ৪৩
শিবি—৬৭, ৬৮
শূরসেনা—৯৭, ৯৯, ১০০
শ্রী—৬৫, ৬৬
শ্রীচণ্ড—৯৬
শ্রীদত্ত—৮৫, ৮৬, ৮৭, ৮৮, ৮৯, ৯০, ৯১, ৯২, ৯৩, ৯৪, ৯৫, ৯৬, ৯৭, ৯৮, ৯৯, ১০০
শ্রীদেবী—৮৬
শ্রুতার্থা—৪৭
শৈলাধিরাজতনয়া—পার্বতী; ৬, ৭০
সংগতক—৮৫, ১০০
সংস্কৃত—৪৬, ৫৮
সন্ধ্যা—৪
সমগ্র বেদ—১৩
সমুদ্রগুপ্ত—১৪২
সমুদ্র-মন্থন—২
সরস্বতী—১৫, ৩৩, ৩৫, ৪১, ৫৭
সরস্বতী পূজা—১১৬

সহস্রানীক—৭৮, ৭৯, ৮০, ৮১, ৮৪, ১০০, ১০১, ১০২
সাংকৃত্যায়নী—১৫১
সাত—৫৪
সাতবাহন—৪৬, ৫১, ৫৪, ৫৫, ৫৭, ৫৯, ৬১, ৬২, ৭১, ৭২, ৭৩, ৭৭
সার্থৱাহ—৬২
সার্থৱাহ-পুত্র—১৪৩

সাম-গায়ক—৫০
সিংহগুপ্ত—৫৮, ৫৯
সিদ্ধ—৭১
সিদ্ধিকৰী—১৩৫, ১৩৬, ১৩৭
সিদ্ধোবর্ণ-সমাম্নায়ঃ—৬১
সুন্দৰী—৯৬, ১০০
সুপ্ৰতীক—৬. ৭৮, ৮০
সুপ্ৰতিষ্ঠিত (নগৰ)—৪৬, ৪৮
সুবন্ধু—৪৩
সুৰতমঞ্জৰী—১
সুশৰ্মা—৬৫, ৬৬, ৬৭, ৬৯
সূৰ্য্যপ্ৰভা—১
সোমদত্ত—৯, ৬৯
সোমদেৱ—৬, ১৪, ২১,, ৩৩, ৪৫, ৫৯, ৭০, ৭৪, ৮৪, ১০২, ১১০, ১২৭, ১৪৪, ১৫২
সোম শৰ্মা—৪৬
স্কন্দ—কাৰ্ত্তিক; ৬১
স্কন্দ-জননী—১৬
স্থূলকেশ—১৫১
স্থূলশিৰা—৮
স্বৰ্ণমূল—১২১
হৰি—১২৬
হিমৱান্—১
হিমালয়—২, ৪, ২৩, ২৪, ২৯, ৬৯
হিৰণ্যগুপ্ত—২৪, ২৫, ২৭, ২৮, ৪০

* 'ব' আৰু 'ৱ' একে লগে দিয়া হৈছে আৰু প্ৰচলিত ৰীতি অনুসাৰে প্ৰায়ে 'ৱ'ৰ ঠাইত 'ব' লিখাও হৈছে।